# সমষ্টিবাদী অৰ্থবিজ্ঞান পৰিচয়

## উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি


**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ**

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ দ্বাৰা পাঠ্যপুথিৰ আধাত

**প্ৰথম প্ৰকাশ ঃ**
মে’, ২০১১
**চতুৰ্থ প্ৰকাশ ঃ**
জুলাই, ২০১৭

**মূল সংস্কৰণ ঃ**
© ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

**অধিগৃহীত ঃ**
© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, ২০১০

**মূল্য ঃ** ৯৪.০০ টকা

**মুদ্ৰণ ঃ** ৭০ জি.এছ্. এম.
বেটুপাত ঃ ১৫০ জি.এছ্. এম.

**প্ৰচ্ছদ ঃ** ধীৰাজ ডেকা

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিবৰ দ্বাৰা প্ৰকাশিত**
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

**মুদ্ৰক ঃ** আৰ্ট এন ইমেজ

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ
**অৰুনোদয় প্ৰকাশন**
পাণবজাৰ, গুৱাহাটী-১

**সৰ্বস্বত্ব সংৰক্ষিত**

■ প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেক্ট্ৰ’নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।

■ এই কিতাপখনৰ বিক্ৰী এই চুক্তিসাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটুপাত, ‘বাইণ্ডিঙ’ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰিব, ভাড়া দিব, পুনৰ বিক্ৰী কৰিব নাইবা ধাৰলৈ দিব নোৱাৰিব।

■ এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ ‘ষ্টাম্প’, ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ’ব আৰু বিবেচিত নহ’ব।

# ভূমিকা

অৰ্থনীতিৰ বিশ্বায়ন, তথ্য প্ৰযুক্তিৰ নিত্য-নতুন উদ্ভাৱন আৰু উৎপাদন প্ৰক্ৰিয়াত নতুন প্ৰযুক্তি ব্যৱহাৰৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ২০০৫ বৰ্ষত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ নতুন ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ (National Curriculum Framework 2005 or NCF-2005) প্ৰস্তুত কৰি উলিয়াইছে। এই গাঁথনিৰ জৰিয়তে উন্নয়নৰ বিষয় আৰু আন আন সামাজিক প্ৰসংগসমূহ সামৰি ৰাজ্যসমূহৰ পাঠ্যক্ৰম, পাঠ্যসূচী, শিক্ষণ-শিকন সামগ্ৰী আৰু শিক্ষকৰ অভিযোজিত আদান-প্ৰদান কৌশলৰ বাবে অৰ্হতা বৃদ্ধি কৰিবলৈ যত্ন কৰা হৈছে। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে পাঠ্যক্ৰমৰ লগত ৰজিতা খুৱাই পাঠ্যপুথিৰ লেখীয়া মুদ্ৰণ আৰু অন্যান্য অমুদ্ৰণ (Non-printing) শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি উলিয়াইছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদেও বিভিন্ন দিশ বিবেচনা কৰি এই সুবিধাসমূহ গ্ৰহণ কৰি শিক্ষা আগবঢ়াই আহিছে।

উচ্চতৰ মাধ্যমিক খণ্ডৰ ছাত্ৰ-ছাত্ৰীসকললৈ গুণগত শিক্ষা আগবঢ়োৱাৰ লগতে যুগৰ প্ৰয়োজনীতা পূৰাবলৈ শিক্ষা সংসদে সময় সময়ে ইয়াৰ পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ সংশোধন কৰি আহিছে।

আমাৰ দেশৰ অৰ্থনীতিত অতি সাম্প্ৰতিক সংযোজন হ'ল 'পণ্য-সামগ্ৰী আৰু সেৱা কৰ' চমুকৈ জি এছ টি (Goods and Service Tax)— যাৰ প্ৰভাৱ দেশৰ প্ৰতিগৰাকী লোকৰ ওপৰত। আজিৰ ছাত্ৰ-ছাত্ৰী, কাইলৈ দেশৰ নাগৰিক। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে দেশপ্ৰেম আৰু দেশৰ প্ৰতি কৰ্তব্য পালনেৰে সংবিধানৰ প্ৰতি সন্মান জনাই নৱসংযোজিত জি এছ টিৰ বিষয়ে সম্যক জ্ঞান লোৱাৰ প্ৰয়োজন আহি পৰিছে। সেইমৰ্মে 'পণ্য-সামগ্ৰী আৰু সেৱা কৰ' শিৰোনামাৰে এটি পাঠ অৰ্থনীতিৰ এই পুথিখনৰ সৈতে পৰিশিষ্ট ৰূপত সংযোজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ বাবে অতি কম সময়তে এই পাঠটি লিখি প্ৰস্তুত কৰি দিয়া বাবে আমেৰিকা যুক্তৰাষ্ট্ৰত কৰ্মৰত অসম সন্তান অধ্যাপক হিৰণ্য কুমাৰ নাথলৈ আমি ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে অনুবাদক তথা সম্পাদনা সমিতিৰ সমূহ সদস্য আৰু সমন্বয়কৰ অৰিহণাৰ শলাগ লৈছোঁ।

ছাত্ৰ সমাজৰ হিত সাধন আমাৰ প্ৰধান লক্ষ্য। এই হিত সাধনৰ বাবে বিজ্ঞজনৰ পৰা গঠনমূলক দিহা-পৰামৰ্শ আগ্ৰহেৰে আশা কৰিলোঁ যাতে পৰৱৰ্তী তাঙৰণসমূহ উন্নত ৰূপত আগবঢ়াব পৰা যায়।

**শ্ৰীসীমান্ত কুমাৰ দাস**
সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ
বামুণীমৈদাম, গুৱাহাটী-২১

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

“আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকে সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি -- আমাৰ এই সংবিধানসভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত, ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।”

# Textbook Development Committee

CHAIRPERSON, ADVISORY COMMITTEE FOR SOCIAL SCIENCE TEXTBOOKS AT THE HIGHER SECONDARY LEVEL

CHIEF ADVISOR

Tapas Majumdar, *Professor Emeritus of Economics,* Jawaharlal Nehru University, New Delhi

ADVISOR

Satish Jain, *Professor,* Centre for Economics Studies and Planning, School of Social Science, Jawaharlal Nehru University, New Delhi

MEMBERS

Harush Dhawan, *Lecturer*, Ramlla Anand College (Evening), New Delhi

Papiya Ghosh, *Lecturer,* 309, Godavari Hostel, Jawaharlal Nehru University, New Delhi

Rajendra Prasad Kundu, *Lecturer,* Economics Department, Jadavpur University, Kolkata

Sugato Das Gupta, *Assitant Professor,* CESP, Jawaharlal Nehru University, New Delhi

Tapasik Banerjee, *Research Fellow*, Kaveri Hostel, Jawaharlal Nehru University, New Delhi

MEMBER-COORDINATOR

Jaya Singh, *Lecturer*, Economics, Department of Education in Social Sciences and Humanities, NCERT, New Delhi

# অসমীয়া অনুবাদ সমিতি


**সমন্বয়ক তথা সম্পাদনা**

**ড° কন্দৰ্প কুমাৰ বৰ্মন**
*অধ্যাপক*, অৰ্থনীতি বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

**সমিতিৰ সদস্যসকল ঃ**

**ড° গায়ত্ৰী মেধি**
*সহযোগী অধ্যাপিকা*, অৰ্থনীতি বিভাগ
বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা

**ড° হেম চন্দ্ৰ ডেকা**
*সহযোগী অধ্যাপক*, অৰ্থনীতি বিভাগ
ডিমৰীয়া মহাবিদ্যালয়, ক্ষেত্ৰী

**ড° বিনয়ব্ৰত ৰাজখোৱা**
*সহযোগী অধ্যাপক*, অৰ্থনীতি বিভাগ
চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়,
টীয়ক, যোৰহাট

**পৰিশিষ্ট ঃ 'পণ্য-সামগ্ৰী আৰু সেৱা কৰ'ৰ লেখক**

**ড° হিৰণ্য কুমাৰ নাথ**
*অধ্যাপক*, অৰ্থনীতি বিভাগ
ছেম হিউষ্টন ষ্টেট ইউনিভাৰ্ছিটি
হান্সভিল, টেক্সাছ, আমেৰিকা যুক্তৰাষ্ট্ৰ

# সমষ্টিবাদী অৰ্থবিজ্ঞান পৰিচয়

## সূচীপত্ৰ


ভূমিকা

1. **প্ৰথম অধ্যায় ঃ সূচনা** ১

   1.1. সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন ৭

   1.2. এই পাঠ্যপুথিত সন্নিৱিষ্ট সমষ্টিবাদী অৰ্থবিজ্ঞানৰ বিষয়ে এক আভাস ৮

2. **দ্বিতীয় অধ্যায় ঃ জাতীয় আয় গণনা** ১৪

   2.1. সমষ্টিবাদী অৰ্থনীতিৰ কেতবোৰ মূল ধাৰণা ১৫

   2.2. আয়ৰ চক্ৰীয় প্ৰবাহ আৰু জাতীয় আয় গণনাৰ পদ্ধতিসমূহ ২৮

      2.2.1. উৎপাদন বা মূল্য সংযোজন পদ্ধতি ৩৩

      2.2.2. ব্যয় পদ্ধতি ৪১

      2.2.3. আয় পদ্ধতি ৪৪

   2.3. সমষ্টিবাদী অৰ্থনীতিৰ কেতবোৰ অভেদ

   2.4. দ্ৰব্য আৰু মূল্য

   2.5. মুঠ ঘৰুৱা উৎপাদন আৰু কল্যাণ

3. **তৃতীয় অধ্যায় ঃ মুদ্ৰা আৰু বেংক ব্যৱস্থা**

   3.1. মুদ্ৰাৰ কাৰ্যাৱলী

   3.2. মুদ্ৰাৰ চাহিদা

      3.2.1. লেনদেনৰ অভিপ্ৰায়


      3.2.2. লাভৰ কল্পনাপ্ৰসূত অভিপ্ৰায়

   3.3. মুদ্ৰাৰ যোগান

      3.3.1. বৈধ সংজ্ঞা ঃ সংকীৰ্ণ আৰু বিস্তৃত মুদ্ৰা

3.3.2. বেংক ব্যৱস্থাৰ দ্বাৰা মুদ্ৰাৰ সৃষ্টি
3.3.3. মৌদ্ৰিক নীতিৰ আহিলাসমূহ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংক
4. **চতুৰ্থ অধ্যায় ঃ আয় নিৰ্ধাৰণ**
4.1. প্ৰত্যাশিত আৰু শেহান্ত
4.2. একেডাল ৰেখাত গতিশীল হোৱা আৰু ৰেখাডাল স্থানান্তৰ
4.3. উৎপাদনৰ বজাৰত হ্ৰস্বকালীন স্থিৰ দৰ নিৰ্ধাৰণ
4.3.1. সামগ্ৰিক চাহিদা ৰেখাৰ এটা বিন্দু
4.3.2. উৎপাদন বজাৰত ভাৰসাম্য চাহিদাৰ স্বয়ংক্ৰিয় পৰিৱৰ্তনৰ প্ৰভাৱ
4.3.3. গুণক প্ৰক্ৰিয়া
5. **পঞ্চম অধ্যায় ঃ চৰকাৰ; কাৰ্যাৱলী আৰু পৰিসৰ**
5.1. চৰকাৰী বাজেটৰ উপাদানসমূহ
5.1.1. ৰাজহ হিচাপ
5.1.2. মূলধনী হিচাপ
5.1.3. চৰকাৰী ঘাটিৰ পৰিমাপসমূহ
6. **ষষ্ঠ অধ্যায় ঃ মুক্ত অৰ্থনীতিত সমষ্টিবাদী অৰ্থনীতি বিজ্ঞান**
6.1. বৈদেশিক লেন-দেনৰ বিবৃতি
6.1.1. বৈদেশিক লেন-দেনৰ বিবৃতিৰ উদ্বৃত্ত আৰু ঘাট
6.2. বৈদেশিক মুদ্ৰাৰ বজাৰ
6.2.1. বিনিময় হাৰ নিৰ্ধাৰণ
6.2.2. পৰিৱৰ্তনশীল বিনিময় হাৰ
6.2.3. স্থিৰ বিনিময় হাৰ
6.2.4. পৰিচালিত ভাসমান
6.2.5. বিনিময় হাৰ পৰিচালনা ঃ আন্তৰ্জাতিক অভিজ্ঞতা
6.3. মুক্ত অৰ্থনীতিত আয় নিৰ্ধাৰণ
6.3.1. মুক্ত অৰ্থনীতিত জাতীয় আৰ অভেদ বা সাদৃশ্য
6.3.2. ভাৰসাম্য উৎপাদন আৰু বাণিজ্যৰ পৰিভাষা
6.4. বাণিজ্য ঘাটি, সঞ্চয় আৰু বিনিয়োগ অৰ্থনৈতিক পৰিভাষা
7. **পৰিশিষ্ট ঃ পণ্য-সামগ্ৰী আৰু সেৱা কৰ**

## প্ৰথম অধ্যায়



# সূচনা
# (Introduction)

ছাত্ৰ-ছাত্ৰীসকলক ইতিমধ্যে ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ মূল বিষয়সমূহৰ বিষয়ে অৱগত কৰা হৈছে। এই অধ্যায়ত ব্যষ্টিবাদী অৰ্থবিজ্ঞান আৰু সমষ্টিবাদী অৰ্থবিজ্ঞানৰ মাজত কিধৰণৰ প্ৰভেদ আছে সেই বিষয়ে এক সহজ ব্যাখ্যা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে অৰ্থবিজ্ঞানক বিশেষভাৱে অধ্যয়ন কৰিবলৈ অগ্ৰসৰ হ'ব, তেওঁলোকে আধুনিক সমষ্টিবাদী অৰ্থবিজ্ঞান অধ্যয়ন কৰাৰ বাবে অৰ্থনীতিবিদসকলে ব্যৱহাৰ কৰা অধিক জটিল বিশ্লেষণসমূহ যথাসময়ত জানিবলৈ সক্ষম হ'ব। কিন্তু সমষ্টিবাদী অৰ্থনীতিত সমূহীয়াভাৱে কিছুমান অৰ্থনৈতিক প্ৰশ্নৰ অৱতাৰণা কৰা হয়, যেনে সামগ্ৰিকভাৱে বস্তুৰ দাম বাঢ়িছে নে কমিছে? সমগ্ৰ দেশৰ বা অৰ্থনীতিখনৰ কিছুমান খণ্ডৰ নিয়োগৰ অৱস্থা উন্নত হৈছে নে অৱনতি হৈছে? এখন অৰ্থনীতিৰ উন্নতি অথবা অৱনতি দেখুৱাবলৈ কোনবোৰ যুক্তিপূৰ্ণ নিৰ্দেশক হ'ব পাৰে? কিধৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব পাৰে? অথবা এখন অৰ্থনীতিৰ অৱস্থা উন্নত কৰিবলৈ চৰকাৰে কিধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাটো জনসাধাৰণে কামনা বা ইচ্ছা কৰে? এইধৰণৰ প্ৰশ্নবোৰে আমাক এখন দেশৰ সামূহিক অৰ্থনীতিৰ সুস্থ অৱস্থাৰ বিষয়ে ভাবিবলৈ উৎসাহ যোগায়।

সমষ্টিবাদী অৰ্থনীতিত এই প্ৰশ্নবোৰৰ বিভিন্ন স্তৰত এক বিশ্লেষণাত্মক আলোচনা কৰা হয়।

সমষ্টিবাদী অৰ্থনীতি বিশ্লেষণৰ কিছুমান মৌলিক তত্ত্বৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণ কৰাটো প্ৰয়োজনীয়। সেয়েহে এই মৌলিক তত্ত্ববোৰ যিমান সম্ভৱ সহজ ভাষাত ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে। তদুপৰি কিছুমান জটিল তত্ত্বৰ বিশ্লেষণ কৰাৰ অৰ্থে কোনো কোনো ক্ষেত্ৰত প্ৰাথমিক বীজগণিত ব্যৱহাৰ কৰা হৈছে।

এখন দেশৰ সামূহিক অৰ্থনীতিৰ বিষয়ে নিৰীক্ষণ কৰিলে দেখা যায় যে অৰ্থনীতিখনৰ সকলোধৰণৰ বস্তু আৰু সেৱাৰ উৎপাদনৰ স্তৰবোৰৰ প্ৰায় একেলগে পৰিৱৰ্তন হোৱাৰ প্ৰৱণতা আছে। উদাহৰণস্বৰূপে যদি খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি হয়, ই স্বভাৱতে উদ্যোগজাত দ্ৰব্যৰ উৎপাদনৰ পৰিমাণ বৃদ্ধিত অৰিহণা যোগায়। উদ্যোগজাত দ্ৰব্যসমূহৰ ভিতৰতো আকৌ বিভিন্ন প্ৰকাৰৰ বস্তুৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি অথবা হ্ৰাস সমকালীনভাৱে হ'বলৈ আৰম্ভ কৰে। সেইদৰে বিভিন্ন প্ৰকাৰৰ বস্তু আৰু সেৱাসমূহৰ মূল্য সমকালীনভাৱে বৃদ্ধি বা হ্ৰাস হোৱাৰ প্ৰৱণতা দেখা যায়। তদুপৰি বিভিন্ন উৎপাদন খণ্ডত নিয়োগৰ পৰিমাণ একেলগে বৃদ্ধি অথবা হ্ৰাস হোৱা পৰিলক্ষিত হয়।

যদি এখন অৰ্থনীতিৰ বিভিন্ন উৎপাদন গোটৰ সামগ্ৰিক উৎপাদনৰ স্তৰ, মূল্যস্তৰ অথবা নিয়োগৰ স্তৰৰ মাজত ওচৰ সম্বন্ধ থাকে, তেন্তে সামগ্ৰিক অৰ্থনীতিৰ বিষয়ে বিশ্লেষণ কৰাটো তুলনামূলকভাৱে সহজ হয়। ওপৰত উল্লেখ কৰা চলক (Variables)সমূহৰ লগত গাইগুটীয়াভাৱে জড়িত থকাৰ পৰিবৰ্তে এখন অৰ্থনীতিত উৎপাদন হোৱা সকলোবোৰ বস্তু আৰু সেৱাৰ প্ৰতিনিধিত্বমূলক হিচাপে নিৰ্দিষ্ট এটা বস্তুক লোৱাৰ বিষয়ে চিন্তা কৰিব পাৰি। এই প্ৰতিনিধিত্বমূলক বস্তুবিধৰ উৎপাদনৰ এটা নিজা স্তৰ (Level) থাকে আৰু এই স্তৰটোৰ আন সকলোবোৰ বস্তু আৰু সেৱা দ্ৰব্যৰ গড় উৎপাদনৰ স্তৰৰ লগত ওচৰ সম্বন্ধ থাকে। একেদৰে এই প্ৰতিনিধিত্বমূলক বস্তুবিধৰ মূল্যস্তৰে অথবা নিয়োগৰ স্তৰে অৰ্থনীতিখনৰ সাধাৰণ মূল্যস্তৰ আৰু নিয়োগৰ স্তৰক প্ৰতিবিম্বিত কৰিব পাৰে।

সাধাৰণতে সমষ্টিবাদী অৰ্থনীতিত এখন দেশৰ মুঠ উৎপাদন আৰু নিয়োগৰ স্তৰসমূহ কিদৰে 'বিভিন্ন উপাদান বা চলক'ৰ লগত সম্পৰ্কযুক্ত সেই বিষয়ে সহজ বিশ্লেষণ আগবঢ়োৱা হয়, যেনে— মূল্যস্তৰ, সুদৰ হাৰ, মজুৰি হাৰ, লাভ আৰু আন আন। এই বিশ্লেষণত নিৰ্দিষ্ট এটা কাল্পনিক বস্তুৰ ওপৰত আলোকপাত কৰা হয় আৰু ইয়াৰ ক্ষেত্ৰত কি সংঘটিত হয় সেইটো লক্ষ্য কৰা হয়। অৰ্থাৎ সমষ্টিবাদী অৰ্থনীতিৰ বিশ্লেষণত ওপৰত উল্লেখ কৰাধৰণে

সৰলীকৰণ ব্যৱস্থা সৃষ্টি কৰা হয় আৰু বজাৰত দৰাচলতে ক্রয়-বিক্রয় হোৱা বহুতো আচল দ্রব্যৰ ক্ষেত্রত প্রকৃততে কি ঘটিছে সেইটো অধ্যয়নৰ পৰা ব্যৱহাৰিকভাৱে বিৰত থকা হয়। সাধাৰণতে দাম, সুদ, মজুৰি আৰু লাভ আদিৰ ক্ষেত্রত কি সংঘটিত হয় সেইটোহে লক্ষ্য কৰা হয়। কাৰণ এটা চলকৰ ক্ষেত্রত যি ঘটে, কম-বেছি পৰিমাণে আনবোৰৰ ক্ষেত্রতো সেইটো সংঘটিত হয়। বিশেষকৈ যেতিয়া এই চলকবোৰ উচ্চ হাৰত পৰিৱৰ্তন হ'বলৈ ধৰে, যেনে— যেতিয়া মূল্যস্তৰ ঊৰ্ধ্বগামী হয় (যাক মুদ্রাস্ফীতি বোলা হয়) অথবা নিয়োগৰ পৰিমাণ আৰু উৎপাদনৰ স্তৰ নিম্নগামী হয় (মন্দা অৱস্থাৰ শিৰোনাম), তেতিয়া এই চলকবোৰৰ পৰিৱৰ্তনে আন সকলোধৰণৰ বস্তুৰ প্রত্যেকৰে পৰিৱৰ্তন হোৱাৰ সাধাৰণ নিৰ্দেশ দিয়ে। কাৰণ সামগ্রিক চলকবোৰৰ পৰিৱৰ্তন হ'লে গোটেই অৰ্থনীতিৰ পৰিৱৰ্তন হোৱা দেখা যায়।

অৱশ্যে মাজে-সময়ে এই প্রয়োজনীয় সৰলীকৃত প্রক্রিয়াৰ পৰা বিৰত থাকিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। বিশেষকৈ যেতিয়া উপলব্ধি কৰা হয় যে এখন দেশৰ বিভিন্ন খণ্ডসমূহক (Distinct sectors) একেলগে লক্ষ্য কৰিলে দেশখনৰ সামগ্রিক অৰ্থনীতিৰ বিষয়ে (বহুত বেছি) ভালকৈ জানিব পৰা যায়। আকৌ কিছুমান বিশেষ উদ্দেশ্যৰ বাবে এখন অৰ্থনীতিৰ দুটা খণ্ড (কৃষি আৰু উদ্যোগ)ৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতা অথবা পৰস্পৰ বিৰোধিতাসমূহৰ বিষয়ে বিভিন্ন খণ্ডবোৰ মাজত থকা সম্পৰ্কবোৰৰ অধ্যয়নৰ (যেনে পৰিয়াল, ব্যৱসায়-বাণিজ্য আৰু গণতান্ত্রিক ব্যৱস্থাত চৰকাৰ) দ্বাৰা (অকল দেশৰ সামগ্রিক অৰ্থনীতিৰ প্রতি লক্ষ্য কৰাতকৈ) সেই অৰ্থনীতিখনত সংঘটিত হোৱা ঘটনাবোৰৰ (Things happening) বিষয়ে বেছি ভালকৈ বুজিব পাৰি।

যেতিয়া বিভিন্ন বস্তুবোৰৰ পৰা বিৰত থাকি কেৱল এটা প্রতিনিধিত্বমূলক বস্তুৰ ওপৰত আলোকপাত কৰাটো বেছি সুবিধাজনক বুলি বিবেচিত হয়, তেনে ব্যৱস্থাত প্রত্যেকটো বস্তুৰ কিছুমান গুৰুত্বপূৰ্ণ তথা স্বতন্ত্র বৈশিষ্ট্যক অৱজ্ঞা কৰিবলগীয়াত পৰে। উদাহৰণস্বৰূপে কৃষিজাত আৰু উদ্যোগজাত দ্রব্যৰ উৎপাদনৰ অৱস্থাবোৰ একেধৰণৰ নহয়, ই ভিন্ন প্রকৃতিৰ। আকৌ যদি নিৰ্দিষ্ট এক শ্রেণীৰ শ্রমিকক সকলো শ্রেণীৰ শ্রমিকবোৰৰ প্রতিনিধিত্বমূলক শ্রমিক হিচাপে বিবেচনা কৰা হয়, তেন্তে এটা প্রতিষ্ঠানৰ মেনেজাৰজনৰ শ্রমৰ পৰা সেই প্রতিষ্ঠানৰ হিচাপৰক্ষকজনৰ শ্রমৰ মাজত থকা পাৰ্থক্য দেখুওৱাটো অসম্ভৱ হৈ পৰে। সেয়েহে অনেক সময়ত নিৰ্দিষ্ট এবিধ বস্তুক প্রতিনিধিত্বমূলক বস্তু হিচাপে লোৱাৰ পৰিবৰ্তে (শ্রম নাইবা উৎপাদন প্রযুক্তি) এমুঠি (Handful) বিভিন্ন প্রকাৰৰ বস্তুক লোৱা হয়।

উদাহৰণস্বৰূপে, এখন অৰ্থনীতিত উৎপাদন হোৱা বিভিন্নধৰণৰ বস্তুৰ ভিতৰত তিনিবিধ সাধাৰণ প্ৰকাৰৰ বস্তুক প্ৰতিনিধিত্বমূলক হিচাপে বিবেচনা কৰিব পাৰি, যেনে কৃষিজাত বস্তু, উদ্যোগজাত বস্তু আৰু সেৱাসমূহ। এই বস্তুবোৰৰ উৎপাদন প্ৰযুক্তি আৰু দাম বিভিন্নধৰণৰ হোৱা দেখা যায়। সমষ্টিবাদী অৰ্থনীতিয়ে আকৌ এই বিভিন্ন বস্তুবোৰৰ গাইগুটীয়াভাৱে কিদৰে উৎপাদনৰ স্তৰ, মূল্যস্তৰ আৰু নিয়োগৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়, সেই বিষয়েও আলোচনা কৰে।

ওপৰৰ আলোচনাৰ পৰা আৰু ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বতে আহৰণ কৰা ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ জ্ঞানৰ পৰা এইটো সহজে উল্লেখ কৰিব পাৰি যে সমষ্টিবাদী অৰ্থবিজ্ঞান আৰু ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ মাজত কিছু পাৰ্থক্য আছে। ব্যষ্টিবাদী অৰ্থবিজ্ঞানত ব্যক্তিগত 'অৰ্থনৈতিক প্ৰতিনিধি'সকল (বক্সত দেখুওৱা হৈছে) আৰু তেওঁলোকক পৰিচালিত কৰা প্ৰেৰণাসমূহ (Motivations)ৰ প্ৰকৃতিৰ বিষয়ে আভাস দিয়া হয়। তেওঁলোক হ'ল 'ব্যষ্টি'গত ('সৰু' অৰ্থত) প্ৰতিনিধি, যেনে ভোক্তাসকল, যিসকলে নিজৰ পছন্দ আৰু আয় অপৰিবৰ্তিত থকা অৱস্থাত বস্তুৰ কাম্য সংযোগবোৰ ক্ৰয় কৰিবলৈ পছন্দ কৰে। সেইদৰে বিভিন্ন বস্তু উৎপাদন কৰা উৎপাদনকাৰীসকল, যিসকলে নিজে উৎপাদন কৰা বস্তুবোৰৰ উৎপাদন ব্যয় যিমান সম্ভৱ কম কৰাৰ চেষ্টা কৰে আৰু সেইবোৰ যথাসম্ভৱ বেছি দামত বজাৰত বিক্ৰী কৰি সৰ্বাধিক লাভ অৰ্জন কৰাৰ প্ৰয়াস কৰে। আন ভাষাত ব্যষ্টিবাদী অৰ্থবিজ্ঞান হ'ল চাহিদা আৰু যোগানৰ ব্যক্তিগত বজাৰসমূহৰ অধ্যয়ন আৰু 'খেলুৱৈ' (Palyers) অথবা সিদ্ধান্তকাৰীসকল হ'ল ব্যক্তি (যেনে— ক্ৰেতাবোৰ, বিক্ৰেতাবোৰ, কোম্পানীবোৰ), যিসকলে

**অৰ্থনৈতিক প্ৰতিনিধি (Economic agents)**

অৰ্থনৈতিক গোট বা প্ৰতিনিধি বুলিলে সেইবোৰ ব্যক্তি অথবা অনুষ্ঠানক বুজায় যিবোৰে অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোক ভোক্তা হ'ব পাৰে, যিয়ে কি আৰু কিমান পৰিমাণ ভোগ কৰিব সেই সিদ্ধান্ত লয়। তেওঁলোক বস্তু আৰু সেৱা উৎপাদনকাৰী হ'ব পাৰে, যিয়ে কি আৰু কিমান পৰিমাণ উৎপাদন কৰিব সেই সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি এইবোৰ নিজা অস্তিত্ব থকা গোট (Entities) হ'ব পাৰে, (যেনে চৰকাৰ, কৰ্প'ৰেচন, বেংক আদি) যিবোৰে বিভিন্ন অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে, যেনে কিমান খৰচ কৰিব লাগিব, ঋণৰ ওপৰত কি সুদৰ হাৰ নিৰ্ধাৰণ কৰা হ'ব, কৰ কিমান নিৰ্ধাৰণ কৰা হ'ব আদি।

নিজৰ লাভ তথা ব্যক্তিগত সন্তুষ্টি বা কল্যাণ সৰ্বোচ্চ কৰিবলৈ চেষ্টা কৰে। আনকি এটা বৃহৎ কোম্পানীকো এটা অৰ্থত 'ব্যষ্টিবাদী' বুলিব পাৰি, যিহেতু ই নিজৰ অংশীদাৰসকলৰ স্বাৰ্থৰক্ষাৰ বাবেহে কাম কৰে। এই কোম্পানীবোৰে সমগ্ৰ দেশৰ জনসাধাৰণৰ স্বাৰ্থৰ হকে কাম নকৰে। ব্যষ্টিবাদী অৰ্থনীতিৰ আলোচনাত সমষ্টিবাদী ঘটনাবোৰ (Phenomena), যিবোৰে সমগ্ৰ অৰ্থনীতিক প্ৰভাৱান্বিত কৰে, যেনে মূল্যবৃদ্ধি, নিবনুৱা আদিৰ বিষয়ে উল্লেখ কৰা নহয়, অৰ্থাৎ এইবোৰ অপৰিবৰ্তিত অৱস্থাত আছে বুলি ধৰি লোৱা হয়। কাৰণ এই চলকবোৰ হ'ল এনেধৰণৰ যে ব্যক্তিগত কিনোতা বা বেচোতাই এইবোৰৰ পৰিৱৰ্তন কৰিব নোৱাৰে। ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ অকল তেতিয়াহে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ লগত ওচৰ সম্বন্ধ স্থাপন হয়, যেতিয়া ই (ব্যষ্টিবাদী) সাধাৰণ ভাৰসমতাৰ বিষয়ে আলোকপাত কৰে। সাধাৰণ ভাৰসমতা হ'ল এনে এটা অৱস্থা য'ত এখন অৰ্থনীতিৰ প্ৰত্যেকখন বজাৰত চাহিদা আৰু যোগানৰ সমতা স্থাপন হয়।

সমষ্টিবাদী অৰ্থনীতিয়ে দেশ এখনৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থাৰ বিষয়ে ব্যাখ্যা কৰে। আধুনিক অৰ্থবিজ্ঞানৰ প্ৰতিষ্ঠাপক পিতৃ-স্বৰূপ আডাম স্মিথে পৰামৰ্শ দিছিল যে যদি ভোক্তা আৰু বিক্ৰেতাসকলে প্ৰত্যেকখন বজাৰত তেওঁলোকৰ নিজা স্বাৰ্থ ৰক্ষাৰ অৰ্থে সিদ্ধান্ত গ্ৰহণ কৰে, তেন্তে অৰ্থনীতিবিদসকলে সমগ্ৰ দেশৰ সম্পদ আৰু কল্যাণ সম্পৰ্কে পৃথককৈ চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজনীয়তা নাথাকে। অৱশ্যে অৰ্থনীতিবিদসকলে লাহে লাহে উপলব্ধি কৰিছে যে তেওঁলোকে আৰু অধিক সচেতন হোৱা উচিত।

অৰ্থনীতিবিদসকলে বিগত বছৰসমূহত সম্পন্ন কৰা বিভিন্ন অধ্যয়নৰ পৰা কিছুমান কথা দৃষ্টিগোচৰ হৈছে আৰু সেইবোৰ হ'ল ঃ প্ৰথমতে, অৰ্থনীতিত কিছুমান এনে অৱস্থা আছে, য'ত বজাৰ নাথাকে বা থাকিব নোৱাৰে।

দ্বিতীয়তে, আন কিছুমান অৱস্থা আছে য'ত বজাৰ আছে, কিন্তু চাহিদা আৰু যোগানৰ মাজত ভাৰসমতা নিৰ্ধাৰণ কৰাত ব্যৰ্থ হোৱা পৰিলক্ষিত হয়।

তৃতীয়তে, আকৌ বহুসংখ্যক এনে অৱস্থা আছে, য'ত সমাজে (বা চৰকাৰে অথবা সকলো মানুহে) কিছুমান দৰকাৰী সামাজিক লক্ষ্য নিস্বাৰ্থভাৱে অনুসৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে (যেনে নিয়োগ, প্ৰশাসন, প্ৰতিৰক্ষা, শিক্ষা, স্বাস্থ্য আদি)। অৱশ্যে এই সিদ্ধান্তবোৰৰ কাৰণে ব্যক্তিগত অৰ্থনৈতিক প্ৰতিনিধিসকলে গ্ৰহণ কৰা ব্যষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্তসমূহৰ কিছুমান সামগ্ৰিক প্ৰভাৱৰ পৰিৱৰ্তনন সাধন কৰাটো প্ৰয়োজনীয় হৈ পৰে। এই উদ্দেশ্যৰ

বাবে সমষ্টিবাদী অৰ্থনীতিবিদসকলে কৰ ব্যৱস্থা আৰু বাজেট সংক্ৰান্তীয় অন্যান্য নীতিবোৰে বজাৰ ব্যৱস্থাৰ ওপৰত পেলোৱা প্ৰভাৱসমূহ অধ্যয়ন কৰিবলগীয়াত পৰে। তদুপৰি এই অৰ্থনীতিবিদসকলে মুদ্ৰাৰ যোগান পৰিৱৰ্তন কৰা নীতিসমূহ, সুদৰ হাৰ, মজুৰি হাৰ, নিয়োগ আৰু উৎপাদনৰ লগত জড়িত নীতিসমূহো বিবেচনা কৰিবলগীয়া হয়। সেয়েহে সমষ্টিবাদী অৰ্থবিজ্ঞান আৰু ব্যষ্টিবাদী অৰ্থবিজ্ঞান বিশেষভাৱে সম্পৰ্কযুক্ত। কাৰণ সমষ্টিবাদী অৰ্থবিজ্ঞানত চাহিদা আৰু যোগান শক্তিৰ বজাৰৰ ওপৰত থকা সামগ্ৰিক প্ৰভাৱসমূহক বিশেষভাৱে অধ্যয়ন কৰা হয়। অকল সেয়াই নহয়, সমষ্টিবাদী অৰ্থবিজ্ঞানে চাহিদা আৰু যোগান শক্তিক পৰিৱৰ্তন কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা নীতিসমূহো প্ৰয়োগ কৰিবলগীয়াত পৰে আৰু আৱশ্যক হ'লে বজাৰৰ বাহিৰত সমাজে ব্যক্ত কৰা পছন্দসমূহকো বিবেচনা কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে, ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ নিবনুৱা সমস্যা দূৰ অথবা হ্ৰাস কৰিবলৈ, প্ৰত্যেকৰ বাবে শিক্ষা গ্ৰহণৰ পথ সুগম কৰিবলৈ, প্ৰাথমিক স্বাস্থ্য সেৱা সকলোকে প্ৰদান কৰা ব্যৱস্থাৰ উন্নয়ন সাধন কৰিবলৈ, ভাল প্ৰশাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ, দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ পুঁজি ব্যয় কৰিবলৈ আৰু এনেধৰণৰ আন আনুষংগিক ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ ওপৰত উল্লেখ কৰা পছন্দসমূহ অধ্যয়ন কৰিবলগীয়া হয়। ওপৰত উল্লেখ কৰা অৱস্থাসমূহৰ পৰা এইটো স্পষ্ট হয় যে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ দুটা মূল বৈশিষ্ট্য আছে আৰু সেই দুটা হ'ল—

প্ৰথমতে, প্ৰশ্ন উদয় হয় যে সমষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰীসকল কোন? এই বিজ্ঞানৰ লগত জড়িত নীতিবোৰ চৰকাৰে নিজে গ্ৰহণ কৰে অথবা আইনমতে গঠন হোৱা সংগঠনবোৰ, যেনে— ভাৰতৰ ৰিজাৰ্ভ বেংক (RBI), ভাৰতৰ নিৰাপত্তা আৰু বিনিময় পৰিষদ (Securities and Exchange Board of India) আৰু একেধৰণে গঢ় লোৱা অনুষ্ঠানসমূহে পৰিচালনা কৰে। দৰাচলতে এনেধৰণৰ প্ৰত্যেকখন পৰিষদ অথবা অনুষ্ঠান ভাৰতীয় সংবিধানে দিয়া সংজ্ঞামতে অথবা আইনমতে গঢ়ি উঠে আৰু ইহঁতৰ প্ৰত্যেকৰে এটা বা ততোধিক সামাজিক লক্ষ্য থাকে। এই লক্ষ্যবোৰ ব্যক্তিগত অৰ্থনৈতিক প্ৰতিনিধিসকলে নিজৰ লাভ বা কল্যাণ সৰ্বোচ্চ কৰিবলৈ ইচ্ছা কৰা বিধৰ নহয়। অৰ্থাৎ সমষ্টিবাদী অৰ্থনৈতিক প্ৰতিনিধিসকল মৌলিকভাৱে ব্যষ্টিগত অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ দৰে একে নহয়।

দ্বিতীয়তে, সমষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰীসকলে কি কৰিবলৈ চেষ্টা কৰে? দৰাচলতে এই সিদ্ধান্ত গ্ৰহণকাৰীসকলে প্ৰায়ে অৰ্থনৈতিক লক্ষ্যবোৰৰ ঊৰ্দ্ধত যাবলগীয়াত

পৰে আৰু বিভিন্নধৰণৰ ৰাজহুৱা অভাৱ পূৰণ কৰাৰ বাবে অৰ্থনৈতিক সম্পদবোৰ ব্যৱহাৰ কৰাৰ বাবে চেষ্টা কৰিবলগীয়া হয়। এইধৰণৰ কাৰ্যবোৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ উদ্দেশ্যে গ্ৰহণ কৰা নহয়। এই কাৰ্যবোৰ দেশৰ আৰু ইয়াৰ সকলো শ্ৰেণীক লোকৰ সামূহিক কল্যাণ সাধনৰ বাবে সম্পন্ন কৰা হয়।

## 1.1 সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন (Emergence of Macro-Economics)

ব্ৰিটিছ অৰ্থনীতিবিদ জ'ন মেইনাৰ্ড কেইন্‌ছৰ বিখ্যাত গ্ৰন্থ 'The General Theory of Employment, Interest and Money'ৰ 1936 চনত প্ৰকাশ হোৱাৰ পিচত সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন হয়। কেইন্‌ছৰ আগৰ সময়ছোৱাত অৰ্থবিজ্ঞানত এটা বিশেষ ধাৰণা অন্তৰ্ভুক্ত হৈ আছিল আৰু এই ধাৰণাটো হ'ল যে যিবোৰ শ্ৰমিকে কাম কৰিবলৈ আগ্ৰহী, তেওঁলোক সকলোকে নিয়োগৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব আৰু সকলোবোৰ কাৰখানাই সিহঁতৰ ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰি কাৰ্য সম্পাদন কৰি থাকিব পাৰিব। এইধৰণৰ চিন্তাৰ অৰ্থনীতিবিদসকলক সংস্থাপিত পৰম্পৰা বুলি জনা যায়। যিয়েই নহওক, 1929 চনৰ 'মহামন্দা' আৰু ইয়াৰ পৰৱৰ্তী বছৰবোৰত ইউৰোপ আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহৰ উৎপাদন আৰু নিয়োগৰ পৰিমাণ ক্ৰমবৰ্ধিত হাৰত হ্ৰাস পোৱা পৰিলক্ষিত হৈছিল। ইয়ে বিশ্বৰ আন আন দেশসমূহকো লাহে লাহে প্ৰভাৱান্বিত কৰিছিল। বজাৰত বস্তুৰ চাহিদা নিম্নগামী হৈছিল, বহু কাৰখানা কাম নোহোৱাকৈ এনেয়ে পৰি আছিল আৰু শ্ৰমিকসকলক কামৰ পৰা অব্যাহতি দিয়া হৈছিল। 1929 চনৰ পৰা 1933 চনলৈ এই সময়ছোৱাত আমেৰিকাত নিবনুৱাৰ হাৰ 3 শতাংশৰ পৰা 25 শতাংশলৈ বৃদ্ধি হৈছিল (কাম কৰি থকা বা কাম কৰিবলৈ বিচাৰি থকা মুঠ জনসংখ্যাৰ দ্বাৰা কাম কৰি নথকা বা কাম কৰিবলৈ বিচাৰি থকা মুঠ জনসংখ্যাক হৰণ কৰিলে যি পোৱা যায়, সেয়াই হ'ল নিবনুৱাৰ হাৰ)। সেই একেই সময়ছোৱাৰ ভিতৰত আমেৰিকাত সামগ্ৰিক উৎপাদন প্ৰায় 33 শতাংশ হ্ৰাস পাইছিল। এই ঘটনাবোৰে অৰ্থনীতি এখনৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে নতুনধৰণে চিন্তা কৰিবলৈ অৰ্থনীতিবিদসকলক উদগনি যোগাইছিল। তদুপৰি অৰ্থনীতি এখনত দীৰ্ঘস্থায়ী নিবনুৱা সমস্যা থাকে আৰু সেয়েহে ইয়াৰ বাবে তত্ত্ব নিৰ্ধাৰণ কৰিবলগীয়া হয় আৰু সেই উপলক্ষে ব্যাখ্যা আগবঢ়াবলগীয়া হয়। কেইন্‌ছৰ বিখাত গ্ৰন্থখন এই উদ্দেশ্যবোৰ আগত ৰাখি প্ৰস্তুত কৰা হয় আৰু এইবোৰৰ সমাধানৰ বাবে প্ৰচেষ্টা লোৱা হয়। বিখ্যাত অৰ্থনীতিবিদগৰাকীৰ পূৰ্বপুৰুষসকলৰ দৰে তেওঁৰ প্ৰয়াস (approach) আছিল এখন দেশৰ সামগ্ৰিক অৰ্থনৈতিক

কাৰ্যক্ৰমণিকাৰ বিষয়ে পৰীক্ষা কৰা আৰু বিভিন্ন খণ্ডৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতাৰ বিষয় পৰ্যালোচনা কৰা আৰু এয়াই হ'ল সমষ্টিবাদী অৰ্থবিজ্ঞানৰ শুভাৰম্ভ বা পাতনি।

## 1.2 এই পাঠ্যপুথিত সন্নিৱিষ্ট অৰ্থবিজ্ঞানৰ বিষয়ে এক আভাস (Context of the Present Book of Macro-Economics)

এইখিনিতে উল্লেখযোগ্য যে অধ্যয়ন কৰিবলগীয়া প্ৰত্যেকটো বিষয়ৰে এক ঐতিহাসিক প্ৰসংগ বা পটভূমি আছে। এই কিতাপখনত পুঁজিবাদী অৰ্থনীতিৰ দেশ এখনৰ কাৰ্যক্ৰমণিকা সম্পৰ্কে আলোচনা কৰা হৈছে। পুঁজিবাদী দেশ এখনত উৎপাদন কাৰ্যবোৰ মূলতঃ পুঁজিবাদী ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হয়। উদাহৰণস্বৰূপে, পুঁজিবাদী ব্যৱসায়ত এজন বা কেইবাজনো উদ্যোগী থাকে (যিসকল ব্যক্তিয়ে উদ্যোগ অথবা ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰধান সিদ্ধান্তসমূহৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ লাভ-লোকচানৰ দায়িত্ব বহন কৰে, তেওঁলোকক উদ্যোগী বুলি ক'ব পাৰি)। এই উদ্যোগীসকলে উদ্যোগ চলোৱাৰ বাবে প্ৰয়োজন হোৱা মূলধন নিজেই যোগান ধৰিব পাৰে অথবা তেওঁলোকে ঋণ গ্ৰহণৰ দ্বাৰা মূলধন সংগ্ৰহ কৰিব পাৰে। উৎপাদন কাৰ্য চলাবলৈ উদ্যোগীসকলক আকৌ প্ৰাকৃতিক সম্পদৰ প্ৰয়োজন হয়। এই প্ৰাকৃতিক সম্পদবোৰৰ কিছুমান হ'ল অস্থায়ী, যিবোৰ উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ হয় (যেনে কেঁচামাল) আৰু কিছুমান হ'ল স্থিৰ (যেনে ভূমিৰ গোটসমূহ)। আকৌ উৎপাদন কাৰ্য চলাবলৈ এই উদ্যোগীসকলৰ প্ৰয়োজন হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানটো হ'ল মানুহৰ শ্ৰম। এই তিনিওবিধ উৎপাদনৰ উপাদান যেনে— ভূমি, মূলধন আৰু শ্ৰমৰ দ্বাৰা উৎপাদন কাৰ্য সম্পন্ন কৰাৰ পিচত উদ্যোক্তাই উৎপাদনবোৰ বজাৰত বিক্ৰী কৰে। এই বিক্ৰী কাৰ্যৰ দ্বাৰা যি পৰিমাণৰ অৰ্থ আহৰণ কৰা হয়, তাকেই বিক্ৰী আয় বোলে। বিক্ৰী আয়ৰ এটা অংশ ভূমিয়ে উৎপাদনত সেৱা আগবঢ়োৱা বাবে খাজনা হিচাপে দিয়া হয়, আন এটা অংশ মূলধনৰ সুদ হিচাপে প্ৰদান কৰা হয় আৰু ইয়াৰ এটা অংশ শ্ৰমৰ মজুৰি হিচাপে দিয়া হয়। বিক্ৰী আয়ৰ বাকী থকা অংশটো হ'ল উদ্যোক্তাৰ উপাৰ্জন আৰু ইয়াক লাভ বা মুনাফা বোলা হয়। উদ্যোক্তাসকলে এই লাভসমূহ প্ৰায়ে পিচৰ বছৰত নতুন যন্ত্ৰ-পাতি ক্ৰয় কৰিবলৈ অথবা নতুন কাৰখানা সৃষ্টি কৰাৰ বাবে ব্যৱহাৰ কৰে, যাতে উৎপাদনৰ পৰিমাণ ভৱিষ্যতে আৰু অধিক বৃদ্ধি কৰিব পৰা যায়। উৎপাদন ক্ষমতা বৃদ্ধিত অৰিহণা যোগোৱা এই ব্যয়বোৰেই হ'ল বিনিয়োগ ব্যয়ৰ উদাহৰণ ।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে পুঁজিবাদী অৰ্থব্যৱস্থাৰ কিছুমান স্বকীয় বৈশিষ্ট্য বা ধৰ্ম আছে আৰু এইবোৰ হ'ল—

(ক) উৎপাদনৰ উপাদানসমূহ ব্যক্তিগত উদ্যোগ বা মালিকৰ নিয়ন্ত্ৰণত থাকে,

(খ) দ্ৰব্য-সামগ্ৰীসমূহ কেৱল বিক্ৰীৰ বাবেহে উৎপাদন কৰা হয়।

(গ) শ্ৰমৰ সেৱাসমূহক যি মূল্যত বজাৰত কিনা-বেচা কৰা হয়, তাকেই শ্ৰমৰ 'মজুৰি হাৰ' বোলে (যি শ্ৰম মজুৰিৰ বিনিময়ত কিনা-বেচা কৰা হয়, তাক 'মজুৰি শ্ৰম' বুলি কোৱা হয়)।

ওপৰত উল্লিখিত পুঁজিবাদী অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ যদি বিশ্বৰ দেশসমূহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেন্তে দেখা যায় যে পুঁজিবাদী অৰ্থব্যৱস্থা কেৱল বিগত তিনি/চাৰিশ বছৰৰ পূৰ্বৰ পৰাহে প্ৰচলন হৈছিল। স্পষ্টভাৱে ক'বলৈ হ'লে বৰ্তমান অৱস্থাত দক্ষিণ আমেৰিকা, ইউৰোপ আৰু এছিয়াৰ সীমিত কেইখনমান দেশেহে পুঁজিবাদী অৰ্থনীতিৰ দেশ হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে। এইখিনিতে উল্লেখযোগ্য যে বিশ্বৰ বেছিভাগ অনুন্নত দেশত উৎপাদনকাৰ্য (বিশেষকৈ কৃষি খণ্ডত) কৃষক পৰিয়ালৰ সদস্যৰ দ্বাৰা চলোৱা হয়। 'মজুৰি শ্ৰমিক' খুব কমেইহে ব্যৱহাৰ কৰা হয় আৰু বেছিভাগ শ্ৰম শ্ৰমিক পৰিয়ালৰ সদস্যসকলে নিজেই সম্পন্ন কৰে। দ্ৰব্য-সামগ্ৰীবোৰ অকল বজাৰত বিক্ৰী কৰাৰ বাবেহে উৎপাদন কৰা নহয়, ইয়াৰ এটা বুজন অংশ পৰিয়ালে ভোগ কৰে। বহুতো কৃষকৰ কৃষিপামসমূহে সুদীৰ্ঘ সময় অতিবাহিত হোৱাৰ পিচতো মূলধনৰ মজুত বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা নাই। তদুপৰি বহুতো জনজাতি সমাজত ভূমিৰ ব্যক্তিগত মালিকীস্বত্ব ব্যৱস্থা নাই। এইবোৰ সমাজত ভূমি গোটেই জনজাতি সমাজৰ মালিকীস্বত্বত থকা দেখা যায়। এনেধৰণৰ সমাজবোৰত ওপৰত উল্লেখ কৰা বৈশিষ্ট্যবোৰ প্ৰযোজ্য নহয়। যিয়েই নহওক, এইটো সত্য যে বহুতো উন্নয়নশীল দেশত বৃহৎসংখ্যক উৎপাদন গোট আছে, যিবোৰ পুঁজিবাদী নীতিসমূহৰ দ্বাৰা সংগঠিত হোৱা পৰিলক্ষিত হয়। এই উৎপাদন গোটসমূহক প্ৰতিষ্ঠান বুলি কোৱা হয়। এনে প্ৰতিষ্ঠান এখনৰ উদ্যোক্তাজন হ'ল সকলো কামৰ গুৰি ধৰোতা। তেওঁ বজাৰৰ পৰা 'মজুৰি শ্ৰমিক' ভাড়া কৰি আনে আৰু ইয়াৰ লগতে মূলধন আৰু ভূমি সংগ্ৰহ কৰি একেলগে নিয়োগ কৰে। এই উপাদান বা আহিলাসমূহ ভাড়া কৰাৰ পিচত উদ্যেক্তাই উৎপাদন কাৰ্য আৰম্ভ কৰে। উদ্যোক্তাই বস্তু আৰু সেৱা দ্ৰব্য উৎপাদন কৰাৰ মুখ্য উদ্দেশ্য হ'ল যে এইবোৰ বজাৰত বিক্ৰী কৰি অধিক

মুনাফা অৰ্জন কৰা। উৎপাদন প্ৰক্ৰিয়াৰ লগত জড়িত সকলোধৰণৰ দায়িত্ব আৰু অনিশ্চয়তা উদ্যোক্তাই বহন কৰে। উদাহৰণস্বৰূপে, উৎপাদনকাৰীয়ে উৎপাদন কৰা বস্তুবোৰৰ বাবে যথেষ্ট উচ্চ দাম লাভ কৰাত ব্যৰ্থ হ'বও পাৰে আৰু তেনে অৱস্থাত তেওঁ অৰ্জন কৰা লাভৰ পৰিমাণ যথেষ্ট কম হ'ব পাৰে। এইখিনিতে উল্লেখ কৰিবলগীয়া যে পুঁজিবাদী দেশত উৎপাদনৰ উপাদানসমূহে উৎপাদন প্ৰক্ৰিয়াৰ জৰিয়তে আৰু উৎপাদিত দ্ৰব্যক বজাৰত বিক্ৰীৰ জৰিয়তে আয় উপাৰ্জন কৰে।

বিশ্বৰ উন্নত আৰু উন্নয়নশীল এই দুয়োধৰণৰ দেশতে বেচৰকাৰী পুঁজিবাদী উৎপাদন খণ্ড থকাৰ উপৰি চৰকাৰী বা ৰাষ্ট্ৰীয় অনুষ্ঠান আছে। ৰাষ্ট্ৰৰ বা চৰকাৰৰ ভূমিকাৰ ভিতৰত আইন প্ৰণয়ন কৰা, আইনসমূহক কাৰ্যকৰী কৰা, ন্যায় প্ৰদান কৰা আদি কাৰ্যসমূহ অন্তৰ্ভুক্ত হয়। এইবোৰৰ উপৰি চৰকাৰে কৰ ধাৰ্য কৰা, ৰাজহুৱা আন্তঃগাঁথনিৰ সৃষ্টি কৰা, বিদ্যালয় তথা মহাবিদ্যালয়সমূহ চলোৱা, স্বাস্থ্য সেৱা প্ৰদানৰ বাবে ব্যয় কৰা আদিৰ লগতে বহুতো ক্ষেত্ৰত উৎপাদন কাৰ্যও পৰিচালনা কৰে। যেতিয়া দেশ এখনৰ অৰ্থনীতিৰ বিষয়ে বৰ্ণনা কৰিবলগীয়া হয়, তেতিয়া ৰাষ্ট্ৰৰ এই অৰ্থনৈতিক কাৰ্যসমূহ বিবেচনা কৰিবলগীয়াত পৰে। আলোচনাৰ সুবিধাৰ্থে 'ৰাষ্ট্ৰ'ক বুজাবলৈ 'চৰকাৰ' শব্দটো ব্যৱহাৰ কৰা হৈছে।

উল্লেখযোগ্য যে এখন অৰ্থনীতিত চৰকাৰ আৰু প্ৰতিষ্ঠানবোৰৰ উপৰি আন এটা খণ্ড আছে আৰু সেয়া হ'ল পৰিয়াল খণ্ড (household sector)। পৰিয়াল বুলিলে সাধাৰণতে এজন ব্যক্তিক বুজোৱা হয়, যিয়ে নিজৰ ভোগৰ লগত জড়িত সকলোবোৰ সিদ্ধান্ত গ্ৰহণ কৰে, অথবা ই এক ব্যক্তিৰ সমষ্টিক বুজায়, যিসকলে তেওঁলোকৰ ভোগৰ লগত জড়িত সিদ্ধান্তবোৰ যুটীয়াভাৱে গ্ৰহণ কৰে। এই পৰিয়ালবোৰে সঞ্চয় কৰে আৰু কৰ প্ৰদান কৰে। প্ৰশ্ন উদয় হয় যে পৰিয়ালবোৰে এই কাৰ্যবোৰ সম্পাদন কৰা বাবে অৰ্থ কি উৎসৰ পৰা আহৰণ কৰে? পৰিয়ালবোৰ মানুহৰ দ্বাৰা গঠিত আৰু এই মানুহবোৰে বিভিন্ন প্ৰতিষ্ঠানত শ্ৰমিক হিচাপে কাম কৰে আৰু মজুৰি অৰ্জন কৰে। এই মানুহবোৰেই চৰকাৰী বিভাগসমূহতো কাম কৰে আৰু বেতন অৰ্জন কৰে। তদুপৰি এই ব্যক্তিসকলেই প্ৰতিষ্ঠানবোৰৰ স্বত্বাধিকাৰী হিচাপে কাযনিৰ্বাহ কৰে আৰু মুনাফা অৰ্জন কৰে। মন কৰিবলগীয়া যে যদি পৰিয়ালবোৰে বিভিন্ন দ্ৰব্য-সামগ্ৰীৰ চাহিদা সৃষ্টি নকৰিলেহেঁতেন, তেন্তে প্ৰতিষ্ঠানবোৰে সিহঁতৰ উৎপাদিত দ্ৰব্যবোৰ বিক্ৰী কৰা বজাৰখন কাৰ্যক্ষম কৰিব নোৱাৰিলেহেঁতেন।

বৰ্তমানলৈকে হোৱা ওপৰৰ আলোচনাত অকল ঘৰুৱা বা বন্ধ অৰ্থনীতিৰ প্ৰধান খেলুৱৈসকলকহে অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু বিশ্বৰ প্ৰায় সকলোবোৰ দেশেই কম-বেছি পৰিমাণে বাহ্যিক বাণিজ্যৰ লগত জড়িত। এই বাহ্যিক অৰ্থনৈতিক খণ্ডটো হ'ল আমাৰ অধ্যয়নৰ চতুৰ্থ গুৰুত্বপূৰ্ণ খণ্ড। বাহ্যিক খণ্ডৰ লগত হোৱা বাণিজ্য দুই প্ৰকাৰৰ হ'ব পাৰে ঃ

1. এখন দেশে বিশ্বৰ বিভিন্ন দেশত দ্ৰব্য বিক্ৰী কৰিব পাৰে, এইবোৰক ৰপ্তানি বোলে।

2. এখন দেশে বিশ্বৰ আন আন দেশৰ পৰা সামগ্ৰী ক্ৰয় কৰিব পাৰে, এইবোৰক আমদানি বোলা হয়।

তদুপৰি বৈদেশিক ৰাষ্ট্ৰসমূহৰ পৰা ঘৰুৱা দেশলৈ মূলধন প্ৰবাহিত হ'ব পাৰে, অথবা ঘৰুৱা দেশে বৈদেশিক ৰাষ্ট্ৰসমূহলৈ মূলধন ৰপ্তানি কৰিব পাৰে।

## সাৰাংশ (Summary)

সমষ্টিবাদী অৰ্থনীতিয়ে এখন অৰ্থনীতিৰ সামগ্ৰিক চলকসমূহৰ লগত জড়িত থাকে, ইয়ে এখন অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ মাজত থকা নানাধৰণৰ আভ্যন্তৰীণ সংযোগ (interlinkages)ৰ বিষয়ে চৰ্চা কৰে। সমষ্টিবাদী অৰ্থনীতিৰ এই বিশেষ বৈশিষ্ট্যটোৰ ফলত ইয়াক ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ পৰা পৃথক বিভাগ হিচাপে বিবেচনা কৰা হয়। কাৰণ ব্যষ্টিবাদী অৰ্থবিজ্ঞানে এখন অৰ্থনীতিৰ আন সকলো বিষয় স্থিতাৱস্থাত থকা বুলি ধৰি লৈ ইয়াক কিছুমান নিৰ্দিষ্ট খণ্ডৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে বিশেষভাৱে পৰীক্ষা কৰে। অধ্যাপক কেইন্‌ছৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত 1930 চনত অৰ্থবিজ্ঞানৰ এটা বেলেগ বিভাগ হিচাপে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন হয়। বিশ্বৰ মহামন্দাই (1930) উন্নত দেশসমূহৰ অৰ্থনীতিত এক তীব্ৰ আঘাত প্ৰদান কৰিছিল আৰু ইয়ে কেইন্‌ছক তেওঁৰ লেখাসমূহৰ বাবে প্ৰেৰণা যোগাইছিল। এই আলোচনাত মূলতঃ পুঁজিবাদী অৰ্থনীতিৰ কাৰ্যক্ৰমণিকাক ভিত্তি হিচাপে লোৱা হৈছে আৰু ইয়াৰ আধাৰত বিশ্লেষণবোৰ আগবঢ়োৱা হৈছে। সেয়েহে এই আলোচনাই উন্নয়নশীল দেশসমূহৰ কাৰ্যক্ৰমণিকাক (Functioning) সম্পূৰ্ণৰূপে ধৰি ৰাখিবলৈ সক্ষম নহ'বও পাৰে। সমষ্টিবাদী অৰ্থবিজ্ঞানে এখন অৰ্থনীতিক চাৰিটা খণ্ডৰ সংযোগ হিচাপে বিবেচনা কৰে আৰু এই খণ্ডবোৰ হ'ল— পৰিয়াল খণ্ড (Household sector), ব্যৱসায়িক প্ৰতিষ্ঠান (Firms), চৰকাৰ (Government) আৰু বাহ্যিক খণ্ড (External sector)।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) সুদৰ হাৰ (Rate of interest)
(2) লাভ (Profits)
(3) মহামন্দা (Great Depression)
(4) উৎপাদনৰ চাৰিটা উপাদান (Four factors of production)
(5) আহিলা (Inputs)
(6) শ্ৰম (Labour)
(7) উদ্যমীতা (Entrepreneurship)
(8) মজুৰি শ্ৰম (Wage labour)
(9) ব্যৱসায়িক বা উদ্যোগ প্ৰতিষ্ঠান (Firms)
(10) উৎপাদন (Output)
(11) চৰকাৰ (Government)
(12) ৰপ্তানি (Exports)
(13) মজুৰি হাৰ (Wage rate)
(14) অৰ্থনৈতিক প্ৰতিনিধি বা গোট (Economic agents or units)
(15) নিবনুৱা হাৰ (Unemployement rate)
(16) উৎপাদনৰ আহিলা (Means of production)
(17) ভূমি (Land)
(18) মূলধন (Capital)
(19) বিনিয়োগ ব্যয় (Investment expenditure)
(20) পুঁজিবাদী দেশ বা পুঁজিবাদী অৰ্থনীতি (Capitalist country or capitalist economy)
(21) পুঁজিবাদী প্ৰতিষ্ঠান (Capitalist firms)
(22) পৰিয়ালবোৰ (House holds)
(23) বাহ্যিক খণ্ড (External sector)
(24) আমদানি (Imports)

## অনুশীলনী (Excercises)

(1) ব্যষ্টিবাদী অৰ্থবিজ্ঞান আৰু সমষ্টিবাদী অৰ্থবিজ্ঞানৰ পাৰ্থক্য কি?

(2) পুঁজিবাদী অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি?

(3) সমষ্টিবাদী অৰ্থনীতিৰ দৃষ্টিৰে এখন অৰ্থনীতিৰ প্ৰধান চাৰিটা খণ্ডৰ বৰ্ণনা কৰা।

(4) 1929 ৰ মহামন্দাৰ বিষয়ে বৰ্ণনা কৰা।

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Bhaduri, A. – 1990. Macro Economics : The Dynamics of Commodity Production, Pages 1-27, Macmillan India Ltd., New Delhi

(2) Mankiw, N.G., 2000, Macro Economics, Pages 2-14, Macmillan Worth Publishers, New York.

দ্বিতীয় অধ্যায়



# জাতীয় আয় গণনা (National Income Accounting)

এই অধ্যায়ত এখন সৰল (Simple) অৰ্থনীতিৰ মৌলিক কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়ৰ, 2.1 অনুচ্ছেদত ব্যৱহাৰ হ'বলগীয়া অৰ্থনীতিৰ কেতবোৰ প্ৰাথমিক ধাৰণাৰ ব্যাখ্যা দাঙি ধৰা হৈছে। 2.1 অনুচ্ছেদত দেখুওৱা হৈছে যে কেনেকৈ অৰ্থনীতি এখনৰ সামগ্ৰিক আয় এক চক্ৰীয় প্ৰবাহৰ মাধ্যমত অৰ্থনীতিখনৰ বিভিন্ন খণ্ডসমূহৰ মাজেৰে গতি কৰে। সেই অনুচ্ছেদতে জাতীয় আয় গণনাৰ তিনিটা পদ্ধতি যেনে— উৎপাদন পদ্ধতি (Product method), ব্যয় পদ্ধতি (Expenditure method) আৰু আয় পদ্ধতি (Income method)ৰ সম্পৰ্কে আলোচনা কৰা হৈছে। 2.3 অনুচ্ছেদত জাতীয় আয়ৰ বিভিন্ন উপ-বিভাগসমূহৰ ব্যাখ্যা দাঙি ধৰা হৈছে। এই অনুচ্ছেদতে বিভিন্ন দৰ সূচকসমূহ যেনে— মুঠ ঘৰুৱা উৎপাদন সংকোচক (GDP deflator), উপভোক্তাৰ দৰ সূচক (Consumer Price Index), পাইকাৰী দৰ সূচক (Wholesale Price Index) ইত্যাদিবোৰৰ ব্যাখ্যাও দাঙি ধৰা হৈছে। তদুপৰি দেশ এখনৰ জনসাধাৰণৰ সামূহিক কল্যাণৰ এক সূচক

হিচাপে মুঠ ঘৰুৱা উৎপাদন (GDP)ক ব্যৱহাৰ কৰোতে সন্মুখীন হোৱা অসুবিধাবোৰৰ বিষয়েও ব্যাখ্যা কৰা হৈছে।

## 2.1 সমষ্টিবাদী অৰ্থনীতিৰ কেতবোৰ মূল ধাৰণা (Some Basic Concepts of Macro-economics)

অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ আদাম স্মিথে তেখেতৰ অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ 'An Enquiry into the Nature and Causes of the Wealth of Nations'ৰ জৰিয়তে দেশ এখনে কেনেকৈ জাতীয় সম্পদ আহৰণ কৰিব পাৰে আৰু কোনবোৰ কাৰকে দেশ এখনক ধনী বা দুখীয়া বুলি চিহ্নিত কৰে সেই বিষয়ে গুৰুত্বপূৰ্ণ বিশ্লেষণ আগবঢ়াইছে। এইবোৰ হ'ল অৰ্থনীতিৰ কেতবোৰ মূল প্ৰশ্ন। এইটো নহয় যে যিবোৰ দেশৰ পৰ্যাপ্ত প্ৰাকৃতিক সম্পদ যেনে খনিজ দ্ৰব্য আৰু বনজ সম্পদ বা অতিশয় সাৰুৱা ভূমি আছে আৰু কেৱল সেইবোৰ দেশেই চহকী দেশ। আফ্ৰিকা, লেটিন আমেৰিকাৰ দৰে দেশবোৰ প্ৰাকৃতিক সম্পদত চহকী হোৱা সত্বেও বিশ্বৰ অন্যতম দুখীয়া দেশৰূপেহে পৰিচিত। আনহাতে বহু দেশে প্ৰাকৃতিক সম্পদৰ নাটনি সত্বেও দ্ৰুত অৰ্থনৈতিক উন্নয়ন কৰিবলৈ সক্ষম হৈছে। এটা সময়ত প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতাৰ বিষয়টো গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হৈছিল যদিও সেই সময়তো এই সম্পদৰাজি উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদিহে ৰূপান্তৰ ঘটাব লাগিছিল।

দেশ এখনৰ আৰ্থিক সম্পদ বা দেশখনৰ প্ৰগতি কেৱল প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতাৰ ওপৰতে নিৰ্ভৰশীল বুলি ভবাৰ যুক্তিযুক্ততা নাই। মূল কথা হ'ল— কেনেকৈ এই প্ৰাকৃতিক সম্পদসমূহ উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা হৈছে আৰু তাৰ ফলস্বৰূপে এই প্ৰক্ৰিয়াৰ যোগেদি কেনেকৈ নিৰৱচ্ছিন্নভাৱে দেশৰ আয় আৰু সম্পদৰ সৃষ্টি কৰা হৈছে।

এতিয়া আমি এই উৎপাদনী প্ৰবাহ সম্পৰ্কে আলোচনা কৰিম। প্ৰশ্ন হ'ল— কেনেকৈ উৎপাদন প্ৰবাহৰ সৃষ্টি হয়? মানুহে প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিবেশৰ সৈতে তেওঁলোকৰ

শক্তি আৰু সামৰ্থ্য অনুযায়ী এক সুনিৰ্দিষ্ট সামাজিক আৰু প্ৰযুক্তিগত প্ৰণালীৰ যোগেদি উৎপাদন প্ৰবাহৰ সৃষ্টি কৰে। আধুনিক অৰ্থনৈতিক ব্যৱস্থাত এই উৎপাদন প্ৰবাহৰ সৃষ্টি হয় মূলতঃ কোটি কোটি ক্ষুদ্ৰ আৰু বৃহৎ উৎপাদন প্ৰতিষ্ঠানসমূহে সৃষ্টি কৰা দ্ৰব্য আৰু সেৱাৰ উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদি। এই উৎপাদন প্ৰতিষ্ঠানসমূহৰ ভিতৰত বহুসংখ্যক মানুহ নিয়োজিত হৈ থকা বৃহৎ প্ৰতিষ্ঠান (Giant Corporations)ৰ পৰা এজন মাত্ৰ উদ্যোগীয়ে পৰিচালনা কৰা প্ৰতিষ্ঠানো আছে। কিন্তু উৎপাদনৰ পৰৱৰ্তী সময়ত উৎপাদিত দ্ৰব্যসমূহ কি হয়? প্ৰতিটো উৎপাদিত সামগ্ৰীৰ উৎপাদনকাৰীবোৰৰ মূল উদ্দেশ্য হ'ল স্ব-উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰা। সেইবোৰ ক্ষুদ্ৰ পিন বা বুটাম এটাৰ পৰা আৰম্ভ কৰি এৰ'প্লেন, অট'ম'বাইল কিম্বা বৃহৎ যন্ত্ৰপাতি বা বিক্ৰীযোগ্য সেৱাসমূহ যেনে ডাক্তৰ, আইনজ্ঞ, বিত্তীয় পৰামৰ্শদাতা আদিৰ সেৱালৈকে সকলোবোৰ উৎপাদিত দ্ৰব্য আৰু সেৱা উপভোক্তাৰ ওচৰত বিক্ৰী কৰা হয়। উপভোক্তাজন এজন ব্যক্তি বা এখন প্ৰতিষ্ঠানো হ'ব পাৰে আৰু তেওঁলোকে ক্ৰয় কৰা দ্ৰব্য বা সেৱাসমূহ চূড়ান্ত (Final) ব্যৱহাৰৰ বাবে পুনৰ উৎপাদনমূলক কাৰ্যৰ বাবে পুনৰ ব্যৱহাৰৰ বাবেও হ'ব পাৰে। যেতিয়া দ্ৰব্য বা সেৱাসমূহ কোনো উৎপাদনমূলক কাৰ্যৰ বাবে পুনৰ ব্যৱহাৰ কৰা হয়, তেতিয়া এক বিশেষ উৎপাদন প্ৰক্ৰিয়াৰ যোগেদি পৰিবৰ্তিত ৰূপ পোৱাৰ পিচত সেই দ্ৰব্য বা সেৱাসমূহে নিজৰ বৈশিষ্ট্যৰাজি হেৰুৱাই পেলায়। উদাহৰণস্বৰূপে এজন কপাহ খেতিয়কে যেতিয়া কপাহবোৰ সূতাকটা কলত বিক্ৰী কৰে, তেতিয়া এই কেঁচা কপাহবোৰ সূতালৈ পৰিৱৰ্তন হয়। আকৌ এই সূতাবোৰ কাপোৰৰ কলত বিক্ৰী কৰাৰ পিচত সেই দ্ৰব্যসমূহক এক উৎপাদনী প্ৰক্ৰিয়াৰ মাজেৰে কাপোৰলৈ ৰূপান্তৰ ঘটোৱা হয়। আৰু এই কাপোৰবোৰকো এক উৎপাদনী প্ৰক্ৰিয়াৰ যোগেদি বিভিন্ন কাপোৰৰ সামগ্ৰীলৈ ৰূপান্তৰ কৰি চূড়ান্ত ব্যৱহাৰৰ বাবে উপভোক্তাৰ ওচৰত বিক্ৰীৰ বাবে সাজু কৰি তোলা হয়। এনেদৰেই যেতিয়া কোনো দ্ৰব্য চূড়ান্ত ব্যৱহাৰৰ বাবে প্ৰস্তুত হৈ উঠে আৰু অতিৰিক্ত উৎপাদনী প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হৈ পুনৰ ৰূপান্তৰ ঘটাৰ কোনো সম্ভাৱনা নাথাকে তেনে সামগ্ৰীসমূহক চূড়ান্ত দ্ৰব্য বোলা হয় (Final Goods)।

আমি কিয় এই দ্ৰব্যসমূহক চূড়ান্ত দ্ৰব্য বুলি কওঁ? কিয়নো এবাৰ বিক্ৰী কৰাৰ পিচত

এইবোৰ সক্ৰিয় উৎপাদন প্ৰবাহৰ পৰা একেবাৰে আঁতৰি যায়। এই দ্ৰব্যসমূহ উৎপাদনকাৰীৰ হাতত পুনৰ কোনোধৰণৰ ৰূপান্তৰ নঘটে। সৰ্বশেষ ক্ৰেতাৰ হাততে এইসমূহ দ্ৰব্যৰ অন্তিম ৰূপান্তৰ ঘটে। বহুতো চূড়ান্ত দ্ৰব্যৰ ৰূপান্তৰ কেৱল উপভোগৰ যোগেদি হয়। উদাহৰণস্বৰূপে উপভোক্তাই ক্ৰয় কৰি অনা চাহপাত সেই ৰূপতে উপভোগ কৰা নহয়। সেইবোৰ চাহ তৈয়াৰ কৰিহে উপভোগ কৰিব পৰা যায়। ঠিক সেইদৰে আমাৰ ৰান্ধনীশাললৈ অনা নানা তৰহৰ সামগ্ৰীৰো ৰন্ধন প্ৰক্ৰিয়াৰ যোগেদিহে ৰূপান্তৰ ঘটোৱা হয়। কিন্তু ঘৰত ৰন্ধা প্ৰক্ৰিয়াটো এটা অৰ্থনৈতিক কাৰ্য নহয়; যদিও এই প্ৰক্ৰিয়াটোত দ্ৰব্যৰ ৰূপান্তৰ ঘটে। কিয়নো ঘৰত ৰন্ধা দ্ৰব্যসমূহ বজাৰত বিক্ৰী কৰা নহয়। কিন্তু সেই একেই ৰন্ধন সামগ্ৰী বা চাহ যদি এখন হোটেলত তৈয়াৰ কৰি গ্ৰাহকক বিক্ৰী কৰা হয়, তেনেহ'লে এইসমূহ দ্ৰব্য চূড়ান্ত দ্ৰব্য হিচাপে চিহ্নিত হ'ব আৰু এই দ্ৰব্যসমূহ অৰ্থনৈতিক মূল্য সংযোজনৰ আহিলা হৈ পৰিব। সেইবাবেই কোনো এটা দ্ৰব্য ইয়াৰ অৰ্থনৈতিক ব্যৱহাৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিহে চূড়ান্ত দ্ৰব্য হয়নে নহয় নিশ্চিত কৰিব পাৰি; দ্ৰব্যবিধৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি নহয়।

চূড়ান্ত দ্ৰব্যসমূহ উপভোগ্য দ্ৰব্য আৰু মূলধনী দ্ৰব্য (Consumption goods and capital goods); এই দুটা ভাগত ভগাব পাৰি। খাদ্য, বস্ত্ৰ আৰু বিনোদনৰ সেৱাসমূহ যিবোৰ চূড়ান্ত উপভোক্তাই উপভোগৰ বাবে ক্ৰয় কৰে, সেইসমূহ দ্ৰব্যক উপভোগ্য সামগ্ৰী (Consumption goods or consumer goods) বোলা হয়, (ইয়াৰ ভিতৰত উপভোগ্য সেৱাসমূহো অন্তৰ্ভুক্ত হয় যদিও সুবিধাৰ বাবে আমি ইয়াক উপভোগ্য দ্ৰব্য হিচাপেই আলোচনা কৰিম)।

আনহাতে এনে কেতবোৰ দ্ৰব্য আছে যি দ্ৰব্যসমূহ স্থায়ী প্ৰকৃতিৰ আৰু সেই দ্ৰব্যসমূহ উৎপাদন কাৰ্যত ব্যৱহৃত হয়। এই দ্ৰব্যসমূহ হ'ল— যন্ত্ৰপাতি আৰু প্ৰায়োগিক আহিলা ইত্যাদি। যেতিয়া এইধৰণৰ দ্ৰব্যসমূহ আন দৃশ্যমান সামগ্ৰী উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা হয়, সেইসমূহৰ কোনো ৰূপান্তৰ নঘটে। যদিও এইবোৰ সৰ্বশেষ দ্ৰব্য বা চূড়ান্ত দ্ৰব্য (Final goods) বুলি কোৱা হয়, কিন্তু এইবিলাক দ্ৰব্য উপভোগৰ বাবে ব্যৱহাৰ কৰা নহয়।

আন আন চূড়ান্ত দ্ৰব্যৰ দৰে নহ'লেও এইধৰণৰ দ্ৰব্যসমূহ যিকোনো উৎপাদন প্ৰক্ৰিয়াৰ বাবে মেৰুদণ্ডস্বৰূপ, এইসমূহ দ্ৰব্যৰ বাবেই কোনো উৎপাদন প্ৰক্ৰিয়া এটা সম্ভৱপৰ হৈ উঠে। এইসমূহ দ্ৰব্যই মূলধনৰ এটা অংশ গঠন কৰে। উৎপাদনৰ এক অতি গুৰুত্বপূৰ্ণ উপাদান হিচাপে বিবেচনা কৰি উৎপাদনকাৰীসকলে এই দ্ৰব্যসমূহত বিনিয়োগ কৰে আৰু ইয়াৰ দ্বাৰা উৎপাদনী প্ৰক্ৰিয়াটো গতিশীল হৈ থাকে। এই সামগ্ৰীসমূহেই হ'ল মূলধনী সামগ্ৰী (Capital goods)। সময়ৰ লগে লগে এই সামগ্ৰীবোৰৰ ক্ষয়-ক্ষতি হোৱাৰ বাবে মেৰামতি কিম্বা সলনি কৰিবলগা হয়। সময় অতিবাহিত হোৱাৰ লগে লগে অৰ্থনীতি এখনৰ মূলধন মজুতকৰণ, সংৰক্ষণ, মেৰামতি আৰু আংশিক অথবা সম্পূৰ্ণ নৱীকৰণৰ প্ৰয়োজন হয়। আমাৰ পৰৱৰ্তী আলোচনাৰ বাবে এইবোৰ অতি প্ৰয়োজনীয়।

উল্লেখযোগ্য যে দূৰদৰ্শন, কম্পিউটাৰ, অট'ম'বাইল আদিৰ দৰে সামগ্ৰীসমূহ যদিও চূড়ান্ত উপভোগৰ বাবেহে, তথাপি এইবোৰ সামগ্ৰীত মূলধনী সামগ্ৰীৰ দৰে এক সাধাৰণ বৈশিষ্ট্য পৰিলক্ষিত হয়। এই বৈশিষ্ট্যটো হ'ল সামগ্ৰীসমূহৰ স্থায়িত্ব। হ্ৰস্বকালীন বা মধ্যৱৰ্তী উপভোগৰ জৰিয়তে এইবোৰ দ্ৰব্য লোপ নাপায়। খাদ্য বা বস্ত্ৰৰ দৰে সামগ্ৰীবোৰৰ তুলনাত এনে দ্ৰব্যবোৰৰ স্থায়িত্ব অধিক। এনে সামগ্ৰীবোৰৰো সময়ৰ লগে লগে ক্ষয়-ক্ষতি (depreciation) হয়। যন্ত্ৰ-পাতিৰ দৰে এইবোৰ সামগ্ৰীৰো সংৰক্ষণ, মেৰামতি কিম্বা নবীকৰণৰ প্ৰয়োজন হয়। সেইবাবে এইধৰণৰ সামগ্ৰীবোৰক স্থায়ী উপভোক্তাৰ সামগ্ৰী (Consumer durables) বোলা হয়।

যদি আমি অৰ্থনীতিখনৰ উৎপাদিত সকলো চূড়ান্ত দ্ৰব্য (Final goods) আৰু সেৱাক এক প্ৰদত্ত সময়ত বিবেচনালৈ আনো, তেনেহ'লে এইসমূহ হয় উপভোগ্য সামগ্ৰী (স্থায়ী অথবা অস্থায়ী) নতুবা মূলধনী সামগ্ৰীৰ অন্তৰ্ভুক্ত হ'ব। চূড়ান্ত দ্ৰব্য হোৱা বাবে এইবোৰ পুনৰ অৰ্থনৈতিক প্ৰক্ৰিয়াৰ যোগেদি ৰূপান্তৰ নঘটে।

অৰ্থনীতি এখনৰ সামগ্ৰিক উৎপাদন প্ৰক্ৰিয়াটোত এক বুজনসংখ্যক উৎপাদিত দ্ৰব্য চূড়ান্ত উপভোগৰ জৰিয়তে শেষ হৈ নাযায় কিম্বা এনেবোৰ দ্ৰব্য মূলধনী দ্ৰব্যৰ শাৰীতো

নপৰে। এই সামগ্ৰীবোৰ আন উৎপাদনকাৰীয়ে ভৌতিক আহিলা হিচাপে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে তীখাৰ পাটিবোৰ অট'ম'বাইল কাৰখানাত ব্যৱহাৰ কৰা হয়। ঘৰুৱা আচবাব তৈয়াৰ কৰোতে তামৰ ব্যৱহাৰ হয়। এনেধৰণৰ দ্ৰব্যবোৰ হ'ল মধ্যৱৰ্তী দ্ৰব্য (Intermediate) আৰু এইবোৰ সাধাৰণতে কেঁচা সামগ্ৰী বা আন আন দ্ৰব্য উৎপাদন প্ৰক্ৰিয়াত আহিলা হিচাপে ব্যৱহৃত হয়। এইসমূহ চূড়ান্ত দ্ৰব্য (Final goods) নহয়। এইসমূহ দ্ৰব্যক চূড়ান্ত দ্ৰব্য (Final goods) বুলি বিবেচনা কৰিব নোৱাৰি। দেশত উৎপাদিত হোৱা সামগ্ৰীসমূহৰ এক সম্যক ধাৰণা লাভ কৰিবলৈ হ'লে সকলোবোৰ চূড়ান্ত সামগ্ৰীৰ এক সাংখ্যিক পৰিমাপ (quantitative measure) কৰিব লাগিব। এইটো সম্পন্ন কৰিবলৈ আমাক এটা সাধাৰণ পৰিমাপ পদ্ধতিৰ প্ৰয়োজন। আমি মিটাৰ হিচাপে উৎপাদিত কাপোৰ কেতিয়াও টন হিচাপে উৎপাদিত চাউল কিম্বা অট'ম'বাইলৰ সংখ্যাৰ সৈতে যোগ কৰিব নোৱাৰো। গতিকে এইক্ষেত্ৰত আমাৰ সাধাৰণ পৰিমাপক হ'ল মুদ্ৰা। যিহেতু প্ৰতিবিধ সামগ্ৰীয়েই মুদ্ৰাৰ মাধ্যমত বিক্ৰী কৰা হয়, সেই বাবে বিভিন্ন প্ৰকাৰৰ সামগ্ৰীবোৰৰ সৰ্বমুঠ মুদ্ৰা মূল্যৰ পৰাই চূড়ান্ত দ্ৰব্য উৎপাদনৰ পৰিমাণৰ বিষয় জানিব পাৰি। কিন্তু আমি কিয় কেৱল চূড়ান্ত দ্ৰব্যসমূহৰহে পৰিমাপ কৰিব বিচাৰো? মধ্যৱৰ্তী দ্ৰব্যসমূহো যিকোনো উৎপাদন প্ৰক্ৰিয়াৰ বাবে নিশ্চিতভাৱে অতি গুৰুত্বপূৰ্ণ আহিলা আৰু আমাৰ মানৱশক্তি তথা মূলধনৰ এক বুজন অংশ এইসমূহ দ্ৰব্য উৎপাদনৰ সৈতে জড়িত হৈ থাকে। কিন্তু আমি যিহেতু উৎপাদনসমূহৰ মুদ্ৰা মূল্যহে বিবেচনা কৰো, সেই বাবে চূড়ান্ত দ্ৰব্যসমূহৰ মূল্য পৰিমাপনত মধ্যৱৰ্তী দ্ৰব্যসমূহৰ মূল্যও অন্তৰ্ভুক্ত হৈ থাকে; কিয়নো এইসমূহ দ্ৰব্য চূড়ান্ত দ্ৰব্যসমূহৰ উৎপাদনী প্ৰক্ৰিয়াত আহিলা হিচাপে ব্যৱহৃত হৈ থাকে। যদি আমি এনে দ্ৰব্যবোৰৰ মূল্য পৃথকে পৰিমাপ কৰো, তেনেহ'লে দুবাৰ গণনাৰ (double counting) ভুল কৰা হ'ব। অৱশ্যে যদিও মধ্যৱৰ্তী দ্ৰব্যবোৰ বিবেচনালৈ আনিলে আমি সামগ্ৰিক অৰ্থনৈতিক কাৰ্যাৱলীৰ এক বিতং ব্যাখ্যা লাভ কৰিবলৈ সক্ষম হওঁ, তথাপি মধ্যৱৰ্তী সামগ্ৰীৰ মূল্যৰ পৃথক পৰিমাপ কৰিলে অৰ্থনৈতিক কাৰ্যাৱলীৰ চূড়ান্ত মূল্যৰ পৰিমাণ এক অহেতুক বৃদ্ধি পাব।

আলোচনাৰ এই পৰ্যায়ত মজুত (Stocks) আৰু প্ৰবাহৰ (Flows) ধাৰণাকেইটা

পৰিচয় কৰি দিয়াটো অতি প্ৰয়োজনীয়। সচৰাচৰ আমি কওঁ যে কোনো ব্যক্তিৰ গড় দৰমহাৰ পৰিমাণ 10,000 টকা; তীখা কাৰখানা এটাৰ মুঠ উৎপাদনৰ পৰিমাণৰ বহু টন বা বহু টকা মূল্যৰ ইত্যাদি। কিন্তু এনেধৰণৰ মন্তব্যসমূহ অসম্পূৰ্ণ। কিয়নো এই মন্তব্যসমূহৰ পৰা এইটো স্পষ্ট নহয় যে ব্যক্তিজনৰ বাৰ্ষিক, মাহিলি নে দৈনিক আয়ৰ কথা কোৱা হৈছে। নিশ্চিতভাৱে ই ব্যক্তিজনাৰ প্ৰকৃত আয়ৰ স্বৰূপটো দাঙি ধৰিব নোৱাৰে। কেতিয়াবা আমি ধৰি লওঁ যে বিষয়টো আমাৰ জ্ঞাত হোৱাৰ বাবে ইয়াত সময়সীমাৰ কথা উল্লেখ কৰা হোৱা নাই। নিৰ্দিষ্ট সময়সীমাৰ উল্লেখ নাথাকিলে এনেকুৱাধৰণৰ কথাবোৰ অৰ্থহীন হৈ পৰে। আয়, উৎপাদন নতুবা লাভ প্ৰভৃতি এনে কেতবোৰ ধাৰণা যিবোৰ কেৱল নিৰ্দিষ্ট সময়সীমাৰ অৱস্থাতহে প্ৰাসংগিক হৈ উঠে। এইবোৰক প্ৰবাহ (Flows) বোলা হয়। কিয়নো এই ধাৰণাসমূহ সময়ৰ সৈতেহে প্ৰযোজ্য। এইবোৰৰ সাংখ্যিকীয় পৰিমাপৰ বাবে এক নিৰ্দিষ্ট সময়সীমাৰ উল্লেখ কৰাটো জৰুৰী। অৰ্থনীতি এখনত বাৰ্ষিক হিচাপত বহুতো হিচাপ-নিকাচ চলোৱা হয়। ইয়াৰ বহুসংখ্যক হিচাপ বছৰেকীয়া হিচাপত প্ৰকাশ কৰা হয়। যেনে বাৰ্ষিক লাভ বা বাৰ্ষিক উৎপাদন ইত্যাদি। প্ৰবাহৰ সংজ্ঞা সদায় এক নিৰ্ধাৰিত সময়ৰ ভিত্তিতহে দাঙি ধৰা হয়।

ইয়াৰ বিপৰীতে মূলধনী সামগ্ৰী বা স্থায়ী উপভোক্তাৰ সামগ্ৰীসমূহ এবাৰ উৎপাদনৰ পিচত কোনো নিৰ্দিষ্ট সময়সাপেক্ষে উপভোগ কৰা নহয়। মূলধনী সামগ্ৰীসমূহে বিভিন্ন উৎপাদন চক্ৰৰ মাজেৰে আমাৰ সেৱা কৰে। কাৰখানা এটাৰ যন্ত্ৰ-পাতি বা ঘৰটো কোনো সময়ৰ সৈতে সম্পৰ্কিত নহয়। এইবোৰৰ সংযোগ বা বিয়োজন ঘটিব পাৰে যদিহে নতুন যন্ত্ৰ-পাতিৰ সংযোজন ঘটোৱা হয় নতুবা বিকাশ হোৱা যন্ত্ৰ-পাতিবোৰৰ পুনৰ সংস্থাপন কৰা নহয়। এইসমূহক মজুত (Stocks) বুলি কোৱা হয়। এক নিৰ্দিষ্ট সময় বিন্দুতহে মজুতৰ সংজ্ঞা দিয়া হয়। এক নিৰ্ধাৰিত সময়ৰ ভিত্তিতহে আমি মজুতৰ পৰিৱৰ্তনৰ পৰিমাপ কৰিব পাৰো। যেনে এটা বছৰত কিমান যন্ত্ৰ-পাতিৰ সংযোগ ঘটিল। মজুতৰ এনে সাল-সলনিয়েই হ'ল প্ৰবাহ আৰু ইয়াক নিৰ্ধাৰিত সময়সাপেক্ষেহে পৰিমাপ কৰিব পাৰি। এটা যন্ত্ৰ বহু বছৰ ধৰি মূলধনী মজুতৰ অংশ হৈ থাকিব পাৰে (যেতিয়ালৈ ই বিকল হৈ নাযায়)। কিন্তু সেই

যন্ত্রটো নতুনকৈ মূলধনী মজুতত সংযোগ ঘটোৱা নিৰ্ধাৰিত বছৰ এটাৰ নতুন যন্ত্ৰ-পাতিৰ প্ৰবাহৰ অংশহে হ'ব পাৰিব। মজুত চলক আৰু প্ৰবাহিত চলকৰ মাজৰ পাৰ্থক্য বুজিবলৈ এটা উদাহৰণ লোৱা যাওক। ধৰা হ'ল এটা টেপৰ পৰা অহা পানীৰে এটা পুখুৰী ভৰ্তি কৰা হ'ল। প্ৰতি মিনিটত টেপৰ পৰা পুখুৰীটোলৈ যিমান পৰিমাণৰ পানী প্ৰবাহিত হৈছে, সেই পৰিমাণেই হ'ল প্ৰবাহ। আনহাতে কোনো এক নিৰ্দিষ্ট সময়ত পুখুৰীটোত যি পৰিমাণৰ পানী জমা আছে সেয়ে হ'ল মজুত। আমাৰ পূৰ্বৰ আলোচনাত চূড়ান্ত দ্ৰব্যৰ পৰিমাপনৰ বেলিকা মূলধনী দ্ৰব্যৰ অংশটো যিয়েই গঠন কৰিছিল, সেই অংশটোৱেই অৰ্থনীতি এখনৰ মুঠ বিনিয়োগ (Gross investment) নিৰ্দেশ কৰে।[1] এইবোৰ হ'ল যন্ত্ৰ-পাতি, আহিলা, ঘৰ-দুৱাৰ, কাৰ্যালয়, ৰাস্তা-ঘাট, দলং, বিমানকোঠ আদি আন্তঃগাঁথনিসমূহ। কিন্তু এটা নিৰ্ধাৰিত বছৰত উৎপাদিত সকলোবোৰ মূলধনী দ্ৰব্যই চলিত মূলধনী মজুতৰ পৰিমাণ বৃদ্ধি কৰিব বুলি ক'ব নোৱাৰি। কিয়নো উৎপাদিত মূলধনী দ্ৰব্যৰ এক বুজন অংশ চলিত মূলধনী মজুতৰ সাল-সলনি বা মেৰামতিৰ কামত ব্যৱহাৰ কৰা হয়। কিয়নো চলিত মূলধনী মজুতৰ ক্ষয়-ক্ষতি হোৱাৰ বাবে মেৰামতিৰ প্ৰয়োজন হয়। নিগুট বিনিয়োগৰ (Net investment) পৰিমাণ কৰোতে সেইবাবে আমি সদায় এই ক্ষয়-ক্ষতিজনিত বা মেৰামতিৰ কামত ব্যৱহৃত মূলধনী সামগ্ৰীৰ মূল্য সৰ্বমুঠ বিনিয়োগৰ পৰা বাদ দিব লাগে। তেতিয়াহে নিগুট বা প্ৰকৃত বিনিয়োগৰ শুদ্ধ হিচাপ পোৱা যায়। মুঠ বিনিয়োগৰ পৰা মূলধনৰ চলিত ক্ষয়-ক্ষতিৰ বাবদ যি পৰিমাণৰ মূল্য বাদ দিয়া হয় সেই অংশটোকে মূলধনৰ ক্ষয়-ক্ষতি (depreciation) বোলা হয়।

সেইবাবে অৰ্থনীতি এখনৰ মূলধনী মজুতত নতুনকৈ হোৱা সংযোজনৰ পৰিমাণ নিগুট বিনিয়োগ বা নতুন মূলধন গঠনৰ মাধ্যমত পৰিমাপ কৰা হয়। ইয়াক নিম্নোক্তধৰণে প্ৰকাশ কৰিব পাৰি।

---

[1] এনেকৈয়ে অৰ্থনীতিবিদসকলে বিনিয়োগৰ সংজ্ঞা দাঙি ধৰে। আমি সাধাৰণভাৱে বিনিয়োগ বুলিলে বিত্তীয় পৰিসম্পদ বা অন্যান্য সম্পদ মুদ্ৰাৰ মাধ্যমত ক্ৰয় কৰা বুলি ধৰা কথাটোৰ সৈতে বিনিয়োগৰ এই ধাৰণাৰ কোনো মতানৈক্য হোৱা অনুচিত। বিনিয়োগ হ'ল আমাৰ বাবে কেৱল মূলধনৰ গঠন। মূলধন মূলধন মজুতলৈ নিগুট বা মুঠ সংযোজন।

নিগুট বিনিয়োগ = মুঠ বিনিয়োগ – মূলধনৰ ক্ষয়-ক্ষতি।

(Net Investment = Gross Investment – Depreciation)

এতিয়া এই ক্ষয়-ক্ষতিৰ ধাৰণাটো অলপ বিস্তৃতভাৱে আলোচনা কৰা হওক। ধৰা হ'ল কোনো এক উদ্যোগ প্ৰতিষ্ঠানে এটা নতুন যন্ত্ৰ ক্ৰয় কৰিছে। ধৰা হ'ল যন্ত্ৰটোৱে অনাগত 20 বছৰৰ বাবে সেৱা আগবঢ়াব আৰু তাৰ পিচতহে ইয়াৰ মেৰামতি কিম্বা সলনিৰ প্ৰয়োজন হ'ব। এতিয়া আমি ধৰি লওঁ যে প্ৰতি বছৰেই যন্ত্ৰটো উৎপাদন কাৰ্যত ব্যৱহাৰ কৰি থকাৰ ফলস্বৰূপে যন্ত্ৰটোৰ প্ৰকৃত মূল্যৰ 1/10 অংশকৈ বাৰ্ষিক ক্ষয় হৈছে। আমি 20 বছৰৰ অন্তত যন্ত্ৰটোৰ বদলিৰ বাবদ হোৱা বৃহৎ পৰিমাণৰ বিনিয়োগৰ কথা বিবেচনালৈ নানি প্ৰতি বছৰে হোৱা বাৰ্ষিক ক্ষয়-ক্ষতিৰ ব্যয়হে বিবেচনা কৰিম। এইটোৱেই হ'ল ক্ষয়-ক্ষতিজনিত ধাৰণাটো ব্যৱহাৰ কৰাৰ প্ৰকৃত নীতি। এই ধাৰণাটোৰ মাজত নিহিত হৈ থাকে যিকোনো মূলধনী সামগ্ৰীৰ প্ৰত্যাশিত আয়ুস। উক্ত উদাহৰণটোত উল্লেখ কৰা যন্ত্ৰটোৰ ক্ষেত্ৰত ইয়াৰ আয়ুস 20 বছৰ বুলি কোৱা হৈছে। গতিকে ক্ষয়-ক্ষতিজনিত ব্যয়কে মূলধনী সামগ্ৰী এবিধৰ বাৰ্ষিক ক্ষয়-ক্ষতিজনিত ব্যয়ক বুজায়।[2] আন কথাত মূলধনী সামগ্ৰীবিধৰ ব্যয়ক ইয়াৰ ব্যৱহাৰযোগ্য বয়সৰ সংখ্যাৰে হৰণ কৰিলে ক্ষয়-ক্ষতিৰ পৰিমাণ পোৱা যায়।[3]


মন কৰিবলগীয়া যে ক্ষয়-ক্ষতিৰ ধাৰণাটো এটা হিচাপৰক্ষণৰ ধাৰণা। প্ৰতি বছৰে প্ৰকৃত ব্যয়ৰ হিচাপ নহ'লেও ক্ষয়-ক্ষতিৰ পৰিমাণৰ কিন্তু গণনা কৰা হয়। অৰ্থনীতি এখনত হেজাৰ হেজাৰ প্ৰতিষ্ঠানে বিভিন্ন ব্যৱহাৰযোগ্য সময়সীমাৰ নানা তৰহৰ যন্ত্ৰ-পাতি ব্যৱহাৰ কৰে আৰু এটা নিৰ্দিষ্ট বছৰত কিছুমান প্ৰতিষ্ঠানেহে পৰ্যাপ্ত সাল-সলনিৰ বাবদ মোটা অংকৰ ব্যয় বহন কৰিবলগা হয়। সেয়েহে আমি বাস্তৱিকতে ধৰি লওঁ যে বাৰ্ষিক সাল-

---

[2] মূলধনৰ ক্ষয়-ক্ষতিজনিত ব্যয়ে দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ বা আন তেনেধৰণৰ অস্বাভাৱিক পৰিবেশৰ ফলত হোৱা মূলধনৰ অনাকাংক্ষিত বা হঠাৎ হোৱা ধ্বংস অথবা অপব্যৱহাৰক নুবুজায়।

[3] মূলধনৰ বা পৰিসম্পত্তিৰ ওপৰত ভিত্তি কৰি আমি ইয়াত মূলধনৰ অপৰিবৰ্তিত ক্ষয়-ক্ষতিৰ হাৰৰ সৰল অভিধাৰণা লৈছো। বাস্তৱত মূলধনৰ ক্ষয়-ক্ষতিৰ জোখ লোৱাৰ বাবে আন আন পদ্ধতিও আছে।

সলনিজনিত ব্যয়ৰ গতি অতি সুস্থিৰ আৰু ই অৰ্থনীতিখনৰ বাৰ্ষিক ক্ষয়-ক্ষতিজনিত ব্যয় হিচাপৰ স'তে কম-বেছি পৰিমাণে একে হয়। ইতিপূৰ্বে আলোচনা কৰি অহা অৰ্থনীতি এখনৰ বাৰ্ষিক উৎপাদিত মুঠ চূড়ান্ত দ্ৰব্যসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰে কেতবোৰ উপভোগ্য দ্ৰব্য আৰু সেৱা সামগ্ৰী (Consumer goods and services) আৰু কিছুমান মূলধনী সামগ্ৰী (Capital goods)। এই উপভোগ্য সামগ্ৰীসমূহে অৰ্থনীতিখনৰ মুঠ জনসমষ্টিৰ উপভোগ বৰ্তাই ৰাখে। উপভোগ্য সামগ্ৰীসমূহৰ ক্ৰয় নিৰ্ভৰ কৰে জনসমষ্টিৰ ব্যয় সামৰ্থ্যৰ ওপৰত; যিটো মূলতঃ তেওঁলোকৰ আয়ৰ ওপৰত নিৰ্ভৰশীল। আনহাতে চূড়ান্ত দ্ৰব্যসমূহৰ আনটো ভাগ অৰ্থাৎ মূলধনী দ্ৰব্যসমূহ বাণিজ্যিক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ মূলধনী মজুতৰ পৰিমাণ বঢ়াবলৈ ক্ৰয় কৰে আৰু ইয়াৰ সহায়ত তেওঁলোকে উৎপাদনী প্ৰবাহ নিৰৱচ্ছিন্নভাৱে চলাই থাকে। এটা নিৰ্দিষ্ট সময়ত ধৰা হ'ল যে এটা বছৰত উৎপাদিত চূড়ান্ত দ্ৰব্যসমূহক সেয়েহে দুটা ভাগত ভগাব পাৰি, উপভোগ্য সামগ্ৰী আৰু মূলধনী সামগ্ৰী আৰু স্বাভাৱিকতে এই দুয়োবিধৰ মাজৰ সম্পৰ্ক বিপৰীতধৰ্মী। অৰ্থাৎ অৰ্থনীতি




**আদাম স্মিথ**

আদাম স্মিথক আধুনিক অৰ্থবিজ্ঞানৰ পিতৃৰূপে গণ্য কৰা হয়। জন্মসূত্ৰে তেওঁ স্কটলেণ্ডৰ নাগৰিক আছিল যদিও গ্লাছগো বিশ্ববিদ্যালয়ত তেওঁ অধ্যাপনা কৰিছিল। দাৰ্শনিক ভাৱধাৰাৰে পৰিপুষ্ট, তেওঁৰ যুগান্তকাৰী কিতাপ 'An enduiry into the Nature and Causes of the wealth of Nations (1776)'-এ অৰ্থবিজ্ঞানৰ ক্ষেত্ৰত এক বিপুল অৰিহণা যোগাইছে। তেওঁৰ কিতাপত সন্নিৰিষ্ট 'It is not from the benerfence of the butcher, the brewer of the baker, that we expect our dinner, but from their regard to their own interest we address ourselves not to their humanity .... to their self .... and never talk to them of our own necessities but of their advantage' কথাখিনিৰ জৰিয়তে আমি ক'ব পাৰো যে তেওঁ মুক্ত অৰ্থনীতিৰ হকে মাত মাতিছিল।

এখনত উৎপাদিত চলিত চূড়ান্ত সামগ্ৰীসমূহৰ ভিতৰত যদি উপভোগ্য সামগ্ৰী অধিক হাৰত উৎপাদন কৰা হয়, তেন্তে বিনিয়োগ সামগ্ৰীৰ উৎপাদন হ্ৰাস পাব অথবা যদি মূলধনী সামগ্ৰী অধিক হাৰত বৃদ্ধি পায়, তেতিয়া উপভোগ্য সামগ্ৰীৰ পৰিমাণ কমি যাব।

আমি লক্ষ্য কৰিম যে কেনেকৈ এই একক যোগাত্মক সম্পৰ্কটোৱে বহুমুখী সম্পৰ্কৰ বাবে জটিল ৰূপ পায়। যিকোনো অৰ্থনীতিৰ উপভোগ প্ৰয়োজনীয়তাৰ মূল লক্ষ্যবোৰ উপভোগ্য সামগ্ৰীসমূহে বৰ্তাই ৰাখে। উপভোগ বুলিলে জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তাৰ পৰা আৰম্ভ কৰি অভিজাত জীৱনশৈলীলৈকে সামৰি লোৱা হয়। মানুহ মাত্ৰেই জীয়াই থাকিবলৈ বা কাম কৰিবলৈ খাদ্য উপভোগৰ প্ৰয়োজন। ইয়াকে জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলি কোৱা হয়। খাদ্য জীৱন নিৰ্বাহৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলি কোৱা হয়। বস্ত্ৰ আৰু বাসস্থানৰ সহায়ত আমি কৰ্মক্ষম হৈ থাকো। কিন্তু মানৱ সমাজৰ প্ৰগতি আৰু বিকাশৰ লগে লগে মানুহৰ প্ৰয়োজনীয়তাবোৰৰ প্ৰসাৰ ঘটিছে আৰু ই



## জন মেইনাৰ্ড কেইন্‌ছ

জন মেইনাৰ্ড কেইন্‌ছে ১৮৮৩ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁ বিটেইনৰ Kings College (কেমব্ৰীজ)ত শিক্ষাগ্ৰহণ কৰিছিল আৰু পিচত সেইখন কলেজৰে তেওঁ Dean হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰখৰ বুদ্ধিসম্পন্ন কেইন্‌ছে প্ৰথম মহাসমৰৰ পিচত আন্তৰ্জাতিক কুটনীতিৰ ক্ষেত্ৰত বিশেষভাৱে জড়িত আছিল। তেওঁৰ দুখন যুগান্তকাৰী কিতাপ হ'ল (1) 'The Economic Consefluences of the peace (1919)' আৰু (2) 'The General Theory of Employment, Interest and Money (1936)'। এওঁৰ পিচৰখন গ্ৰন্থই কুৰি শতিকাত অৰ্থনীতিৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰিছিল। প্ৰথমখন কিতাপৰ জৰিয়তে বিশ্বযুদ্ধৰ শান্তি আলোচনা যে বাধাপ্ৰাপ্ত হ'ব, তাক তেওঁ ভৱিষ্যদ্বাণী কৰিছিল। তেওঁ এজন 'Shrewd foreign currency speculator' হিচাপেও খ্যাত আছিল।

ক্ৰমাগতভাৱে জটিল হৈ পৰিছে। ই কেৱল নিত্য-নতুন প্ৰয়োজনীয় বস্তুসমূহৰ মাজতে আবদ্ধ হৈ থকা নাই। ইয়াৰ লগে লগে নিত্য-নতুন উপভোগ্য সেৱা আৰু সামগ্ৰীসমূহৰো উৎপাদন হ'বলৈ ধৰিছে। এতিয়া জীৱন ধাৰণৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুলিলে কেৱল খাদ্য নতুবা বস্ত্ৰৰ কথাকে কোৱা নহয়। আন কেতবোৰ অত্যাৱশ্যকীয় বিষয় যেনে প্ৰাথমিক শিক্ষা, স্বাস্থ্য সেৱা ইত্যাদিবোৰকো ই সামৰি লৈছে। যদি উপভোগেই অন্তিম লক্ষ্য হয় তেনেহ'লে উপভোগ্য দ্ৰব্য আৰু সেৱাসমূহৰ উভয়ৰে উৎপাদন তথা ক্ৰয় হ'ব লাগিব। দেশৰ উৎপাদিত সামগ্ৰীসমূহ সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিৰ মাজত বিতৰণ কৰা হয়। যিবোৰ অৰ্থনীতিত এই সামগ্ৰীসমূহ বিক্ৰী নহ'ব বুলি ভবা হয় তেনে অৰ্থনীতিৰ কথা সচৰাচৰ বিবেচনালৈ নাহে। আমি বিবেচনা কৰা অৰ্থনীতি এখনৰ সকলো সামগ্ৰী উদ্যোগীয়ে বিক্ৰীৰ বাবে উৎপাদন কৰে আৰু এই বিক্ৰীৰ জৰিয়তে উদ্যোগীয়ে লাভ আহৰণৰ চেষ্টা চলায়। সেয়েহে উৎপাদন কাৰ্যৰ দ্বাৰা সাধাৰণতে দুই ধৰণৰ কথা পোহৰলৈ আহে। এটা হ'ল উপভোগ্য সামগ্ৰীসমূহৰ উৎপাদন আৰু আনটো হ'ল এই উৎপাদনৰ সৈতে জড়িত ব্যক্তিসকলৰ আয়-অৰ্জন বা আহৰণ। উদ্যোগীয়ে মূলধনী সামগ্ৰী ক্ৰয় কৰে আৰু উৎপাদন কাৰ্য চলাই নিবলৈ মানুহ নিয়োগ কৰে। উদ্যোগীৰ মূল লক্ষ্য হ'ল উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ জৰিয়তে লাভ আহৰণ কৰা। এই নিয়োগ প্ৰক্ৰিয়াটোৰে নিয়োজিত ব্যক্তিসকলৰ আয় আহৰণৰ সুবিধা যোগায়। নিয়োজিত বক্তিসকলে আহৰণ কৰা আয় আৰু উদ্যোগীয়ে আহৰণ কৰা লাভেই হ'ল বিক্ৰীৰ বাবে উৎপাদিত উপভোগ্য সামগ্ৰীসমূহ ক্ৰয়ৰ মূল আধাৰ।

কিন্তু মূলধনী সামগ্ৰী অবিহনে এই উপভোগ সামগ্ৰীবোৰৰ কোনো অস্তিত্ব নাই। মূলধনী দ্ৰব্য আৰু উপভোগ সামগ্ৰীবোৰ উৎপাদন কৰিবলৈ মানুহৰ শ্ৰম আৰু মূলধন সামগ্ৰীসমূহ যৌথভাৱে কামত লগোৱা হয়। মূলধনী দ্ৰব্যবোৰ যিমানেই অত্যাধুনিক হয়, শ্ৰমিকৰ উৎপাদনশীলতাও সিমানে বৃদ্ধি পায়। পৰম্পৰাগত পদ্ধতিৰে এগৰাকী শিপিনীক এখন শাৰী তৈয়াৰ কৰিবলৈ এমাহপৰ্যন্ত সময় লগাৰ বিপৰীতে আধুনিক যন্ত্ৰচালিত পদ্ধতিত এদিনতে হেজাৰখন শাৰী তৈয়াৰ কৰিব পাৰি। বুৰঞ্জীপ্ৰসিদ্ধ তাজমহল বা পিৰামিড সাজিবলৈ

দশকজোৰা সময়ৰ প্ৰয়োজন হৈছিল। কিন্তু আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰ কৰি কোনোৱে আকাশলংঘী অট্টালিকা নিচেই কম বছৰতে সাজি উলিয়াব পাৰে। আধুনিক সমাজখনৰ প্ৰগতিৰ মূল পৰিচায়ক হ'ল মূলধনী সামগ্ৰীৰ সংখ্যাগত আৰু গুণগত বৃদ্ধি। যিমানেই আধুনিক আৰু উন্নতমানৰ মূলধনী সামগ্ৰী বৃদ্ধি পাইছে, সিমানেই বিভিন্ন তৰহৰ উপভোগ্য সামগ্ৰীৰ উৎপাদন বাঢ়িছে আৰু মুঠ সামগ্ৰীৰ উৎপাদনো বৃদ্ধি হৈছে।

ইয়াতেই অৰ্থনীতিত এক স্ব-বিৰোধ সৃষ্টি হৃছে। যদি অৰ্থনীতিখনৰ মুঠ উৎপাদিত চূড়ান্ত সামগ্ৰীৰ এক গৰিষ্ঠ অংশ মূলধনী সামগ্ৰীৰ উৎপাদন বুলি ধৰা হয়, তেনেহ'লে কম অংশ এটাহে উপভোগ সামগ্ৰী হিচাপে থাকিব। আমি আমাৰ আলোচনাত সময়সীমাৰ প্ৰাসংগিকতা চাব লাগিব। এক প্ৰদত্ত মূলধনী মজুতৰ সাপেক্ষে এটা বছৰৰ উৎপাদন আৰম্ভ হয় বুলি ধৰিলে বছৰৰ অন্তত মুঠ উৎপন্নৰ ভিতৰতে যদি মূলধনী সামগ্ৰীৰ পৰিমাণ অধিক হয়, তেনেহ'লে স্বাভাৱিকতেই উপভোগ সামগ্ৰীৰ উৎপাদন হ্ৰাস পাব। কিন্তু বৰ্তমান সময়ত মূলধনী সামগ্ৰীৰ উৎপাদন বৃদ্ধি পালেহে ভৱিষ্যতে অৰ্থনীতিৰ উৎপাদনী ব্যৱস্থাটো অধিক উৎপাদনক্ষম হ'ব। এইটো এইবাবেই সম্ভৱ যে মূলধনী সামগ্ৰীসমূহ ব্যৱহাৰৰ লগে লগেই নিঃশেষ হৈ নাযায়। এইবোৰ মূলধনী মজুতৰ (Stock of Capital) সংখ্যাগত বৃদ্ধিত সহায় কৰে। আনহাতে এই নতুনকৈ বৃদ্ধি পোৱা মূলধনী সামগ্ৰীবোৰ সাধাৰণতে পূৰ্বৰ মূলধনী সামগ্ৰীৰ তুলনাত অধিক গুণমানবিশিষ্ট হয়। (উদাহৰণস্বৰূপে আধুনিক যন্ত্ৰচালিত বয়ন যন্ত্ৰ এটা পুৰণি তাঁতশাল এখনৰ তুলনাত অধিক উৎপাদনক্ষম হয়।)

এতিয়া যদি আমি উৎপাদনৰ মূল প্ৰবাহ লক্ষ্য কৰিব খোজো, তেতিয়া আমি এক নিৰ্ধাৰিত সময় নতুবা কোনো এবছৰত উৎপাদিত সামগ্ৰীৰ ওপৰত গুৰুত্ব দিব লাগিব। এটা বছৰত অৰ্থনীতি এখনত মুঠ উৎপাদিত চূড়ান্ত দ্ৰব্যসমূহ দুটা ভাগত ভাগ কৰিব পাৰি। উপভোগ দ্ৰব্য আৰু সেৱাসমূহ আৰু আনটো ভাগ হ'ল মূলধনী সামগ্ৰীসমূহ। উপভোগ দ্ৰব্য আৰু সেৱাসমূহৰ ওপৰত দেশৰ জনসাধাৰণ নিৰ্ভৰশীল। আকৌ দেশৰ মুঠ জনসংখ্যাই অৰ্থনীতিৰ কৰ্মশক্তিৰ আধাৰ। মুঠ জনসমষ্টিৰ এটা অংশই শ্ৰম আৰু দক্ষতা প্ৰদানৰ

যোগেদি উদ্যোগৰ প্ৰসাৰ সাধন কৰি অৰ্থনীতিৰ উৎপাদনৰ বৰঙণি যোগায়। মানুহৰ শ্ৰম আৰু মূলধনৰ উৎপাদন প্ৰক্ৰিয়াৰ আধাৰ গঢ়ি তোলা হয়। দেশৰ মুঠ চূড়ান্ত দ্ৰব্যৰ এটা অংশ চলিত বছৰৰ মূলধনী দ্ৰব্য উৎপাদনৰ ভিতৰত পৰে আৰু এই অংশটোৱে চলিত মূলধনী মজুতৰ সংযোজন ঘটায় বা সাল-সলনি কৰে আৰু এনেদৰে সৃষ্টি হোৱা মূলধনী মজুতৰ সৈতে মানুহৰ শ্ৰমৰ সংযোজন ঘটাই পিচৰ বছৰৰ উৎপাদন প্ৰক্ৰিয়াটোৰ আধাৰ গঢ়ি তোলা হয়। এইদৰে অৰ্থনীতিখনে এক চক্ৰীয় প্ৰবাহৰ যোগেদি উৎপাদন আৰু উপভোগ প্ৰক্ৰিয়াটো নিৰৱচ্ছিন্নভাৱে চলি থকাটো সম্ভৱ কৰি তোলে।

আমি এইটোও লক্ষ্য কৰিব পাৰো যে চলিত বছৰৰ মূলধনী দ্ৰব্য উৎপাদনৰ সমুদায় পৰিমাণ যদি পুৰণি মূলধনী মজুতৰ ক্ষয়-ক্ষতিৰ বাবদ ব্যৱহাৰ কৰা হয়, (যিটো বহু ক্ষেত্ৰত সম্ভৱ নহয়) তেতিয়া নতুন মূলধনৰ সংযোজন নহয়। যদি চলিত বছৰৰ শেষত মূলধনী মজুতৰ নিগুট সংযোজন হয়, তেনেহ'লে পিচৰ বছৰৰ উৎপাদন চক্ৰ এক বৃহৎ মূলধন মজুতৰ সৈতে আৰম্ভ কৰিব পৰা যায় আৰু ইয়াৰ যোগেদিয়েই বৃহৎ পৰিমাণৰ উৎপাদন কৰাৰ বাবে এক আধাৰ গঠন কৰিব পাৰি। গতিকে দেখা গ'ল যে অৰ্থনৈতিক চক্ৰটো কেৱল চক্ৰীয় প্ৰবাহতে আবদ্ধ নাথাকে; অৰ্থনৈতিক প্ৰসাৰৰ বাবে এই চক্ৰটোৱে সদায়ে এটা অৰ্থনীতিৰ ওপৰত হেঁচা দি থাকে। যিহেতু আমি কেৱল বজাৰত বিক্ৰীৰ বাবে উৎপাদিত সকলো দ্ৰব্য আৰু সেৱা সম্পৰ্কেই আলোচনা কৰি আছো; সেইবাবে এইক্ষেত্ৰত আন এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা হ'ল যে এই বিক্ৰী সম্ভৱ কৰিবলৈ ক্ৰয় ক্ষমতাৰ পুষ্ট চাহিদাৰ প্ৰয়োজন আছে। এজন ব্যক্তিৰ সামগ্ৰী ক্ৰয় কৰাৰ প্ৰয়োজনীয় ক্ষমতা থাকিব লাগিব। ইয়াৰ অন্যথা বজাৰত তেওঁৰ সামগ্ৰীৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিয়া নহয়।


ব্যক্তি এজনৰ দ্ৰব্য ক্ৰয়ৰ ক্ষমতা আহে শ্ৰমিক হিচাপে তেওঁ অৰ্জন কৰা আয়, মজুৰি, উদ্যোগী হিচাপে অৰ্জন কৰা লাভ, ভূমিৰ গৰাকী হিচাপে পোৱা খাজনা আৰু মূলধনৰ গৰাকী হিচাপে অৰ্জন কৰা সুদৰ ওপৰত, চমুকৈ উৎপাদনৰ উপাদানসমূহৰ গৰাকী হিচাপে ব্যক্তিয়ে তেওঁলোকে অৰ্জন কৰা আয়েৰে দ্ৰব্য আৰু সেৱাৰ প্ৰতি চাহিদা সৃষ্টি কৰে

আৰু এই চাহিদা পূৰণ কৰিবলৈ বিচাৰে। সেইবাবে এইক্ষেত্ৰত আমি বজাৰৰ মাধ্যমত চক্ৰীয় প্ৰবাহ সংগঠিত হোৱা দেখা পাওঁ। গতিকে চক্ৰীয় প্ৰবাহৰ লগত উৎপাদনৰ উপাদানসমূহৰ পৰা সৃষ্ট চাহিদা লক্ষ্য কৰিবলগীয়া। কিয়নো বজাৰত চাহিদা অবিহনে চক্ৰীয় প্ৰবাহ সম্ভৱ নহয়।

সেইবাবে উপভোগ আৰু উৎপাদনৰ দৰে সামাজিক কাৰ্যাৱলী এৰাব নোৱৰাকৈ সম্পৰ্কিত আৰু ইয়াত একপ্ৰকাৰৰ চক্ৰীয় কাৰক নিহিত থাকে। অৰ্থনীতি এখনৰ উৎপাদন প্ৰক্ৰিয়াটোৱে ইয়াত নিয়োজিত হৈ থকা উপাদানসমূহৰ দেনা সৃষ্টি কৰে আৰু উৎপাদন প্ৰক্ৰিয়াটোৰ ফলশ্ৰুতিত দ্ৰব্য আৰু সেৱাসমূহৰ সৃষ্টি হয়। এনেদৰে সৃষ্টি হোৱা আয়ৰ সহায়ত চূড়ান্ত দ্ৰব্যসমূহ ক্ৰয় কৰিবলৈ ক্ৰয় ক্ষমতাৰ উদ্ভৱ হয় আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ বিক্ৰী সম্ভৱ কৰি তোলে। ইয়েই হ'ল ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ মূল লক্ষ্য। উৎপাদন প্ৰক্ৰিয়াটোৰ জৰিয়তে মূলধনী সামগ্ৰীসমূহৰো সৃষ্টি হয় আৰু ইয়াৰ সহায়তো একেধৰণে উৎপাদনকাৰীবোৰে মজুৰি, লাভ ইত্যাদিৰ মাধ্যমত আয় আহৰণ কৰিবলৈ সক্ষম হয়। সংযোজিত মূলধনী সামগ্ৰীবোৰৰ যোগেদি অৰ্থনীতিখনত মূলধন মজুতৰ পৰিমাণ বৃদ্ধি পায় আৰু ইয়াৰ দ্বাৰা আন আন সামগ্ৰীবোৰ উৎপাদন কৰাটো সম্ভৱপৰ হৈ উঠে।

## 2.2 আয়ৰ চক্ৰীয় প্ৰবাহ আৰু জাতীয় আয় গণনাৰ পদ্ধতিসমূহ (Circular Flow of Income and Methods of Calculating National Income)

আগৰ অনুচ্ছেদত আমি চৰকাৰী হস্তক্ষেপ, বহিঃবাণিজ্য কিম্বা কোনো সঞ্চয়ৰ ব্যৱস্থাহীন এখন অতি সৰল অৰ্থনীতি (Simple economy)য়ে কেনেদৰে কাৰ্য কৰে সেই বিষয়ে এক সম্যক আলোচনা দাঙি ধৰিছিলো। পৰিয়ালসমূহে উৎপাদন প্ৰক্ৰিয়াত তেওঁলোকে পালন কৰা দায়িত্বৰ বাবে প্ৰতিষ্ঠানৰ পৰা আয় অৰ্জন কৰে। ইতিমধ্যে আমি উল্লেখ কৰিছো যে উৎপাদন কাৰ্যত চাৰি প্ৰকাৰৰ আয়ৰ সৃষ্টি হয়। সেইবোৰ হ'ল— (a) শ্ৰমিকে দিয়া শ্ৰমৰ অৱদান আৰু ইয়াৰ বিনিময়ত তেওঁলোকে মজুৰি (Wages) লাভ কৰে, (b) মূলধনে যোগোৱা বৰঙণিৰ বৰঙণিৰ বাবদ সুদ (Interest) লাভ কৰে, (c) উদ্যোগীৰ অৱদানৰ



চিত্ৰ 2.1 এক সৰল অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰবাহ

বাবদ লাভ (Profit) অৰ্জন কৰে আৰু স্থিৰ প্ৰাকৃতিক সম্পদ (Fixed natural resources) অৰ্থাৎ ভূমিয়ে যোগোৰা অৱদানৰ বাবদ খাজনা (rent) লাভ কৰে। এয়া হ'ল একপ্ৰকাৰৰ অতি সৰল অৰ্থনীতিৰ উদাহৰণ, য'ত পৰিয়ালসমূহে তেওঁলোকৰ সমুদায় উপাৰ্জন, ঘৰুৱা প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰাৰ বাবদ ব্যয় কৰে। তেওঁলোকৰ উপাৰ্জন অন্যান্য পথেৰে খৰচ কৰাৰ কোনো অৱকাশ নাই। ইয়াত ধৰি লোৱা হৈছে যে পৰিয়ালসমূহৰ কোনোধৰণৰ সঞ্চয় নাই। তেওঁলোকে চৰকাৰক কোনোধৰণৰ কৰ, জৰিমনা আদি পৰিশোধ কৰিব নালাগে, সৰল অৰ্থনীতি হোৱা বাবে বৈদেশিক বাণিজ্য নথকাৰ হেতু তেওঁলোকে আমদানিকৃত দ্ৰব্য ক্ৰয় কৰাৰো কোনো সুযোগ নাথাকে। আন কথাত উৎপাদনৰ উপাদানসমূহে তেওঁলোকৰ আৰ্জিত আয় তেওঁলোকৰ সহায়ত উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ বাবেহে ব্যয় কৰে। অৰ্থনীতিখনৰ পৰিয়াল গোটসমূহে কৰা মুঠ উপভোগৰ ব্যয়ৰ পৰিমাণ প্ৰতিষ্ঠানসমূহে দ্ৰব্য আৰু সেৱাসমূহ উৎপাদন কৰোতে হোৱা মুঠ ব্যয়ৰ সৈতে সমান হয়। সেয়েহে অৰ্থনীতিখনৰ সমুদায় আয়, বিক্ৰী আয়ৰ মাধ্যমত পুনৰ উৎপাদনকাৰীসকলৰ হাতলৈ ঘূৰি আহে। এই ব্যৱস্থাটোত কোনোধৰণৰ সুৰুঙা নাথাকে। উৎপাদন প্ৰতিষ্ঠানসমূহে উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰা উপাদানৰ দেনা আৰু বিক্ৰীৰ আয়ৰ মাধ্যমত এইসমূহে লাভ কৰা মুঠ উপভোগ ব্যয়ৰ মাজত কোনোধৰণৰ পাৰ্থক্য নাথাকে। পিচৰ সময়ত প্ৰতিষ্ঠানসমূহে পুনৰ এবাৰ দ্ৰব্য আৰু সেৱা উৎপাদন কৰে আৰু উৎপাদনৰ উপাদানসমূহৰ মজুৰি প্ৰদান কৰে। এই মজুৰিত পুনৰ দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰোতে ব্যৱহৃত হয়। বছৰৰ পিচত বছৰ ধৰি সেইবাবে অৰ্থনীতি এখনৰ মুঠ আয়

উৎপাদান প্ৰতিষ্ঠানসমূহ আৰু পৰিয়াল গোটসমূহ এই দুটা খণ্ডৰ মাজেৰে চক্ৰীয়ভাৱে প্ৰবাহিত হৈ থাকে।

## 2.1 এখন সৰল অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰবাহ (Circular Flow of Income in a Simple Economy)

চিত্ৰ 2.1ত একেবাৰে ওপৰত অৱস্থান কৰা কাঁড়চিহ্নযুক্ত ৰেখাডালে; (যিডাল ৰেখা পৰিয়াল গোটৰ পৰা প্ৰতিষ্ঠানলৈ নিৰ্দেশ কৰা হৈছে) প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহ ক্ৰয় কৰাত পৰিয়াল গোটসমূহে কৰা ব্যয় দেখুৱাইছে। দ্বিতীয় কাঁড়চিহ্নযুক্ত ৰেখাডালে (যিডাল ৰেখাই প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ নিৰ্দেশ কৰিছে) ওপৰৰ ৰেখাডালৰ বিপৰীত অৱস্থা সূচাইছে। এই ৰেখাডালে প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ প্ৰবাহিত হোৱা দ্ৰব্য আৰু সেৱাসমূহক নিৰ্দেশ কৰিছে। আন কথাত এই প্ৰবাহ হ'ল পৰিয়াল গোটে প্ৰতিষ্ঠানৰ পৰা যিখিনি দ্ৰব্য আৰু সেৱা পাইছে আৰু ইয়াৰ বাবদ তেওঁলোকে যিমান ব্যয় বহন কৰিছে, তাৰ দ্বাৰা গঢ় লোৱা এক প্ৰবাহ, চমুকৈ চিত্ৰৰ ওপৰৰ অংশৰ ওপৰৰ ৰেখাডালে দ্ৰব্য আৰু সেৱাৰ বাবে দিবলগা দেনাৰ প্ৰবাহ দেখুৱাইছে আৰু চিত্ৰৰ ওপৰ অংশৰ তলৰ ৰেখাডালৰ দ্বাৰা উদ্যোগ প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ দ্ৰব্য আৰু সেৱাৰ প্ৰবাহ দেখুওৱা হৈছে। আনহাতে তলৰ ৰেখা দুডালে একেদৰেই উৎপাদনৰ উপাদানৰ বজাৰ দেখুৱাইছে। সৰ্বনিম্ন ৰেখাডালে (যিডালে পৰিয়াল গোটৰ পৰা প্ৰতিষ্ঠানলৈ নিৰ্দেশ কৰিছে) পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানলৈ আগবঢ়োৱা সেৱাৰ প্ৰবাহ দেখুৱাইছে। এই সেৱা ব্যৱহাৰ কৰিয়েই প্ৰতিষ্ঠানসমূহে দ্ৰব্য উৎপাদন কৰিছে। ইয়াৰ ওপৰৰ ৰেখাডালে (যিডালে প্ৰতিষ্ঠানৰ পৰা পৰিয়াল গোটলৈ নিৰ্দেশ কৰিছে) প্ৰতিষ্ঠানসমূহে তেওঁলোকলৈ আগবঢ়োৱা সেৱাৰ বাবদ পৰিয়াল গোটসমূহক প্ৰদান কৰা দেনা নিৰ্দেশ কৰিছে। যিহেতু একে পৰিমাণৰ মুদ্ৰাই অৰ্থাৎ দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য এক চক্ৰীয় প্ৰবাহৰ যোগেদি গতিশীল হৈ আছে, সেই বাবে আমি যদি এটা বছৰৰ উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মুঠ মূল্য গণনা কৰিবলৈ বিচাৰো, তেনেহ'লে চিত্ৰত নিৰ্দেশ কৰা যিকোনো বিন্দু ৰেখাত (dotted line)

বাৰ্ষিক প্ৰবাহৰ মূল্য পৰিমাপ কৰিব পাৰো। আমি একেবাৰে ওপৰৰ প্ৰবাহ (A বিন্দুত) গণনা কৰিব পাৰো। ইয়াৰ বাবে প্ৰতিষ্ঠানসমূহে উৎপাদিত চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহত পৰিয়াল গোটসমূহে কৰা ব্যয়ৰ পৰিমাপ কৰিব লাগিব। এই পদ্ধতিটোকে ব্যয় পদ্ধতি (Expenditure Method) বোলা হয়। যদি আমি প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য পৰিমাপৰ যোগেদি B বিন্দুত প্ৰবাহৰ জোখ লওঁ, তেনেহ'লে ইয়াক উৎপাদন পদ্ধতি (Product Method) বোলা হয়। আনহাতে C বিন্দুত সকলোবোৰ উপাদানৰ দেনাৰ সৰ্বমুঠ পৰিমাণ পৰিমাপ কৰিলে ইয়াক আয় পদ্ধতি (Income Method) বোলা হয়। লক্ষণীয় কথা হ'ল— অৰ্থনীতি এখনৰ মুঠ ব্যয়ৰ সৈতে উৎপাদনৰ উপাদানসমূহৰ মুঠ আয় সমান হ'ব লাগিব (A আৰু C বিন্দুত প্ৰবাহ সমান)। এতিয়া ধৰা হ'ল এটা নিৰ্দিষ্ট সময়ত পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্য অৰু সেৱাসমূহত অতিৰিক্তভাৱে ব্যয় কৰিবলৈ বিচাৰিছে। ক্ষন্তেক সময়ৰ বাবে এই কথা চিন্তা কৰিবলৈ বাদ দিয়া হওক যে তেওঁলোকে এই অতিৰিক্ত ব্যয় কৰিবলৈ প্ৰয়োজনীয় বিত্ত ক'ৰ পৰা লাভ কৰিছে। কিয়নো ইতিমধ্যে তেওঁলোকে সমুদায় আয় দ্ৰব্য আৰু সেৱা ক্ৰয়ত ব্যয় কৰিছে। (তেওঁলোকে এই অতিৰিক্ত ব্যয় পূৰণ কৰিবলৈ ঋণ ল'ব পাৰে।) যদি তেওঁলোকে দ্ৰব্য আৰু সেৱাত অতিৰিক্তভাৱে ব্যয় কৰে, তেনেহ'লে উৎপাদন প্ৰতিষ্ঠানসমূহে এই অতিৰিক্ত চাহিদা পূৰণ কৰিবলৈ অধিক উৎপাদন কৰিব লাগিব। এই অতিৰিক্ত উৎপাদনৰ বাবে তেওঁলোকে উৎপাদনৰ উপাদানসমূহক অতিৰিক্ত মজুৰি দিব লাগিব। এতিয়া কথা হ'ল যে প্ৰতিষ্ঠানসমূহে কিমান পৰিমাণৰ অতিৰিক্ত মজুৰি প্ৰদান কৰিব? অতিৰিক্তভাৱে উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মূল্যৰ সৈতে এই অতিৰিক্ত দেনাৰ পৰিমাণো সমান হ'ব লাগিব। এনে কৰিলে পৰিয়াল গোটসমূহে তেওঁলোকে কৰা অতিৰিক্ত ব্যয় পূৰণ কৰি অতিৰিক্ত দ্ৰব্য সামগ্ৰী ক্ৰয় কৰিব পাৰিব। আন কথাত পৰিয়াল গোটসমূহে অতিৰিক্ত ব্যয়ৰ সিদ্ধান্ত ল'ব পাৰে আৰু তেওঁলোকে ভবাতকৈ অধিক পৰিমাণৰ ব্যয় কৰিব পাৰে। কিয়নো শেষত তেওঁলোকৰ আয়ৰ পৰিমাণ অতিৰিক্ত ব্যয় জোৰা মাৰিব পৰাকৈ বৃদ্ধি পাব। এই কথাটো অলপ পৃথকে এনেদৰে লক্ষ্য কৰিব পাৰি। অৰ্থনীতি এখনে ইয়াৰ বৰ্তমানৰ আয়তকৈ অধিক পৰিমাণৰ

ব্যয় কৰিব পাৰে। কিন্তু ইয়াকে কৰিবলৈ যাওঁতে ইয়াৰ আয়ৰ পৰ্যায়টো নিশ্চিতভাৱে অতিৰিক্ত ব্যয়ৰ জোৰা মাৰিব পৰাকৈ বৃদ্ধি পাব লাগিব। এইটো প্ৰথমতে এক সাঁথৰৰ দৰে লাগে। কিন্তু যিহেতু আয়ৰ চক্ৰীয় প্ৰবাহ চলি থাকে, গতিকে প্ৰবাহৰ এটা বিন্দুত ই বৃদ্ধি পালে আন সকলো বিন্দুত বৃদ্ধি নঘটে বা বৃদ্ধি ঘটাত অসুবিধা আহিব বুলি ক'ব নোৱাৰি। এটা নিৰ্দিষ্ট গোটৰ (ধৰা হ'ল পৰিয়াল গোট) ক্ষেত্ৰত সমগ্ৰ অৰ্থনীতিখনৰে প্ৰসংগটো পৃথক হয়। ই তাৰে এক উদাহৰণ। পৰিয়াল গোট এটাৰ ক্ষেত্ৰত ব্যক্তিগত আয়ৰ দ্বাৰা প্ৰভাৱিত হৈ ব্যয় সীমিত হৈ পৰে। সাধাৰণতে এইটো নহয় যে এজন শ্ৰমিকে অধিক ব্যয় কৰিব বিচাৰিলে ইয়াৰ সমান পৰিমাণত তেওঁৰ আয়ো বৃদ্ধি পাব। আমি পৰৱৰ্তী অধ্যায়ত এই সন্দৰ্ভত অধিক ব্যাখ্যা কৰিম আৰু দেখুৱাম যে উচ্চ স্তৰৰ মুঠ ব্যয়ে কেনেকৈ সৰ্বমুঠ আয়ৰ বৃদ্ধি ঘটায়।

ওপৰত উল্লেখ কৰা উদাহৰণটো এখন অতি সৰল অৰ্থনীতিৰ পৰা দাঙি ধৰা হৈছে। এখন কাল্পনিক অৰ্থনীতিৰ কথা বৰ্ণনা কৰা এইধৰণৰ বক্তব্যই হ'ল সমষ্টিগত অৰ্থনৈতিক আৰ্হি (Macro-economic model)। এটা আৰ্হিয়ে কেতিয়াও প্ৰকৃত অৰ্থনৈতিক অৱস্থা এটাৰ বিস্তৃতভাৱে ব্যাখ্যা কৰিব নোৱাৰে। উদাহৰণস্বৰূপে আমাৰ আৰ্হিত ধৰি লোৱা হৈছে যে পৰিয়াল গোটসমূহে সঞ্চয় নকৰে বা কোনোধৰণৰ চৰকাৰ, বৈদেশিক বাণিজ্য ইত্যাদিবোৰৰ অস্তিত্ব মানি লোৱা হোৱা নাই। অৱশ্যে অৰ্থনৈতিক আৰ্হি এটাই প্ৰতিটো ছেকেণ্ডৰ অৰ্থনীতি এখনৰ ঘটনা প্ৰবাহ ব্যাখ্যা কৰিব নোৱাৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল অৰ্থনৈতিক ব্যৱস্থা এটাৰ মূল কাৰ্যাৱলীসমূহ দাঙি ধৰা। কিন্তু এনে কৰিবলৈ যাওঁতে বিষয়বোৰ এনেধৰণে সৰলীকৰণ কৰিব নালাগে যাতে অৰ্থনীতিখনৰ প্ৰকৃতিৰ ভুল ব্যাখ্যা হয়। ইয়াৰ বাবে প্ৰত্যেকে সচেতন হোৱা প্ৰয়োজন। অৰ্থনীতি বিষয়টো বহু আৰ্হিৰে পৰিপূৰ্ণ। ইয়াৰে বহুসংখ্যক আৰ্হি এই পাঠ্যপুথিত আলোচনা কৰা হৈছে। এজন অৰ্থনীতিবিদৰ মূল কাম হ'ল কোনটো আৰ্হি প্ৰকৃততে বাস্তৱ জীৱনত প্ৰয়োগ হয় তাক নিৰ্দেশ কৰি দিয়াটো।

যদি আমি ওপৰত উল্লেখ কৰা সৰল অৰ্থনৈতিক আৰ্হিটোত সঞ্চয় সংযোগ কৰি ইয়াৰ পৰিৱৰ্তন সাধন কৰো, তেনেহ'লে ই আমাৰ প্ৰধান সিদ্ধান্ত সলনি কৰিব পাৰিবনে? অৰ্থাৎ এইটো দেখুৱাব পাৰিবনে যে আমি A, B বা C যিকোনো বিন্দুতে গণনা নকৰো কিয়; অৰ্থনীতিখনৰ মুঠ আয় একেই থাকিব? হয়, এই সিদ্ধান্ত এটা সাধাৰণ পথেৰে সলনি কৰিব পৰা নাযায়। অৰ্থনৈতিক ব্যৱস্থাটো যিমানেই জটিল নহওক লাগিলে এই তিনিওটা পদ্ধতিতে বাৰ্ষিক উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ পৰিমাপ সদায় একে হয়।

## 2.2.1 উৎপাদন বা মূল্য সংযোজন পদ্ধতি (The Product of Value added Method)

উৎপাদন পদ্ধতিত অমি এটা বছৰত উৎপাদিত সকলো দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ বাৰ্ষিক মূল্য গণনা কৰো। এইটোনো কেনেদৰে কৰা হয়? আমি অৰ্থনীতিখনৰ সকলোবোৰ প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাসমূহৰ মূল্য যোগ কৰোনে? নিম্নোক্ত উদাহৰণটোৰ পৰা এই কথা সহজে বুজিব পাৰি।

ধৰা হ'ল অৰ্থনীতিখনত মাত্ৰ দুই প্ৰকাৰৰ উৎপাদনকাৰী অছে। তেওঁলোক হ'ল ঘেঁহু উৎপাদনকাৰী (খেতিয়ক) আৰু পাউৰুটী তৈয়াৰ কৰোতা। ঘেঁহু খেতিয়কসকলক ঘেঁহু উৎপাদন কৰোতে শ্ৰমিকৰ বাহিৰে আন কোনো আহিলাৰ প্ৰয়োজন নহয়। তেওঁলোকে ইয়াৰ এটা অংশ ৰুটি তৈয়াৰ কৰোতাসকলক বিক্ৰী কৰে। আনহাতে ৰুটি তৈয়াৰ কৰোতাসকলকো আটাৰ বাহিৰে আন কোনোধৰণৰ কেঁচামালৰ প্ৰয়োজন নহয়। ধৰা হ'ল এটা বছৰত ঘেঁহু খেতিয়কে উৎপাদন কৰা ঘেঁহুৰ মূল্য 100 টকা। ইয়াৰ ভিতৰৰে 50 টকা মূল্যৰ ঘেঁহু তেওঁলোক ৰুটি তৈয়াৰ কৰোতাক বিক্ৰী কৰিছে। এতিয়া 50 টকা মূল্যৰ আটা ব্যৱহাৰ কৰি ৰুটি তৈয়াৰ কৰোতাই এটা বছৰত 200 টকা মূল্যৰ ৰুটি তৈয়াৰ কৰিছে। তেনেহ'লে ঘেঁহুৰ মুঠ উৎপাদন মূল্য কিমান হ'ব? যদি আমি উৎপাদনৰ সকলো খণ্ডৰ মূল্যৰ সৰ্বমুঠ হিচাপ কৰো, তেনেহ'লে আমি 200 টকা (ৰুটি তৈয়াৰ কৰোতাৰ উৎপাদনৰ মূল্য) আৰু 100 টকা (খেতিয়কৰ উৎপাদন মূল্য)

যোগ কৰিব লাগিব। অৰ্থাৎ এই মূল্য হ'ব 300 টকা।

কিন্তু অলপ ভালদৰে লক্ষ্য কৰিলে গম পোৱা যাব যে সৰ্বমুঠ উৎপাদনৰ মূল্য 300 টকা নহয়। খেতিয়কে 100 টকা মূল্যৰ ঘেঁহু উৎপাদন কৰোতে কোনোধৰণৰ অন্য আহিলাৰ সহায় ল'বলগা হোৱা নাই। সেইবাবে এই সম্পূৰ্ণ 100 টকাই হ'ল তেওঁৰ অৱদান। কিন্তু এই একেটা কথা ৰুটি তৈয়াৰ কৰোতাৰ ক্ষেত্ৰত সঁচা নহয়। বেকাৰীয়ে ৰুটি তৈয়াৰ কৰিবলৈ 50 টকা মূল্যৰ আটা ক্ৰয় কৰিবলগা হৈছে। বেকাৰীত তৈয়াৰ কৰা 200 টকা মূল্যৰ ৰুটি কেৱল তেওঁলোকৰ সম্পূৰ্ণ নিজা অৱদান নহয়। ৰুটি তৈয়াৰ কৰোতাসকলৰ নিগুট অৱদান জানিবলৈ হ'লে আমি তেওঁলোকে খেতিয়কৰ পৰা ক্ৰয় কৰা ঘেঁহুৰ মূল্য বাদ দিব লাগিব। ইয়াকে নকৰিলে আমি দুবাৰ গণনাৰ ভুল কৰা হ'ব। কিয়নো 50 টকা ঘেঁহুৰ মূল্য দুবাৰ গণনালৈ আহিব। প্ৰথমে ইয়াক খেতিয়কে কৰা উৎপাদনৰ এটা অংশ হিচাপে গণনা কৰা হ'ব আৰু দ্বিতীয়বাৰ ৰুটি তৈয়াৰ কৰোতাসকলে উৎপাদন কৰা ৰুটিৰ অন্তৰ্নিহিত মূল্য হিচাপে গণনালৈ আহিব।

সেয়েহে ৰুটি তৈয়াৰ কৰোতাসকলৰ নিগুট অৱদান হ'ল 200 টকা – 50 টকা = 150 টকা। এতিয়া এই সৰল অৰ্থনীতিখনে উৎপাদন কৰা দ্ৰব্য আৰু সেৱাৰ মুঠ মূল্য হ'ব 100 টকা (খেতিয়কৰ নিগুট অৱদান) + 150 টকা।

প্ৰতিষ্ঠান এখনৰ নিগুট অৱদান বুজাবলৈ সাধাৰণতে 'মূল্য সংযোজন' শব্দটো ব্যৱহাৰ কৰা হয়। আমি দেখিছো যে এখন প্ৰতিষ্ঠানে আন এখন প্ৰতিষ্ঠানৰ পৰা কেঁচা সামগ্ৰী ক্ৰয় কৰি আনি সম্পূৰ্ণৰূপে উৎপাদন কাৰ্যত ব্যৱহাৰ কৰে আৰু ইয়াকে 'মধ্যৱৰ্তী দ্ৰব্য' (Intermediate goods) বুলি কোৱা হয়। সেই বাবে এখন উদ্যোগ প্ৰতিষ্ঠানৰ মূল্য সংযোজন হ'ল ঃ (প্ৰতিষ্ঠানখনৰ উৎপাদনৰ মূল্য – প্ৰতিষ্ঠানখনে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য)। প্ৰতিষ্ঠান এখনৰ মূল্য সংযোজন উৎপাদনৰ চাৰিওটা উপাদান— ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগীৰ মাজত ভগাই দিয়া হয়। সেই বাবে প্ৰতিষ্ঠানে আদায় দিয়া মজুৰি, সুদ, লাভ আৰু খাজনা ইয়াৰ মূল্য সংযোজনৰ লগত নিতান্তই যোগ কৰিব

লাগিব। মূল্য সংযোজন হ'ল এটা প্ৰবহমান চলক।

আমি ওপৰত বৰ্ণনা কৰা উদাহৰণটো নিম্নোক্ত তালিকাখনৰ (2.1) দ্বাৰা দেখুৱাব পাৰো।

**তালিকা 2.1 উৎপাদন, মধ্যৱৰ্তী দ্ৰব্য আৰু মূল্য সংযোজন ঃ**

| | খেতিয়ক | পাউৰুটী তৈয়াৰ কৰোতা |
|---|---|---|
| মুঠ উৎপাদন | 100 | 200 |
| মধ্যৱৰ্তী দ্ৰব্য ব্যৱহাৰ | 0 | 50 |
| মূল্য সংযোজন (Value added) | 100 | 200 – 50 = 150 |

উক্ত তালিকাখনৰ চলকবোৰ মুদ্ৰাৰ মাধ্যমত প্ৰকাশ কৰা হৈছে। আমি ইয়াত তালিকাবদ্ধ কৰা আৰু বিভিন্ন চলকসমূহৰ মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰা দ্ৰব্যসমূহৰ বজাৰদৰ সন্দৰ্ভত গুৰুত্ব দিয়াটো প্ৰয়োজন। তদুপৰি আমাৰ উদাহৰণটোত দেখুওৱা উৎপাদন প্ৰক্ৰিয়াটোত অধিক পৰিমাণৰ জটিল আৰু বাস্তৱসন্মত আহিলা সংযোগ ঘটাব লাগিব। উদাহৰণস্বৰূপে খেতিয়কসকলে ঘেঁহু উৎপাদনৰ বাবে ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব পাৰে। এই আহিলাসমূহৰ মূল্য উৎপাদিত ঘেঁহুৰ মূল্যৰ পৰা বাদ দিব লাগিব। অথবা ৰুটি তৈয়াৰ কৰোতাই যদি ৰুটিসমূহ ৰেষ্টুৰেণ্টত বিক্ৰী কৰে তেনেহ'লে এই মূল্য সংযোজন গণনা কৰিবলৈ মধ্যৱৰ্তী দ্ৰব্যৰ (এইক্ষেত্ৰত ৰুটি) মূল্য বাদ দিব লাগিব।

ইতিমধ্যে আমি 'ক্ষয়-ক্ষতি'ৰ ধাৰণাটো ব্যাখ্যা কৰিছো যাক স্থিৰ মূলধন উপভোগ বুলিও কোৱা হয়। যিহেতু উৎপাদন কাৰ্যত ব্যৱহাৰ হৈ থকাৰ ফলত মূলধনৰ ক্ষয়-ক্ষতিৰ বাবে উৎপাদনকাৰীয়ে সাল-সলনি সংক্ৰান্তীয় বিনিয়োগ কৰিবলগা হয় যাতে মূলধনৰ মূল্য স্থিৰে ৰাখিব পৰা যায়। এই সাল-সলনিজনিত বিনিয়োগ মূলধনৰ ক্ষয়-ক্ষতিৰ সৈতে একে। যদি আমি মূল্য সংযোজনৰ লগত ক্ষয়-ক্ষতিৰ মূল্য অন্তৰ্ভুক্ত কৰো, তেনেহ'লে আমি যি পৰিমাণৰ মূল্য সংযোজন পাম তাক মুঠ মূল্য সংযোজন (Gross value added) বুলি কোৱা হ'ব আৰু যদি ক্ষয়-ক্ষতিৰ মূল্য মুঠ সংযোজিত মূল্যৰ পৰা বাদ দিয়া হয় তেনেহ'লে যি মূল্য সংযোজন পোৱা যায় তাক নিগুট মূল্য সংযোজন (Net value added) বোলা হয়। মুঠ মূল্য সংযোজন, নিগুট মূল্য সংযোজন ইত্যাদিৰ লগত মূলধনৰ ক্ষয়-ক্ষতি অন্তৰ্ভুক্ত

নকৰিলে মূলধনক সম্পূৰ্ণ আওকাণ কৰা হ'ব। উদাহৰণস্বৰূপে ধৰা হ'ল এখন প্ৰতিষ্ঠানে বছৰি 100 টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰে। প্ৰতিষ্ঠানখনে বছৰটোত ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য হ'ল 20 টকা আৰু মূলধন উপভোগৰ (Capital consumption) মূল্য হ'ল 10 টকা। এতিয়া প্ৰতিষ্ঠানখনৰ মুঠ মূল্য সংযোজনৰ পৰিমাণ হ'ব ঃ 100 টকা – 20 টকা = 80 টকা। প্ৰতিষ্ঠানখনৰ নিগুট মূল্য সংযোজন হ'ব ঃ (100 টকা – 20 টকা – 10 টকা = 70 টকা) বাৰ্ষিক।

এইটো মন কৰিবলগীয়া যে যেতিয়া মূল্য সংযোজন গণনা কৰা হয়, তেতিয়া আমি প্ৰতিষ্ঠানৰ উৎপাদনৰ মূল্য গ্ৰহণ কৰো। কিন্তু প্ৰতিষ্ঠান এখনে ইয়াৰ উৎপাদিত সকলোবোৰ দ্ৰব্য বিক্ৰী কৰিব নোৱাৰিবও পাৰে। এনেকুৱা অৱস্থাত বছৰৰ শেষত বিক্ৰী নোহোৱাকৈ কিছু অংশ মজুত থাকি যায় আৰু স্বাভাৱিকভাৱে প্ৰতিষ্ঠানখনে এই বিক্ৰী নোহোৱা মজুতৰ সৈতে উৎপাদন আৰম্ভ কৰিবলগা হয় আৰু ইয়াৰ বাবেই বছৰটোত প্ৰতিষ্ঠানখনৰ উৎপাদনৰ পৰিমাণ যথেষ্ট কম হয়। কিন্তু ই আৰম্ভ কৰা পুৰণি মজুতৰ বিক্ৰীৰ যোগেদিয়েই বজাৰৰ চাহিদা পূৰণ কৰিবলগা হয়। এতিয়া প্ৰতিষ্ঠান এখনে উদ্দেশ্যপ্ৰণোদিতভাৱে বা অনিচ্ছাকৃতভাৱে বহন কৰিবলগা হোৱা এই মজুতক আমি কেনেভাৱে গণ্য কৰিম? এইটো মন কৰিবলগা যে প্ৰতিষ্ঠানখনে অন্য প্ৰতিষ্ঠানৰ পৰা কেঁচা সামগ্ৰী ক্ৰয় কৰিছে। আৰু এই ব্যৱহৃত কেঁচা সামগ্ৰীসমূহক মধ্যৱৰ্তী দ্ৰব্য হিচাপে বিবেচনা কৰা হৈছে। এইক্ষেত্ৰত অব্যৱহৃত হৈ ৰোৱা দ্ৰব্যসমূহ কি কৰা হ'ব?

অৰ্থনীতিত প্ৰতিষ্ঠান এখনে বিক্ৰী নোযোৱা চূড়ান্ত দ্ৰব্য বা অৰ্ধচূড়ান্ত দ্ৰব্য বা কেঁচা সামগ্ৰীৰ যিটো অংশ এটা বছৰৰ পৰা পিচৰ বছৰটোলৈ কঢ়িয়াই নিবলগা হয়, সেই দ্ৰব্যসমূহকে 'পূৰ্বৱৰ্তী দ্ৰব্য' (Inventory) বোলা হয়। পূৰ্বৱৰ্তী দ্ৰব্যসমূহ হ'ল, মজুত চলক (Stock variable)। বছৰটোৰ আৰম্ভণিতে ইয়াৰ এক মূল্য থাকিব পাৰে; বছৰৰ অন্তত ইয়াৰ এক মূল্য বৃদ্ধি পাব পাৰে। এনে অৱস্থাত পূৰ্বৱৰ্তী দ্ৰব্যবোৰ বৃদ্ধি পায় (বা সঞ্চিত হয়)। আনহাতে বছৰৰ শেষত এইসমূহৰ মূল্য হ্ৰাস পালে পূৰ্বৱৰ্তী দ্ৰব্যবোৰ কমি যোৱা

বুজায়। সেয়েহে আমি ইয়াক এনেদৰে দেখুৱাব পাৰো। বছৰটোৰ ভিতৰত এটা প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন ≡ বছৰটোত প্ৰতিষ্ঠানৰ উৎপাদন – বছৰটোত প্ৰতিষ্ঠানৰ বিক্ৰী। ইয়াত '≡' চিনটো পৰিচায়ক (Identity) হিচাপে ব্যৱহাৰ কৰা হৈছে। সমান চিনৰ (=) বিপৰীতে এটা পৰিচায়ক চিহ্নই (≡) সদায় ইয়াৰ সোঁফাল আৰু বাওঁফালৰ চলকসমূহৰ প্ৰতি নিৰপেক্ষ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে আমি $2 + 2 = 4$ লিখিব পাৰো। কাৰণ এইটো সদায় সত্য। কিন্তু আমি $2 \times x = 4$ লিখিব লাগিব, কিয়নো $x$ ৰ দুগুণৰ সমান 4 হ'ব তেতিয়াহে, যদি $x = 2$ হয়। অন্যথা $x$ ৰ অন্য মানৰ বাবে এইটো শুদ্ধ নহয়। সেইবাবে আমি $2 \times x \equiv 4$ লিখিব নোৱাৰো।

মন কৰিবলগীয়া যে যিহেতু প্ৰতিষ্ঠানৰ উৎপাদন ≡ মূল্য সংযোজন + প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্যৰ পৰিচায়ক, সেয়েহে বছৰটোত প্ৰতিষ্ঠান এখনৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন = মূল্য সংযোজন + প্ৰতিষ্ঠানখনে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্য – বছৰটোত প্ৰতিষ্ঠানখনৰ বিক্ৰী।

উদাহৰণস্বৰূপে ধৰা হ'ল, প্ৰতিষ্ঠান এখনৰ বছৰটোৰ আৰম্ভণিতে বিক্ৰী নোযোৱা মজুতৰ পৰিমাণ মূল্য হিচাপত 100 টকা। গোটেই বছৰটোত প্ৰতিষ্ঠানখনে 1,000 টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰিছে আৰু ইয়াৰে 800 টকা মূল্যৰ সামগ্ৰীহে বিক্ৰী কৰিবলৈ সক্ষম হৈছে। গতিকে উৎপাদন আৰু বিক্ৰীৰ মাজৰ পাৰ্থক্য হ'ল 200 টকা। এই পৰিমাণ প্ৰতিষ্ঠানখনে বছৰৰ আৰম্ভণিতে 100 টকা মূল্যৰ যি পূৰ্বৱৰ্তী দ্ৰব্যৰে আৰম্ভ কৰিছিল, তাৰ সৈতে যোগ দিব লাগে। এনে কৰিলে বছৰটোৰ শেষত প্ৰতিষ্ঠানখনৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ মূল্য হ'ব 100 টকা + 200 টকা = 300 টকা। লক্ষ্য কৰিব পাৰি যে এটা সময়ৰ ব্যৱধানত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন সংগঠিত হৈছে। সেয়েহে ই এটা প্ৰবহমান চলক (flow variable)।

পূৰ্বৱৰ্তী দ্ৰব্যসমূহক সাধাৰণতে মূলধন হিচাপে বিবেচনা কৰা হয়। প্ৰতিষ্ঠান এখনৰ মূলধনী মজুতত হোৱা সংযোজনকহে বিনিয়োগ (Investment) বোলা হয়। সেইবাবে প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তনকো বিনিয়োগ হিচাপে বিবেচনা কৰা হয়। বিনিয়োগৰ

তিনিটা প্ৰধান ভাগ আছে। প্ৰথমটো হ'ল প্ৰতিষ্ঠানৰ বছৰটোত বৃদ্ধি পোৱা পূৰ্বৱৰ্তী দ্ৰব্যৰ মূল্য, যাক প্ৰতিষ্ঠানখনৰ বিনিয়োগ ব্যয় বুলি কোৱা হয়। দ্বিতীয়টো ভাগ হ'ল স্থিৰ ব্যৱসায়িক বিনিয়োগ (Fixed business investment)। ইয়াৰ ভিতৰত প্ৰতিষ্ঠানে সংযোজন কৰা নতুন যন্ত্ৰ-পাতি, কাৰখানাৰ ঘৰ-দুৱাৰ বা অন্যান্য আহিলাসমূহত হোৱা বিনিয়োগ সামৰি লোৱা হয়। তৃতীয়বিধ বিনিয়োগ হ'ল আবাসিক বিনিয়োগ। ইয়াৰ ভিতৰত বসতিৰ বাবে নতুনকৈ ঘৰ-দুৱাৰৰ সুবিধা সংযোজন ঘটোৱাক সামৰি লোৱা হয়।

পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন পৰিকল্পিত বা অপৰিকল্পিত দুই ধৰণৰ হ'ব পাৰে। বিক্ৰী অনাকাংক্ষিতভাৱে হ্ৰাস পালে প্ৰতিষ্ঠানখনৰ বিক্ৰী নোহোৱা দ্ৰব্যৰ পৰিমাণ বহিৰ্ভূতভাৱে বাঢ়ি যায় আৰু এইদৰেই অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুত বাঢ়ে। ইয়াৰ বিপৰীতে বিক্ৰীৰ পৰিমাণ আশাতীতভাৱে বৃদ্ধি পালে পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুত অপৰিকল্পিতভাৱে হ্ৰাস পায়।

এই কথাখিনি নিম্নোক্ত উদাহৰণটোৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। ধৰা হ'ল এখন প্ৰতিষ্ঠানে ছাৰ্ট উৎপাদন কৰে। প্ৰতিষ্ঠানখনে 100টা পূৰ্বৱৰ্তী ছাৰ্টৰ সৈতে বছৰটো আৰম্ভ কৰিছে। আগত বৰ্ষটোত প্ৰতিষ্ঠানখনে 1,000টা ছাৰ্ট বিক্ৰীৰ আশা ৰাখিছে। আৰু এনেদৰেই প্ৰতিষ্ঠানখনে 1,000টা ছাৰ্ট উৎপাদন কৰি বছৰৰ শেষত 100টা ছাৰ্ট পূৰ্বৱৰ্তী দ্ৰব্য হিচাপে ৰখাৰ পৰিকল্পনা কৰিছে। কিন্তু অপ্ৰত্যাশিতভাৱে বছৰটোত ছাৰ্টৰ বিক্ৰী যথেষ্ট কম হ'ল। প্ৰতিষ্ঠানখনে মাত্ৰ 600 ছাৰ্টহে বিক্ৰী কৰিবলৈ সক্ষম হ'ল। 400 ছাৰ্ট বিক্ৰী নোহোৱাকৈ থাকিল। প্ৰতিষ্ঠানখনে বছৰটোৰ শেষত 400 + 100 = 500টা ছাৰ্ট বিক্ৰী নোহোৱাকৈ ৰাখিব লাগিব। এনেধৰণৰ অপ্ৰত্যাশিত 400 পৰ্যন্ত পূৰ্বৱৰ্তী দ্ৰব্যৰ মজুতকে অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ বৃদ্ধি বোলা হয়। আনহাতে যদি প্ৰতিষ্ঠানখনে 1,050টা ছাৰ্ট বিক্ৰী কৰিলেহেঁতেন, তেনেহ'লে উৎপাদন কৰা 1,000 ছাৰ্টৰ উপৰি অতিৰিক্তভাৱে পূৰ্বৱৰ্তী ছাৰ্টৰ 50টা বিক্ৰী কৰিবলগা হ'লহেঁতেন। এনেধৰণৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰা অপ্ৰত্যাশিতভাৱে 50টা হ্ৰাস পোৱাৰ দৰে পৰিঘটনাক পূৰ্বৱৰ্তী দ্ৰব্যৰ অনাকাংক্ষিত হ্ৰাস হোৱা বুলিব পাৰি।

পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিকল্পিত বৃদ্ধি বা হ্ৰাসৰ উদাহৰণ অন্যধৰণেও দিব পাৰি। ধৰা হ'ল,

বছৰটোত প্ৰতিষ্ঠানখনে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ 100টা ছাৰ্টৰ পৰা 200টা ছাৰ্টলৈ বৃদ্ধি কৰিব বিচাৰিছে। গোটেই বছৰটোত 1,000টা বিক্ৰীৰ প্ৰত্যাশাৰে প্ৰতিষ্ঠানখনে 1,000 + 100 = 1,100টা ছাৰ্ট উৎপাদন কৰিছে। যদি প্ৰকৃততেই প্ৰতিষ্ঠানখনৰ 1,000টা ছাৰ্ট বিক্ৰী হয়, তেনেহ'লে ই পূৰ্বৱৰ্তী দ্ৰব্যৰ বৃদ্ধি কৰি বছৰটোৰ সামৰণি ঘটাব পাৰিব। নতুন পূৰ্বৱৰ্তী দ্ৰব্য মজুতৰ পৰিমাণ হ'ব 200টা ছাৰ্ট যিটো ইতিমধ্যে প্ৰতিষ্ঠানখনে পৰিকল্পনা কৰিছে। এই বৃদ্ধিয়েই হ'ল প্ৰতিষ্ঠানৰ পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিকল্পিত বৃদ্ধিৰ এক উদাহৰণ। আনহাতে যদি প্ৰতিষ্ঠানখনে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ 100টাৰ পৰা 25টালৈ হ্ৰাস কৰিব বিচাৰে, তেনেহ'লে ই 1,000 – 75 = 925টা ছাৰ্ট উৎপাদন কৰিব। কিয়নো 100টা পূৰ্বৱৰ্তী ছাৰ্টৰ ভিতৰত প্ৰতিষ্ঠানটোৱে 75টা ছাৰ্টহে বিক্ৰী কৰিবলৈ পৰিকল্পনা কৰিছে। তেতিয়াহে পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিমাণ বছৰটোৰ শেষত 25টা ছাৰ্টলৈ হ্ৰাস পাব (100 – 75 = 25 ছাৰ্ট), যদি প্ৰতিষ্ঠানখনে আশা কৰাৰ দৰেই ছাৰ্টৰ বিক্ৰীৰ পৰিমাণ 1,000টা হয়, তেনেহ'লে প্ৰতিষ্ঠানৰ হাতত পূৰ্বৱৰ্তী ছাৰ্টৰ পৰিমাণ পৰিকল্পনামতে হ্ৰাসপ্ৰাপ্ত হৈ 25টা ৰ'বগৈ।

আমি পৰিকল্পিত আৰু অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তনৰ মাজৰ পাৰ্থক্য সম্পৰ্কে আৰু অধিক আলোচনা নিম্নোক্ত অধ্যায়ত দাঙি ধৰিম।

**পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন বিবেচনালৈ আনি আমি এনেদৰে লিখিব পাৰো ঃ**

প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজন, i (GVAi) ≡ প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্যৰ মুঠ মূল্য, i (Qi) – প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা মধ্যৱৰ্তী দ্ৰব্যৰ মূল্য (Zi) .............................(2.1)

সমীকৰণ 2.1ক এনেদৰে বুজোৱা হৈছে ঃ বছৰটোত প্ৰতিষ্ঠানখনৰ পৰিৱৰ্তীত পূৰ্বৱৰ্তী দ্ৰব্য ≡ বছৰটোত প্ৰতিষ্ঠানখনৰ উৎপাদন – বছৰটোত প্ৰতিষ্ঠানৰ বিক্ৰী। এইটো উল্লেখযোগ্য যে প্ৰতিষ্ঠানৰ এই বিক্ৰীৰ পৰিমাণে কেৱল ঘৰুৱা বিক্ৰীকে সামৰি লোৱা নাই; ৰপ্তানিজনিত বিক্ৰীও সামৰি লৈছে। এইটোও মন কৰিবলগীয়া যে ওপৰত উল্লেখ কৰা চলকসমূহ প্ৰবহমান চলক। এইসমূহ সাধাৰণতে বাৰ্ষিক গণনা কৰা হয়। সেইবাবে এইসমূহে প্ৰতি বছৰৰ প্ৰবাহিত মূল্য পৰিমাপ কৰে।

প্ৰতিষ্ঠানৰ নিগুট মূল্য সংযোজন i ≡ GVAi (–) প্ৰতিষ্ঠানৰ ক্ষয়-ক্ষতিৰ পৰিমাণ i (Di)

যদি আমি এটা বছৰত অৰ্থনীতি এখনত সকলোবোৰ প্ৰতিষ্ঠানৰ মূঠ মূল্য সংযোজন যোগ কৰো, তেনেহ'লে আমি সেই বছৰটোত অৰ্থনীতিখনত উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ মূল্যৰ মুঠ পৰিমাণ পাব পাৰো। (আমি ইতিমধ্যে ঘেঁহু, পাউৰুটীৰ উদাহৰণটোত দেখুওৱাৰ দৰে।)

এই হিচাপটোকে মুঠ ঘৰুৱা উৎপাদন (GDP) বোলা হয়। অৰ্থাৎ GDP ≡ অৰ্থনীতিখনৰ সকলোবোৰ প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ যোগফল।

যদি অৰ্থনীতিখনত 'N' সংখ্যক প্ৰতিষ্ঠান থাকে, আৰু প্ৰতিখনক 1ৰ পৰা Nলৈ সংখ্যাভুক্ত কৰা হয়, তেনেহ'লে GDP ≡ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ যোগফল

$\equiv GVA_1 + GVA_2 +$ ................ $GVA_N$

সেইবাবে GDP ≡ $\sum^{N}_{i=1} GVA_i$ ................................... (2.2)

$\Sigma$ চিহ্নৰ দ্বাৰা সৰ্বমুঠ যোগফলক সংক্ষেপেৰে দেখুওৱা হৈছে। উদাহৰণস্বৰূপে $\sum^{N}_{i=1} x_i$ হ'ল $x_1 + x_2 +$ ................... $+ x_n$ৰ সমান। ইয়াত $\sum^{N}_{i=1} GVA_i$এ 'N' সংখ্যক প্ৰতিষ্ঠানৰ মুঠ মূল্য সংযোজনৰ সৰ্বমুঠ পৰিমাণ বুজাইছে। আমি জানো যে i তম প্ৰতিষ্ঠানৰ নিগুট মূল্য সংযোজন ($NVA_i$) হ'ল ঃ মুঠ মূল্য সংযোজন (–) minus প্ৰতিষ্ঠানে নিয়োগ কৰা মূলধনৰ ক্ষয়-ক্ষতি।

অৰ্থাৎ NVAi ≡ GVAi – Di

সেইবাবে GVAi ≡ NVAi + Di

এইটো হ'ল i তম প্ৰতিষ্ঠানৰ বাবে। এনেকুৱা N সংখ্যক প্ৰতিষ্ঠান আছে। সেয়েহে

গোটেই অৰ্থনীতিখনৰ মুঠ জাতীয় উৎপাদনক সমুদায় N সংখ্যক প্ৰতিষ্ঠানৰ সৰ্বমুঠ মূল্য সংযোজন হিচাপে জনা যায় (2.2 সমীকৰণৰ মতে)। আনহাতে এইটো হ'ল N সংখ্যক প্ৰতিষ্ঠানৰ সৰ্বমুঠ নিগুট মূল্য সংযোজন আৰু ক্ষয়-ক্ষতিৰ যোগফলৰ সমান।

আন কথাত, GDP $\equiv \sum_{i=1}^{N} NVAi + \sum_{i=1}^{N} Di$

ইয়াৰ পৰা বুজা যায় যে অৰ্থনীতি এখনৰ মুঠ ঘৰুৱা উৎপাদন হ'ল সমগ্ৰ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানৰ নিগুট সংযোজিত মূল্য আৰু ক্ষয়-ক্ষতিৰ পৰিমাণৰ সৰ্বমুঠ যোগফল। সকলো প্ৰতিষ্ঠানৰ নিগুট সংযোজিত মূল্যৰ সৰ্বমুঠ যোগফলক নিগুট ঘৰুৱা উৎপাদন (Net Domestic Product) বোলা হয়।

সাংকেতিকভাৱে, NDP $\equiv \sum_{i=1}^{N} NVAi$

## 2.2.2 ব্যয় পদ্ধতি (Expenditure Method)

GDP গণনাৰ আন এক বিকল্প পদ্ধতি হ'ল উৎপাদনৰ চাহিদাৰ দিশটো লক্ষ্য কৰা। চাহিদাৰ দিশটো লক্ষ্য কৰি GDP গণনা কৰা এই পদ্ধতিটোক ব্যয় পদ্ধতি বোলা হয়। ঘেঁহু খেতিয়ক আৰু পাউৰুটী তৈয়াৰ কৰোতাৰ উদাহৰণটোত (যিটো ইতিমধ্যে আমি ব্যাখ্যা কৰিছো) ব্যয় পদ্ধতি ব্যৱহাৰ কৰি অৰ্থনীতিখনৰ উৎপাদনৰ মুঠ মূল্য গণনা কৰিবলৈ হ'লে আমি নিম্নোক্ত পথেৰে আগবাঢ়িব লাগিব। এই পদ্ধতিত আমি প্ৰতিখন প্ৰতিষ্ঠানে কৰা চূড়ান্ত ব্যয় যোগ কৰিব লাগে। চূড়ান্ত ব্যয় বুলিলে সেই ব্যয়কে বুজা যায় যি মধ্যৱৰ্তী কাম-কাজৰ উদ্দেশ্যে বহন কৰা নহয়। উদাহৰণস্বৰূপে আমাৰ উদাহৰণটোত পাউৰুটী তৈয়াৰ কৰোতাই ঘেঁহু খেতিয়কৰ পৰা কিনা 50 টকা মূলৰ ঘেঁহু মধ্যৱৰ্তী দ্ৰব্য হিচাপে বিবেচনা কৰা হয় বাবে এই পৰিমাণ চূড়ান্ত ব্যয়ত অন্তৰ্ভুক্ত কৰা নহয়। এইক্ষেত্ৰত অৰ্থনীতিখনৰ উৎপাদনৰ মুঠ মূল্য হ'ব ঃ 200 টকা (পাউৰুটী তৈয়াৰ কৰোতাই গ্ৰহণ কৰা চূড়ান্ত ব্যয়) + 50 টকা (খেতিয়কে গ্ৰহণ কৰা চূড়ান্ত ব্যয়) = 250 টকা প্ৰতি বছৰত i প্ৰতিষ্ঠানে নিম্নোলিখিতধৰণে চূড়ান্ত ব্যয়ৰ হিচাপ ৰাখিব পাৰে।

(a) প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্য আৰু সেৱাত হোৱা চূড়ান্ত উপভোগ ব্যয়। আমি ইয়াক সাধাৰণতে $C_i$ ৰে বুজাওঁ। লক্ষণীয় যে সাধাৰণতে পৰিয়াল গোটসমূহে উপভোগ ব্যয় বহন কৰে। অৱশ্যে প্ৰতিষ্ঠানে তেওঁলোকৰ অতিথি শুশ্ৰূষা বা কৰ্মচাৰীৰ বাবে ক্ৰয় কৰা উপভোগ্য দ্ৰব্যসমূহ ইয়াৰ ব্যতিক্ৰম হয়।

(b) চূড়ান্ত বিনিয়োগ ব্যয় $I_i$ হ'ল i প্ৰতিষ্ঠানে উৎপাদন কৰা মূলধনী সামগ্ৰীৰ ওপৰত আন প্ৰতিষ্ঠানে কৰা ব্যয়। মন কৰিবলগীয়া যে GDPৰ গণনাত মধ্যৱৰ্তী দ্ৰব্যৰ ব্যয় অন্তৰ্ভুক্ত নহয় যদিও বিনিয়োগ ব্যয়ক কিন্তু অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ মূল কাৰণ হ'ল বিনিয়োগ দ্ৰব্যসমূহ প্ৰতিষ্ঠানৰ লগতে থাকি যায়। আনহাতে মধ্যৱৰ্তী দ্ৰব্যসমূহ উৎপাদনী প্ৰক্ৰিয়াৰ মাধ্যমত উপভোগ কৰা হয়।

(c) i প্ৰতিষ্ঠানে উৎপাদন কৰা চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহৰ ওপৰত চৰকাৰে কৰা ব্যয়। আমি সাধাৰণতে ইয়াক $G_i$ ৰে বুজাওঁ। চৰকাৰে বহন কৰা এনে চূড়ান্ত ব্যয়ে উপভোগ আৰু বিনিয়োগ এই দুয়োপ্ৰকাৰৰ ব্যয়কে সামৰি লয়।

(d) i প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত দ্ৰব্য আৰু সেৱা বিদেশলৈ ৰপ্তানি কৰি অৰ্জন কৰা ৰপ্তানি আয়। ইয়াক সাধাৰণতে $X_i$ ৰে বুজোৱা হয়।

এইদৰে i প্ৰতিষ্ঠানে অৰ্জন কৰা সৰ্বমুঠ আয়ৰ যোগফল হ'ল ঃ

$RV_i \equiv$ i প্ৰতিষ্ঠানে লাভ কৰা চূড়ান্ত উপভোগ ব্যয়, বিনিয়োগ চৰকাৰী খণ্ডৰ ব্যয় আৰু ৰপ্তানিকৃত ব্যয়। অৰ্থাৎ $\equiv C_i + I_i + G_i + X_i$

যদি সৰ্বমুঠ প্ৰতিষ্ঠান N সংখ্যক থাকে, তেন্তে N সংখ্যক প্ৰতিষ্ঠান যোগ কৰি আমি পাওঁ যে

$\sum_{i=1}^{N} RV_i =$ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা সৰ্বমুঠ চূড়ান্ত উপভোগ, বিনিয়োগ, চৰকাৰী তথা ৰপ্তানি ব্যয়ৰ যোগফল।

$$\equiv \sum_{i=1}^{N} Ci + \sum_{i=1}^{N} Li + \sum_{i=1}^{N} Gi + \sum_{i=1}^{N} Xi \text{ ....................... } (2.3)$$

ধৰা হ'ল, C হ'ল সমগ্ৰ অৰ্থনীতিখনৰ মুঠ সামগ্ৰিক চূড়ান্ত উপভোগ ব্যয়ৰ পৰিমাণ। লক্ষ্য কৰা যে 'C'ৰ এটা অংশ উপভোগ দ্ৰব্য আমদনিৰ বাবে ব্যয় কৰা হয়। ধৰা হ'ল উপভোগ দ্ৰব্যৰ আমদানি বাবদ হোৱা ব্যয়ক Cm ৰে বুজোৱা হৈছে। সেইবাবে (C – Cm) এ ঘৰুৱা প্ৰতিষ্ঠানসমূহত কৰা সৰ্বমুঠ সামগ্ৰিক চূড়ান্ত উপভোগ ব্যয়ৰ অংশটো বুজাব। ঠিক সেইদৰে (I – Im) এ ধৰা হ'ল ঘৰুৱা প্ৰতিষ্ঠানসূহত কৰা সৰ্বমুঠ চূড়ান্ত বিনিয়োগৰ ব্যয়ৰ অংশটো বুজাইছে। য'ত I হ'ল অৰ্থনীতিখনৰ সৰ্বমুঠ চূড়ান্ত বিনিয়োগ ব্যয়ৰ মূল্য আৰু ইয়াৰ ভিতৰৰে Im পৰিমাণ বৈদেশিক বিনিয়োগ দ্ৰব্যত ব্যয় কৰা হৈছে। একেদৰেই (G – Gm) এ ঘৰুৱা প্ৰতিষ্ঠানসমূহত কৰা সৰ্বমুঠ চূড়ান্ত চৰকাৰী বিনিয়োগৰ অংশটো বুজাইছে। ইয়াত 'G' হ'ল অৰ্থনীতিখনত হোৱা সৰ্বমুঠ চৰকাৰী ব্যয় আৰু 'Gm' হ'ল 'G'ৰ সেইটো অংশ যাক আমদানি কাৰ্যত ব্যয় কৰা হৈছে।

সেয়েহে, $\sum_{i=1}^{N} Ci \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত উপভোগৰ ব্যয়ৰ সৰ্বমুঠ যোগফল।

$\equiv$ C – Cm;

আৰু $\sum_{i=1}^{N} Ii \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত বিনিয়োগ ব্যয়ৰ সৰ্বমুঠ যোগফল।

$\equiv$ I – Im;

আৰু $\sum_{i=1}^{N} Gi \equiv$ অৰ্থনীতিৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত চৰকাৰী ব্যয়ৰ মুঠ যোগফল। ($\equiv$) $G - Gm$

সমীকৰণ (2.3)ত এইসমূহ ব্যৱহাৰ কৰি আমি পাওঁ

$$\sum_{i=1}^{N} RVi \equiv C - Cm + I - Im + G - Gm + \sum_{i=1}^{N} Xi$$

$$\equiv C + I + G + \sum_{i=1}^{N} Xi - (Cm + Im + Gm)$$

$$\equiv C + I + G + X - M$$

ইয়াত $X \equiv \sum_{i=1}^{N} Xi$ এ অৰ্থনীতিখনত বিদেশৰ পৰা ৰপ্তানিৰ বাবদ হোৱা সৰ্বমুঠ ব্যয় বুজাইছে। $M \equiv Cm + Im + Gm$ এ অৰ্থনীতিখনত আমদানিৰ বাবদ হোৱা ব্যয় বুজাইছে।

আমি জানো যে, $GDP \equiv$ অৰ্থনীতিখনৰ সকলো প্ৰতিষ্ঠানে গ্ৰহণ কৰা চূড়ান্ত ব্যয়ৰ মুঠ যোগফল।

আন কথাত, $GDP \equiv \sum_{i=1}^{N} RVi \equiv x + I + G + X - M$ ...................... (2.4)

সমীকৰণ (2.4)ৰ দ্বাৰা ব্যয় পদ্ধতি গণনা কৰাকে GDP বুজোৱা হয়।

## 2.2.3 আয় পদ্ধতি (Income Method)

আমি প্ৰথমতেই উল্লেখ কৰিছো যে অৰ্থনীতি এখনৰ মুঠ চূড়ান্ত ব্যয়, উৎপাদনৰ সকলো উপাদানৰ আয়ৰ সমষ্টিৰ সৈতে সমান (চূড়ান্ত ব্যয় বুলি কওঁতে সকলো চূড়ান্ত দ্ৰব্যৰ ওপৰত হোৱা ব্যয়ৰ কথা কোৱা হৈছে। এই ব্যয়ত মধ্যৱৰ্তী দ্ৰব্যৰ ব্যয় অন্তৰ্ভুক্ত হোৱা নাই।) ইয়াৰ পৰা সাধাৰণভাৱে ধাৰণা কৰিব পাৰি যে সকলো প্ৰতিষ্ঠানে উপাৰ্জন কৰা আয়ৰ সমষ্টি মজুৰি, লাভ, সুদ আৰু খাজনাৰ মাধ্যমত উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰি দিয়া হয়। ধৰা হ'ল এটা নিৰ্দিষ্ট বছৰত i তম পৰিয়াল গোটটোৱে লাভ কৰা মজুৰি আৰু দৰমহাৰ পৰিমাণ হ'ল Wi। সেইদৰে Pi, $I_{ni}$, Ri হ'ল নিৰ্দিষ্ট বছৰটোত i তম পৰিয়াল গোটটোৱে লাভ কৰা যথাক্ৰমে মুঠ লাভ, সুদ আৰু খাজনাৰ পৰিমাণ। এইক্ষেত্ৰত GDPৰ পৰিমাণ হ'ব ঃ

$$GDP \equiv \sum_{i=1}^{M} Wi + \sum_{i=1}^{M} Pi + \sum_{i=1}^{M} Ini + \sum_{i=1}^{M} Ri$$

$$\equiv W + P + In + R \text{ ....................... (2.5)}$$

ইয়াত $\sum_{i=1}^{M} Wi \equiv W, \sum_{i=1}^{M} Pi \equiv P, \sum_{i=1}^{M} Ini \equiv In, \sum_{i=1}^{M} Ri \equiv R$

সমীকৰণ (2.2), (2.4) আৰু (2.5) একলগ কৰিলে আমি পাওঁ যে

$$GDP \equiv \sum_{i=1}^{N} GVAi \equiv C + I + G + X - M$$


$$\equiv W + P + In + R \text{ ....................... } (2.6)$$

এইটো মন কৰিবলগীয়া যে (2.6) ‘I’ৰ দ্বাৰা প্ৰতিষ্ঠানসমূহে ব্যয় কৰা সকলো প্ৰকাৰৰ পৰিকল্পিত আৰু অপৰিকল্পত বিনিয়োগৰ যোগফল দেখুওৱা হৈছে। যিহেতু (2.2), (2.4) আৰু (2.6) হ’ল GDPৰ বেলেগ বেলেগ প্ৰকাশ, সেইবাবে আমি 2.2 চিত্ৰৰ সহায়ত সমতাসূচকভাৱে প্ৰকাশ কৰিম।

পৰিয়াল গোটসমূহে তেওঁলোকৰ আয় কেনেদৰে ব্যয় কৰে সেইটো এটা লক্ষ্য কৰিবলগীয়া বিষয়। ইয়াৰ তিনিটা মূল পথ আছে। হয়তো তেওঁলোকে উপভোগত ব্যয় কৰে নাইবা সঞ্চয় কৰে বা কৰ পৰিশোধ কৰে। (এইক্ষেত্ৰত কোনো সাহায্য বা দান-বৰঙণি বা বিদেশলৈ হোৱা হস্তান্তৰযোগ্য দেনাৰ কথা নাই বুলি অনুমান কৰা হৈছে। আয়ৰ এই পথেৰেও ব্যয় কৰাৰ সম্ভাৱনা থাকে।) ধৰা হ’ল মুঠ সঞ্চয়ৰ পৰিমাণ হ’ল ‘S’ আৰু তেওঁলোকে আদায় দিয়া কৰৰ পৰিমাণ হ’ল ‘T’

সেইবাবে GDP ≡ C + S + T ....................... (2.7)

সমীকৰণ (2.4)ক (2.7)ৰ সৈতে তুলনা কৰি আমি পাওঁ




চিত্ৰ 2.2 তিনিওটা পদ্ধতিৰ দ্বাৰা GDPৰ ৰৈখিক প্ৰকাশ

$$C + I + G + X - M \equiv S + T$$

দুয়োফালৰ পৰা চূড়ান্ত উপভোগ ব্যয় ‘C’ বাদ দি আমি পাওঁ

$$I + G + X - M \equiv S + T$$

আন কথাত, $(I - S) + (G - T) \equiv M - X$ ...................... (2.8)

সমীকৰণ (2.8)ত $(G - T)$ৰ সহায়ত চৰকাৰে লাভ কৰা কৰ ৰাজহৰ তুলনাত চৰকাৰী ব্যয়ৰ পৰিমাণ কিমান বেছি সেইটো গণনা কৰা হয়। ইয়াক ঘাটি বাজেট (budget deficit) বুলি কোৱা হয়। $(M - X)$ ক বাণিজ্যিক ঘাটি (trade deficit) বোলা হয়। ইয়াৰ সহায়ত ৰপ্তানি আয়ৰ তুলনাত অৰ্থনীতিখনে কিমান অধিক পৰিমাণৰ আমদানি ব্যয় বহন কৰিব লাগে সেইটো গণনা কৰা হয়। (‘M’ হ’ল দেশৰ পৰা হোৱা বহিঃপ্ৰবাহ আৰু ‘X’ হ’ল দেশলৈ হোৱা আন্তঃপ্ৰবাহ।)


যদি কোনো চৰকাৰ নাথাকে, কোনো বৈদেশিক বাণিজ্য নাথাকে, তেনেহ’লে $G = T = M = x = 0$, এইদৰেই সমীকৰণ (2.8)ৰ পৰা পোৱা যায় যে

$I \equiv S$ ...................... (2.9)

(2.9) হ’ল এক সাধাৰণ হিচাপৰক্ষণ পৰিচিত (accounting identity)। GDPৰ ভিতৰত, এটা অংশ উপভোগ কৰা হয়, এটা অংশ সঞ্চয় কৰা হয় (আয় আহৰণ কৰোতাসকলৰ ফালৰ পৰা)। আনহাতে প্ৰতিষ্ঠানৰ ফালৰ পৰা মুঠ চূড়ান্ত ব্যয় গ্ৰহণৰ পৰিমাণ (≡ GDP) উপভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ সমান হ’ব লাগিব। পৰিয়াল গোটসমূহে গ্ৰহণ কৰা সৰ্বমুঠ আয় প্ৰতিষ্ঠানসমূহে গ্ৰহণ কৰা ব্যয়ৰ সমান, কিয়নো আয় পদ্ধতি আৰু ব্যয় পদ্ধতিৰ পৰা পোৱা DGPৰ পৰিমাণ সমান। যিহেতু দুয়ো ফালৰ পৰাই উপভোগ ব্যয় বাদ দিয়া হয়, সেয়েহে আমি মুঠ সঞ্চয় আৰু সৰ্বমুঠ বিনিয়োগৰ সমতাৰ অৱস্থা লাভ কৰো।

## 2. সমষ্টিবাদী অর্থনীতিৰ কেতবোৰ অভেদ (Some Macro Enonomic Identities)

এটা বছৰৰ ভিতৰত ঘৰুৱা অৰ্থনীতিত হোৱা সকলো চূড়ান্ত দ্ৰব্য আৰু সেৱাক মুঠ ঘৰুৱা উৎপাদনে পৰিমাপ কৰে। কিন্তু সেই উৎপন্ন গোটেইখিনি দেশখনৰ নাগৰিকে কৰা নহ'বও পাৰে। উদাহৰণস্বৰূপে এজন ভাৰতীয় নাগৰিকে ছৌডি আৰবত থাকি কৰা উপাৰ্জনখিনি ছৌডি আৰবৰ ঘৰুৱা উৎপাদনে সামৰি ল'ব। কিন্তু নীতিগতভাৱে তেওঁ এজন ভাৰতীয়। কিন্তু এনে কিবা পদ্ধতি আছে নেকি যাৰ সহায়ত এজন ভাৰতীয়ই তেওঁ বিদেশত কৰা অৰ্জন বা ভাৰতীয় লোকৰ উৎপাদনৰ উপাদানসমূহে বিদেশত কৰা উৎপাদন, ঘৰুৱা উৎপাদনত সামৰি ল'ব পাৰি? আমি সামঞ্জস্য ৰাখিবলৈ যেতিয়া এইটো কৰো, তেতিয়া আমি আমাৰ ঘৰুৱা অৰ্থনীতিত কাম কৰি থকা বিদেশী নাগৰিকৰ উপাৰ্জন বিয়োগ কৰো বা তেওঁলোকে নিজৰ দেশলৈ উৎপাদনৰ উপাদানসমূহৰ দেনা হিচাপে যি পঠায় সেয়া মুঠ ঘৰুৱা উৎপাদনৰ পৰা বাদ দিওঁ। উদাহৰণস্বৰূপে কোৰিয়ান মটৰ কোম্পানী হোণ্ডাই, যিটো ভাৰতৰ মাটিত অৱস্থিত। তেওঁলোকৰ আয় আমাৰ ঘৰুৱা উৎপাদনৰ পৰা বাদ দিব লাগে। এই যোগ কিম্বা বিয়োগৰ মাধ্যমত যিটো সমষ্টিবাদী চলক বিবেচনালৈ অনা হয়, তাক মুঠ জাতীয় উৎপাদন (Gross National Product) বুলি কোৱা হয়। ইয়াৰ সংজ্ঞা এনেদৰে দিব পাৰি।



বিদেশী ব্যক্তিজনে ঘৰুৱা অৰ্থনীতিৰ পৰা আয়ৰ অংশ ল'বলৈ বিচাৰিছে। এইটো উদাহৰণস্বৰূপে শ্ৰেণীকোঠাত আলোচনা কৰিব পাৰি।

GNP ≡ GDP + উৎপাদনৰ ঘৰুৱা উপাদানসমূহে বিশ্বৰ বিভিন্ন প্ৰান্তত থাকি কৰা আয় অৰ্থাৎ GNP ≡ GDP + উপাদনৰ বিদেশৰ পৰা হোৱা নিগুট আয় (Net factor

income)। আমি ইতিমধ্যে উল্লেখ কৰিছো যে মূলধনৰ এটা অংশ বছৰটোৰ ভিতৰত ক্ষয়প্ৰাপ্ত হয় আৰু ইয়াকে মূলধনৰ ক্ষয়-ক্ষতি (depreciation) বোলা হয়। স্বাভাৱিকভাৱেই এই ক্ষয়-ক্ষতি কাৰো আয়ৰ অন্তৰ্ভুক্ত নহয়। আমি যদি GNPৰ পৰা মূলধনৰ ক্ষয়-ক্ষতি বাদ দিওঁ তাকেই নিগুট জাতীয় উৎপাদন (Net National Product) বোলা হয়। সেয়েহে, (NNP ≡ GNP – মূলধনৰ ক্ষয়-ক্ষতি)।

এইটো মন কৰিবলগীয়া কথা যে এই সমগ্ৰ চলকবোৰ (Variables) বজাৰ দৰত নিৰ্ধাৰণ কৰা হয়। উপৰোক্ত নিগুট জাতীয় উৎপাদনৰ গাণিতিক প্ৰকাশৰ পৰা আমি ইয়াৰ মান বজাৰ মূল্যতহে পাব পাৰো। কিন্তু বজাৰ মূল্যত পৰোক্ষ কৰো অন্তৰ্ভুক্ত হৈ থাকে। যেতিয়া দ্ৰব্য সামগ্ৰী আৰু সেৱা কাৰ্যত পৰোক্ষ কৰ আৰোপ কৰা হয়, তেতিয়া ইয়াৰ মূল্যবৃদ্ধি ঘটে। পৰোক্ষ কৰ সাধাৰণতে চৰকাৰী ভঁৰাললৈ যায়। সেয়েহে উৎপাদনৰ উপাদানৰ বাবে প্ৰয়োজনীয় নিগুট জাতীয় আয় (NNP) পাবলৈ হ'লে বজাৰ মূল্যৰ নিগুট জাতীয় আয়ৰ পৰা পৰোক্ষ কৰ (indirect tax) বাদ দিব লাগিব। সেইদৰে কিছুমান সামগ্ৰীৰ ওপৰত ৰাজসাহায্য (Subsidy) থাকিব পাৰে। ভাৰতবৰ্ষত পেট্ৰ'লৰ ওপৰত যথেষ্ট কৰ আৰোপ কৰা হয় আৰু ৰন্ধন গেছৰ মূল্যৰ ওপৰত ৰাজসাহায্য থাকে। সেইবাবে বজাৰ মূল্যৰ নিগুট ৰাষ্ট্ৰীয় আয় পাবলৈ শুদ্ধ জাতীয় আয় (NNP)ৰ লগত ৰাজসাহায্য (Subsidy) যোগ কৰিব লাগিব। এইদৰে লাভ কৰা জাতীয় আয়ৰ হিচাপক উপাদান ব্যয় (Factor cost)ৰ ভিত্তিত নিগুট জাতীয় উৎপাদন (Net National Product at Factor Cost) বোলা হয় অথবা তাক আমি জাতীয় আয় ( National Income) বুলিও ক'ব পাৰো।

অৰ্থাৎ উপাদানৰ ব্যয়ৰ ভিত্তিত নিগুট জাতীয় আয় (Net National Product at Factor Cost) ≡ জাতীয় আয় (NI) ≡ বজাৰ মূল্যত নিগুট জাতীয় আয় (NNP at Market Price) – শুদ্ধ পৰোক্ষ কৰ (Net indirect taxes ≡ indirect taxes – subsidies)

জাতীয় আয়ক আমি আৰু কিছুমান ক্ষুদ্ৰ উপৰিভাগত ভগাব পাৰো। এতিয়া আমি

পৰিয়াল গোটসমূহে লাভ কৰা জাতীয় আয়ৰ অংশটো কেনেদৰে প্ৰকাশ কৰিব পাৰি সেই সন্দৰ্ভত আলোচনা কৰিম। আমি ইয়াক ব্যক্তিগত আয় (Personal Income) বুলি ক'ম। প্ৰথমতে চোৱা যাওক যে জাতীয় আয়ৰ ভিতৰত যিটো পৰিমাণ প্ৰতিষ্ঠান আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহে অৰ্জন কৰে, ইয়াৰ এটা অংশ লাভ উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰা নহয় আৰু এই অংশটোকে অবিতাৰিত লাভ (Undistributed) বুলি কোৱা হয়। আমি এই অবিতাৰিত লাভ জাতীয় আয়ৰ পৰা বাদ দিলেহে ব্যক্তিগত আয় পাব পাৰো। যিহেতু এই অংশটো পৰিয়াল গোটসমূহে কেতিয়াও আহৰণ নকৰে, সেইদৰে নিগম কৰ (Corporate tax) উৎপাদন প্ৰতিষ্ঠানসমূহৰ উপাৰ্জনৰ ওপৰত আৰোপ কৰা হয় আৰু ইয়াক জাতীয় আয়ৰ পৰা বাদ দিয়া হয়। কিয়নো নিগম কৰে পৰিয়াল গোটসমূহৰ আয় বৃদ্ধি নকৰে। আনহাতে পৰিয়াল গোটসমূহে ব্যক্তিগত প্ৰতিষ্ঠান বা চৰকাৰৰ পৰা তেওঁলোকে আগবঢ়োৱা ঋণৰ পৰা পোৱা সুদৰ দেনা লাভ কৰে। ঠিক একেদৰেই পৰিয়াল গোটসমূহেও বিভিন্ন প্ৰতিষ্ঠান আৰু চৰকাৰক তেওঁলোকে লোৱা ঋণৰ বাবদ সুদ দিবলগা হয়। সেয়েহে আমি পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানসমূহ আৰু চৰকাৰক আদায় দিয়া সুদৰ পৰিমাণো বাদ দিব লাগে। পৰিয়াল গোটসমূহে বিভিন্ন প্ৰতিষ্ঠান আৰু চৰকাৰৰ পৰা হস্তান্তৰযোগ্য দেনা লাভ কৰে (পেন্সন, বৃত্তি, পুৰস্কাৰ ইত্যাদি)। এইসমূহ পৰিয়াল গোটবোৰৰ আয়ৰ সৈতে যোগ কৰিব লাগে।


সেয়েহে ব্যক্তিগত আয় (PI) ≡ জাতীয় আয় – অবিতাৰিত লাভ – পৰিয়াল গোটসমূহে দিয়া শুদ্ধ সুদৰ দেনা – নিগম কৰ + পৰিয়াল গোটসমূহে লাভ কৰা চৰকাৰ আৰু উদ্যোগ প্ৰতিষ্ঠানৰ হস্তান্তৰযোগ্য দেনা।

কিন্তু ব্যক্তিগত আয়ো পৰিয়াল গোটসমূহে সম্পূৰ্ণৰূপে ব্যয় কৰিব পৰা আয় নহয়। তেওঁলোকে ব্যক্তিগত আয়ৰ পৰা কৰ প্ৰদান কৰিবলগা হয়। যদি আমি ব্যক্তিগত আয়ৰ পৰা ব্যক্তিগত কৰ, দেনা (আয়কৰ) আৰু অনাকৰ দেনা (উদাহৰণ জৰিমনা) বাদ দিওঁ, তেনেহ'লে যি পৰিমাণৰ আয় বাকী থাকিব তাকে ব্যক্তিগত ব্যয়যোগ্য আয় (Personal

disposable income) বুলি কোৱা হয়। সেয়েহে ব্যক্তিগত ব্যয়যোগ্য আয় (PDI) ≡ ব্যক্তিগত আয় – ব্যক্তিগত কৰ দেনা – অনাকৰ দেনা (Non-tax payments)।

ব্যক্তিগত ব্যয়যোগ্য আয় হ'ল পৰিয়াল গোটসমূহৰ অন্তৰ্ভুক্ত মুঠ ব্যয়ৰ অংশ। ইয়াৰে এটা অংশ তেওঁলোকে ভোগ কৰি বাকী অংশ সঞ্চয় কৰিব পাৰে। 2.3 নং চিত্ৰত আমি সমষ্টিবাদী অৰ্থনীতিৰ এই মূল চলকসমূহৰ মাজত থকা সম্পৰ্ক প্ৰকাশ কৰাৰ চেষ্টা কৰিছো।

ভাৰতবৰ্ষৰ কেতবোৰ প্ৰধান সমষ্টিবাদী অৰ্থনীতিৰ চলকৰ তালিকা এখন (1990-91)ৰ পৰা (2004-05)ৰ ভিতৰৰ চলিত দৰত এই অধ্যায়ৰ শেষত দাঙি ধৰা হৈছে। ইয়াৰ দ্বাৰা পঢ়ুৱৈসকলে এইসমূহৰ প্ৰকৃত মূল্যৰ এটা থূলমূল অভাস পাব।




চিত্ৰ ঃ 2.3

### চিত্ৰত দেখুওৱা মুঠ আয়ৰ উপৰিভাগসমূহ এনেধৰণৰ ঃ

NIFA বিদেশৰ পৰা আৰ্জিত উপাদানৰ নিগুট আয় (Net factor income from, abroad) D : উৎপাদনৰ ক্ষয়-ক্ষতি (Depreciation); ID Sub : ৰাজসাহায্য (Subsidies);

পৰোক্ষ কৰ (Indirect taxes) UP; অবিতাৰিত লাভ (Undistributed Profit) : NIH : পৰিয়াল গোটসমূহে প্ৰদান কৰা নিগুট সুদ (Net interest payments by Households); CT : নিগম কৰ (Corporate Taxes); (Transfers received by Households) : পৰিয়ালসমূহে লাভ কৰা হস্তান্তৰ জড়িত আয়, PTP ব্যক্তিগত কৰ প্ৰদান (Personal Tax Payment); NP : অনা-কৰ প্ৰদান (Non-Tax Payment)।

## 2.4 দ্ৰব্য আৰু মূল্য (Goods and Prices)

ইতিমধ্যে হোৱা সকলো আলোচনাৰ এটা অন্তৰ্নিহিত অভিধাৰণা (assumption) হ'ল, অধ্যয়নৰ সময়ছোৱাত দ্ৰব্য আৰু সেৱাসমূহৰ দৰ পৰিৱৰ্তন নহয়। যদি দৰৰ পৰিৱৰ্তন হয়, তেনেহ'লে জাতীয় আয়ৰ তুলনামূলক অধ্যয়নত অসুবিধাৰ সৃষ্টি হ'ব। যদি আমি এখন দেশৰ ক্ৰমাগতভাৱে দুটা বছৰৰ জাতীয় আয়ৰ পৰিমাপ লৈ দেখো যে পিচৰ বছৰৰ

### ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় আৰু ব্যক্তিগত আয় (National Disposable Income and Private Income)

ইতিপূৰ্বে আলোচনা কৰা মুঠ সমষ্টিগত চলকসমূহৰ উপৰি ভাৰতবৰ্ষত জাতীয় আয় গণনাৰ বেলিকা আন কিছুসংখ্যক মুঠ আয়ৰ ধাৰণা ব্যৱহৃত হয়।

**ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় (National Disposal Income) ঃ** বজাৰ মূল্যত নিগুট জাতীয় আয় + বিশ্বৰ অন্যান্য প্ৰান্তৰ পৰা প্ৰবাহিত হোৱা হস্তান্তৰযোগ্য আয়। ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয়ৰ ধাৰণাটোৱে আমাক অৰ্থনীতি এখনৰ সৰ্বোচ্চ পৰিমাণৰ ব্যৱহাৰযোগ্য দ্ৰব্য আৰু সেৱাৰ পৰিমাণৰ বিষয় জানিবলৈ দিয়ে। বিশ্বৰ বিভিন্ন ঠাইৰ পৰা হোৱা চলিত হস্তান্তৰে উপহাৰ, সাহায্য ইত্যাদিসমূহ সামৰি লৈছে।

**ব্যক্তিগত আয় ঃ** ব্যক্তিগত খণ্ডৰ নিগুট ঘৰুৱা উৎপাদনৰ পৰা হোৱা উপাদানৰ আয় + ৰাষ্ট্ৰীয় ঋণৰ সুদ + বিদেশৰ পৰা হোৱা নিগুট উপাদানৰ আয় + চৰকাৰৰ পৰা হোৱা চলিত হস্তান্তৰ + বিশ্বৰ অন্য প্ৰান্তৰ পৰা হোৱা নিগুট হস্তান্তৰযোগ্য আয়।

জাতীয় আয় আগৰ বছৰৰ প্ৰায় দুগুণ, তেনেহ'লে সেই দেশখনৰ উৎপাদন দুগুণ হোৱা বুলি সিদ্ধান্ত ল'ব পাৰি। কিন্তু সেৱা আৰু সামগ্ৰীৰ পৰিমাণ একে থাকিলেও এই দুটা বছৰৰ ভিতৰত দৰৰ পৰিমাণো দুগুণলৈ বাঢ়িব পাৰে। সেইবাবে বিভিন্ন দেশৰ বা একেখন দেশৰে বিভিন্ন সময়ত সৰ্বমুঠ জাতীয় ঘৰুৱা উৎপাদনৰ তুলনামূলক অধ্যয়নৰ বাবে চলিত বজাৰ মূল্যৰ সৰ্বমুঠ জাতীয় উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। তুলনাৰ বাবে আমি প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ (Real GDP) সহায় লওঁ। প্ৰকৃত মুঠ জাতীয় আয় গণনাৰ বাবে কেতবোৰ সেৱা আৰু সামগ্ৰীৰ এক স্থিৰ দৰ সংহতিৰ (Constant set of prices or constant prices) ওপৰত নিৰ্ভৰ কৰিবলগা হয়। যিহেতু এই দৰসমূহ স্থিৰে থকা বুলি ধৰা হয়, সেয়েহে প্ৰকৃত মুঠ জাতীয় আয় পৰিৱৰ্তন হ'লে মুঠ উৎপাদনৰ পৰিমাণ পৰিৱৰ্তন হোৱাটো নিশ্চিত বুলিব পাৰি। আনহাতে সাধাৰণ মুঠ জাতীয় উৎপাদন হৈছে প্ৰচলিত দৰত মুঠ জাতীয় উৎপাদনৰ মূল্য। উদাহৰণস্বৰূপে ধৰা হওক, এখন দেশে একমাত্ৰ পাউৰুটী তৈয়াৰ কৰে। আকৌ ধৰা হ'ল, যে 2000 চনত দেশখনে 100টা পাউৰুটী উৎপাদন কৰিছিল আৰু প্ৰতি পাউৰুটীৰ দাম সেই সময়তে 10 টকা আছিল। এইক্ষেত্ৰত দেশখনৰ সেই সময়ৰ চলিত মূল্যত মুঠ জাতীয় উৎপাদন হ'ব 1000 টকা। সেই একেখন দেশে প্ৰতিটো পাউৰুটীত 15 টকাকৈ 2001 চনত মুঠ 110টা পাউৰুটী উৎপাদন কৰিলে। গতিকে 2001 চনত সাধাৰণ মুঠ জাতীয় উৎপাদন হ'ল 1,650 (= 110 ×15 টকা)। (2000 চনক ভিত্তিবৰ্ষ হিচাপে লৈ) 2000 চনৰ দৰত 2001 চনত মুঠ প্ৰকৃত ঘৰুৱা জাতীয় উৎপাদন হ'ব 110 ×10 টকা = 1,110 টকা।

সাধাৰণ মুঠ ঘৰুৱা জাতীয় উৎপাদন আৰু প্ৰকৃত মুঠ জাতীয় ঘৰুৱা উৎপাদনৰ অনুপাতৰ সহায়ত ভিত্তিবৰ্ষৰ (base year) (প্ৰকৃত মুঠ জাতীয় উৎপাদনৰ গণনাত যিটো বছৰৰ দৰক বিবেচনা কৰা হয়) পৰা চলিত বৰ্ষলৈ দৰৰ গতি পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। চলিত বৰ্ষত প্ৰকৃত আৰু সাধাৰণ GDP গণনাত উৎপাদন স্থিৰে থাকে। সেয়েহে এই মাপসমূহৰ মাজত পাৰ্থক্য ঘটে ভিত্তিবৰ্ষ আৰু চলিত বৰ্ষৰ (current year) মাজত দৰৰ পৰিৱৰ্তনৰ বাবে। সাধাৰণ আৰু প্ৰকৃত GDPৰ অনুপাত হৈছে আমি সকলোৰে জনা দৰ

সূচক (index of prices)। ইয়াকে GDP Deflator বুলি কোৱা হয়। আমি যদি সাধাৰণ মুঠ ঘৰুৱা উৎপাদনক GDPৰে আৰু প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনক gdp ৰে বুজাওঁ, তেনেহ'লে

$$\text{GDP Deflator} = \frac{\text{GDP}}{\text{gdp}}$$

কেতিয়াবা সংকোচক ( Deflator)ক শতাংশ হিচাপেও প্ৰকাশ কৰা হয়। এনেক্ষেত্ৰত

$$\text{GDP Deflator} = \frac{\text{GDP}}{\text{gdp}} \times 100$$ শতাংশ, আগৰ উদাহৰণটোত

$$\textit{GDP Deflator} = \frac{1,650}{1,100} = 1.50$$ বা (শতাংশ হিচাপত 150%) অৰ্থাৎ 2001 চনত উৎপাদিত পাউৰুটীৰ মূল্য 2000 চনত উৎপাদিত পাউৰুটীৰ মূল্যৰ 1.5 গুণ। পাউৰুটীৰ মূল্য 10 টকাৰ পৰা 15 টকা হোৱা কাৰ্যইহে ইয়াৰ সত্যতা প্ৰতিপন্ন কৰে। GDP Deflatorৰ দৰে মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ সংকোচক (Deflator)ও আমি পাব পাৰো।

কোনো এক অৰ্থনীতিৰ দৰ পৰিৱৰ্তনৰ জোখ লোৱাৰ আন এক ব্যৱস্থা হ'ল উপভোক্তাৰ দৰ সূচক (Consumer Price Index or CPI)। এই সূচক হ'ল উপভোক্তাৰ দ্বাৰা ক্ৰয় কৰা নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য সামগ্ৰীৰ দৰ সূচক। এইক্ষেত্ৰত আমাৰ বিবেচনাধীন দুটা বছৰ হ'ল ভিত্তিবৰ্ষ আৰু চলিত বৰ্ষ আৰু এই দুয়োটা বছৰৰ ক্ৰয় সংক্ৰান্তীয় ব্যয় গণনা কৰিব লাগে। ইয়াৰ পিচত আমি চলিত বছৰৰ ক্ৰয়জনিত ব্যয়ক ভিত্তিবৰ্ষৰ ক্ৰয়জনিত ব্যয়ৰ শতাংশ হিচাপে প্ৰকাশ কৰো। ইয়াৰ পৰা আমি চলিত বৰ্ষ আৰু ভিত্তিবৰ্ষৰ বাবে উপভোক্তাৰ দৰ সূচক পাওঁ। উদাহৰণস্বৰূপে, চাউল আৰু কাপোৰ উৎপাদন কৰা এক অৰ্থনীতিৰ কথা বিবেচনা কৰা হওক। এজন উপভোক্তাই এবছৰত 90 কেজি চাউল আৰু 5 বিধ কাপোৰ কিনে। ধৰা হ'ল, 2000 চনত এক কেজি চাউলৰ মূল্য আছিল 10 টকা আৰু এবিধ কাপোৰৰ মূল্য আছিল 100 টকা। গতিকে উপভোক্তাজনে 2000 চনত চাউল আৰু কাপোৰৰ ওপৰত মুঠ ব্যয় কৰিবলগা হৈছিল ক্ৰমে $10 \times 90 = 900$ টকা আৰু $100 \times 5 = 500$ টকা। উভয়বিধ সামগ্ৰীৰ মুঠ ব্যয় হ'ব 900 টকা + 500 টকা = 1,400 টকা।

এতিয়া ধৰা হ'ল 2005 চনত এক কেজি চাউল আৰু এবিধ কাপোৰৰ দাম যথাক্ৰমে 15 টকা আৰু 120 টকালৈ বৃদ্ধি পালে। সেই একে পৰিমাণৰ চাউল আৰু কাপোৰ ক্ৰয় কৰিবলৈ এতিয়া উপভোক্তাজনে ক্ৰমে 1,350 টকা আৰু 600 টকা ব্যয় কৰিব লাগে। (পূৰ্বতে কৰা হিচাপৰ দৰে); আৰু উপভোক্তাজনৰ মুঠ ব্যয় হ'ব (1,350 + 600) = 1,950 টকা। এইক্ষেত্ৰত উপভোক্তাৰ দৰ সূচক CPI হ'ব

$$= \frac{1,950}{1,400} \times 100 = 139.29 \text{ (Approximately)}$$

এইখিনিতে উল্লেখযোগ্য যে বহু সামগ্ৰীৰ ক্ষেত্ৰত দুই প্ৰকাৰৰ দৰ থাকে। এটা হ'ল খুচুৰা দৰ, যিটো উপভোক্তাই সাধাৰণতে বহন কৰিবলগা হয়। আৰু আনটো হ'ল পাইকাৰী দৰ যিটো দৰত অধিক পৰিমাণৰ সামগ্ৰী কিনা-বেচা কৰা হয়। ব্যৱসায়ীৰ লভ্যাংশৰ সীমাৰ বাবে এই দুইধৰণৰ দৰৰ পাৰ্থক্য থাকে। সাধাৰণতে উপভোক্তাই সৰহকৈ দ্ৰব্যসমূহ যেনে কেঁচা সামগ্ৰী বা অৰ্ধচূড়ান্ত দ্ৰব্যসমূহ ক্ৰয় নকৰে। পাইকাৰী দৰৰ ক্ষেত্ৰত আমি পাইকাৰী দৰ সূচক (Wholesale Price Index / WPI) ব্যৱহাৰ কৰো। আমেৰিকাৰ দৰে দেশসমূহত ইয়াক উৎপাদনকাৰীৰ দৰ সূচক (Producer Price Index / PPI) বুলি জনা যায়। CPI সাধাৰণতে GDP Deflatorৰ পৰা নিম্নোক্ত কাৰণসমূহৰ বাবে পৃথক হয়।

1. উপভোক্তাই ক্ৰয় কৰা দ্ৰব্যসমূহে সমগ্ৰ দেশখনত উৎপাদিত দ্ৰব্যসমূহক প্ৰতিনিধিত্ব নকৰে। কিন্তু GDP Deflator -এ এই সকলোবোৰ সামৰি লয়।

2. CPI এ সাধাৰণতে প্ৰতিনিধিমূলক উপভোক্তাই উপভোগ কৰা সামগ্ৰীসমূহৰ দৰহে সামৰি লয়। ই আমদানিকৃত সামগ্ৰীৰ দৰো সামৰি লয়। কিন্তু GDP Deflator -এ আমদানিকৃত সামগ্ৰীৰ দৰ সামৰি নলয়।

3. CPI ৰ ক্ষেত্ৰত ভৰসমূহ (Weights) সদায় স্থিৰ। GDP deflatorৰ ক্ষেত্ৰত প্ৰত্যেক দ্ৰব্যৰ উৎপাদন অনুসৰি এই ভৰসমূহ বেলেগ বেলেগ হয়।

## 2.5 মুঠ ঘৰুৱা উৎপাদন আৰু কল্যাণ (GDP and Welfare)




জাতীয় আয় বিতৰণ কিমান সমতাপূৰ্ণ? এইটো লক্ষণীয় যে বেছিসংখ্যক মানুহেই দুখীয়া আৰু অতি কমসংখ্যক ব্যক্তিহে জাতীয় আয় বিতৰণৰ জৰিয়তে লাভৱান হয়।

দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদনক সেই দেশখনৰ জনসাধাৰণৰ কল্যাণৰ এক সূচক হিচাপে গ্ৰহণ কৰিব পাৰিনে? যদি এজন ব্যক্তিৰ আয়ৰ পৰিমাণ বাঢ়ে, তেনেহ'লে তেওঁ অধিক পৰিমাণৰ দ্ৰব্য আৰু সেৱা ক্ৰয় কৰিব পাৰে আৰু এইদৰে তেওঁৰ বস্তুবাদী কল্যাণৰ মাত্ৰা বাঢ়ে। এই দিশৰ পৰা তেওঁৰ আয় স্তৰৰ বৃদ্ধিক তেওঁৰ উন্নতিৰ এক যুক্তিসংগত আধাৰৰূপে গণ্য কৰিব পাৰি। আনহাতে কোনো এক নিৰ্দিষ্ট বছৰত এখন দেশৰ ভৌগোলিক সীমাৰ ভিতৰত উৎপাদিত দ্ৰব্য আৰু সেৱাৰ সমষ্টিয়েই হ'ল মুঠ ঘৰুৱা উৎপাদন। এই পৰিমাণ জনসাধাৰণৰ মাজত আয়ৰ মাধ্যমত বিতৰণ কৰা হয়। অৱশ্যে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ব্যৱসায়ৰ উন্নতিৰ বাবে পৃথককৈ ৰাখি থোৱা ধনখিনি আয় বিতৰণৰ ভিতৰত ধৰা নহয়। সেয়েহে আমি উচ্চ স্তৰৰ GDPক দেশ এখনৰ জনসাধাৰণৰ কল্যাণসূচক হিচাপে গণ্য কৰিব পাৰো। (দৰ পৰিৱৰ্তনৰ কথা বিবেচনা কৰি আমি এইক্ষেত্ৰত প্ৰকৃত GDPহে বিবেচনা কৰো; সাধাৰণ GDP নহয়।) কিন্তু GDP বাঢ়িলে যে দেশৰ কল্যাণ বৃদ্ধি হ'ব তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। তলত উল্লেখ কৰা তিনিটা কাৰণবশতঃ GDP বৃদ্ধিয়ে কল্যাণ বৃদ্ধি নকৰিবও পাৰে।

### 1. GDPৰ বিতৰণ কিমান সমতাপূৰ্ণ?

দেশ এখনৰ GDP বৃদ্ধি পাই থাকে। ইয়াৰ ফলস্বৰূপে কল্যাণৰ পৰিমাণ বৃদ্ধি নাপাবও পাৰে, যদিহে এই বৰ্ধিত GDP এক সীমিতসংখ্যক ব্যক্তি বা প্ৰতিষ্ঠানৰ হাতত

কেন্দ্ৰীভূত হয়। এনে অৱস্থাত সমাজৰ বাকী অংশৰ মানুহৰ আয়ৰ পৰিমাণ হ্ৰাস পাব পাৰে। এনেক্ষেত্ৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ কল্যাণৰ মাত্ৰা বাঢ়িছে বুলিব নোৱাৰি। উদাহৰণস্বৰূপে, ধৰা হ'ল 2000 চনত এখন কাল্পনিক দেশৰ 100 জন ব্যক্তিৰ প্ৰত্যেকৰে আয় আছিল 10 টকাকৈ। সেইবাবে দেশখনৰ GDPৰ পৰিমাণ আছিল 1,000 টকা (আয় পদ্ধতিমতে)। 2001 চনত ধৰা হ'ল, সেই একেখন দেশৰ 90 জন ব্যক্তিয়ে প্ৰত্যেকেই 9 টকাকৈ উপাৰ্জন কৰিছে। আৰু বাকী 10 জন ব্যক্তিয়ে প্ৰত্যেকে 20 টকাকৈ উপাৰ্জন কৰিছে। ধৰা হ'ল, এই দুই সময়সীমাৰ ভিতৰত দ্ৰব্য সামগ্ৰীৰ দৰৰ কোনো সাল-সলনি হোৱা নাই। 2001 চনত দেশৰ GDP আছিল 90 × (9 টকা) + 10 × (20 টকা) = (810 + 200) টকা = 1,010 টকা। দেখা যায় যে 2000 চনৰ লগত তুলনা কৰিলে 2001 চনত দেশখনৰ GDPৰ পৰিমাণ 10 টকা অধিক। কিন্তু এইটো সম্ভৱ হ'ব তেতিয়াহে যেতিয়া দেশখনৰ 90 শতাংশ লোকৰ আয় 10 শতাংশ বৃদ্ধি পাব। কিন্তু দেশখনৰ মাত্ৰ 10 শতাংশ লোকৰহে আয় 100 শতাংশ বৃদ্ধি পাইছে। এইক্ষেত্ৰত দেশখনৰ GDP বৃদ্ধি সত্বেও 90 শতাংশ লোক বেয়া অৱস্থাতে আছে। যদি আমি কিছু ভাল অৱস্থালৈ অহা লোকসকলৰ শতকৰা হিচাপ দেশখনৰ কল্যাণ বৃদ্ধিৰ সৈতে তুলনা কৰো, তেনেহ'লে নিশ্চয়কৈ GDPক কল্যাণৰ এক ভাল সূচক বুলি কেতিয়াও গ্ৰহণ কৰিব নোৱাৰি।

## 2. অ-মৌদ্ৰিক বিনিময় (Non-monetary exchanges)

অৰ্থনীতিখনৰ বহুবোৰ কাৰ্য প্ৰণালী মৌদ্ৰিকভাৱে পৰিমাপ কৰা নহয়। উদাহৰণস্বৰূপে মহিলাসকলে ঘৰত কৰা সেৱাসমূহৰ বাবে কোনোধৰণৰ মজুৰি প্ৰদান কৰা নহয়। বিনিময় প্ৰথাৰ যোগেদিও অনানুষ্ঠানিক খণ্ডসমূহত (Informal Sector) অমৌদ্ৰিক বিনিময় হৈ থাকে। বিনিময় প্ৰথাত দ্ৰব্যৰ সলনি দ্ৰব্য প্ৰত্যক্ষভাৱে বিনিময় কৰা হয়। মুদ্ৰাগত পৰিমাপ নোহোৱা হেতু এনেধৰণৰ কাৰ্য আৰ্থিক কাৰ্য হিচাপে পঞ্জীয়নভুক্ত কৰা নহয়। উন্নয়নশীল দেশবোৰৰ এনে বহু পিচপৰা অঞ্চল আছে য'ত এইধৰণৰ কাৰ্য বৰ্তমানত বিদ্যমান অথচ এইসমূহ সেই দেশবোৰৰ গণনাত অন্তৰ্ভুক্ত কৰা নহয়। সেইবাবে এনেধৰণৰ গণনাৰ পৰা

দেশখনৰ প্ৰকৃত উৎপাদন কাৰ্য অথবা কল্যাণৰ মাপকাঠীৰ সঠিক হিচাপ পোৱা নাযায়।

## 3. বাহ্যিকতা (Externalities)

বাহ্যিকতা হ'ল কোনো ব্যক্তি বা প্ৰতিষ্ঠানে অন্য প্ৰতিষ্ঠান বা ব্যক্তিৰ কাৰণে সৃষ্টি কৰা ভাল (বা বেয়া) প্ৰভাৱ; যাৰ বাবে ব্যক্তি বা প্ৰতিষ্ঠানখনক একো প্ৰদান কৰা নহয়। (কিম্বা শাস্তিৰ বাবেও বিবেচনা কৰা নহয়)। বাহ্যিকতাৰ ক্ষেত্ৰত কোনো বজাৰ ব্যৱস্থাৰ উপস্থিতি নাথাকে যাৰ জৰিয়তে ইয়াক ক্ৰয়-বিক্ৰয়ৰ অধীনলৈ আনিব পাৰি। উদাহৰণস্বৰূপে, ধৰা হ'ল এটা শোধনাগাৰে খাৰুৱা তেল শোধন কৰি বজাৰত পেট্ৰ'ল বিক্ৰী কৰে। শোধনাগাৰটোৰ উৎপন্ন হ'ল ই শোধন কৰা খাৰুৱা তেলৰ পৰিমাণ। আমি শোধনাগাৰটোৰ সংযোজিত মূল্য গণনা কৰিবলৈ হ'লে ই মধ্যৱৰ্তী দ্ৰব্য হিচাপে ব্যৱহাৰ কৰা দ্ৰব্যসমূহৰ মূল্য ইয়াৰ মুঠ উৎপাদনৰ মূল্যৰ পৰা বাদ দিব লাগিব। শোধনাগাৰটোৰ মূল্য সংযোজন, অৰ্থনীতিখনৰ GDPৰ এটা অংশ হিচাপে গণনা কৰা হ'ব। কিন্তু এই উৎপাদন কাৰ্য চলাই যাওঁতে শোধনাগাৰটোৱে ইয়াৰ কাষৰীয়া নদীখন প্ৰদূষিত কৰিব পাৰে। এই নদীখনৰ পানী ব্যৱহাৰ কৰোতাসকল ইয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'ব আৰু ইয়াৰ উপযোগিতা হ্ৰাস পাব। প্ৰদূষণৰ ফলত নদীখনৰ মাছ বা অন্যান্য জীৱকুলৰ মৃত্যু হ'ব পাৰে। ইয়াৰ ফলত নদীৰ মাছমৰীয়াসকলে আয় হেৰুৱাব। শোধনাগাৰটোৱে সৃষ্টি কৰা এনেধৰণৰ ক্ষতিকাৰক কাৰ্য যাৰ বাবে ই কোনোধৰণৰ ব্যয় বহন কৰিবলগা হোৱা নাই; ইয়াকে বাহ্যিকতা বুলি কোৱা হয়। এইক্ষেত্ৰত GDP এ হিচাপৰ ক্ষেত্ৰত এনেধৰণৰ ঋণাত্মক বাহ্যিকতা বিবেচনালৈ নাহে। সেইবাবে যদি আমি GDPক জনসাধাৰণৰ কল্যাণৰ মাপকাঠী হিচাপে বিবেচনা কৰো, তেনেহ'লে এনেধৰণৰ ঋণাত্মক বাহ্যিকতাৰ কথা চিন্তা কৰিবলগীয়া। শোধনাগাৰটোৱে জাতীয় উৎপাদন বৃদ্ধিত সহায় কৰিলেও ইয়ে অঞ্চলটোৰ বায়ু, পানী দূষিত কৰি সেই অঞ্চলটোত বাস কৰা লোকসকলৰ স্বাস্থ্য হানি কৰিব পাৰে। সেয়েহে প্ৰকৃতাৰ্থত জাতীয় আয় বা জাতীয় উৎপাদন বৃদ্ধি পালেও মানুহৰ কল্যাণ বৃদ্ধি নাপাব পাৰে। কিন্তু কেতিয়াবা জাতীয় উৎপাদন বৃদ্ধি পালে ধনাত্মক বাহ্যিকতা (Positive externalities) বৃদ্ধিৰ সম্ভাৱনাও থাকে। তেনেক্ষেত্ৰত

কল্যাণৰ পৰিমাণো বৃদ্ধি পায়। সেয়েহে জাতীয় আয় গণনা কৰোতে এনেধৰণৰ ধনাত্মক বাহ্যিকতাৰ মূল্য ধৰিব লাগে।

প্ৰাথমিক পৰ্যায়ত সমষ্টিগত অৰ্থনীতিয়ে এটা চক্ৰীয় প্ৰবাহৰ মাধ্যমত কাম কৰি থকা দেখা যায়। পৰিয়াল গোটসমূহৰ দ্বাৰা যোগান ধৰা আহিলা ব্যৱহাৰ কৰি প্ৰতিষ্ঠানসমূহে দ্ৰব্য আৰু সেৱা উৎপাদন কৰে আৰু এইসমূহ পুনৰ পৰিয়াল গোটসমূহৰ ওচৰত বিক্ৰী কৰে। পৰিয়াল গোটসমূহে প্ৰতিষ্ঠানসমূহলৈ আগবঢ়োৱা সেৱাৰ বাবে মজুৰি লাভ কৰে আৰু এয়া পুনৰ তেওঁলোকৰ উৎপাদিত দ্ৰব্য আৰু সেৱা ক্ৰয়ত ব্যয় কৰে। সেইবাবে আমি অৰ্থনীতিখনত উৎপাদিত মুঠ দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য তিনি প্ৰকাৰে পাব পাৰো। (a) উপাদানৰ দেনাসমূহৰ সৰ্বমুঠ মূল্য গণনাৰ জৰিয়তে (আয় পদ্ধতি); (b) প্ৰতিষ্ঠানৰ দ্বাৰা উৎপাদিত দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্য গণনাৰ দ্বাৰা (উৎপাদন পদ্ধতি); (c) প্ৰতিষ্ঠানসমূহে লাভ কৰা সৰ্বমুঠ ব্যয় গণনাৰ জৰিয়তে (ব্যয় পদ্ধতি)। উৎপাদন পদ্ধতিত দুবাৰ গণনা এৰাই চলিবলৈ আমি মধ্যৱৰ্তী দ্ৰব্যসমূহৰ গণনা বাদ দি কেৱল চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহৰ মুঠ মূল্যহে গণনা কৰিব লাগে। এই আটাইকেইটা পদ্ধতিৰ সহায়ত অৰ্থনীতিৰ মুঠ আয় গণনাৰ বাবে সূত্ৰ নিৰ্ধাৰণ কৰা হৈছে। আমি এইটোও লক্ষ্য কৰা উচিত যে সামগ্ৰীসমূহ বিনিয়োগৰ বাবেও আনিব পাৰি আৰু ইয়াৰ দ্বাৰা উৎপাদনকাৰী প্ৰতিষ্ঠানখনৰ উৎপাদনী ক্ষমতা বৃদ্ধি পায়। মুঠ আয়ৰ বহু বিভাগ আছে। এইসমূহ নিৰ্ভৰ কৰে কোনে এইসমূহ অৰ্জন কৰিছে। আমি ইতিমধ্যে দেখুৱাইছো যে GDP, GNP আৰু NNP কেনেদৰে এটাৰ পৰা আনটো পৃথক। বজাৰ দৰ আৰু উপাদানৰ দৰৰ ভিত্তিত গণনা কৰা NNPৰ মাজৰ পাৰ্থক্য ব্যক্তিগত আয় আৰু NNPৰ মাজৰ পাৰ্থক্যও দেখুওৱা হৈছে। যিহেতু দ্ৰব্য আৰু সেৱাসমূহৰ মূল্যৰ পৰিৱৰ্তন ঘটি থাকে। সেইবাবে আমি তিনিটা দৰসূচক সংখ্যা (GDP deflator, CPI আৰু WPI) কেনেকৈ গণনা কৰা হয় সেই সম্পৰ্কে ব্যাখ্যা কৰিছো। শেষত উল্লেখ কৰিব পাৰি যে GDPক দেশখনৰ কল্যাণৰ এক সূচক হিচাপে ব্যৱহাৰ কৰাটো শুদ্ধ বুলিব নোৱাৰি।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) চূড়ান্ত দ্ৰব্য (Final Goods)
(2) উপভোক্তাৰ স্থায়ী দ্ৰব্য (Consumer Durables)
(3) মধ্যৱৰ্তী দ্ৰব্য (Intermediate Goods)
(4) নিগুট বিনিয়োগ (Net Investment)
(5) মজুৰি (Wage)
(6) লাভ (Profit)
(7) আয়ৰ চক্ৰীয় প্ৰবাহ (Circular flow of income)
(8) জাতীয় আয় গণনাৰ ব্যয় পদ্ধতি (Expenditure method of calculating National Income)
(9) সমষ্টিগত অৰ্থনৈতিক আৰ্হি (Macro-economic Model)
(10) মূল্য সংযোজন (Value Added)
(11) মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product)
(12) মুঠ জাতীয় উৎপাদন (Gross National Product)
(13) নিগুট জাতীয় উৎপাদন (NNP at factor cost) অথবা জাতীয় আয় (National Income)
(14) পৰিয়াল খণ্ডই প্ৰদান কৰা নিগুট সুদৰ পৰিমাণ (Net interest payments made by households)
(15) চৰকাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ পৰা পৰিয়াল খণ্ডলৈ হস্তান্তৰ হোৱা আয় (Transfer payments to the households from the government and firms)
(16) ব্যক্তিগত কৰ দেনা (Personal Tax Payments)
(17) ব্যক্তিগত ব্যয়যোগ্য আয় (Personal Disposable Income)

(18) বেচৰকাৰী আয় (Private Income)

(19) প্ৰকৃত জাতীয় উৎপাদন (Real GDP)

(20) মুঠ ঘৰুৱা উৎপাদন সংকোচক

(21) পাইকাৰী দৰ সূচকাংশ (Wholesale Price Index)

(22) উপভোগ দ্ৰব্য (Consumption Goods)

(23) মূলধনী দ্ৰব্য (Capital Goods)

(24) মজুত (Stocks)

(25) মুঠ বিনিয়োগ (Gross Investment)

(26) ক্ষয়-ক্ষতি (Depreciation)

(27) সুদ (Interest)

(28) খাজনা (Rent)

(29) জাতীয় আয় গণনাৰ উৎপাদন পদ্ধতি (Product method of calculating national income)

(30) জাতীয় গণনাৰ আয় পদ্ধতি (Income method of calculating national income)

(31) উৎপাদন আহিলা (Input)

(32) পূৰ্বৱৰ্তী দ্ৰব্য অথবা বিক্ৰী নোহোৱা দ্ৰব্য বা কেঁচা সামগ্ৰীসমূহ (Inventory)

(33) অপৰিকল্পিত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন (Unplanned change in inventories)

(34) নিগুট ঘৰুৱা উৎপাদন (Net Domestic Product)

(35) বজাৰ মূল্যত নিগুট ঘৰুৱা উৎপাদন (Net National Product at market price)

(36) অবিতাৰিত লাভ (Undistributed Profits)

(37) নিগম কৰ (Corporate Tax)

(38) ব্যক্তিগত আয় (Personal Income)

(39) অনাকৰ দেনা (Non-tax payments)

(40) ৰাষ্ট্ৰীয় ব্যয়যোগ্য আয় (National Disposable Income)

(41) মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদন (Nominal GDP)

(42) ভিত্তিবৰ্ষ (Base Year)

(43) ভোক্তাৰ দৰ সূচক (Consumer Price Index)

(44) বাহ্যিকতা (Externalities)

## অনুশীলনী (Excercises)

(1) উৎপাদনৰ চাৰিটা উপাদান কি কি আৰু ইহঁতে প্ৰত্যেকে লাভ কৰা আয়ক কি বুলি কোৱা হয়?

(2) অৰ্থনীতি এখনৰ চূড়ান্ত ব্যয়ৰ সৰ্বমুঠ পৰিমাণ উপাদানৰ সৰ্বমুঠ দেনাৰ সৈতে কিয় সমান হয়?

(3) মজুত আৰু প্ৰবাহৰ পাৰ্থক্য দেখুওৱা। নিগুট বিনিয়োগ অৰু মূলধনৰ মাজত কোনটো মজুত আৰু কোনটো প্ৰবাহ দেখুওৱা। নিগুট বিনিয়োগ আৰু মূলধনক পুখুৰীলৈ বৈ যোৱা পানীৰ সৈতে তুলনা কৰা।

(4) পৰিকল্পিত আৰু অপৰিকল্পিত মূলধনৰ সংযোজনৰ মাজৰ পাৰ্থক্য কি? সংযোজিত মূলধনৰ পৰিৱৰ্তন আৰু প্ৰতিষ্ঠানৰ মূল্য সংযোজনৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(5) দেশ এখনৰ GDP তিনিটা পদ্ধতিৰে গণনা কৰোতে ব্যৱহাৰ কৰা সূত্ৰকেইটা লিখা। এই তিনিওটা পদ্ধতিৰে গণনা কৰা GDPৰ মান কিয় একে হয় সেই সম্পৰ্কে চমুকৈ লিখা।

(6) বাজেট ঘাটি আৰু বাণিজ্যিক ঘাটিৰ সংজ্ঞা দিয়া। এখন দেশৰ ব্যক্তিগত বিনিয়োগ সঞ্চয়ৰ তুলনাত কোনো এক নিৰ্দিষ্ট বছৰত 2,000 কোটি টকা অধিক আছিল। বাজেট ঘাটিৰ পৰিমাণ আছিল (–) 1,500 কোটি টকা। দেশখনৰ বাণিজ্যিক ঘাটিৰ পৰিমাণ কিমান আছিল?

(7) ধৰা হ'ল, এটা নিৰ্দিষ্ট বছৰত এখন দেশৰ বজাৰ দৰত GDPৰ পৰিমাণ আছিল 1,100 কোটি। বিদেশৰ পৰা হোৱা উপাদানৰ নিগুট আয় আছিল 100 কোটি। (প্ৰত্যক্ষ কৰ ৰাজসাহায্য)ৰ পৰিমাণ আছিল 150 কোটি আৰু ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ আছিল 850 কোটি। এতিয়া ক্ষয়-ক্ষতিৰ সৰ্বমুঠ মূল্য কিমান হ'ব গণনা কৰা।

(8) এখন নিৰ্দিষ্ট দেশৰ এবছৰৰ উপাদান ব্যয়ৰ ভিত্তিত নিগুট জাতীয় উপাদানৰ পৰিমাণ 1,900 কোটি টকা। পৰিয়াল গোটসমূহে চৰকাৰ বা প্ৰতিষ্ঠানক কিম্বা চৰকাৰ বা প্ৰতিষ্ঠানে পৰিয়াল গোটসমূহক কোনো সুদৰ দেনা বহন কৰা নাছিল। পৰিয়াল গোটসমূহৰ ব্যয়যোগ্য আয়ৰ পৰিমাণ হ'ল 1,200 কোটি টকা। তেওঁলোকে বহন কৰা ব্যক্তিগত আয় কৰৰ পৰিমাণ হ'ল 600 কোটি টকা। আনহাতে প্ৰতিষ্ঠানসমূহ আৰু চৰকাৰে ঘূৰাই পোৱা আয়ৰ পৰিমাণ হ'ল 200 কোটি টকা। চৰকাৰ আৰু প্ৰতিষ্ঠানসমূহে পৰিয়াল গোটসমূহলৈ আগবঢ়োৱা হস্তান্তৰযোগ্য দেনাৰ পৰিমাণ কিমান হিচাপ কৰি উলিওৱা।

(9) তলৰ তথ্যসমূহ ব্যৱহাৰ কৰি ব্যক্তিগত আয় আৰু ব্যক্তিগত বায়যোগ্য আয়ৰ পৰিমাণ গণনা কৰা ঃ

**(কোটি টকাৰ হিচাপত)**

| | |
|---|---|
| (a) উপাদানৰ দৰৰ ভিত্তিত নিগুট ঘৰুৱা উৎপাদন | 8,000 |
| (b) বিদেশৰ পৰা হোৱা নিগুট উপাদানৰ আয় | 200 |
| (c) অবিতাৰিত লাভ | 1,000 |
| (d) নিগম কৰ | 500 |
| (e) পৰিয়াল গোটসমূহে গ্ৰহণ কৰা সুদ | 1,500 |

| | |
|---|---|
| (f) পৰিয়াল গোটসমূহে প্ৰদান কৰা সুদ | 1,200 |
| (g) হস্তান্তৰযোগ্য আয় | 300 |
| (h) ব্যক্তিগত কৰ | 500 |

(10) এদিনত ৰাজু নামৰ নাপিতজনে চুলি কাটি 500 টকা সংগ্ৰহ কৰে। দিনটোত সি তাৰ সা-সৰঞ্জামৰ ক্ষয়-ক্ষতিৰ বাবদ 50 টকা ভৰিব লাগে। বাকী থকা 450 টকাৰ ভিতৰৰে ৰাজুৰে 30 টকা বিক্ৰীকৰ দিয়ে, 200 টকা ঘৰলৈ নিয়ে আৰু 220 টকা নতুন সা-সৰঞ্জাম ক্ৰয় বা ভাল কৰাৰ বাবদ ৰাখে। সি তাৰ আয়ৰ পৰা পুনৰ 20 টকা আয়কৰ পৰিশোধ কৰে। এই তথ্যৰ ওপৰত নিৰ্ভৰ কৰি নিম্নোলিখিত আয়ৰ পৰিমাপসমূহ লৈ ৰাজুৰ অৰদান কিমান হিচাপ কৰি দেখুওৱা। ঃ

(a) GDP মুঠ জাতীয় উৎপাদন

(b) GDP নিগুট জাতীয় উৎপাদন

(c) NNP (at factor cost) নিগুট জাতীয় উৎপাদন (উপাদান ব্যয়ৰ ভিত্তিত)

(d) ব্যক্তিগত আয় বজাৰ ভিত্তিত

(e) ব্যক্তিগত বায়যোগ্য আয়।

(11) সাধাৰণ GNPৰ মূল্য কোনো এখন অৰ্থনীতিৰ এটা নিৰ্দিষ্ট বছৰত 2,500 কোটি বুলি ঠাৰৰ কৰা হৈছে। সেই একেখন দেশৰে একেটা ভিত্তিবৰ্ষৰ দৰত গণনা কৰা GNPৰ পৰিমাণ হ'ল 3,000 কোটি। শতকৰা হিচাপত সেই বছৰৰ GNPৰ সূচক গণনা কৰা। ভিত্তিবৰ্ষ আৰু বিবেচনালৈ অনা বছৰৰ মাজত দৰৰ বৃদ্ধি হৈছেনে?

(12) এখন দেশৰ কল্যাণৰ সূচক হিচাপে GDPক ব্যৱহাৰ কৰাত কেনেধৰণৰ সীমাবদ্ধতা আছে লিখা।

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Bhaduri, A. – 1990. Macro Economics : The Dynamics of Commodity Production, Pages 1-27, Macmillan India Limited, New Delhi)

(2) Branson, W.H. 1992 : Macro-economic Theory and Policy (3rd edition), Page 15-34, Harper Collins Publishers India Pvt. Ltd., New Delhi

(3) Dornbusch, R and S Fisher, 1988 : Macro-economics (4th edition), Page 29-62, Mcgraw Hill, Paris.

(4) Mahkiw, N.G. 200, Macro-economics (4th edition), Page 15-76, Macmillan, Worth Publishers, New York

## Appendix-2.1

তালিকা 2.2 চলিত দৰত ভাৰতবৰ্ষৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাপসমূহ

(Old series unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | মুঠ জাতীয় উৎপাদন (বজাৰ দৰত) GDP at (Market Price) | বিদেশৰ পৰা আহৰিত নিগুট উপাদানৰ আয় Net factor income from Abroad | GNP (বজাৰ দৰত) | স্থিৰ মূলধনৰ উপভোগ (ক্ষয়-ক্ষতি) Consumption of fixed capital (depreciation) | NNP (বজাৰ দৰত) |
|---|---|---|---|---|---|
| 1990-91 | 5,68,674 | -7545 | 5,61,129 | 53,264 | 5,07,865 |
| 1991-92 | 6,53,117 | -10,077 | 6,43,040 | 64,402 | 5,78,638 |
| 1992-93 | 7,48,367 | -11645 | 7,36,722 | 74,512 | 6,62,210 |
| 1993-94 | 8,59,220 | -12080 | 8,47,140 | 83,353 | 7,63,787 |
| 1994-95 | 10,12,770 | -13083 | 9,99,687 | 97,994 | 9,01,693 |
| 1995-96 | 11,88,012 | -13484 | 11,74,528 | 1,17,926 | 10,56,602 |
| 1996-97 | 13,68,209 | -13082 | 13,55,127 | 1,36,503 | 12,18,624 |
| 1997-98 | 15,22,547 | -13205 | 15,09,342 | 1,51,997 | 13,57,345 |
| 1998-99 | 17,40,985 | -14968 | 17,26,017 | 1,68,066 | 15,57,951 |
| 1999-2000 | 19,36,831 | -15431 | 19,21,400 | 1,82,359 | 17,39,041 |
| 2000-2001 | 20,89,500 | -18109 | 20,71,391 | 1,97,895 | 18,73,696 |
| 2001-2002 | 22,71,984 | -15566 | 22,56,418 | 2,17,679 | 20,38,739 |
| 2002-2003 | 24,63,324 | -13166 | 24,50,158 | 2,32,952 | 22,17,206 |
| 2003-2004 | 27,60,025 | -14078 | 27,45,947 | 2,53,637 | 24,92,310 |
| 2004-2005 | 31,05,512 | -17707 | 30,87,805 | 2,77,131 | 28,17,968 |

তালিকা 2.3 ভাৰতৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাণসমূহৰ হিচাপ (চলিত দৰত)

(Old series, unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | পৰোক্ষ কৰ-ৰাজসাহায্য (Indirect taxes-subsidy | NNP (উপাদানৰ দৰত) (ৰাষ্ট্ৰীয় আয়) | ব্যক্তিগত ব্যয়যোগ্য আয় (Personal disposable Income) |
|---|---|---|---|
| 1990-91 | 57,720 | 4,50,145 | 4,61,192 |
| 1991-92 | 64,031 | 5,14,607 | 5,27,018 |
| 1992-93 | 75,146 | 5,87,064 | 6,11,390 |
| 1993-94 | 77,875 | 6,85,912 | 7,07,692 |
| 1994-95 | 95,712 | 8,05,981 | 8,34,764 |
| 1995-96 | 1,14,741 | 9,41,861 | 9,49,191 |
| 1996-97 | 1,24,662 | 10,93,962 | 11,27,542 |
| 1997-98 | 1,32,399 | 12,24,946 | 12,53,142 |
| 1998-99 | 1,42,858 | 14,15,093 | 14,61,827 |
| 1999-2000 | 1,74,993 | 15,64,048 | 16,12,834 |
| 2000-2001 | 1,86,501 | 16,86,995 | 17,76,381 |
| 2001-2002 | 1,90,510 | 18,48,229 | 19,67,770 |
| 2002-2003 | 2,08,436 | 20,08,770 | 21,06,551 |
| 2003-2004 | 2,40,240 | 22,52,070 | 23,58,503 |
| 2004-2005 | 2,75,047 | 25,35,627 | NA |


তালিকা 2.4 চলিত দৰত ভাৰতবৰ্ষৰ বিভিন্ন সমষ্টিবাদী অৰ্থনৈতিক মুঠ পৰিমাপসমূহ

(Old series unit : Rs. Crores) : Source : RBI, Handbook of Indian Economy)

| | চূড়ান্ত উপভোগ ব্যয় (ব্যক্তিগত) (Private final Consumption Experative) | মুঠ ঘৰুৱা মূলধন গঠন (উভয় ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডই কৰা বিনিয়োগ।) (Gross Domestic Capital Formation Investments mode by both private and public sector) | চূড়ান্ত চৰকাৰী উপভোগ ব্যয় (Government Final Consumption expenditure) |
|---|---|---|---|
| 1990-91 | 3,81,57 | 1,49,536 | 66,030 |
| 1991-92 | 4,40,594 | 1,47,285 | 74,285 |
| 1992-93 | 4,96,310 | 1,76,722 | 83,957 |
| 1993-94 | 5,69,225 | 1,98,412 | 97,725 |
| 1994-95 | 6,59,239 | 1,63,356 | 1,08,639 |
| 1995-96 | 7,60,138 | 3,19,527 | 1,28,816 |
| 1996-97 | 8,96,470 | 3,34,999 | 1,45,725 |
| 1997-98 | 9,76,131 | 3,74,480 | 1,72,189 |
| 1998-99 | 11,34,134 | 3,93,021 | 2,14,033 |
| 1999-2000 | 12,67,658 | 4,90,669 | 2,51,108 |
| 2000-2001 | 13,53,709 | 4,98,179 | 2,64,237 |
| 2001-2002 | 14,85,675 | 5,13,543 | 2,83,351 |
| 2002-2003 | 15,83,879 | 6,10,228 | 2,91,547 |
| 2003-2004 | 17,61,788 | 7,26,868 | 3,12,109 |
| 2004-2005 | NA | NA | NA |

তৃতীয় অধ্যায়

# মুদ্ৰা আৰু বেংক ব্যৱস্থা (Money and Banking)



মুদ্ৰা হ'ল সাধাৰণভাৱে গ্ৰহণযোগ্য বিনিময়ৰ মাধ্যম। এজন ব্যক্তিৰে গঠিত অৰ্থনীতিত পণ্যৰ বিনিময় হ'ব নোৱাৰে আৰু তেনে অৰ্থনীতিত মুদ্ৰাৰ কোনো ভূমিকা নাথাকে। আনকি কোনো অৰ্থনীতিত এজনতকৈ অধিক ব্যক্তি থাকিলেও মুদ্ৰাৰ কোনো ভূমিকা নাথাকে, যদিহে তেনে ব্যক্তি সমষ্টিয়ে বজাৰত কোনো লেনদেন সম্পাদন নকৰে। উদাহৰণস্বৰূপে নিৰ্জন দ্বীপত বাস কৰা পৰিয়াল এটাৰ বাবে মুদ্ৰাৰ কোনো কাৰ্য নাথাকে। কিন্তু যেতিয়াই কোনো অৰ্থনীতিত এজনতকৈ অধিক ব্যক্তিয়ে বজাৰৰ জৰিয়তে লেনদেনত লিপ্ত হৈ পৰে, তেতিয়াই মুদ্ৰাই বিনিময় মাধ্যম হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুদ্ৰা অবিহনে সংঘটিত অৰ্থনৈতিক বিনিময় ব্যৱস্থাকে (Economic exchanges) পণ্যৰ বিনিময় (barter exchange) বোলে। যি কি নহওক, পণ্যৰ বিনিময় প্ৰথাত অভাৱৰ সংগতি থকাটো অসম্ভৱ বুলি ধৰি লোৱা হয়। উদাহৰণস্বৰপে, ধৰি লোৱা হ'ল যে এজন ব্যক্তিৰ ৰাহি ধান আছে আৰু সেইখিনি তেওঁ কাপোৰৰ সৈতে বিনিময় কৰিবলৈ ইচ্ছা কৰিছে। যদি তেওঁ

সৌভাগ্যৱান নহয়, তেন্তে তেনে ব্যক্তি অৰ্থাৎ কাপোৰৰ বিনিময়ত ধান ল'ব বিচৰা ব্যক্তি নাপাবও পাৰে। সমাজত ব্যক্তিৰ সংখ্যা বঢ়াৰ লগে লগে এনেধৰণৰ অসুবিধাই পণ্যৰ বিনিময়ত অধিক প্ৰতিবন্ধকতাহে সৃষ্টি কৰে। সেয়েহে লেনদেনৰ সুচলতাৰ বাবে এবিধ মধ্য পৰ্যায়ৰ দ্ৰব্য বা অন্তৰ্ৱৰ্তী দ্ৰব্য (Intermediate good) প্ৰয়োজন হয়, যিটো উভয় পক্ষৰ বাবে গ্ৰহণযোগ্য হ'ব। এনেকুৱা সামগ্ৰীবিধকে মুদ্ৰা আখ্যা দিয়া হৈছে। মুদ্ৰাৰ জৰিয়তে বিক্ৰেতাই সামগ্ৰী বিক্ৰী কৰে আৰু সেই মুদ্ৰাৰ জৰিয়তে তেওঁৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰে। বিনিময়ৰ সুচলতা বৃদ্ধি কৰাটো মুদ্ৰাৰ প্ৰধান কাৰ্য যদিও ই অন্যান্য কাৰ্যাৱলীও সমাধান কৰে। আধুনিক অৰ্থনীতিত মুদ্ৰাৰ কাৰ্যাৱলী তলত উল্লেখ কৰা হ'ল।

## 3.1 মুদ্ৰাৰ কাৰ্যাৱলী (Functions of Money)

ওপৰত উল্লেখ কৰাৰ দৰে মুদ্ৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য হ'ল এই যে ই বিনিময়ৰ মাধ্যম (Medium of exchange) হিচাপে কাম কৰে। বিশাল অৰ্থনীতিত বিনিময় প্ৰথা যথেষ্ট অসুবিধাজনক হয়, কাৰণ তেনে অৰ্থনীতিত ব্যক্তিয়ে নিজৰ উদ্বৃত্ত দ্ৰব্য বিনিময় কৰিবলৈ উপযুক্ত ব্যক্তি বিচাৰি যাওঁতে অধিক ব্যয় কৰিবলগীয়াত পৰে।

মুদ্ৰাই আকৌ হিচাপৰ এক সুবিধাজনক একক (Convenient unit of account) হিচাপেও কাম কৰে। সকলো বস্তু আৰু সেৱাৰ মূল্যক মুদ্ৰাগত এককৰ আধাৰত প্ৰকাশ কৰিব পাৰি। যেতিয়া আমি কওঁ যে এটা নিৰ্দিষ্ট আকাৰৰ হাতঘড়ীৰ মূল্য 500 টকা, তেতিয়া ইয়াৰ অৰ্থ এয়ে যে হাতঘড়ীটো 500 একক মুদ্ৰাৰ মাধ্যমত বিনিময় কৰিব পাৰি, য'ত মুদ্ৰাৰ একক হ'ল টকা। যদি এডাল পেঞ্চিলৰ দাম 2 টকা আৰু এটা কলমৰ দাম 10 টকা হয়, তেন্তে আমি পেঞ্চিলৰ মানত কলমৰ আপেক্ষিক দাম (Relative price) গণনা কৰিব পাৰো। অৰ্থাৎ এটা কলমৰ মূল্য $10 \div 2 = 5$ ডাল পেঞ্চিল। সেই একে ধাৰণাকে অন্যান্য সামগ্ৰীৰ লগত মুদ্ৰাৰ মূল্য গণনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। ওপৰৰ উদাহৰণটোত এটকাৰ মূল্য $1 \div 2 = 0.5$ ডাল পেঞ্চিল বা $1 \div 10 = 0.1$ টা কলম। সেয়েহে যদি সকলো সামগ্ৰীৰ দাম একেলগে বাঢ়িবলৈ লয় যাক আন ভাষাত সাধাৰণ মূল্যস্তৰৰ বৃদ্ধি বুলি

কোৱা হয়, তেনে অৱস্থাত মুদ্ৰাৰ মূল্য হ্ৰাস হয়। ইয়াৰ অৰ্থ হ'ল এই যে এতিয়া এক একক মুদ্ৰাই আগতকৈ কম পৰিমাণে বস্তু ক্ৰয় কৰিব। ইয়াকে আমি মুদ্ৰাৰ ক্ৰয় ক্ষমতাৰ অৱনতি (deterioration) বুলি কওঁ।

বিনিময় প্ৰথাৰ কিছুমান অন্য অসুবিধাও আছে। এনে প্ৰথাত ব্যক্তিৰ ৰাহি সম্পদ বা ৰাহি দ্ৰব্য সাঁচি থোৱাৰ ব্যৱস্থা নাই। ধৰি লোৱা হ'ল যে এজন ব্যক্তিৰ কিছু ৰাহি ধান আছে যিখিনি তেওঁ আজিয়ে ভোগ কৰিবলৈ বিচৰা নাই। তেওঁ এই ৰাহি ধানখিনিক সম্পদ বুলি ভাবিব পাৰে, যিখিনিক তেওঁ ভৱিষ্যতে ভোগ কৰিব পাৰিব বা অন্য প্ৰয়োজনীয় সামগ্ৰী লাভৰ বাবে বিক্ৰী কৰিবও পাৰিব। কিন্তু ধান হ'ল ক্ষণস্থায়ী সামগ্ৰী আৰু এটা নিৰ্দিষ্ট সময়ৰ পিচত ইয়াক সঞ্চয় কৰি ৰাখিব নোৱাৰি। আকৌ ইয়াক সঞ্চয় কৰিবলৈ যথেষ্ট ঠাইৰো প্ৰয়োজন। অন্য সামগ্ৰীৰ লগত ইয়াক বিনিময় কৰিবৰ বাবে যথেষ্ট সময় আৰু সম্পদ খৰচ কৰিবলগীয়া হ'ব পাৰে। মুদ্ৰাৰ বিনিময়ত ধান বিক্ৰী হ'লে এই সমস্যা নাথাকে। মুদ্ৰা ক্ষণস্থায়ী নহয় আৰু ইয়াৰ সঞ্চয়ৰ খৰচো অতি কম। মুদ্ৰা যিকোনো সময়তে সকলোৰে গ্ৰহণযোগ্য। সেয়েহে মুদ্ৰাই ব্যক্তিৰ বাবে সঞ্চয়ৰ ভাণ্ডাৰ হিচাপে কাম কৰিব পাৰে, অৰ্থাৎ ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সম্পদ মুদ্ৰা ৰূপত সঞ্চয় কৰি ৰাখিব পাৰি।

কিন্তু মুদ্ৰা সঞ্চয়ৰ ভাণ্ডাৰ হ'বলৈ হ'লে ইয়াৰ মূল্য স্থিৰ হৈ থাকিব লাগে। বৰ্ধিত মূল্যস্তৰে মুদ্ৰাৰ ক্ৰয় ক্ষমতা হ্ৰাস কৰে আৰু মূল্যস্তৰ হ্ৰাস পালে ইয়াৰ ক্ৰয় ক্ষমতা বাঢ়ে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে মুদ্ৰাৰ বাহিৰে অন্যান্য সম্পত্তি (asset) যেনে— সোণ, মাটি, গৃহ, আনকি ঋণপত্ৰ (bonds)সমূহেও সঞ্চায়ৰ ভাণ্ডাৰ হিচাপে কাম কৰিব পাৰে। কিন্তু এইবোৰ সম্পত্তি অন্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা সহজসাধ্য নহয় আৰু ইহঁতৰ সাৰ্বজনীন গ্ৰহণযোগ্যতা নাই।

## 3.2 মুদ্ৰাৰ চাহিদা (Demand for Money)

সকলোবোৰ সম্পদৰ ভিতৰত মুদ্ৰাই হ'ল আটাইতকৈ তৰল, কিয়নো ই

সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য আৰু সেয়েহে ইয়াক অন্য সামগ্ৰীৰ লগত সহজতে বিনিময় কৰিব পাৰি। আনহাতে ইয়াৰ এটা সুযোগ উৎপাদন ব্যয়ো আছে। যদি কোনো লোকে নগদ মুদ্ৰা নিজৰ হাতত জমা নাৰাখি কোনো বেংকৰ সঞ্চয়ী হিচাপত (Savings account) জমা ৰাখে, তেন্তে সেই মুদ্ৰাৰ ওপৰত তেওঁ সুদ অৰ্জন কৰিব পাৰে। যেতিয়া কোনো লোকে কিমান মুদ্ৰা হাতত ৰাখিব সেই সিদ্ধান্ত ল'বলগীয়া হয়, তেতিয়া তেওঁ তাৰল্যৰ সুবিধা আৰু সুদ পৰিহাৰৰ অসুবিধাৰ বিষয়ে সিদ্ধান্ত ল'ব লাগে। সেয়েহে মানুহৰ নগদ মুদ্ৰা হাতত ৰখাৰ প্ৰতি থকা চাহিদা বা প্ৰৱণতাক মুদ্ৰাৰ তাৰল্যপ্ৰীতি (liquidity preference) বুলি অভিহিত কৰা হয়। দুটা প্ৰধান উদ্দেশ্যৰ বাবে মানুহে প্ৰধানকৈ নগদ মুদ্ৰা হাতত ৰাখিব বিচাৰে।

### 3.2.1 লেনদেনৰ অভিপ্ৰায় (Transaction Motive)

মুদ্ৰা হাতত ৰখাৰ প্ৰধান উদ্দেশ্য হ'ল লেনদেন কাৰ্য পৰিচলনা কৰা। যদি কোনো ব্যক্তিয়ে সাপ্তাহিক আয় অৰ্জন কৰে আৰু প্ৰতি সপ্তাহৰ প্ৰথম দিনটোত দৰমহা পায়, তেন্তে তেনে ব্যক্তিয়ে সপ্তাহৰ বাকী দিনকেইটাৰ বাবে কোনো মুদ্ৰা হাতত ৰাখিব নালাগে আৰু নিয়োগকৰ্তাক প্ৰত্যক্ষভাৱে তেওঁৰ খৰচ নিজৰ সাপ্তাহিক মজুৰিৰ পৰা কৰ্তন কৰিবলৈ আৰু বাকীখিনি মজুৰিৰ ধন তেওঁৰ বেংক একাউণ্ট (Bank account)ত জমা কৰিবলৈ অনুৰোধ কৰিব পাৰে। কিন্তু সাধাৰণতে আমাৰ ব্যয়ৰ আৰ্হি আয়ৰ সৈতে নিমিলে। মানুহে সময়ে সময়েহে আয় অৰ্জন কৰে আৰু সকলো সময়তে বিভিন্নধৰণে খৰচ কৰে। ধৰি লোৱা হ'ল, এজন ব্যক্তিয়ে প্ৰত্যেক মাহৰ প্ৰথম দিনটোতে 100 টকা উপাৰ্জন কৰে আৰু এইখিনি ধন গোটেই মাহটোতে সমভাৱে খৰচ কৰে। সেয়েহে ব্যক্তিজনৰ হাতত মাহৰ আৰম্ভণিতে থকা নগদ ধনৰ পৰিমাণ হ'ল 100 টকা আৰু মাহটোৰ শেষত হয়গৈ 0 টকা। এই ব্যক্তিজনৰ হাতত থকা গড় নগদ মুদ্ৰাৰ পৰিমাণ এনেদৰে গণনা কৰিব পাৰি ঃ (100 টকা + 0 টকা) $\div$ 2 = 50 টকা আৰু ইয়াৰ দ্বাৰা তেওঁ প্ৰতি মাহতে 100 টকা পৰিমাণৰ লেনদেন কাৰ্য পৰিচালনা কৰে। সেয়েহে ব্যক্তিজনৰ গড় লেনদেনৰ মুদ্ৰাৰ চাহিদা তেওঁৰ মাহিলি

আয়ৰ আধাৰ সমান হয়। আন কথাত ক'বলৈ হ'লে মাহেকীয়া লেনদেনৰ মূল্যৰ আধা।

এতিয়া ধৰি লোৱা হওক দুজন ব্যক্তিৰ অৰ্থনীতি (a two person economy) এখনৰ কথা, যিখন দুটা অস্তিত্বৰে গঠিত এটা ব্যৱসায়িক প্ৰতিষ্ঠান (এজন ব্যক্তি স্বত্বাধিকাৰী) আৰু এজন শ্ৰমিক। প্ৰত্যেক মাহৰ আৰম্ভণিতে প্ৰতিষ্ঠানখনে শ্ৰমিকজনক 100 টকাৰ মজুৰি দিয়ে। ফলস্বৰূপে শ্ৰমিকজনে সেই অৰ্থনীতিত ব্যৱসায়িক প্ৰতিষ্ঠানখনে উৎপন্ন কৰা দ্ৰব্যত গোটেই মাহব্যাপী তেওঁৰ আয় খৰচ কৰে। সেয়েহে প্ৰত্যেক মাহৰ আৰম্ভণিতে শ্ৰমিকজনৰ নগদ জমা ধনৰ পৰিমাণ 100 টকা আৰু প্ৰতিষ্ঠানখনৰ নগদ জমা ধনৰ পৰিমাণ শূন্য হয়। মাহৰ শেষ দিনটোত ছবিখন ওলোটা হয়গৈ, অৰ্থাৎ প্ৰতিষ্ঠানখনে উৎপাদন কৰা দ্ৰব্য শ্ৰমিকজনৰ ওচৰত বিক্ৰীৰ জৰিয়তে 100 টকা পৰিমাণৰ নগদ ধন সংগ্ৰহ কৰে। প্ৰতিষ্ঠান আৰু শ্ৰমিকজনৰ প্ৰত্যেকৰে গড় নগদ মুদ্ৰাৰ পৰিমাণ 50 টকা। সেয়েহে এনেকুৱা অৰ্থনীতিত লেনদেনৰ মুঠ মুদ্ৰাৰ চাহিদা 100 টকা। এনে অৰ্থনীতিত মাহেকীয়া মুঠ লেনদেনৰ পৰিমাণ 200 টকা, কাৰণ প্ৰতিষ্ঠানখনে শ্ৰমিকজনৰ ওচৰত 100 টকা পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰে আৰু শ্ৰমিকজনে প্ৰতিষ্ঠানখনৰ ওচৰত 100 টকা মূল্যৰ সেৱা বিক্ৰী কৰে। আকৌ এখন অৰ্থনীতিত মুদ্ৰাৰ লেনদেনৰ চাহিদা হ'ল অৰ্থনীতিখনত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা মুঠ লেনদেনৰ পৰিমাণৰ ভগ্নাংশ।

সেয়েহে অৰ্থনীতিত মুদ্ৰাৰ লেনদেনৰ চাহিদা হ'ল – $M\frac{d}{t}$ , যাক তলত দিয়াধৰণে প্ৰকশ কৰিব পাৰি

$$M\frac{d}{t} = kT \text{ .................................. } (3.1)$$

য'ত T হ'ল এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা মুঠ লেনদেন (মৌদ্ৰিক)ৰ মূল্য আৰু k হ'ল এটা ধনাত্মক ভগ্নাংশ (Positive fraction)।

ওপৰত বৰ্ণনা কৰা দুজনীয়া অৰ্থনীতিখনক অন্য এক দিশৰ পৰাও চাব পাৰি। ছাত্ৰ-ছাত্ৰীসকলে হয়তো আচৰিত হ'ব যে অৰ্থনীতিয়ে প্ৰতি মাহে 200 টকা মূল্যৰ লেনদেন

কৰিবলৈ 100 টকাহে নগদ মুদ্ৰা ব্যৱহাৰ কৰিছে। এই সাঁথৰটোৰ উত্তৰ তেনেই সহজ, কাৰণ এমাহত প্ৰতিটো টকাই দুবাৰ হাত সলায়। মাহৰ প্ৰথম দিনটোতেই ই মালিকৰ (নিয়োগকৰ্তাৰ) পৰা শ্ৰমিকজনলৈ হস্তান্তৰ হৈছে আৰু কেতিয়াবা ই গোটেই মাহজুৰি শ্ৰমিকজনৰ পৰা মালিকজনলৈ হস্তান্তৰ হৈছে। এইদৰে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত এক একক মুদ্ৰাই কৰা হাত পৰিৱৰ্তনকেই মুদ্ৰাৰ প্ৰচলন বেগ (Velocity of circulation of money) বোলে। ওপৰৰ উদাহৰণটোত মুদ্ৰাৰ প্ৰচলন বেগ হ'ল 2, অৰ্থাৎ ই 1/2 এই ভগ্নাংশৰ ওলোটাটো, নগদ মুদ্ৰা আৰু লেনদেনৰ মূল্যৰ অনুপাত। সেয়েহে আমি (3.1) সমীকৰণটো তলত দিয়াধৰণে লিখিব পাৰো—

$$\frac{1}{k} M \frac{d}{t} = T$$

অথবা $v. M \frac{d}{t} = T$ .................................. (3.2)

য'ত $v = \frac{1}{k}$ হ'ল প্ৰচলন বেগ। লক্ষণীয় যে ওপৰৰ সমীকৰণটোৰ সোঁহাতৰ ফালটো অৰ্থাৎ T হ'ল প্ৰবাহিত চলক। আনহাতে মুদ্ৰাৰ চাহিদা $M \frac{d}{t}$ হ'ল মুদ্ৰাৰ মজুত (Stock) আৰু ইয়ে হ'ল এক নিৰ্দিষ্ট সময়ত জনসাধাৰণে হাতত ৰাখিবলৈ বিচৰা মুদ্ৰাৰ পৰিমাণ। আকৌ $v$ হ'ল মুদ্ৰাৰ গতিবেগ, যাৰ এটা সময়ৰ বিস্তৃতি (Time dimension) আছে। এক নিৰ্দিষ্ট সময়ত এমাহত বা এবছৰত মুদ্ৰাৰ প্ৰতি একক বা ষ্টক বা মজুতৰ (Stock) পৰিৱৰ্তনকে মুদ্ৰাৰ গতিবেগ বুলি কোৱা হয়। এইদৰে সমীকৰণটোৰ বাওঁফালটোৱে অৰ্ছাৎ $v.M \frac{d}{t}$ এ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত এই মজুতৰ পৰিমাণ সম্পন্ন কৰা মৌদ্ৰিক লেনদেনৰ মুঠ মূল্যৰ জোখ নিৰ্ধাৰণ কৰে। এইখিনিয়ে হ'ল প্ৰবাহিত চলক আৰু সেয়েহে সোঁহাতৰ ফালটোৰ সৈতে ই সমান হয়।

এইখিনিতে উল্লেখযোগ্য যে এখন অৰ্থনীতিৰ মুঠ মুদ্ৰাৰ লেনদেনৰ চাহিদা আৰু এটা নিৰ্দিষ্ট বছৰৰ মুঠ (মৌদ্ৰিক) ঘৰুৱা উৎপাদন (GDP)ৰ মাজত সম্পৰ্ক স্থাপন কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। এখন অৰ্থনীতিত বাৰ্ষিক লেনদেনৰ মুঠ মূল্যই সকলোবোৰ

মধ্যৱৰ্তী দ্ৰব্য আৰু সেৱাৰ লেনদেনক অন্তৰ্ভুক্ত কৰে আৰু ই স্বাভাৱিকতে মুদ্ৰা মৌদ্ৰিক ঘৰুৱা উৎপাদনতকৈ (nominal GDP) বেছি। সি যি কি নহওক, সাধাৰণতে লেনদেনৰ মূল্য আৰু মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদনৰ মাজত এটা স্থিৰ আৰু ধনাত্মক সম্পৰ্ক আছে। 3.1 সমীকৰণৰ পৰা পাওঁ যে বৰ্ধিত মৌদ্ৰিক মুঠ ঘৰুৱা উৎপাদনে লেনদেনৰ মুঠ মূল্যৰ বৃদ্ধিকে সূচায় আৰু সেয়েহে 3.1 নং সমীকৰণক তলত দিয়াধৰণে সংশোধন কৰিব পাৰি—

$$M\frac{d}{t} = kPY \text{ .......................................... } (3.3)$$

য'ত Y হ'ল মুঠ প্ৰকৃত ঘৰুৱা উৎপাদন GDP আৰু P হ'ল সাধাৰণ দৰ স্তৰ অথবা মুঠ ঘৰুৱা উৎপাদন সংকোচক (deflator)। ওপৰৰ সমীকৰণটোৰ পৰা আমি পাওঁ যে মুদ্ৰাৰ লেনদেনৰ চাহিদা এখন অৰ্থনীতিৰ প্ৰকৃত আয় আৰু ইয়াৰ দৰ স্তৰৰ সৈতে ধনাত্মকভাৱে সম্পৰ্কযুক্ত।

### 3.2.2 লাভৰ কল্পনাপ্ৰসূত অভিপ্ৰায় (The Speculative Motive)

এজন ব্যক্তিয়ে তেওঁৰ সম্পদসমূহ— মাটি, ঘৰ, সোণ, ৰূপ, ঋণপত্ৰ, মুদ্ৰা ইত্যাদি বিভিন্ন ৰূপত ৰাখিব পাৰে। আলোচনাৰ সুবিধাৰ বাবে মুদ্ৰাৰ বাহিৰে আটাইবোৰ সম্পত্তিক ঋণপত্ৰত (bonds) একত্ৰিত কৰা হ'ল। প্ৰকৃততে ঋণপত্ৰ হ'ল এক নিৰ্দিষ্ট সময় অতিবাহিত হোৱাৰ পিচত ভৱিষ্যতে মুদ্ৰা ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি পত্ৰ। এই পত্ৰবোৰ জনসাধাৰণৰ পৰা মুদ্ৰা ধাৰ লোৱাৰ বাবে চৰকাৰে বা ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে প্ৰচলন কৰে আৰু সিহঁত (এইবোৰ) বজাৰত বিক্ৰয়যোগ্য। এতিয়া দুটা সময়ৰ (two-period) ঋণপত্ৰৰ কথা বিবেচনা কৰা হওক। ধৰা হ'ল, এখন ব্যৱসায়িক প্ৰতিষ্ঠানে সৰ্বসাধাৰণৰ পৰা 100 টকা ঋণ ল'ব বিচাৰিছে। ই প্ৰথম বছৰৰ শেষত 10 টকা আৰু দ্বিতীয় বছৰৰ শেষত 100 টকা মূলধনৰ সৈতে আৰু 10 টকা যোগ কৰি (110 টকা) ঘূৰাই দিয়াৰ আশ্বাস থকা ঋণপত্ৰ প্ৰচলন কৰিব। এনেকুৱা ঋণপত্ৰৰ বাহ্যিক (face) মূল্য 100 টকা, পৰিপক্কতাৰ সময় 2 বছৰ আৰু সংযুক্ত টোকা (coupon) মতে নিৰ্ধাৰিত হাৰ হ'ল 10 শতাংশ। ধৰি লোৱা হ'ল যে বেংকৰ

সঞ্চয় আমানত হিচাপৰ সুদৰ হাৰ 5 শতাংশ। স্বাভাৱিকতে ঋণপত্ৰৰ পৰা হোৱা আয় আৰু বেংকৰ সঞ্চয় আমানত হিচাপৰ সুদৰ হাৰৰ মাজত তুলনা হ'ব। এনে অৱস্থাৰ মূল প্ৰশ্নটো হ'ব এনেধৰণৰ যে বেংকত কিমান টকা ৰাখিলে এবছৰৰ শেষত সুদ 10 টকা হ'ব? ধৰি লোৱা হ'ল পৰিমাণটো হ'ল X, সেয়েহে—

$$X\left(1+\frac{5}{100}\right) = 10$$

অথবা $$X = \frac{10}{\left(1+\frac{5}{100}\right)}$$

Xৰ এই পৰিমাণটোক বজাৰ সুদৰ হাৰত বাট্টাকৰণ (discounted) হোৱা 10 টকাৰ বৰ্তমান মূল্য বুলি কোৱা হয়। ঠিক সেইদৰে Y হ'ল মুদ্ৰাৰ পৰিমাণ, যিখিনি যদি বেংকৰ সঞ্চয় হিচাপত জমা ৰখা হয়, তেন্তে দুই বছৰৰ শেষত 110 টকা উপাৰ্জন কৰিব। সেয়েহে ঋণপত্ৰৰ পৰা লাভ কৰা প্ৰবাহৰ বৰ্তমান মূল্য তলত দিয়াধৰণে হোৱা উচিত—

$$PV = X + Y = \frac{10}{\left(1+\frac{5}{100}\right)} + \frac{(10+100)}{\left(1+\frac{5}{100}\right)^2}$$

ওপৰৰ গণনাৰ পৰা পোৱা যায় যে ই প্ৰায় 109.29 টকা হ'ব। ইয়াৰ অৰ্থ হ'ল এই যে যদি কোনো ব্যক্তিয়ে 109.29 টকা বেংকৰ সঞ্চয় হিচাপত জমা ৰাখে, তেনেহ'লে ই তেওঁক ঋণপত্ৰৰ সমান প্ৰতিদান দিব। কিন্তু ঋণপত্ৰ বিক্ৰেতাই মাত্ৰ 100 টকাৰ বাহ্যিক মূল্যতে সমপৰিমাণৰ প্ৰতিদান দি আছে। স্বাভাৱিকতে ঋণপত্ৰ বেংকৰ সঞ্চয় হিচাপতকৈ অধিক আকৰ্ষণীয় আৰু সেয়েহে সৰ্বসাধাৰণে ঋণপত্ৰ কিনিবলৈ হেতা-ওপৰা লগাব। যেতিয়ালৈকে ঋণপত্ৰৰ দাম ইয়াৰ PVৰ সমান নহয়, তেতিয়ালৈকে কিনোতাৰ মাজৰ প্ৰতিযোগিতাই ঋণপত্ৰৰ বাহ্যিক মূল্যতকৈ ইয়াৰ দাম বঢ়াব। যদি দাম PVতকৈ অধিক হয়, তেন্তে ঋণপত্ৰসমূহ বেংকৰ সঞ্চয় হিচাপতকৈ কম আকৰ্ষণীয় হ'ব আৰু সৰ্বসাধাৰণে তাৰ পৰা আঁতৰি আহিব। ঋণপত্ৰসমূহৰ যোগান অধিক হ'ব আৰু ইয়াৰ দাম কমি PVৰ সমান

হ'ব। ইয়াৰ পৰা এইটো স্পষ্ট হ'ল যে প্ৰতিযোগিতামূলক পৰিসম্পদৰ বজাৰ ব্যৱস্থাত ভাৰসাম্য অৱস্থাত ঋণপত্ৰৰ দাম ইয়াৰ বৰ্তমান মূল্য PVৰ সমান হ'বই।

ধৰি লোৱা হ'ল বজাৰত সুদৰ হাৰ 5 শতাংশৰ পৰা 6 শতাংশলৈ বৃদ্ধি হ'ল। এতিয়া বৰ্তমান মূল্য আৰু একেধৰণৰ ঋণপত্ৰৰ দাম হ'ব—

$$\frac{10}{\left(1+\frac{6}{100}\right)} + \frac{(10+10)}{\left(1+\frac{6}{100}\right)^2} = 107.33 \text{ (প্ৰায়)}$$

ইয়াৰ পৰা এইটো প্ৰতিফলিত হ'ল যে ঋণপত্ৰৰ দাম, বজাৰ সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে সম্পৰ্কিত (inversely related)।

এইখিনিতে উল্লেখযোগ্য যে এখন অৰ্থনীতি সম্পৰ্কে ব্যক্তিয়ে লাভ কৰা বেচৰকাৰী তথ্যৰ ভিত্তিত বজাৰ সুদৰ হাৰৰ ভৱিষ্যৎ পৰিৱৰ্তন সম্বন্ধে বিভিন্ন মানুহে বিভিন্নধৰণে প্ৰত্যাশা কৰে। যদি কোনো লোকে ভাবে যে বজাৰ সুদৰ হাৰ পৰিৱৰ্তন হৈ প্ৰতি বছৰে 8 শতাংশ হ'ব পাৰে, তেতিয়া তেওঁ বৰ্তমানৰ 5 শতাংশ সুদ সময়ৰ লগত বহনক্ষম হ'বলৈ তেনেই কম বুলি বিবেচনা কৰিব। ইয়াৰ ফলস্বৰূপে তেওঁ সুদৰ হাৰ বৃদ্ধি আৰু ঋণপত্ৰৰ দাম হ্ৰাস পোৱাটো আশা কৰিব। যদি কোনো লোকৰ হাতত ঋণপত্ৰ থাকে তেতিয়াহ'লে ঋণপত্ৰৰ দাম হ্ৰাসৰ অৰ্থ হ'ব লোকচান। তেনেদৰে ব্যক্তিৰ হাতত থকা সম্পদৰ দাম যদি বজাৰত হঠাৎ কমি যায় তেতিয়াও লোকচান হ'ব। ঋণপত্ৰৰ দাম হ্ৰাসৰ ফলত হোৱা এনেকুৱা লোকচানকে মূলধন লোকচান হোৱা বুলি কোৱা হয়। এনেকুৱা পৰিস্থিতিত ঋণপত্ৰৰ গৰাকীয়ে ঋণপত্ৰ বিক্ৰী কৰি মুদ্ৰা হাতত ৰাখিব বিচাৰিব। ভৱিষ্যতৰ সুদৰ হাৰ আৰু ঋণপত্ৰৰ দামৰ গতিবিধিৰ প্ৰত্যাশাই মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ উদ্ভৱ কৰে। যেতিয়া সুদৰ হাৰ বজাৰত অধিক বৃদ্ধি পায়, তেতিয়া প্ৰত্যেকেই আশা কৰে যে সুদৰ হাৰ ভৱিষ্যতে হ্ৰাস পাব আৰু এই ধাৰণৰ বশৱৰ্তী হৈ মানুহে মুদ্ৰাক ঋণপত্ৰলৈ ৰূপান্তৰিত কৰে। এনেক্ষেত্ৰত কল্পনাপ্ৰসূত মুদ্ৰাৰ চাহিদা কমি যায়। আনহাতে যেতিয়া সুদৰ হাৰ হ্ৰাস পায়, তেতিয়া


অধিকসংখ্যক লোকে ভাবি লয় যে সুদৰ হাৰ ভৱিষ্যতে বৃদ্ধি পাব পাৰে আৰু যদি সেয়ে হয়, তেতিয়া মূলধনী লোকচান হ'ব বুলি আগতীয়াকৈ ধাৰণা কৰে। সেয়েহে তেওঁলোকে লোকচানৰ হাত সাৰিবৰ বাবে তেওঁলোকৰ হাতত থকা ঋণপত্ৰ মুদ্ৰালৈ পৰিৱৰ্তন কৰিবলৈ প্ৰয়াস কৰে, ফলত বজাৰত মুদ্ৰাৰ চাহিদা বৃদ্ধি পায়। সেয়েহে কল্পনাপ্ৰসূত মুদ্ৰাৰ চাহিদা আৰু সুদৰ হাৰৰ মাজত বিপৰীতধৰ্মী সম্পৰ্ক বিদ্যমান। এক সৰল অভিধাৰণাৰ ভিত্তিত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা তলত দিয়াধৰণে বৰ্ণনা কৰিব পাৰি—

$$M\frac{d}{s} = \frac{r_{max} - r}{r - r_{min}} \quad \ldots\ldots\ldots\ldots\ldots\ldots\ldots\ldots\ldots\ldots (3.4)$$

য'ত r হ'ল বজাৰ সুদৰ হাৰ আৰু $r_{max}$ আৰু $r_{min}$ হ'ল সুদৰ হাৰ (r)ৰ ঊৰ্ধ্বতন আৰু নিম্নতম সীমা আৰু ইহঁত দুয়োটাই ধনাত্মক স্থিৰ সংখ্যা। সমীকৰণ (3.4)ৰ পৰা এইটো স্পষ্ট হয় যে যিমানে সুদৰ হাৰ $r_{max}$ৰ পৰা $r_{min}$লৈ হ্ৰাস পাব, সিমানে $M\frac{d}{s}$ ৰ মূল্য শূন্য (o)ৰ পৰা অসীমলৈ ∞ লৈ বৃদ্ধি পাব।

ওপৰত উল্লেখ কৰি অহাৰ দৰে সুদৰ হাৰক নগদ মুদ্ৰা হাতত ৰখাৰ সুযোগ উৎপাদন ব্যয় বা দাম বুলি ভাবিব পাৰি। যদিহে অৰ্থনীতিত মুদ্ৰাৰ যোগান বাঢ়ে আৰু সৰ্বসাধাৰণে এই অতিৰিক্ত মুদ্ৰাৰ জৰিয়তে ঋণপত্ৰ ক্ৰয় কৰে, তেন্তে ঋণপত্ৰৰ চাহিদা বৃদ্ধি পাব, দাম বাঢ়িব আৰু সুদৰ হাৰ কমিব। আন ভাষাত, দেশত বৰ্ধিত মুদ্ৰাৰ যোগানে নগদ মুদ্ৰা হাতত ৰখাৰ দাম অৰ্থাৎ সুদৰ হাৰ হ্ৰাস কৰিব। ইতিমধ্যে যদিহে বজাৰ সুদৰ হাৰ যথেষ্ট কম হয় আৰু প্ৰত্যেকেই আশা কৰিব যে ই ভৱিষ্যতে বাঢ়িব, তেতিয়া মূলধন ক্ষতিগ্ৰস্ত হ'ব আৰু কোনো লোকেই ঋণপত্ৰ কিনিবলৈ আগবাঢ়ি নাহিব। প্ৰত্যেকেই সম্পদবোৰ নগদ মুদ্ৰা ৰূপত ৰাখিব বিচাৰিব আৰু দেশত যদিহে অতিৰিক্ত মুদ্ৰা প্ৰচলন কৰা হয়, তেন্তে ঋণপত্ৰৰ চাহিদা বৃদ্ধি নহয় আৰু সুদৰ হাৰ সৰ্বনিম্ন হাৰ $r_{min}$ ৰ তললৈ হ্ৰাস নহয়, অৰ্থাৎ লুভীয়া লোকৰ নগদ মুদ্ৰাৰ হাবিয়াহ পূৰ কৰাত ব্যৱহৃত হয়। এনেকুৱা পৰিস্থিতিক তাৰল্য ফান্দ (liquidity trap) বুলি কোৱা হয়। এই অৱস্থাত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা

ফলন অসীম স্থিতিস্থাপক হয়।




সুদৰ কল্পনাপ্ৰসূত চাহিদা

চিত্ৰ নং 3.1ত মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা আনুভূমিক অক্ষত আৰু সুদৰ হাৰ উলম্ব অক্ষত দেখুওৱা হ'ল। যেতিয়া সুদৰ হাৰ $r_{max}$ ৰ সমান ($r = r_{max}$), তেতিয়া মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ পৰিমাণ শূন্যৰ সমান। এই সুদৰ হাৰ ইমান বেছি যে প্ৰত্যেকেই আশা কৰিব যাতে ই ভৱিষ্যতে হ্ৰাস হয় আৰু সেয়েহে ভৱিষ্যৎ মূলধন লাভ নিশ্চিত হয়। এনেদৰে প্ৰত্যেকেই কল্পনাপ্ৰসূত মুদ্ৰাৰ পৰিমাণ ঋণপত্ৰলৈ ৰূপান্তৰ কৰিব যেতিয়া সুদৰ হাৰ $r_{min}$ সমান ($r = r_{max}$), তেতিয়া অৰ্থনীতিয়ে তাৰল্য ফান্দৰ ভিতৰত থাকে। এনে পৰিস্থিতিত প্ৰত্যেকেই নিশ্চিত যে ভৱিষ্যতে সুদৰ হাৰ বাঢ়িব আৰু ঋণপত্ৰৰ দাম কমিব। গতিকে প্ৰত্যেকেই সম্পদবোৰ মুদ্ৰা ৰূপত ৰাখিব আৰু মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা অসীম হ'ব।

সেয়েহে এখন অৰ্থনীতিৰ মুঠ মুদ্ৰাৰ চাহিদা হ'ল মূলতঃ লেনদেনৰ চাহিদা আৰু কল্পনাপ্ৰসূত চাহিদাৰ যোগফল। লেনদেনৰ চাহিদা হ'ল প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন আৰু দৰ স্তৰৰ প্ৰত্যক্ষ সমানুপাতিক। আনহাতে কল্পনাপ্ৰসূত চাহিদা বজাৰ সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে সম্পৰ্কিত। তলত দিয়া সমীকৰণটোৰে এখন অৰ্থনীতিৰ মুঠ চাহিদা চমুকৈ প্ৰকাশ কৰিব পাৰি—

$$M^d = M_t^d + M_s^d$$

অথবা, $$M^d = kPY + \frac{r_{max} - r}{r - r_{min}} \quad .............................. (3.5)$$

## 3.3 মুদ্ৰাৰ যোগান (The Supply of Money)

আধুনিক অৰ্থনীতিত দেশৰ মুদ্ৰা কৰ্তৃপক্ষই প্ৰচলন কৰা ধাতু মুদ্ৰা আৰু কাগজী মুদ্ৰাকে প্ৰধানকৈ মুদ্ৰা আখ্যা দিয়া হয়। ভাৰতবৰ্ষত মুদ্ৰা কৰ্তৃপক্ষ ভাৰতীয় ৰিজাৰ্ভ বেংকে কাগজী মুদ্ৰা প্ৰচলন কৰে। কিন্তু ধাতু মুদ্ৰাবোৰ ভাৰত চৰকাৰেহে প্ৰচলন কৰে। কাগজী মুদ্ৰা আৰু ধাতুমুদ্ৰাৰ উপৰি জনসাধাৰণৰ বাণিজ্যিক বেংকত থকা সঞ্চয়ী অথবা চলিত হিচাপৰ আমানতক মুদ্ৰা হিচাপে ধৰা হয়, যিহেতু এই হিচাপৰ আমানতবোৰৰ লেনদেন কাৰ্য সমাপন কৰিবলৈ চেক্ ব্যৱহাৰ কৰা হয়। এনেকুৱা আমানতক চাহিদা বা দাবী আমানত বোলে, কাৰণ ইহঁতক আমানতকাৰীৰ চাহিদা অনুসৰি বেংকে আদায় দিবলৈ বাধ্য। অন্যান্য আমানতৰ ভিতৰত ম্যাদী আমানত ( fixed deposits)ৰ এটা স্থিৰ পৈণতা (maturity)ৰ সময় থাকে আৰু ইয়াক সময় আমানত (time deposits) বুলি কোৱা হয়।

যদিও এখন 100 টকীয়া নোট দোকানৰ পৰা 100 টকা মূল্যৰ সামগ্ৰী ক্ৰয় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি, কিন্তু কাকতখনৰ মূল্য তেনেই নগণ্য অৰ্থাৎ 100 টকাতকৈ কম। ঠিক সেইদৰে 5 টকীয়া ধাতু মুদ্ৰা এটাৰ ধাতু মূল্য সম্ভৱতঃ 5 টকাৰ সমান নহয়। সেয়েহে প্ৰশ্ন হয় যে জনসাধাৰণে কিয় বেছি মূল্যৱান সামগ্ৰীবোৰৰ বিনিময়ত এনেকুৱা কাগজী নোট আৰু ধাতু মুদ্ৰা গ্ৰহণ কৰে? মুদ্ৰা কৰ্তৃপক্ষই আৰোপ কৰা প্ৰতিজ্ঞাৰ পৰা কাগজী আৰু ধাতু মুদ্ৰাৰ মূল্য উদ্ভুত হয়। প্ৰতিখন কাগজী নোটতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰৰ প্ৰতিজ্ঞা লিখা থাকে যে যদি কোনোৱে ভাৰতীয় ৰিজাৰ্ভ বেংকত অথবা যিকোনো বাণিজ্যিক বেংকত কাগজী নোট উপস্থাপন কৰে, তেতিয়াহ'লে ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্যক্তিজনক কাগজখনত মোহৰ মৰা মূল্যৰ সমান ক্ৰয় ক্ষমতা দিবলৈ বাধ্য। ধাতু মুদ্ৰাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সেয়েহে কাগজী নোট আৰু ধাতু মুদ্ৰাক আদেশ মুদ্ৰা (flat money) বুলি কোৱা হয়। সিহঁতৰ সোণ বা ৰূপৰ মুদ্ৰাৰ দৰে প্ৰকৃত বা আচল মূল্য নাথাকে। তেনেকুৱা মুদ্ৰাক বিহিত মুদ্ৰা বুলিও কোৱা হয়, কিয়নো সেই মুদ্ৰাক যিকোনো লেনদেন সমাপন কৰাৰ বাবে দেশৰ নাগৰিকসকলে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু

লেনদেনৰ আহিলা হিচাপে সঞ্চয়ী বা চলিত হিচাপ (accounts)ৰ পৰা দিয়া চেক্ গ্ৰহণ কৰিবলৈ যিকোনো লোকে অস্বীকাৰ কৰিব পাৰে। সেয়েহে চাহিদা (demand) আমানতসমূহ বিহিত মুদ্ৰা নহয়।

### 3.3.1 বৈধ সংজ্ঞা ঃ সংকীৰ্ণ আৰু বিস্তৃত মুদ্ৰা (Legal Definitions : Narrow and Broad Money)

মুদ্ৰাৰ চাহিদাৰ দৰে মুদ্ৰাৰ যোগান হ'ল এটা মজুত চলক (Stock variable)। এটা নিৰ্দিষ্ট সময়ত জনসাধাৰণৰ মাজত প্ৰচলন থকা মুঠ পৰিমাণকে মুদ্ৰাৰ যোগান বোলে। ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰাৰ যোগানৰ চাৰিটা বিকল্প জোখ, যেনে— M1, M2, M3 আৰু M4 প্ৰকাশ কৰে। সেইবোৰ তলত দিয়াধৰণে প্ৰকাশ কৰিব পাৰি—

M1 = CU + DD

M2 = M1 + ডাকঘৰ সঞ্চয়ী বেংকৰ সঞ্জয়ী আমানতসমূহ।

M3 = M1 + বাণিজ্যিক বেংকসমূহৰ শুদ্ধ সময় আমানতসমূহ (Time deposit)।

M4 = M3 + ডাকঘৰ সঞ্চয়ী সংগঠনসমূহৰ মুঠ আমানতবোৰ (ৰাষ্ট্ৰীয় সঞ্চয়ী প্ৰমাণপত্ৰ বাদ দি), য'ত CU (Currency) হ'ল জনসাধাৰণৰ হাতত থকা মুদ্ৰা (নোট আৰু ধাতুমুদ্ৰা) আৰু DD (Demand deposits) হ'ল বাণিজ্যিক বেংকসমূহৰ শুদ্ধ চাহিদা আমানত। শুদ্ধ শব্দটোৱে কেৱল বাণিজ্যিক বেংকসমূহত থকা ৰাইজৰ আমানতসমূহকহে বুজায় আৰু মুদ্ৰাৰ যোগানত ই অন্তৰ্ভুক্ত হয়। আন্তঃবেংক (interbank) আমানত, যিটো বাণিজ্যিক বেংকে অন্য বাণিজ্যিক বেংকত জমা ৰাখে, সেইবোৰ মুদ্ৰা যোগানৰ অংশ হিচাপে অন্তৰ্ভুক্ত নহয়।

M1 আৰু M2ক সংকীৰ্ণ মুদ্ৰা বুলি কোৱা হয়। M3 আৰু M4ক বিস্তৃত মুদ্ৰা বুলি কোৱা হয়। এনেবোৰ শ্ৰেণীবন্ধন হ'ল তাৰল্যতাৰ ক্ৰমহ্ৰাসমান ক্ৰম। M1 হ'ল আটাইতকৈ

তৰল আৰু লেনদেনৰ বাবে সহজ; আনহাতে M4 হ'ল সকলোতকৈ কম তৰল। সাধাৰণতে মুদ্ৰাৰ যোগান বুলিলে M3 বুজোৱা হয়। ইয়াক আকৌ মুঠ মৌদ্ৰিক সম্পদ বুলিও জনা যায়।[1]

## 3.3.2 বেংক ব্যৱস্থাৰ দ্বাৰা মুদ্ৰাৰ সৃষ্টি (Money Creation by the Banking Systems)

এই খণ্ডত আমি মুদ্ৰাৰ যোগানৰ নিৰ্ণায়কসমূহ অনুসন্ধান কৰিম। মুদ্ৰাৰ উপাদানসমূহৰ মূল্য, যেনে CU, DDক অথবা কাল আমানতৰ (Time deposits) পৰিৱৰ্তন হ'লে মুদ্ৰাৰ যোগানৰো পৰিৱৰ্তন হ'ব। আমি অৰ্থনীতিত মুদ্ৰা যোগানৰ জোখ হিচাপে মুদ্ৰাৰ সৰল সংজ্ঞা এটা ব্যৱহাৰ কৰিব পাৰো, অৰ্থাৎ M1 = CU + DD। মুদ্ৰা কৰ্তৃপক্ষ, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু বাণিজ্যিক বেংকসমূহে Mৰ উপাদানবোৰৰ পৰিৱৰ্তন আনিব পাৰে। জনসাধাৰণৰ নগদ মুদ্ৰা হাতত ৰখাৰ পছন্দতা আৰু বেংক আমানতে মুদ্ৰা যোগানত প্ৰভাৱ বিস্তাৰ কৰে। মুদ্ৰা যোগানৰ এই প্ৰভাৱবোৰক তলত দিয়া প্ৰধান অনুপাতবোৰত অন্তৰ্ভুক্ত কৰিব পাৰি—

**প্ৰচলিত মুদ্ৰা আমানত অনুপাত ঃ The Currency Deposit Ratio (cdr)**

প্ৰচলিত মুদ্ৰা আমানত অনুপাত হ'ল জনসাধাৰণে নগদ ৰূপত হাতত ৰখা মুদ্ৰাৰ পৰিমাণ আৰু বেংক আমানতত ৰখা মুদ্ৰাৰ পৰিমাণৰ অনুপাত। প্ৰচলিত মুদ্ৰা আমানত অনুপাত হ'ল (cdr) = CU/DD। যদি এজন ব্যক্তিৰ হাতলৈ এটকা আহে, তেওঁৰ বেংক একাউন্টত 1/(1+cdr) টকা আৰু হাতত নগদ ৰূপত cdr/(1+cdr) টকা ৰাখিব। ইয়ে জনসাধাৰণৰ তাৰল্যতাৰ পছন্দতা প্ৰকাশ কৰে। এইটো সম্পূৰ্ণ আচৰণগত জোখ, যিটো অন্যান্য বস্তুৰ ক্ষেত্ৰত ঋতুগত ব্যয়ৰ আৰ্হিৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণস্বৰূপে উৎসৱৰ সময়ত cdr বৃদ্ধি পায়, কিয়নো এইখিনি সময়ত জনসাধাৰণে অতিৰিক্ত খৰচ পূৰাবৰ বাবে আমানতবোৰ নগদ মুদ্ৰালৈ ৰূপান্তৰিত কৰে।

---

[1] M1 আৰু M3ৰ সময়সাপেক্ষ পৰিৱৰ্তনৰ পৰিমাপৰ বাবে পৰিশিষ্ট 3.2 চোৱা।

## সংৰক্ষিত আমানত অনুপাত ঃ The Reserve Deposit Ratio (rdr)

বেংকে জনসাধাৰণৰ আমানতৰ এটা অংশ সংৰক্ষিত মুদ্ৰা হিচাপে নিজৰ হাতত ৰাখে আৰু বাকীখিনি বিভিন্ন বিনিয়োগমূলক আঁচনিত ঋণ প্ৰদান কৰে। সংৰক্ষিত মুদ্ৰাত দুটা বস্তু নিহিত হৈ থাকে— বেংকসমূহত থকা নগদ জমা মুদ্ৰা (vault) আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা বাণিজ্যিক বেংকসমূহৰ আমানতসমূহ। বেংকসমূহে এই সংৰক্ষিত মুদ্ৰা আমানতকাৰীৰ মুদ্ৰাৰ চাহিদা পূৰাবলৈ ব্যৱহাৰ কৰে। সংৰক্ষিত আমানত অনুপাত হ'ল বাণিজ্যিক বেংকসমূহে সংৰক্ষণত ৰখা মুঠ আমানতৰ সমানুপাত।

বেংকসমূহৰ বাবে সংৰক্ষিত পুঁজি ৰখাটো ব্যয়বহুল, কাৰণ বেংকসমূহে সেই পৰিমাণৰ মুদ্ৰা সুদ অৰ্জন কৰা বিনিয়োগমূলক আঁচনিৰ বাবে ধাৰলৈ দিব পাৰে। কিন্তু বাণিজ্যিক বেংকসমূহে আমানতকাৰীসকলে বিচৰা মাত্ৰকে তেওঁলোকৰ চাহিদা পূৰণ কৰিবলৈ বিনিয়োগ নকৰাকৈ এক নিৰ্দিষ্ট পৰিমাণৰ সংৰক্ষিত পুঁজি হাতত জমা ৰাখিব লাগে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংকসমূহৰ rdr সুচলভাৱে আগবঢ়াই নিবলৈ বিভিন্ন ধৰণৰ নীতিগত উপায় অৱলম্বন কৰে। এইক্ষেত্ৰত প্ৰথম নীতিগত উপায়টো হ'ল— নগদ সংৰক্ষিত পুঁজিৰ অনুপাত (Cash Reserve Ratio), যাৰ দ্বাৰা বেংকসমূহে ভাৰতীয় ৰিজাৰ্ভ বেংকত ৰাখিবলগীয়া আমানতৰ অংশটো নিৰ্ধাৰণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অন্য এটা নীতিগত উপায় হ'ল— বিধিগত তাৰল্যতাৰ অনুপাত (Statutory liquidity ratio), যাৰ বাবে বেংকসমূহৰ মুঠ চাহিদা (দাবী) আৰু সময় আমানতৰ এটা নিৰ্ধাৰিত অংশ নিৰ্দিষ্ট তৰল সম্পদৰ ৰূপত ৰখাটো প্ৰয়োজন হয়। এইবোৰ অনুপাতৰ উপৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে rdrৰ মূল্য নিয়ন্ত্ৰণ কৰিবলৈ এটা বিশেষ সুদৰ হাৰ প্ৰয়োগ কৰে, যাক বেংকৰ হাৰ (বেংকৰ সুদৰ হাৰ) বুলি কোৱা হয়। বাণিজ্যিক বেংকসমূহৰ সংৰক্ষিত পুঁজিৰ (জমাৰ) অভাৱ হ'লে সিহঁতে প্ৰচলিত সুদৰ হাৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা মুদ্ৰা ধাৰে ল'ব পাৰে। সুদৰ হাৰ বৃদ্ধি হ'লে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা ঋণ লোৱাটো ব্যয়বহুল হয় আৰু ইয়ে বাণিজ্যিক বেংকসমূহক এটা সুচল সংৰক্ষিত আমানত অনুপাত (rdr) বজাই ৰাখিবলৈ উৎসাহ দিয়ে।

**তালিকা 3.1: বাণিজ্যিক বেংকৰ নমুনা উদ্বৃত্ত পত্ৰ**

**Sample Balance sheet of a Commercial Bank**

| সম্পত্তি (টকাত) | | দেনা (টকাত) |
|---|---|---|
| সংৰক্ষিত পুঁজি (Reserves) | | আমানত 100 |
| নগদ জমা ধন (Vault cash) | 15 | |
| – ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা | 5 | |
| বেংক ঋণ | | |
| – ঋণ (Loans) | 30 | |
| – বিনিয়োগ (Investment) | 50 | |
| rdr = 0.2 | | |

## বাণিজ্যিক বেংকসমূহ (Commercial banks)

বাণিজ্যিক বেংকসমূহে জনসাধাৰণৰ পৰা জমা গ্ৰহণ কৰে আৰু সুদ অৰ্জন কৰা বিনিয়োগ আঁচনিলৈ ঋণ দিয়ে। আমানতকাৰীক বাণিজ্যিক বেংকে যি সুদৰ হাৰ দিয়ে তাক ধাৰ কৰা হাৰ (borrowing rate) বোলে আৰু যি সুদৰ হাৰত বিনিয়োগকাৰীক বেংকে সংৰক্ষিত পুঁজি ধাৰলৈ দিয়ে তাকে ধাৰে দিয়া হাৰ (lending rate) বোলে। এই দুই হাৰৰ পাৰ্থক্যই হ'ল লাভ, যাক বিস্তাৰ বুলি কোৱা হয় আৰু ইয়াক বেংকসমূহে কোনো বিশেষ কামত খৰচ কৰে। আমানতসমূহ বহলভাৱে দুই প্ৰকাৰৰ— (ক) চাহিদা আমানত (demand deposits) জমা কৰোতাৰ চাহিদা অনুযায়ী বেংকসমূহে দিবলৈ বাধ্য, যেনে ঃ চলিত আৰু সঞ্চয়ী হিচাপৰ আমানত, (খ) সময় আমানত (time deposits), যাৰ পৈণতালৈ এটা নিৰ্ধাৰিত সময় থাকে, যেনে স্থায়ী বা ম্যাদী আমানত। বাণিজ্যিক বেংকসমূহে প্ৰধানকৈ ব্যক্তিগত বিনিয়োগকাৰীক ৰাজহুৱা ঋণপত্ৰত (Securities) বিনিয়োগ আৰু অন্যান্য অনুমোদিত ঋণপত্ৰত বিনিয়োগৰ বাবে হ্ৰস্বকালীন ঋণ প্ৰদান কৰে। কোনো ব্যক্তিৰ ঋণ লাভ কৰাৰ যোগ্যতা তেওঁৰ চলিত সম্পত্তি (assets) অথবা তেওঁ প্ৰদান কৰা আনুষংগিক পত্ৰ সংগ্ৰহ (ঋণ পৰিশোধৰ বাবে দিয়া বন্ধকী পত্ৰ)ৰ দ্বাৰা বিচাৰ কৰা হয়।

### তালিকা 3.2 : ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নমুনা উদ্বৃত পত্ৰ ঃ Balance sheet

| সম্পত্তি (উৎসসমূহ) (টকাত) | | দেনা (ব্যৱহাৰসমূহ) (টকাত) | |
|---|---|---|---|
| সোণ | 10 | প্ৰচলিত মুদ্ৰা | |
| বৈদেশিক মুদ্ৰা | 20 | জনসাধাৰণে ৰখা টকাৰ পৰিমাণ | 200 |
| চৰকাৰী বন্ধকী পত্ৰ (ভাৰত চৰকাৰলৈ ঋণ) | 230 | বাণিজ্যিক বেংকে ৰখা নগদ জমা (Vault) মুদ্ৰা | 10 |
| বাণিজ্যিক বেংকসমূহলৈ দিয়া ঋণ | 5 | ভাৰতীয় ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকসমূহৰ জমাৰ পৰিমাণ | 40 |
| | | ভাৰত চৰকাৰৰ (GOI ট্ৰেজাৰী) জমাসমূহ | 15 |
| মৌখিক ভিত্তি (উৎসসমূহ) | 265 | মৌদ্ৰিক ভিত্তি (ব্যৱহাৰসমূহ) | 265 |

### উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা (High Powered Money)

দেশৰ মুদ্ৰা কৰ্তৃপক্ষক অৰ্থাৎ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনাকে মৌদ্ৰিক ভিত্তি বা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা বুলি কোৱা হয়। ই মুঠ নগদ মুদ্ৰা বা প্ৰচলিত মুদ্ৰা (জনসাধাৰণৰ মাজত প্ৰচলন থকা মুদ্ৰা আৰু কাগজৰ নোট আৰু বাণিজ্যিক বেংকসমূহৰ নগদ জমা) আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা ভাৰত চৰকাৰ আৰু বাণিজ্যিক বেংকসমূহৰ মুঠ জমাৰ দ্বাৰা গঠিত। যদিহে সমাজৰ কোনো লোকে ভাৰতীয় ৰিজাৰ্ভ বেংকত এখন নোট উপস্থাপন কৰে, তেতিয়া ৰিজাৰ্ভ বেংকে সেই নোটখনত মোহৰ মৰা পৰিমাণৰ মূল্য দিবলৈ বাধ্য হয়। ঠিক সেইদৰে আমানতসমূহ আমানতকাৰীৰ চাহিদামতে ভাৰতীয় ৰিজাৰ্ভ বেংকে পৰিশোধ কৰিবলৈ বাধ্য। এই বিষয়সমূহ সৰ্বসাধাৰণ লোক, চৰকাৰ অথবা বাণিজ্যিক বেংকসমূহৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত থকা দাবী আৰু সেয়েহে ইহঁতক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দেনা বুলি বিবেচনা কৰা হয়।

এইবোৰ দেনাৰ বিপৰীতে ভাৰতীয় ৰিজাৰ্ভ বেংকে পাওনা আদায় কৰে। এটা সুন্দৰ তথা সৰল উদাহৰণৰ দ্বাৰা এই প্ৰক্ৰিয়াটো সহজতে বুজিব পৰা যায়। ধৰি লোৱা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকে 5 টকা মূল্যৰ সোণ অথবা ডলাৰ ক্ৰয় কৰিলে। ভাৰতীয় ৰিজাৰ্ভ বেংকে নগদ মুদ্ৰা প্ৰচলনৰ দ্বাৰা সোণ বা বৈদেশিক মুদ্ৰাৰ দাম বিক্ৰেতাক দি দিব। এইদৰে অৰ্থনীতিত প্ৰচলন থকা মুদ্ৰাৰ পৰিমাণ 5 টকালৈ বৃদ্ধি পাব আৰু ইয়ে উদ্বৃত্ত পত্ৰ (balance sheet)ৰ দেনাৰ পৰিমাণৰ বৃদ্ধি দেখুৱাব। এইদৰে পোৱা মূল্যক যিটো 5 টকাৰ সমান, তাক উদ্বৃত্ত পত্ৰৰ পাওনাৰ ফালৰ উপযুক্ত শিতানত অন্তৰ্ভুক্ত কৰা হ'ব। ঠিক সেইদৰে ভাৰতীয় ৰিজাৰ্ভ বেংকে ঋণ দলিল পত্ৰ (debt bonds) অথবা চৰকাৰে প্ৰচলন কৰা ঋণপত্ৰসমূহ লাভ কৰে আৰু প্ৰতিদানত নগদ মুদ্ৰা প্ৰচলনৰ দ্বাৰা চৰকাৰক আদায় দিয়ে। একেদৰে এই বেংকে বাণিজ্যিক বেংকসমূহলৈ ঋণ মঞ্জুৰ কৰে।[2]

এতিয়া আমি মৌদ্ৰিক কৰ্তৃপক্ষ, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰা সৃষ্টি, প্ৰক্ৰিয়া বা কৌশল ব্যাখ্যা কৰিম। ধৰি লোৱা হ'ল যে ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰাৰ যোগান বঢ়াব বিচাৰিছে। ই তেতিয়া তলত দিয়াধৰণে অৰ্থনীতিত অতিৰিক্ত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা প্ৰচলন কৰিব। এতিয়া আমি ধৰি ল'ব পাৰো যে ভাৰতীয় প্ৰচলন ৰিজাৰ্ভ বেংকে বজাৰৰ পৰা চৰকাৰী ঋণপত্ৰ (দলিল) অথবা H টকা পৰিমাণৰ সোণ ক্ৰয় কৰিলে। এতিয়া ঋণপত্ৰ বিক্ৰেতাক H টকা পৰিমাণৰ চেক্ মঞ্জুৰ কৰিব। আকৌ ধৰি লোৱা হ'ল যে cdr অৰ্থনীতি আৰু rdrৰ মূল্য ক্ৰমান্বয়ে 1 আৰু 0.2। বিক্ৰেতাই A বেংকত তেওঁৰ একাউণ্টত চেক্খন ভঙাব আৰু H/2 টকা তেওঁৰ একাউণ্টত জমা ৰাখি H/2 টকা বেংকৰ পৰা উলিয়াই আনি নিজৰ হাতত নগদ মুদ্ৰা হিচাপে ৰাখিব। এনেদৰে সৰ্বসাধাৰণৰ নগদ মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পাব H/2। এই বৰ্ধিত আমানতৰ বাবে A বেংকৰ দেনা H/2 টকা বৃদ্ধি পাব, কিন্তু এই চেকৰ অধিকাৰ লাভৰ জৰিয়তে ইয়াৰ পাওনা (assets)ৰ পৰিমাণো সমভাৱে বৃদ্ধি পাব; যিটো ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা দাবীহে, আন একো নহয়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দেনা H টকাৰে বৃদ্ধি পাব, যিটো A বেংক আৰু ইয়াৰ মক্কেল (client)ৰ মুঠ দাবীৰ

[2] সময়ৰ লগত মুদ্ৰাৰ ভেটিৰ উৎসৰ পৰিৱৰ্তনৰ পৰিমাপৰ বাবে পৰিশিষ্ট 3.2 চোৱা।

যোগফল আৰু ই বিক্ৰেতাৰ বাবে ক্ৰমান্বয়ে H/2 টকা আৰু H/2 টকা হ'ব। সেয়েহে সংজ্ঞামতে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা H টকাৰে বৃদ্ধি হ'ব।

মন কৰিবলগীয়া যে এই প্ৰক্ৰিয়াটো ইয়াতে অন্ত নহয়। A বেংকে $0.2\frac{H}{2}$ টকাৰ অতিৰিক্ত আমানতক সংৰক্ষিত মুদ্ৰা হিচাপে ৰাখিব আৰু বাকীখনি $(1 - 0.2)\frac{H}{2}$ টকা $= 0.8\frac{H}{2}$ টকা অন্যান্য ধাৰ কৰোতাক ধাৰলৈ দিব।[3] ধাৰ লওঁতাই সম্ভৱতঃ এই ঋণ কোনো কোনো বিনিয়োগ আঁচনিত ব্যৱহাৰ কৰিব আৰু মুদ্ৰাখিনি উৎপাদনৰ উপাদানৰ মূল্য প্ৰদানত ব্যৱহাৰ কৰিব। ধৰা হ'ল যে উৎপাদন খণ্ডটোৰ এজন শ্ৰমিকে পাওনা লাভ কৰিলে। তেতিয়া শ্ৰমিকজনে $\frac{0.8H}{4}$ টকা নগদ মুদ্ৰা হিচাপে হাতত ৰাখিব আৰু B বেংকৰ নিজৰ একাউণ্টত $\frac{0.8H}{9}$ টকা জমা ৰাখিব। ফলস্বৰূপে B বেংকে $\frac{0.64H}{4}$ টকাৰ ঋণ আগবঢ়াব। যিয়ে এই টকা লাভ কৰে, তেওঁ $\frac{0.64H}{8}$ টকা নগদ মুদ্ৰা ৰূপত ৰাখিব আৰু $\frac{0.64H}{8}$ টকা অন্য বেংক অৰ্থাৎ Cত জমা ৰাখিব। প্ৰক্ৰিয়াটো অসীমভাৱে (ad infinitum) চলি থাকিব।

তালিকা নং 3.3ৰ পৰা অৰ্থনীতিত পৰ্যায়ক্ৰমে কেনেকৈ মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তন হয় তাক লক্ষ্য কৰিব পাৰি।

### তালিকা 3.3 : গুণক প্ৰক্ৰিয়া ঃ The multiplier process

| | নগদ মুদ্ৰা | আমানত | মুদ্ৰাৰ যোগান |
|---|---|---|---|
| প্ৰথম চক্ৰ (Round-1) | H/2 | H/2 (A বেংক) | H |
| দ্বিতীয় চক্ৰ (Round-2) | $\frac{0.8H}{4}$ | $\frac{0.8H}{4}$ (B বেংক) | $\frac{0.8H}{2}$ |
| তৃতীয় চক্ৰ (Round-3) | $\frac{0.64H}{8}$ | $\frac{0.64H}{8}$ (C বেংক) | $\frac{0.64H}{2}$ |
| | | | ইত্যাদি |

[3] আমি নিসন্দেহে ধৰি ল'ব পাৰো যে প্ৰচলিত সুদৰ হাৰত বেংকৰ পৰা ঋণ লোৱাৰ চাহিদা অসীম, অৰ্থাৎ বেংকে ইচ্ছা অনুসৰি ঋণ প্ৰদান কৰিব পাৰে।

তালিকা নং 3.3ৰ দ্বিতীয় স্তম্ভই প্ৰত্যেক চক্ৰতে সৰ্বসাধাৰণৰ মাজত হোৱা নগদ মুদ্ৰাৰ বৰ্ধিত মূল্য দেখুৱাইছে। ঠিক সেইদৰে তৃতীয় স্তম্ভই অৰ্থনীতিত হোৱা বেংক আমানতৰ বৰ্ধিত মূল্যৰ জোখ দেখুৱাইছে। শেষৰ স্তম্ভটো হ'ল এই দুই স্তম্ভৰ যোগফল (দ্বিতীয় আৰু তৃতীয়), যিটো সংজ্ঞামতে প্ৰত্যেক চক্ৰতে হোৱা মুদ্ৰাৰ যোগান বৃদ্ধি (সম্ভৱতঃ মুদ্ৰাৰ আটাইতকৈ তৰল আৰু সহজ জোখ অৰ্থাৎ M1)। উল্লেখযোগ্য যে প্ৰতিটো ক্ৰমাগত চক্ৰতে মুদ্ৰাৰ যোগান বৃদ্ধিৰ পৰিমাণ ক্ৰমাগতভাৱে হ্ৰাস পাইছে। সেয়েহে বহুতো চক্ৰ যোৱাৰ পিচত বৃদ্ধিৰ আকাৰ শূন্যৰ পৰা প্ৰকাৰান্তৰে প্ৰভেদ কৰিব নোৱৰা হ'ব আৰু পিচৰ চক্ৰবোৰে ব্যৱহাৰিকভাৱে মুঠ মুদ্ৰাৰ যোগদানত কোনো বৰঙণি যোগাব নোৱাৰিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে মুদ্ৰাৰ যোগানত চক্ৰ ফলবোৰে মুখামুখি হৈ একেফাললৈ অহা প্ৰক্ৰিয়াক বুজায়। মুদ্ৰাৰ মুঠ যোগান বৃদ্ধি পাবলৈ আমি শেষ স্তম্ভত অনিৰ্দিষ্ট জ্যামিতিক প্ৰণালী যোগ দিয়া উচিত।[4]

যেনে— $H + (0.8H)/2 + (0.64H)/4 + \ldots\ldots\ldots\ldots \infty$

$= H\,[1 + (0.8/2) + (0.8/2)^2 + \ldots\ldots\ldots\ldots \infty] = H/(1-0.4) = 5H/3$

দেশৰ অৰ্থনীতিত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰথমতে প্ৰচলন (injected) কৰা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাতকৈ মুঠ মুদ্ৰাৰ যোগান বৃদ্ধি অধিক হয়। আমি ক'ব পাৰো যে অৰ্থনীতিত মুদ্ৰাগুণক হ'ল মুঠ মুদ্ৰাৰ মজুত আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা মজুতৰ অনুপাত অৰ্থাৎ M/H। স্বাভাৱিকতে ইয়াৰ মূল্য একতকৈ অধিক।

মুদ্ৰা গুণকৰ মূল্য গণনা কৰিবলৈ আমি সদায় চক্ৰীয় (Round) ফল নাচালেও হয়। ইয়াক কেৱল মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়া প্ৰদৰ্শন কৰিবলৈহে গণ্য কৰা হয়, য'ত বাণিজ্যিক বেংকসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যে গুণক আহৰণৰ বাবে সহজ উপায়ো আছে। সংজ্ঞামতে মুদ্ৰাৰ যোগান, নগদ মুদ্ৰা আৰু আমানতৰ যোগফলৰ সমান।

---

[4] এই প্ৰণালীৰ বিষয়ে চমুকৈ আলোচনাৰ বাবে পৰিশিষ্ট 3.1 চোৱা

$$M = CU + DD = (1 + cdr)\ DD$$

য'ত, $cdr = CU/DD$

ধৰি লোৱা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকত চৰকাৰৰ ট্ৰেজাৰী আমানত শূন্য। এনে অৱস্থাত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা জনসাধাৰণৰ নগদ মুদ্ৰা আৰু বাণিজ্যিক বেংকৰ সংৰক্ষিত মুদ্ৰাৰে গঠিত যিয়ে নগদ জমা মুদ্ৰা (vault cash) আৰু ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকৰ আমানতক অন্তৰ্ভুক্ত কৰে।

সেয়েহে $H = CU + R = cdr.DD + rdr.DD = (cdr+rdr)\ DD$


এনেদৰে মুদ্ৰাৰ যোগান আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ অনুপাতটো হ'ল—

$$\frac{M}{H} = \frac{1 + cdr}{cdr+rdr} > 1, \quad \text{যিহেতু } rdr < 1$$

স্পষ্টভাৱে ক'বলৈ হ'লে এইটোৱে হ'ল মুদ্ৰা গুণকৰ (money multiplier) জোখ।

## 3.3.3 মৌদ্ৰিক নীতিৰ আহিলাসমূহ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংক ঃ Instruments of Monetary Policy and the Reserve Bank of India

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে অৰ্থনীতিত মুঠ মুদ্ৰাৰ মজুতৰ পৰিমাণ (stock) উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ পৰিমাণতকৈ বহুগুণে অধিক। বাণিজ্যিক বেংকসমূহে আমানতৰ এটা অংশ ঋণ দি অথবা বিনিয়োগ কৰি এই অতিৰিক্ত পৰিমাণৰ মুদ্ৰা সৃষ্টি কৰে। তালিকা 3.1ৰ পৰা এইটো স্পষ্ট হয় যে দেশৰ আটাইবোৰ বাণিজ্যিক বেংকৰ মুঠ আমানতৰ পৰিমাণ সিহঁতৰ মুঠ সংৰক্ষণৰ আকাৰতকৈ বহুগুণে বেছি। যদি দেশৰ আটাইবোৰ বাণিজ্যিক বেংকৰ আমানতকাৰীয়ে একে সময়তে আমানতবোৰ ওভতাই পাব বিচাৰে, তেতিয়া বেংকসমূহৰ প্ৰত্যেকজন আমানতকাৰীৰ প্ৰয়োজন পূৰণ কৰিবলৈ বেংকৰ কোনো উপায় নাথাকিব আৰু এইক্ষেত্ৰত বেংকসমূহ অকৃতকাৰ্য হ'ব।




চিত্ৰ 3.2 মুঠ মুদ্ৰাৰ যোগানত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ সম্পৰ্ক

মুদ্ৰাৰ এই আটাইবোৰ প্ৰক্ৰিয়া সচেতন ব্যক্তিৰ বাবে সাধাৰণ জ্ঞান বুলি ক'ব পাৰি। বেংকৰ অপাৰগতাৰ কথা জানিও তেওঁলোকে কিয় তেওঁলোকৰ মুদ্ৰা বেংকত জমা ৰাখে? (বেংক সংৰক্ষণৰ উদং অৱস্থা হ'ল এটা পৰিস্থিতি য'ত প্ৰত্যেকেই বেংক আমানতৰ পৰা মুদ্ৰা উলিয়াই আনিব বিচাৰে।)

এইক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংকে এটা প্ৰধান ভূমিকা পালন কৰে। ওপৰত বৰ্ণনা কৰাৰ দৰে মন্দাৱস্থাত ই বাণিজ্যিক বেংকসমূহৰ ওচৰত জামিনদাৰ (Guarantor) হিচাপে থাকে আৰু বেংকসমূহৰ ঋণ পৰিশোধৰ ক্ষমতা নিশ্চিত কৰিবলৈ ঋণ প্ৰদান কৰে। এই জামিন ব্যৱস্থাই ব্যক্তিগত আমানতকাৰীক নিশ্চিত কৰে যে মন্দা সময়তো বেংকসমূহে তেওঁলোকৰ মুদ্ৰা ওভতাই দিব পাৰে আৰু তাত ভয় বা শংকাৰ কোনো কাৰণ নাই। এনেদৰে বাণিজ্যিক বেংকে সংকট অৱস্থাৰ পৰা পৰিত্ৰাণ পায়। মুদ্ৰা কৰ্তৃপক্ষ বা ৰিজাৰ্ভ বেংকৰ এনে ভূমিকাৰ বাবে ইয়াক শেষ পৰ্যায়ৰ ঋণদাতা (lender of last resort) বুলি জনা যায়।

বাণিজ্যিক বেংকসমূহৰ বেংক হিচাপে কাম কৰাৰ উপৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে ভাৰত চৰকাৰৰ বেংক হিচাপেও কাম কৰে আৰু ই ৰাজ্যিক চৰকাৰসমূহৰো বেংক। এইটো এটা সাধাৰণ ঘটনা যে চৰকাৰে মাজে-সময়ে ঘাটি বাজেটৰ বাবে মুদ্ৰা ছপাবলগীয়াত পৰে, অৰ্থাৎ চৰকাৰে যেতিয়া ইয়াৰ উপাৰ্জিত কৰ ৰাজহৰ পৰা ইয়াৰ খৰচ পূৰাব নোৱাৰে, (উদাহৰণস্বৰূপে চৰকাৰী কৰ্মচাৰীৰ দৰমহা, প্ৰস্তুতকৰ্তাৰ পৰা প্ৰতিৰক্ষাৰ সঁজুলি ক্ৰয় ইত্যাদি) তেতিয়া মুদ্ৰা ছপা কৰে। অৱশ্যে এইদৰে চৰকাৰৰ মুদ্ৰা ছপোৱাৰ কোনো বৈধ ক্ষমতা নাই। সেয়েহে ই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত ট্ৰেজাৰী বিল বা চৰকাৰী ঋণপত্ৰ বিক্ৰী কৰি মুদ্ৰা ধাৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰলৈ মুদ্ৰা যোগান ধৰে। চৰকাৰে তেতিয়া এইখিনি মুদ্ৰাৰে ইয়াৰ খৰচসমূহ পৰিশোধ কৰে। এনেদৰে যোগান ধৰা মুদ্ৰা শেষত সৰ্বসাধাৰণৰ হাতত পৰিবহি (দৰমহাৰ অথবা প্ৰতিৰক্ষা সামগ্ৰী বিক্ৰী আয় ৰূপত, ইত্যাদি) আৰু ই মুদ্ৰাৰ যোগানৰ অংশ হ'ব। এইদৰে চৰকাৰৰ দ্বাৰা ঘাটি বাজেটৰ বাবে বিত্ত যোগান ধৰাকে কেন্দ্ৰীয় বেংকৰ ঋণৰ জৰিয়তে ঘাটি বিত্তায়ন কৰা বুলি কোৱা হয় (Deficit Financing through Central Bank Borrowing)।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰধান ভূমিকা হ'ল অৰ্থনীতিত মুদ্ৰা যোগান আৰু ঋণৰ পৰিমাণ নিয়ন্ত্ৰক হিচাপে কাৰ্য সম্পাদনা কৰা। ভাৰতীয় ৰিজাৰ্ভ বেংক হ'ল অৰ্থনীতিৰ মংগলৰ হকে মুদ্ৰা নীতি পৰিচালনা কৰাৰ বাবে স্বতন্ত্ৰ গৰাকী। ই অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান হ্ৰাস-বৃদ্ধি কৰে আৰু বিনিয়োগকাৰীক ঋণ দিবলৈ বাণিজ্যিক বেংকসমূহক উৎসাহিত অথবা অনুৎসাহিত কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰা নীতি পৰিচালনা কৰিবৰ বাবে যিবোৰ আহিলা ব্যৱহাৰ কৰে সেইবোৰ তলত দিয়াধৰণৰ—

## মুক্ত বজাৰত ঋণপত্ৰৰ ক্ৰয়-বিক্ৰয় (Open Market Operation)

অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে সৰ্বসাধাৰণৰ ওচৰত চৰকাৰী ঋণপত্ৰ কিনা-বেচা কৰে। ধৰা হ'ল, ভাৰতীয় ৰিজাৰ্ভ বেংকে ঋণপত্ৰ বজাৰৰ পৰা 100 টকা মূল্যৰ চৰকাৰী ঋণপত্ৰ ক্ৰয় কৰিলে। ই নিজে বহু

বিক্ৰেতালৈ 100 টকাৰ চেক্ প্ৰদান কৰিব। বিক্ৰেতাই তেওঁৰ নিজৰ বেংকত চেক্‌খন জমা দিব আৰু বিক্ৰেতাৰ হিচাপত 100 টকা যোগ দিব। বেংকৰ আমানত 100 টকাহে বৃদ্ধি পাব আৰু ই হ'ল বেংকৰ দেনাৰ পৰিমাণ। অৱশ্যে চেক্‌খন পোৱাৰ পিচত ইয়াৰ পাওনা 100 টকাৰ বৃদ্ধি হ'ব, যিটো ভাৰতীয় ৰিজাৰ্ভ বেংকত দাবী (claim) হিচাপে বিবেচিত হ'ব। বেংকে এই চেক্‌খন ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা দিব আৰু ৰিজাৰ্ভ বেংকৰ হিচাপত 100 টকা হ'ব। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰিবৰ্তিত উদ্বৃত্ত পত্ৰখন (balance sheet) তলৰ তালিকা 3.4ত দেখুওৱা হ'ল।

সংজ্ঞামতে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনা, অৰ্থনীতিত উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান 100 টকাৰে বৃদ্ধি হ'ল। যদি ভাৰতীয় ৰিজাৰ্ভ বেংকে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান হ্ৰাস কৰিব বিচাৰে ই তেতিয়া মাত্ৰ ওলোটা প্ৰক্ৰিয়াৰ সহায়ত মুকলি বজাৰত চৰকাৰী ঋণপত্ৰ বিক্ৰী কৰিব আৰু এনেদৰে মুদ্ৰা ভেটি হ্ৰাস হ'ব।

তালিকা 3.4 ঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উদ্বৃত্ত পত্ৰত মুক্ত বজাৰত ক্ৰয়ৰ প্ৰভাৱ

| সম্পত্তি (উৎসসমূহ) (টকা হিচাপত) | | দেনা (ব্যৱহাৰসমূহ) (টকা হিচাপত) | |
|---|---|---|---|
| অন্যান্য সকলো সম্পত্তি | 0 | প্ৰচলিত মুদ্ৰা (Currency) | 0 |
| চৰকাৰী ঋণপত্ৰ | +100 | ভাৰতীয় ৰিজাৰ্ভ বেংকত | |
| | | বাণিজ্যিক বেংকসমূহৰ আমানত | +100 |
| মৌদ্ৰিক ভেটি (উৎস) | +100 | মৌদ্ৰিক ভেটি (ব্যৱহাৰ) | +100 |

## বেংকৰ হাৰ নীতি (Bank Rate Policy)

ওপৰত উল্লেখ কৰা হৈছে যে ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকৰ হাৰ (Bank Rate) সাল-সলনিৰ দ্বাৰা বাণিজ্যিক বেংকসমূহৰ সংৰক্ষিত জমা অনুপাতৰ পৰিৱৰ্তন কৰিব পাৰে, যদিহে বেংকসমূহে ৰিজাৰ্ভ বেংকৰ পৰা প্ৰয়োজনবশতঃ ঋণ ল'বলগা হয়। যি সুদৰ হাৰত

বাণিজ্যিক বেংকবিলাকে কেন্দ্ৰীয় বেংকৰ পৰা ঋণ সংগ্ৰহ কৰে, সেই সুদৰ হাৰকেই বেংক হাৰ বা ইংৰাজীত ইয়াক Bank Rate বুলি কোৱা হয়। ৰিজাৰ্ভ বেংকৰ নিম্ন (অথবা উচ্চ) সুদৰ হাৰে বেংকসমূহক আমানতৰ (deposits as reserves) অনুপাত সংৰক্ষণ কম (বা বেছি) ৰাখিবলৈ উৎসাহ দিয়ে, কিয়নো এনে অৱস্থাত ৰিজাৰ্ভ বেংকৰ পৰা ঋণ লোৱাটো আগতকৈ কম (অথবা বেছি) ব্যয়বহুল হয়। ফলস্বৰূপে বেংকসমূহে ধাৰ লওঁতাক অথবা বিনিয়োগকাৰীক সৰহকৈ (অথবা কমকৈ) ঋণ দিবলৈ প্ৰস্তুত হয়। চমুকৈ ক'বলৈ হ'লে ৰিজাৰ্ভ বেংকৰ বেংক হাৰৰ ওপৰত বাণিজ্যিক বেংকৰ ঋণ প্ৰদানৰ পৰিমাণ নিৰ্ভৰ কৰে। গতিকে এইটো সহজে অনুমেয় যে বাণিজ্যিক বেংকৰ ঋণ প্ৰদানৰ জৰিয়তে মুদ্ৰাৰ যোগান হ্ৰাস বা বৃদ্ধি পাব পাৰে। অৰ্থাৎ নিম্ন (অথবা) উচ্চ সুদৰ হাৰে rdr বৃদ্ধি কৰে আৰু লগতে মুদ্ৰাগুণকৰ মূল্য বৃদ্ধিৰো গ্ৰাস কৰে। মুদ্ৰাৰ গুণক হৈছে (1+cdr)/(cdr+rdr)। এইদৰে এক নিৰ্দিষ্ট পৰিমাণৰ উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ যোগান বা Hৰ যোগান বৃদ্ধি হয়।

## প্ৰয়োজনীয় সংৰক্ষণৰ পৰিৱৰ্তন (Varying Reserve Requirements)

নগদ সংৰক্ষণ অনুপাত (Cash Reverse Ratio, CRR) আৰু বিধিগত তাৰল্য অনুপাতে (Statutory Liquidity Ratio, SLR) সংৰক্ষিত আমানতৰ অনুপাত (rdr)ৰ নিৰ্দেশিত পন্থাৰে কাম কৰে। নগদ সংৰক্ষণ অনুপাত অথবা বিধিগত তাৰল্য অনুপাতৰ মূল্যবৃদ্ধিয়ে (বা হ্ৰাসে) সংৰক্ষণ আমানত অনুপাতত (rdr) মুদ্ৰা বৃদ্ধিত (হ্ৰাসত) সহায় কৰে আৰু সেয়েহে ঠিক এনেদৰে অৰ্থনীতিত মুদ্ৰাৰ যোগান আৰু মুদ্ৰা গুণকৰ মূল্য হ্ৰাস (বা বৃদ্ধি) কৰে।

## ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰতিবন্ধকতা (Sterilisation by RBI)

ভাৰতীয় ৰিজাৰ্ভ বেংকে বাহ্যিক হেঁচাৰ পৰা অৰ্থনীতিৰ মুদ্ৰাৰ যোগানৰ সুস্থিৰতা ৰক্ষা কৰিবলৈ প্ৰায়ে ইয়াৰ মুদ্ৰা সৃষ্টিৰ সঁজুলিসমূহ ব্যৱহাৰ কৰে। ধৰি লোৱা হ'ল ভাৰতবৰ্ষত ভৱিষ্যতে বিকাশৰ সম্ভাৱনীয়তাৰ বাবে পৃথিৱীৰ বিভিন্ন দেশৰ বিনিয়োগকাৰীয়ে ভাৰতীয় ঋণপত্ৰত বিনিয়োগ কৰাৰ বাবে আগবাঢ়ি আহিছে আৰু ইয়ে ঋণপত্ৰৰ পৰা উচ্চ হাৰৰ

প্ৰতিদান পোৱাৰ সম্ভাৱনা বঢ়ায়। সিহঁতে এই ঋণপত্ৰবোৰ বৈদেশিক মুদ্ৰাৰে ক্ৰয় কৰিব। যিহেতু বৈদেশিক মুদ্ৰাৰে ঘৰুৱা বজাৰত সামগ্ৰী ক্ৰয় কৰিব পৰা নাযায়, সেয়েহে ঋণপত্ৰৰ বিক্ৰেতাসকলে বাণিজ্যিক বেংকত বৈদেশিক মুদ্ৰাবোৰ টকালৈ সলনি কৰি ল'ব আৰু বাণিজ্যিক বেংকে এই বৈদেশিক মুদ্ৰাবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা কৰিব আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত ইয়াৰ আমানত সমপৰিমাণে বৃদ্ধি পাব। এতিয়া প্ৰশ্ন হয় যে এই সম্পূৰ্ণ লেনদেনৰ পৰা কি কি প্ৰকাৰৰ লেনদেন সংঘটিত হ'ল? বাণিজ্যিক বেংকসমূহৰ মুঠ সংৰক্ষণ আৰু আমানত অপৰিবৰ্তিত হৈয়ে থাকিল (ই নিজৰ নগদ মুদ্ৰা (vault cash)ৰে বিক্ৰেতাৰ পৰা বৈদেশিক মুদ্ৰা ক্ৰয় কৰিব আৰু সেয়েহে নগদ মুদ্ৰা কমি যাব, কিন্তু ভাৰতীয় ৰিজাৰ্ভ বেংকত আমানত সমপৰিমাণত বৃদ্ধি পাব— ইয়াৰ সংৰক্ষিত আমানত অপৰিবৰ্তিত থাকিব।) কিন্তু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ স্থিতি পত্ৰত দেনা আৰু পাওনাৰ বৃদ্ধি হ'ব আৰু এই বেংকৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পাব। আনহাতে ভাৰতীয় ৰিজাৰ্ভ বেংকত বাণিজ্যিক বেংকসমূহৰ আমানত সমহাৰত বৃদ্ধি হ'ব। কিন্তু ইয়ে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত বৃদ্ধিকহে বুজাব, যিটো সংজ্ঞামতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ দেনাৰ সমান। সেয়েহে মুদ্ৰাগুণকৰ কাৰ্যকৰণৰ ফলত স্বভাৱতে অৰ্থনীতিত মুদ্ৰাৰ যোগান বৃদ্ধি হ'ব।

এই বৰ্ধিত মুদ্ৰাৰ যোগান মুঠতে অৰ্থনীতিৰ বাবে ভাল নহ'বও পাৰে। যদিহে অৰ্থনীতিত উৎপাদিত বস্তু আৰু সেৱাসমূহৰ পৰিমাণ অপৰিবৰ্তিত হৈ থাকে, তেতিয়াহ'লে অতিৰিক্ত মুদ্ৰাই আটাইবোৰ সামগ্ৰীৰ দামহে বৃদ্ধি কৰিব। জনসাধাৰণৰ হাতত অধিক মুদ্ৰা থাকিব, যাৰ জৰিয়তে তেওঁলোকে সামগ্ৰী বজাৰত আগৰ পৰিমাণৰ মজুত কিনিবলৈ হেতা-ওপৰা কৰিব। যিহেতু বহু পৰিমাণৰ মুদ্ৰা আগৰ সমপৰিমাণৰ উৎপাদনত শেষ হৈ যাব, সেয়েহে এই প্ৰক্ৰিয়াটোৱে প্ৰত্যেকবিধ সামগ্ৰীৰ দাম বৃদ্ধিত অৰিহণা যোগাব। সাধাৰণ দৰস্তৰ বৃদ্ধি হ'ব যাক মুদ্ৰাস্ফীতি বুলি কোৱা হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰায়ে এনে পৰিস্থিতিৰ বাধা দিবলৈ কিছুমান উপায় অৱলম্বন কৰে। ওপৰৰ উদাহৰণটোত ভাৰতীয় ৰিজাৰ্ভ বেংকে বৈদেশিক মুদ্ৰা প্ৰবাহৰ সমপৰিমাণত

চৰকাৰী ঋণপত্ৰ মুকলি বজাৰত বিক্ৰীৰ কাৰ্যাৱলী হাতত ল'ব আৰু তাৰ দ্বাৰা উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত আৰু মুঠ মুদ্ৰাৰ যোগান অপৰিবৰ্তিত কৰি ৰাখিব। এনেকৈ ই অৰ্থনীতিক প্ৰতিকূল বাহ্যিক আঘাতৰ (Shocks) সন্মুখত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এই কাৰ্যকে প্ৰতিবন্ধকতা বোলে।

সেয়েহে মুদ্ৰাৰ যোগান এটা গুৰুত্বপূৰ্ণ সমষ্টিগত চলক। ইয়াৰ ভাৰসাম্য সুদৰ হাৰ, মূল্যস্তৰ আৰু অৰ্থনীতিৰ উৎপাদনৰ পৰিমাণৰ ওপৰত মুঠ প্ৰভাৱ অতিকে গুৰুত্বপূৰ্ণ। এই বিষয়ে আমি পিচৰ অধ্যায়ত আলোচনা কৰিম।

মুদ্ৰা ব্যৱহাৰ নকৰাকৈ দ্ৰব্যৰ পৰিবৰ্তে দ্ৰব্য আহৰণেই হৈছে পণ্য বিনিময় ব্যৱস্থা। অভাৱৰ সংগতিহীনতা হ'ল পণ্য বিনিময়ৰ এক প্ৰধান অসুবিধা। মুদ্ৰাই সাধাৰণভাৱে গ্ৰহণযোগ্য বিনিময়ৰ মাধ্যম হিচাপে কাৰ্য সম্পাদন কৰি বিনিময় সুচল কৰি তুলিছে। এখন আধুনিক অৰ্থনীতিত মানুহে প্ৰধানকৈ লেনদেনৰ অভিপ্ৰায় আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়— এই দুই অভিপ্ৰায়ৰ বাবে মুদ্ৰা হাতত ৰাখে। আনহাতে মুদ্ৰাৰ যোগান— কাগজী মুদ্ৰা, ধাতুমুদ্ৰা, বাণিজ্যিক বেংকসমূহৰ চাহিদা আমানত, সময় আমানত ইত্যাদিৰ দ্বাৰা গঠিত হয়। মুদ্ৰাক ক্ৰমহ্ৰাসমান তাৰল্যৰ ক্ৰম অনুসৰি সংকীৰ্ণ মুদ্ৰা আৰু বিস্তৃত মুদ্ৰা এই দুই ভাগত ভাগ কৰিব পাৰি। ভাৰতবৰ্ষত মুদ্ৰাৰ যোগান ভাৰতীয় ৰিজাৰ্ভ বেংকে নিয়ন্ত্ৰণ কৰে আৰু ই দেশৰ মুদ্ৰা কৰ্তৃপক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। দেশৰ বাণিজ্যিক বেংকসমূহ, সৰ্বসাধাৰণ ৰাইজ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিভিন্ন কাৰ্যাৱলীয়ে অৰ্থনীতিত মুদ্ৰাৰ যোগান পৰিৱৰ্তনৰ বাবে দায়ী বুলি গণ্য কৰা হয়। ভাৰতীয় ৰিজাৰ্ভ বেংকে উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰাৰ মজুত, বেংক হাৰ (সুদৰ হাৰ) আৰু বাণিজ্যিক বেংকসমূহৰ প্ৰয়োজনীয় সংৰক্ষণ নিয়ন্ত্ৰণৰ দ্বাৰা মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰে। ই আকৌ অৰ্থনীতিত বাহ্যিক আঘাতৰ সন্মুখত মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণ কৰে।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) Barter Exchange – পণ্য বিনিময়

(2) Money – মুদ্ৰা

(3) Unit of Account – হিচাপৰ একক

(4) Transaction Demand – লেনদেনৰ চাহিদা

(5) Bonds – ঋণপত্ৰ

(6) Rate of Interest – সুদৰ হাৰ

(7) Liquidity Trap – তাৰল্য ফান্দ

(8) Legal Tender – বিহিত মুদ্ৰা

(9) Broad Money – বিস্তৃত মুদ্ৰা

(10) Currency deposit ratio – প্ৰচলিত মুদ্ৰা আমানত অনুপাত

(11 High powered money – উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা

(12) Lender of last resort – শেষ পৰ্যায়ৰ ঋণদাতা

(13) Open Market operation – মুকলি বজাৰত ঋণপত্ৰৰ ক্ৰয়-বিক্ৰয়

(14) Cash Reserve Ratio (CRR) – নগদ সংৰক্ষিত পুঁজিৰ অনুপাত

(15) Sterilisation – প্ৰতিবন্ধকতা

(16) Double coincidence of wants – অভাৱৰ সংগতিহীনতা

(17) Medium of exchange – বিনিময়ৰ মাধ্যম

(18) Store of value – মূল্যৰ ভঁৰাল

(19) Speculative demand – লাভৰ কল্পনাপ্ৰসূত চাহিদা

(20) Present value – বৰ্তমানৰ মূল্য

(21) Capital gain or loss – মূলধনী লাভ বা লোকচান

(22) Fiat money – আদেশ মুদ্ৰা

(23) Narrow money – সংকীৰ্ণ মুদ্ৰা

(24) Aggregate monetary resources – মুঠ মুদ্ৰাগত সম্পদ

(25) Reserve Deposit Ratio – সংৰক্ষিত আমানত অনুপাত

(26) Money multiplier – মুদ্ৰাগুণক

(27) Deficit financing through central bank borrowing – কেন্দ্ৰীয় বেংকৰ ঋণৰ জৰিয়তে কৰা ঘাটি বিত্তায়ন

(28) Bank Rate – বেংকৰ হাৰ

(29) Statutory Liquidity Ratio (SLR) – বিধিগত তাৰল্য অনুপাত

## অনুশীলনী (Excercises)

(1) বিনিময় প্ৰথা কি? বিনিময় প্ৰথাৰ অসুবিধাবোৰ কি কি?

(2) মুদ্ৰাৰ প্ৰধান কাৰ্যাৱলীবোৰ কি কি? মুদ্ৰাই কেনেকৈ বিনিময় প্ৰথাৰ অসুবিধাবোৰ আঁতৰ কৰিলে?

(3) মুদ্ৰাৰ লেনদেনৰ চাহিদা কি? ই কেনেকৈ এছোৱা নিৰ্দিষ্ট সময়ৰ ভিতৰত লেনদেনৰ মূল্যৰ সৈতে জড়িত?

(4) ধৰা হ'ল এখন ঋণপত্ৰই অন্তৰ্ৱৰ্তীকালীন প্ৰতিদান নোহোৱাকৈ দুবছৰৰ অন্তত 500 টকা ওভতাই দিব। যদি বছৰি সুদৰ হাৰ 5% হয়, তেতিয়াহ'লে ঋণপত্ৰখনৰ দাম কিমান হ'ব?

(5) মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা সুদৰ হাৰৰ সৈতে বিপৰীতভাৱে জড়িত কিয়?

(6) তাৰল্য ফান্দ কি?

(7) ভাৰতবৰ্ষত মুদ্ৰা যোগানৰ বিকল্প সংজ্ঞাবোৰ কি কি?

(8) বিহিত মুদ্ৰা কাক বোলে? আদেশ মুদ্ৰা কি?

(9) উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা কি?

(10) বাণিজ্যিক বেংকৰ কাৰ্যাৱলী ব্যাখ্যা কৰা।

(11) মুদ্ৰাগুণক কি? তুমি ইয়াৰ মূল্য কেনেকৈ নিৰ্ধাৰণ কৰিবা? মুদ্ৰাগুণকৰ মূল্য নিৰ্ধাৰণত কি কি অনুপাতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে?

(12) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মৌদ্ৰিক নীতিৰ আহিলাসমূহ কি কি? বাহ্যিক আঘাতৰ সন্মুখত ভাৰতীয় ৰিজাৰ্ভ বেংকে কেনে মুদ্ৰাৰ যোগান সুস্থিৰ কৰে?

(13) অৰ্থনীতিত বাণিজ্যিক বেংকেই মুদ্ৰাৰ স্ৰষ্টা। তুমি এই উক্তিটো গ্ৰহণ কৰা নে?

(14) ভাৰতীয় ৰিজাৰ্ভ বেংকক কিয় 'শেষ পৰ্যায়ৰ ঋণদাতা' (lender of last resort) বুলি কোৱা হয়?

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Dornbusch, R and S, Fischer, 1990, Macro-economics (fifth edition), pages 345-427, McGraw Hill, Paris.

(2) Branson. W.H., 1992, Macro-economic Theory and Policy, (second edition), pages 243-280, Harper Collins Publishers India Pvt. Ltd., New Delhi.

(3) Sikdar. S., 2006, Principles of Macro-economics, pages 77-89, Oxford University Press, New Delhi.

## পৰিশিষ্ট ঃ 3.1

**অসীম গুণোত্তৰ শ্ৰেণীৰ যোগফল (The sum of infinite geometric series)**

তলত দিয়াধৰণে অসীম গুণোত্তৰ শ্ৰেণীৰ যোগফল উলিয়াবলৈ চেষ্টা কৰা হৈছে।

$$S = a + a.r + a.r^2 + a.r^3 + \dots\dots\dots + a.r^{n...} \dots\dots\dots \infty$$

য'ত a আৰু r হ'ল প্ৰকৃত সংখ্যা আৰু $0<r<1$। ওপৰৰ সমীকৰণটোক rৰে পূৰণ কৰি পাওঁ— $r.S = a.r + a.r^2 + a.r^3 + \dots\dots\dots + a.r^{n+1} \dots\dots\dots \infty$

এতিয়া দ্বিতীয় সমীকৰণটো প্ৰথম সমীকৰণৰ পৰা বিয়োগ কৰি পাওঁ—

$$S - r.S = a$$

নতুবা, $\frac{(1-r)}{S} = a$

অৰ্থাৎ $S = \frac{a}{1-r}$

মুদ্ৰাগুণক আহৰণৰ বাবে ব্যৱহৃত উদাহৰণটোত $a = 1$ আৰু $r = 0.4$ বহুৱালে অসীম শ্ৰেণীৰ মূল্য হ'ব— $\frac{1}{1-0.4} = 5/3$

## পৰিশিষ্ট ঃ 3.2

## ভাৰতবৰ্ষত মুদ্ৰাৰ যোগান

তালিকা 3.5 ঃ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত M1 আৰু M3ত হোৱা পৰিৱৰ্তন

| বৰ্ষ | M1 | M2 |
|---|---|---|
| 1989-90 | 81,060 | 2,30,950 |
| 1990-91 | 92,892 | 2,65,828 |
| 1991-92 | 1,14,406 | 3,17,049 |
| 1992-93 | 1,24,066 | 3,64,016 |
| 1993-94 | 1,50,778 | 4,31,084 |
| 1994-95 | 1,92,257 | 5,27,496 |
| 1995-96 | 2,14,844 | 5,99,191 |
| 1996-97 | 2,40,615 | 6,96,012 |
| 1997-98 | 2,67,844 | 8,21,332 |
| 1998-99 | 3,09,128 | 9,81,020 |
| 1999-00 | 3,41,796 | 11,24,174 |
| 2000-01 | 3,79,450 | 13,13,220 |
| 2001-02 | 4,22,843 | 14,98,355 |
| 2002-03 | 4,72,827 | 17,25,222 |

**উৎস ঃ** *S. Sikdar, Principles of Macro-economic, OUP, 206, Unit - Rs crore.*

দুয়োটা স্তৰৰ মাজত থকা মূল্যৰ পাৰ্থক্যক বাণিজ্যিক বেংকসমূহে ৰখা কাল আমানতক আৰোপ কৰিব পাৰি।

## পৰিশিষ্ট ঃ 3.3


তালিকা 3.6 ঃ মৌদ্ৰিক ভেটি পৰিৱৰ্তনৰ উৎসসমূহ

| | শতকৰা হাৰত পৰিৱৰ্তন বুজোৱা হৈছে | | |
|---|---|---|---|
| বৰ্ষ | GOI লৈ দিয়া ঋণ | বেংকলৈ দিয়া ঋণ | বৈদেশিক পৰিসম্পদ |
| 1984-90 | 105.50 | 13.60 | 7.60 |
| 1991-92 | 44.00 | – 34.00 | 92.50 |
| 1992-93 | 38.80 | 32.72 | 33.30 |
| 1993-94 | 3.10 | 14.90 | 103.90 |
| 1994-95 | 7.10 | 26.30 | 76.10 |
| 1995-96 | 79.30 | 34.90 | – 2.50 |
| 1996-97 | 50.10 | – 275.40 | 366.90 |
| 1997-98 | 41.80 | 7.70 | 80.30 |
| 1998-99 | 52.40 | 30.80 | 66.60 |
| 1999-00 | – 20.20 | 31.00 | 131.80 |
| 2000-01 | 24.70 | – 25.50` | 137.50 |
| 2001-02 | 1.70 | – 27.70 | 193.50 |

**উৎস ঃ** *S. Sikdar, Principles of Macro-economics, OUP, 2006*

উল্লেখযোগ্য যে যেতিয়া ভাৰতীয় অৰ্থনীতিলৈ বৈদেশিক পৰিসম্পত্তি (Foreign assets)ৰ অন্তঃপ্ৰবাহ বাঢ়ি যায়, তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰলৈ ঘৰুৱা ঋণ প্ৰদানত কঠোৰতা অৱলম্বন কৰে আৰু বাণিজ্যিক বেংকসমূহে ঋণ বন্ধকৰণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

# চতুৰ্থ অধ্যায়



# আয় নিৰ্ধাৰণ
# (Income Determination)

আমি ইতিমধ্যে জাতীয় আয়, দৰস্তৰ, সুদৰ হাৰ ইত্যাদিৰ বিষয়ে আলোচনা কৰিলো। কিন্তু এইবিলাকৰ মান নিৰ্ধাৰণ কৰা শক্তিবোৰৰ বিষয়ে আলোচনা কৰা হোৱা নাই। সমষ্টিবাদী অৰ্থনীতিৰ মুখ্য উদ্দেশ্য হ'ল তাত্ত্বিক আহিলাসমূহৰ বিকাশ সাধন কৰা; যাক আৰ্হি বুলি কোৱা হৈছে, সেইসমূহৰ দ্বাৰা এই চলকবোৰৰ মান নিৰ্ধাৰণ কৰা পদ্ধতিবোৰ বৰ্ণনা কৰিবলৈ সক্ষম হয়। সাধাৰণতে এই আহিলাসমূহে কেতবোৰ মূল প্ৰশ্ন যেনে— নিম্নহাৰৰ বিকাশৰ কাৰণ, অৰ্থনৈতিক মন্দাৱস্থা বা দৰস্তৰৰ বৃদ্ধি বা নিবনুৱা সমস্যা বৃদ্ধিৰ তাত্ত্বিক বৰ্ণনা দিবলৈ প্ৰচেষ্টা চলায়। একে সময়তে আটাইবোৰ চলক পৰিমাপ কৰাটো সম্ভৱ নহয়। সেয়েহে আমি যেতিয়া এটা নিৰ্দিষ্ট চলক নিৰ্ধাৰণ কৰিবলৈ বিচাৰো, তেতিয়া অন্য চলকসমূহৰ মান স্থিৰে থকা বুলি ধৰি ল'ব লাগিব। সকলোবোৰ তাত্ত্বিক ব্যাখ্যাৰ ক্ষেত্ৰত এইটো এক বিশেষ শৈলী, যাক আন সকলো একে থকা অৱস্থাত (Ceteries Paribus) বুলি কোৱা হয়। দুটা সমীকৰণৰ পৰা X আৰু Y চলকৰ মান উলিয়াবলৈ আমি এটা সমীকৰণৰ

পৰা Xৰ মান Yৰ দ্বাৰা নিৰ্ধাৰণ কৰো আৰু পিচত এই মানটো আনটো সমীকৰণত বহুৱাই পূৰ্ণ সমাধানটো কৰো। সমষ্টিবাদী অৰ্থনৈতিক ব্যৱস্থাক বিশ্লেষণ কৰিবলৈ আমি একে পদ্ধতি ব্যৱহাৰ কৰো।

## 4.1 প্ৰত্যাশিত আৰু শেহান্ত (Ex-Ante and Ex-Post)

জাতীয় আয় গণনাৰ এইটো অধ্যায়ত আমি কিছুমান শব্দ যেনে— উপভোগ, বিনিয়োগ বা অৰ্থনীতি এখনৰ চূড়ান্ত দ্ৰব্য আৰু সেৱা (GDP) ইত্যাদি সন্দৰ্ভত আলোচনা কৰিলো। এই ধাৰণাসমূহে দ্বি-অৰ্থ বা দ্বৈত্য অৰ্থ প্ৰকাশ কৰে। দ্বিতীয় অধ্যায়ত এইসমূহৰ হিচাপৰক্ষণৰ দিশৰ পৰা আলোচনা কৰা হৈছে। এটা নিৰ্দিষ্ট বছৰৰ অৰ্থনীতি এখনৰ মূল কাৰ্যাৱলীৰ সহায়ত এইসমূহৰ প্ৰকৃত মূল্য ব্যাখ্যা কৰা হৈছে। আমি এই প্ৰকৃত বা গণনা কৰা মূল্যসমূহক ইহঁতৰ শেহান্ত পৰিমাপন বুলি কোৱা হয়।

বিভিন্ন নিৰ্দেশনাত এই ধাৰণাসমূহ ব্যৱহৃত হয়। উপভোগ ধাৰণাটোৱে এটা নিৰ্দিষ্ট বছৰত জনসাধাৰণে কৰা প্ৰকৃত ভোগক নুবুজাবও পাৰে। সেই একেছোৱা সময়তে তেওঁলোকে কিমান উপভোগ কৰিবলৈ পৰিকল্পনা কৰিছে, সেই কথাও উপভোগৰ ধাৰণাই ব্যাখ্যা কৰে। সেইদৰে বিনিয়োগ বুলিলে উৎপাদকে তেওঁৰ নতুন বিনিয়োগত কৰা সংযোজনৰ পৰিকল্পনাৰ কথাও বুজিব পাৰি। ধৰা হ'ল, এজন বিনিয়োগকাৰীয়ে বছৰৰ শেষত তেওঁৰ মজুতৰ সৈতে 100 টকা মূল্যৰ সামগ্ৰী যোগ কৰিব বিচাৰিছে। বিনিয়োগকাৰীজনৰ বাবে এই 100 টকা হৈছে তেওঁৰ পৰিকল্পিত বিনিয়োগ। কিন্তু বজাৰত কেতিয়াবা অদৃশ্যমান অতিৰিক্ত চাহিদা সৃষ্টিৰ ফলত সামগ্ৰীৰ বিক্ৰী বৃদ্ধি পায়। যাৰ ফলত বিনিয়োগকাৰীয়ে তেওঁৰ মজুতৰ পৰা 30 টকা মূল্যৰ সামগ্ৰী বিক্ৰী কৰিবলৈ সন্মত হয়। এইদৰে বছৰটোৰ শেষত তেওঁৰ পূৰ্বৱৰ্তী মজুতৰ পৰিমাণ হয়গৈ $100 - 30 = 70$ টকা। তেওঁৰ পৰিকল্পিত বিনিয়োগৰ পৰিমাণ হ'ল 100 টকা, আনহাতে প্ৰকৃত বা শেহান্ত বিনিয়োগৰ পৰিমাণ 70 টকা মাত্ৰ। গতিকে আমি ক'ব পাৰো যে চলকসমূহৰ পৰিকল্পিত মূল্য, চূড়ান্ত দ্ৰব্যৰ উপভোগ, বিনিয়োগ বা উৎপাদন সিহঁতৰ প্ৰত্যাশিত পৰিমাপ।

অৰ্থনীতিৰ এটা তাত্ত্বিক আৰ্হিত চলকৰ এই প্ৰত্যাশিত মানবোৰ আমাৰ মূল বিবেচনাৰ বিষয় হোৱা উচিত। যদি কোনোৱে চূড়ান্ত দ্ৰব্যৰ ভাৰসাম্য মূল্য কি হ'ব বা মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ পৰিমাণ কি হ'ব সেই সন্দৰ্ভত আগতীয়া অনুমান কৰিব বিচাৰে, তেনেহ'লে তেওঁ এইটো গম পাব লাগিব যে মানুহে কিমান পৰিমাণৰ চূড়ান্ত দ্ৰব্যৰ (Final goods) চাহিদা আৰু যোগান সৃষ্টি কৰিব। আমি সেয়েহে অৰ্থনীতি এখনতৰ উপভোগ, বিনিয়োগ আৰু মুঠ উৎপাদনৰ প্ৰত্যাশিত (Ex-Ante) মূল্য সন্দৰ্ভত জনাটো অতিশয় জৰুৰী।

**প্ৰত্যাশিত উপভোগ (Ex-Ante Consumption)**

সাধাৰণতে এটা প্ৰশ্ন উদয় হয় যে পৰিকল্পিত ভোগ কিহৰ ওপৰত নিৰ্ভৰ কৰে। মানুহে আয়ৰ এটা অংশ উপভোগত ব্যয় কৰে আৰু বাকী অংশ সঞ্চয় কৰে। ধৰা হ'ল, এজন ব্যক্তিৰ আয় 100 টকা বৃদ্ধি পালে। তেওঁ এই সমুদায় বৃদ্ধি বা অতিৰিক্ত আয়ৰ গোটেইখিনি কেতিয়াও ব্যয় নকৰে। ইয়াৰে এটা অংশ সঞ্চয় কৰিব আৰু ধৰা হ'ল, এই পৰিমাণ হ'ল শতকৰা 20 ভাগ, ভৱিষ্যতে আয়ৰ পথ কেতিয়াবা বন্ধ হৈ যাব পাৰে বুলিয়েই এই সঞ্চয় কৰা হয়। অথবা ভৱিষ্যতে ব্যয় বৃদ্ধিৰ সম্ভাৱনাও থাকিব পাৰে। বিভিন্ন ব্যক্তিয়ে তেওঁলোকৰ অতিৰিক্ত আয়ৰ অংশৰ পৰা বিভিন্ন পৰিমাণ সঞ্চয় কৰে (ধনী ব্যক্তিসকলে দুখীয়া লোকসকলতকৈ স্বাভাৱিকতেই অধিক সঞ্চয় কৰে)। আমি যদি বিভিন্ন ব্যক্তিয়ে সঞ্চয় কৰা আয়ৰ অংশবোৰৰ গড় উলিয়াওঁ, তেনেহ'লে সমগ্ৰ অৰ্থনীতিখনৰ মানুহবোৰে অতিৰিক্ত আয়ৰ কিমান অংশ সঞ্চয় কৰে তাৰ এটা প্ৰতিচ্ছবি পাব পাৰো। আমি এই অংশটোকে প্ৰান্তিক সঞ্চয় প্ৰৱণতা (Marginal Propensity to Save, MPS) বুলি কওঁ। ই হ'ল অৰ্থনীতিৰ মুঠ অতিৰিক্ত পৰিকল্পিত সঞ্চয় আৰু মুঠ অতিৰিক্ত আয়ৰ এক অনুপাত। যিহেতু উপভোগ হ'ল সঞ্চয়ৰ পৰিপূৰক, গতিকে আমি 1ৰ পৰা (Marginal Propensity to Consume) বিয়োগ কৰিলে প্ৰান্তিক ভোগ প্ৰৱণতা MPS পাব পাৰো।

ধৰা হ'ল, অৰ্থনীতি এখনৰ MPC হ'ল c, য'ত $0<c<1$, যদি অৰ্থনীতিখনৰ মুঠ আয় 0ৰ পৰা Yলৈ বৃদ্ধি পায়, তেনেহ'লে অৰ্থনীতিখনৰ মুঠ উপভোগ হ'ব

$$C = c\,(Y - 0) = c.Y$$

কিন্তু প্ৰকৃততে এইটো এনেধৰণৰ নহয়। যদি অৰ্থনীতিখনৰ কোনো এটা নিৰ্দিষ্ট বছৰৰ আয় 0 হয়, তেনেহ'লে ওপৰৰ সমীকৰণটোৰ মতে অৰ্থনীতিখন গোটেই বছৰটো ভোকত থাকিব লাগিব। যিটো এটা সম্পূৰ্ণ ভ্ৰান্ত ধাৰণা। যদি কোনো এক নিৰ্দিষ্ট সময়ত এজন ব্যক্তিৰ আয় শূন্য হয়, তেনেহ'লে তেওঁ পূৰ্বৰ সঞ্চিত টকাৰে উপভোগৰ ন্যূনতম সামগ্ৰী ক্ৰয় কৰি জীৱন নিৰ্বাহ কৰিব। সেইবাবে আমি ওপৰৰ সমীকৰণটোৰ সৈতে অৰ্থনীতিৰ ন্যূনতম উপভোগ পৰ্যায়টো যোগ কৰিব লাগিব আৰু তেতিয়া আমাৰ সমীকৰণটো নিম্নোক্তধৰণে হ'ব—

$$C = \bar{C} + c.Y \text{ .................................. } (4.1)$$

য'ত $\bar{C} > 0$ হ'ল ন্যূনতম উপভোগৰ পৰ্যায় আৰু আমাৰ সমীকৰণৰ এটা বাহ্যিক অংশ, যিটো স্থিৰ অংশ হিচাপে গণ্য কৰা হয়। সমীকৰণটোৰে দেখুৱায় যে অৰ্থনীতিৰ আয় শূন্যৰ পৰা বাঢ়িলে অৰ্থনীতিখনে অতিৰিক্ত আয়ৰ c অংশ ন্যূনতম উপভোগৰ ওপৰলৈ বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হয়।

**প্ৰত্যাশিত বিনিয়োগ (Ex-Ante Investment)**

বিনিয়োগ হ'ল দৃশ্যমান মূলধনী মজুতলৈ হোৱা সংযোজন (যেনে— যন্ত্ৰপাতি, ঘৰ, ৰাস্তা-ঘাট তথা ভৱিষ্যতে অৰ্থনীতিখনৰ উৎপাদন ক্ষমতা বঢ়াব পৰা যিকোনো আহিলা) আৰু ই উৎপাদনকাৰীৰ পূৰ্ববৰ্তী মজুতৰ পৰিৱৰ্তন ঘটায়। উল্লেখযোগ্য যে বিনিয়োগ দ্ৰব্যসমূহ চূড়ান্ত দ্ৰব্যৰে এটা অংশ। এইবোৰ কেঁচামাল আদিৰ দৰে মধ্যৱৰ্তী দ্ৰব্য নহয়। অৰ্থনীতি এখনত উৎপাদিত যন্ত্ৰ-পাতি প্ৰদত্ত বছৰটোতে অন্য দ্ৰব্য উৎপাদনত ব্যৱহাৰ হোৱাৰ পিচতো শেষ হৈ নাযায়, বহু বছৰ ধৰি এইসমূহে সেৱা আগবঢ়াই থাকে।

নতুন যন্ত্ৰপাতি ক্ৰয় কৰাৰ দৰে বিনিয়োগকাৰীৰ কেতবোৰ সিদ্ধান্ত গ্ৰহণ নিৰ্ভৰ কৰে বহুলাংশে বজাৰৰ সুদৰ হাৰৰ ওপৰত। কিন্তু আমি সহজভাৱে ইয়াত ধৰি লৈছো যে প্ৰতিষ্ঠানে প্ৰতি বছৰে একে পৰিমাণৰ বিনিয়োগ কৰিবলৈ পৰিকল্পনা কৰিছে। আমি প্ৰত্যাশিত বিনিয়োগ চাহিদা এনেদৰে প্ৰকাশ কৰিব পাৰো—

$I = \overline{I}$ ................................. (4.2)

য'ত $\overline{I}$ এটা ধনাত্মক ধ্ৰুৱক (Positive constant)। ইয়াৰ দ্বাৰা অৰ্থনীতিখনৰ এটা প্ৰদত্ত বছৰৰ স্বয়ংক্ৰিয় বিনিয়োগ দেখুওৱা হৈছে।

**চূড়ান্ত দ্ৰব্যৰ মুঠ প্ৰত্যাশিত চাহিদা (Ex-Ante Aggregate Demand for Final Goods)**

অৰ্থনীতি এখনত চৰকাৰ অবিহনে চূড়ান্ত দ্ৰব্যৰ মুঠ প্ৰত্যাশিত চাহিদা হ'ল সৰ্বমুঠ প্ৰত্যাশিত উপভোগ ব্যয় আৰু মুঠ প্ৰত্যাশিত বিনিয়োগ ব্যয়ৰ যোগফল। উদাহৰণস্বৰূপে AD = C + I সমীকৰণ। (4.1)ৰ পৰা C আৰু (4.2)ৰ পৰা I মান বহুৱাই আমি পাওঁ যে

$AD = \overline{C} + \overline{I} + c.Y$

যদি চূড়ান্ত দ্ৰব্যৰ বজাৰখন ভাৰসাম্য অৱস্থাত থাকে, তেনেহ'লে আমি লিখিব পাৰো যে $Y = \overline{C} + \overline{I} + c.Y$ য'ত Y হ'ল প্ৰত্যাশিত বা পৰিকল্পিত চূড়ান্ত দ্ৰব্যৰ যোগান। $\overline{C}$ আৰু $\overline{I}$ স্বয়ংক্ৰিয় ৰাশি দুটা যোগ দি সমীকৰণটো পুনৰ সৰলীকৰণ কৰি নিম্নোক্তধৰণে লিখিব পৰা যায়— $Y = \overline{A} + c.Y$ .................... (4.3), য'ত $\overline{A} = \overline{C} + \overline{I}$ হ'ল অৰ্থনীতিখনৰ মুঠ স্বয়ংক্ৰিয় ব্যয়। বাস্তৱ ক্ষেত্ৰত স্বয়ংক্ৰিয় বিনিয়োগৰ এই ৰাশি দুটাই বেলেগ বেলেগ ধৰণে আচৰণ কৰে। $\overline{C}$ ৰ দ্বাৰা অৰ্থনীতিখনৰ ন্যূনতম উপভোগৰ পৰ্যায় দেখুওৱা হয়; ই সময়ৰ সৈতে কম-বেছি পৰিমাণে সুস্থিৰ হৈ থাকে। অৱশ্যে $\overline{I}$ সময়ৰ লগে লগে হ্ৰাস-বৃদ্ধি হোৱা লক্ষ্য কৰা যায়।

এইক্ষেত্ৰত অৱশ্যে সতৰ্কতা মানি চলিবলগীয়া হয়। সমীকৰণ (4.3)ৰ বাওঁফালৰ Yৰ দ্বাৰা চূড়ান্ত দ্ৰব্যৰে পৰিকল্পিত যোগান বা প্ৰত্যাশিত উৎপাদন দেখুওৱা হৈছে। আনহাতে সমীকৰণৰ সোঁফালৰ অংশৰ দ্বাৰা অৰ্থনীতিৰ চূড়ান্ত দ্ৰব্যসমূহৰ প্ৰত্যাশিত মুঠ চাহিদা বুজোৱা হৈছে। ভাৰসাম্য অৱস্থাত অৰ্থনীতিখনৰ প্ৰত্যাশিত যোগান আৰু চাহিদাৰ পৰিমাণ সমান হয়। সমীকৰণ (4.3)এ সেইবাবে দ্বিতীয় অধ্যায়ৰ গাণনিক প্ৰকাশৰ সৈতে খেলিমেলিৰ সৃষ্টি কৰিব নালাগে; য'ত কোৱা হৈছে যে মুঠ সামগ্ৰীৰ শেহান্ত মূল্য অৰ্থনীতিখনৰ শেহান্ত উপভোগ আৰু বিনিয়োগৰ সৰ্বমুঠ যোগফলৰ সৈতে সদায় সমান। যদি এটা প্ৰদত্ত বছৰত উৎপাদনকাৰীয়ে উৎপাদনৰ পৰিকল্পনা কৰা চূড়ান্ত দ্ৰব্যৰ তুলনাত প্ৰত্যাশিত চূড়ান্ত দ্ৰব্যৰ চাহিদা হ্ৰাস পায়, তেনেহ'লে সমীকৰণ (4.3) নাখাটে। মজুতসমূহ মজুত ভাণ্ডাৰত মিলাই দিয়া হয়; যাক সাধাৰণতে পূৰ্বৱৰ্তী দ্ৰব্যৰ অপ্ৰত্যাশিত বৃদ্ধি হিচাপে বিবেচনা কৰা হয়। এইটো পৰিকল্পিত বা প্ৰত্যাশিত বিনিয়োগৰ এটা অংশ নহয়। অৱশ্যে ই নিতান্তই বছৰটোৰ শেষত পূৰ্বৱৰ্তী মজুতৰ লগত প্ৰকৃত সংযোজন। আন কথাত ই এক শেহান্ত বিনিয়োগ। এইদৰেই যদিও পৰিকল্পিত Y পৰিকল্পিত C+1তকৈ অধিক, তথাপি প্ৰকৃত Y প্ৰকৃত C+1ৰ সৈতে সমান হ'ব, কিয়নো অতিৰিক্ত উৎপাদনৰ সৈতে প্ৰত্যাশিত I ৰ লগত অপ্ৰত্যাশিত পূৰ্বৱৰ্তী দ্ৰব্যৰ বৃদ্ধি হয় যিটো সমীকৰণৰ সোঁফালে দেখুওৱা হৈছে।


এই বিন্দুত প্ৰকৃত Y আৰু প্ৰকৃত C+1ৰ সমতা স্থাপন হোৱা অৱস্থাত এখন অৰ্থনীতিত চৰকাৰৰ অস্তিত্বৰ পৰিচয় সহজে দিব পাৰি। চৰকাৰ এখনৰ মূল অৰ্থনৈতিক কামসমূহ হ'ল সেইবোৰ যাৰ দ্বাৰা চূড়ান্ত দ্ৰব্য আৰু সেৱাসমূহৰ উৎপাদন প্ৰভাৱিত হয়; মূলতঃ ৰাজস্ব চলকসমূহ যেনে কৰ (T) আৰু চৰকাৰী ব্যয় (G)ৰ দ্বাৰা চমুকৈ আলোচনা কৰিব পাৰি। আমাৰ আলোচনাত এই দুয়োটা স্বয়ংক্ৰিয় বুলি ধৰা হৈছে। অন্য পৰিয়াল গোট বা প্ৰতিষ্ঠানৰ দৰেই চৰকাৰে ইয়াৰ চৰকাৰী ব্যয়ৰ দ্বাৰা চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ মুঠ চাহিদা বৃদ্ধি কৰিববৈলে বিচাৰে। আনহাতে কৰ আৰোপৰ জৰিয়তে চৰকাৰে পৰিয়াল গোটসমূহৰ আয়ৰ এটা অংশ আহৰণ কৰি লৈ যায়। পৰিয়ালবোৰৰ ব্যয়যোগ্য আয়ৰ মাত্ৰ এটা অংশহে উপভোগৰ উদ্দেশ্যে ব্যয় কৰে। সেইবাবে চৰকাৰৰ অন্তৰ্ভুক্তিৰ দ্বাৰা সমীকৰণ

(4.3)ক তলত উল্লেখ কৰাধৰণে সংশোধন কৰিব পাৰি।

$$Y = \bar{C} + \bar{I} + G + c(y - T)$$

মন কৰিবলগীয়া যে G – c.T আৰু $\bar{C}$ বা $\bar{I}$এ $\bar{A}$ স্বয়ংক্ৰিয় ৰাশিক সংযোগ কৰিছে। ই সমীকৰণটোৰ কোনো গুণগত মান সলনি কৰিব নোৱাৰে। আমি সৰলীকৰণৰ বাবে পৰৱৰ্তী আলোচনাত চৰকাৰী খণ্ডটো সম্পূৰ্ণ আওকাণ কৰিম। এইটোও লক্ষ্য কৰিবলগীয়া যে চৰকাৰী কৰ বা ৰাজসাহায্য অবিহনে অৰ্থনীতিৰ মুঠ চূড়ান্ত দ্ৰব্য আৰু সেৱা বা GDP, ৰাষ্ট্ৰীয় আয়ৰ সৈতে একে হৈ পৰে। সেইবাবে পৰৱৰ্তী আলোচনাত আমি Yক GDP বা ৰাষ্ট্ৰীয় আয় হিচাপে কোনো পৰিবৰ্তিত ৰূপ নিদিয়াকৈ আলোচনা কৰিম।

## 4.2 একেডাল ৰেখাত গতিশীল হোৱা আৰু ৰেখাডাল স্থানান্তৰ (Movement along a Curve versus Shift of a Curve)



চিত্ৰ নং - 4.1

এডাল ধনাত্মক ঢালযুক্ত সৰলৰেখাৰ উৰ্ধ্বমুখী গতি আৰু ইয়াৰ ঢাল দুগুণলৈ বৃদ্ধি। (A positively sloping straight line sloping upwards as slope is doubled)


এতিয়া আমি অৰ্থনীতিৰ আৰ্হি এটা ব্যাখ্যা কৰিবলৈ ৰৈখিক কৌশল ব্যৱহাৰ কৰিম। তলত দিয়া চিত্ৰত (চিত্ৰ নং 4.1) দুটা চলক a আৰু b উলম্ব আৰু সমান্তৰাল অক্ষত স্থাপন কৰা হৈছে, যাতে b = ma + ε আকৃতি এক সৰলৰেখা সৃষ্টি কৰে; য'ত m>0 হ'ল সৰল ৰেখাডালৰ ঢাল (slope) আৰু ε >0 উলম্ব ৰেখা (অৰ্থাৎ b)ৰ ছেদাংশ (intercept) (চিত্ৰ নং 4.1)

যেতিয়া aৰ একগোট বৃদ্ধি

পায়, তেতিয়া bৰ মূল্য m গোট বাঢ়ে। ইয়াক চলকসমূহে ৰেখাডালতে চলাচল কৰা বুলি কোৱা হয়। εৰ বাবে এটা স্থিৰ মান ধৰা হ'ল আৰু ইয়াক 2 বুলি ধৰা হ'ল। ধৰা হ'ল mৰ দুটা মান আছে ক্ৰমে m = 0.5 আৰু m = 1, mৰ এই দুটা মানৰ সাপেক্ষে আমি দুডাল সৰলৰেখা পাম। ইয়াৰে এডাল আনডালতকৈ অধিক হেলনীয়া। ε আৰু m ৰাশিকেইটাক ৰেখাচিত্ৰৰ ধ্ৰুৱক বুলি কোৱা হয়। ইহঁত অক্ষত থাকোতে চলকৰ দৰে দৃশ্যমান হয়। কিন্তু পিচত থাকি ৰেখাচিত্ৰৰ স্থান নিৰ্ণয়কৰ ভূমিকা পালন কৰে। ওপৰৰ উদাহৰণটোত যদি mৰ মান বৃদ্ধি পায়, তেন্তে সৰলৰেখাডাল ওপৰলৈ গতি কৰে। ইয়াকে এডাল লেখৰ প্ৰাচলিক স্থানান্তৰ (Parametric shift) বুলি কোৱা হয়।


যিহেতু সৰলৰেখাডালৰ আন এটা ধ্ৰুৱক ε আছে, সেয়েহে আমি ৰেখাডালত আন একধৰণৰ প্ৰাচলিক স্থানান্তৰ (Parametric shift) দেখিবলৈ পাওঁ।

এডাল ধনাত্মক ঢালযুক্ত সৰলৰেখাৰ ঊৰ্ধ্বমুখী স্থানান্তৰ (সমান্তৰালভাৱে) আৰু ইয়াৰ ছেদাংশ বৃদ্ধি পাবলৈ mক 0.5ত স্থিৰে ৰাখি (intercept) εক 2ৰ পৰা 3লৈ বৃদ্ধি কৰা হ'ল। চিত্ৰ নং 4.2ত দেখুওৱাৰ দৰে এতিয়া সৰলৰেখাডাল সমান্তৰালভাৱে ওপৰলৈ গতি কৰিব। ধৰা হ'ল, নিম্নোক্ত সমীকৰণ দুটাই ক্ৰমে ঊৰ্ধ্বগামী আৰু নিম্নগামী সৰলৰেখা সূচাইছে।




ধনাত্মক ঢালযুক্ত সৰলৰেখাৰ সমান্তৰাল স্থানান্তৰ (ইয়াৰ ছেদাংশ বৃদ্ধিৰ বাবে)। (A positively sloping straight line shifts upwards in parallel as its intercept is increased)

$y = z - x$ আৰু $y = 1 + x,\ z \geq 0$





z ৰ প্ৰাচলিক স্থানান্তৰ (Parametric shift of z)
আৰু x ৰ ভাৰসাম্য মান পৰিৱৰ্তন

প্ৰথম সমীকৰণত zএ এটা গতিৰোধ কাৰক প্ৰাচলিক (intercept)ক সূচাইছে।

এইদৰে zৰ মান বৃদ্ধিৰ ফলত 4.3 নং চিত্ৰত দেখুওৱাৰ দৰে প্ৰথম সৰলৰেখাডালৰ ঊৰ্ধ্বমুখী সমান্তৰাল স্থানান্তৰ হ'ল। একেদৰেই ইয়াৰ পৰস্পৰ ছেদবিন্দুসমূহেও দ্বিতীয় ৰেখাডালৰ দৰে ঊৰ্ধ্বমুখী গতি কৰিব।

ধৰা হ'ল, আমি xৰ ভাৰসাম্য বিন্দু আৰু zৰ মাজৰ সম্পৰ্ক বিচাৰ কৰিব খুজিছো। ইয়াৰ বাবে উলম্ব আৰু সমান্তৰাল অক্ষত ক্ৰমে ($x_1$, $z_1$ ), ($x_2$, $z_z$), ($x_3$, $z_3$) ইত্যাদি বিন্দুবোৰ সংস্থাপন কৰিব লাগিব। (চিত্ৰ নং 4.4)ত দেখুওৱাৰ দৰে।




x আৰু z ৰ মাজৰ সম্বন্ধ


উল্লেখযোগ্য যে (x, y) খণ্ডত zক প্ৰাচল (Parameter) হিচাপে গণ্য কৰা হৈছে। কিন্তু (k, z) planeত zক চলক হিচাপেহে গণ্য কৰা হৈছে। আমি দ্বিতীয় সমীকৰণত yক xৰ মাধ্যমত সমাধান কৰিবলৈ

zক স্থিৰ হিচাপে বিবেচনা কৰিব লাগিব। তেতিয়াহে আমি প্ৰথম সমীকৰণত এইসমূহ স্থাপন কৰি x আৰু zৰ সম্পৰ্ক স্থাপন কৰিব পাৰিম। আমি এই অধ্যায়ত এই কৌশল ব্যৱহাৰ কৰিম।

## 4.3 উৎপাদনৰ বজাৰৰ হ্ৰস্বকালীন স্থিৰ দৰ বিশ্লেষণ

## (The Short-run Fixed Price Analysis of the Product Market)

আমি এতিয়া অৰ্থনীতিৰ স্থিৰ সুদৰ হাৰ আৰু স্থিৰ দৰৰ ভিত্তিত চূড়ান্ত দ্ৰব্য সামগ্ৰীৰ মুঠ চাহিদা নিৰ্ধাৰণ সন্দৰ্ভত আলোচনা কৰিম। কোনো নিৰ্দিষ্ট পৰ্যায়ত স্থিৰ দৰ পাবলৈ হ'লে আমি এইটো ধৰি ল'ব লাগিব যে সেই দৰত উপভোক্তাৰ চাহিদা অনুসৰি যোগানকাৰীয়ে সামগ্ৰী যোগান ধৰিবলৈ প্ৰস্তুত থাকিব লাগিব। যদি যোগানৰ পৰিমাণৰ হ্ৰাস বা বৃদ্ধি ঘটে, তেনেহ'লে দৰৰ পৰিতৰ্বতন ঘটা স্বাভাৱিক; কিয়নো তেনে দৰত চাহিদাৰ তাৰতম্য ঘটিব। এই সমস্যাটো এৰাই চলিবলৈ আমি ধৰি লওঁ যে যোগানৰ স্থিতিস্থাপকতা অসীমৰ সমান, অৰ্থাৎ যোগানসূচী স্থিৰ দৰত সমান্তৰাল। এনে অৱস্থাত অৰ্থনীতিখনত এই দৰত ভাৰসাম্য অৱস্থা নিৰ্ধাৰিত হয় মুঠ চাহিদাৰ পৰিমাণৰ দ্বাৰা। আমি ইয়াকে সক্ৰিয় চাহিদাৰ নীতি বুলি জানো। এতিয়া 'হ্ৰস্বকালীন' শব্দটো মন কৰা হ'ল। আমি ধৰি লওঁ যে অতিৰিক্ত চাহিদা আৰু যোগানৰ প্ৰতি সঁহাৰি জনাবলৈ দৰক কিছু সময়ৰ প্ৰয়োজন হয়। ইতিমধ্যে উৎপাদনকাৰীয়ে অতিৰিক্ত চাহিদা আৰু যোগানৰ অৱস্থা এৰাই চলিবলৈ তেওঁলোকৰ উৎপাদন সূচীৰ পৰিৱৰ্তন ঘটায়। উদাহৰণস্বৰূপে যদি তেওঁলোকে অতিৰিক্ত যোগানৰ সন্মুখীন হয়, তেনেহ'লে তেওঁলোকে উৎপাদন হ্ৰাস কৰি মজুতৰ




উৎপাদনকাৰীয়ে যোগান আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি কেনেকৈ উৎপাদনৰ পৰিকল্পনা কৰিব? সেইটো শ্ৰেণীকোঠাত আলোচনা কৰিব পাৰি।

পৰিমাণ সীমিত কৰিবলৈ যত্ন কৰে। মন কৰিবলগীয়া যে ব্যক্তিগত উৎপাদনকাৰীয়ে ব্যক্তিগতভাৱে ৰাষ্ট্ৰীয় বজাৰত দৰৰ ওপৰত বিশেষ প্ৰভাৱ পেলাব নোৱাৰে, কিয়নো তেওঁ উৎপাদনৰ এটা নিচেই ক্ষুদ্ৰ গোটহে। সেয়েহে বজাৰৰ প্ৰচলিত দৰকে গ্ৰহণ কৰিবলৈ তেওঁ বাধ্য থাকে। অৰ্থনীতিৰ সামগ্ৰিক দৰস্তৰৰ তেতিয়াহে পৰিৱৰ্তন হ'ব যেতিয়া বজাৰৰ সকলো দিশত অতিৰিক্ত যোগান আৰু চাহিদাৰ অৱস্থা নোহোৱা কৰি দিব পৰা নাযাব। সেয়েহে কেৱল দীৰ্ঘকালীন সময়তহে দৰৰ পৰিৱৰ্তন আশা কৰিব পাৰি।

## 4.3.1 সামগ্ৰিক চাহিদা ৰেখাৰ এটা বিন্দু

## (A Point on the Aggregate Demand Curve)

স্থিৰ দৰত প্ৰত্যাশিত মুঠ চাহিদাৰ মান AD প্ৰত্যাশিত উপভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ যোগফলৰ সমান। সক্ৰিয় চাহিদাৰ নীতি অনুসৰি চূড়ান্ত দ্ৰব্যৰ ভাৰসাম্য উৎপাদন প্ৰত্যাশিত সক্ৰিয় চাহিদাৰ সৈতে সমান, যিটো সমীকৰণ 4.3ৰ দ্বাৰা এনেদৰে দেখুওৱা হৈছে $Y = \bar{A} + c.Y$

য'ত $\bar{A}$ হ'ল অৰ্থনীতিৰ মুঠ স্বয়ংক্ৰিয় ব্যয়ৰ পৰিমাণ। অৰ্থনীতি এখন স্থিৰ দৰত সামগ্ৰিক চাহিদাৰ মান আৰু ভাৰসাম্য উৎপাদন লাভ কৰিবলৈ এটা গাণিতিক উদাহৰণ লোৱা যাওক। ধৰা হ'ল, স্বয়ংক্ৰিয় ব্যয়ৰ পৰিমাণ হ'ল $\bar{C} = 40$, $\bar{I} = 10$ আৰু mpc অৰ্থাৎ $c = 0.8$; এতিয়া Yৰ ভাৰসাম্য মান কিমান হ'ব?

ধৰা হ'ল, $Y = 200$ এটা পৰীক্ষামূলক (Trial) সমাধান। এই পৰিমাণৰ উৎপাদনৰ প্ৰত্যাশিত উপভোগ ব্যয় হ'ব। $C = \bar{C} + 0.8Y = 40 + (0.8)\ 200 = 200$ আৰু প্ৰত্যাশিত সামগ্ৰিক চাহিদা হ'ল $AD = C + I = 200 + 10 = 210$, এতিয়া $Y = 200$ এই উৎপাদনৰ পৰিমাণত প্ৰত্যাশিত সামগ্ৰিক চাহিদাৰ মান হ'ল 210, যিটোৱে এটা অতিৰিক্ত চাহিদাৰ অৱস্থা বুজাইছে। স্পষ্টকৈ $Y = 200$ অৰ্থনীতিখনৰ এক ভাৰসাম্য অৱস্থা নহয়।

এইবাৰ $Y = 300$ বুলি ধৰা হওক। ওপৰৰ গাণিতিক সমাধানৰ দৰে একেই পদ্ধতিৰে


লোৱা যায় যে $\bar{A} + cY = \bar{C} + \bar{I} + cY = 50 + (0.8)\ 300 = 290$

প্ৰত্যাশিত সামগ্ৰিক চাহিদাৰ মান উৎপাদনৰ তুলনাত কম আৰু সেইবাবে অতিৰিক্ত যোগানৰ সৃষ্টি হ'ব নোৱাৰে। সেইবাবে $Y = 300$ক অৰ্থনীতিখনৰ এক ভাৰসাম্য উৎপাদন বুলিব নোৱাৰি। শেষত $Y = 250$ বুলি বিবেচনা কৰা হওক। এই পৰিমাণৰ উৎপাদনত $AD = 50 + (0.8)\ 250 = 250$, আৰু এইটোৱেই হ'ল Yৰ সঠিক মান। এই পৰিমাণত সামগ্ৰিক চাহিদা আৰু সামগ্ৰিক যোগান সমান হৈছে। সেয়েহে $Y = 250$ হ'ল স্থিৰ দৰ আৰু সুদৰ সংযোজনত অৰ্থনীতিখনৰ এক ভাৰসাম্য উৎপাদন।

## 4.3.2 উৎপাদন বজাৰত ভাৰসাম্য চাহিদাৰ স্বয়ংক্ৰিয় পৰিৱৰ্তনৰ প্ৰভাৱ

## (Effects of an Autonomous Change on Equilibrium Demand in the Product Market)

এইখিনিতে প্ৰশ্ন উদয় হয় যে স্থিৰ দৰত সামগ্ৰিক চাহিদাৰ ভাৰসাম্য মান নিৰ্ণয়ৰ নিৰ্ধাৰকসমূহ কি কি? আন কথাত ওপৰৰ উদাহৰণটোত এইটো কিহে নিৰ্ধাৰণ কৰিব যে সামগ্ৰিক চাহিদাৰ মান 250 নে 210 নে 290 হ'ব? সমীকৰণ $Y = AD = \bar{A} + cY$ৰ সমাধানৰ দ্বাৰাহে স্থিৰ দৰ সুদৰ হাৰত ভাৰসাম্য উৎপাদন আৰু সামগ্ৰিক চাহিদাৰ মান নিৰ্ধাৰণ কৰিব পাৰি। এইটো হ'ল এনে এটা সমীকৰণ যিটো কেৱল এটা চলক Y ৰ দ্বাৰা গঠন হৈছে। এই সমীকৰণটোৰ সমাধান হ'ল $Y = \dfrac{\bar{A}}{1 - c}$ ................ (4.4)




স্থিৰ দৰ আৰ্হিত ভাৰসাম্য উৎপাদন
আৰু সামগ্ৰিক চাহিদা

সেইবাবে Y ৰ মান সোঁফালৰ স্থিৰ চলকসমূহৰ মানৰ ওপৰত নিৰ্ভৰশীল; যিটো এইক্ষেত্ৰত $\bar{A}$ আৰু c ওপৰৰ উদাহৰণটোত সামগ্ৰিক চাহিদাৰ ভাৰসাম্য মান হ'ল 250,

সেইবাবে আমি পোৱা সামগ্ৰিক চাহিদা ৰেখাৰ একমাত্ৰ বিন্দুটো এই স্থিৰ চলকসমূহৰ ওপৰত নিৰ্ভৰ কৰিব। $AD = \bar{A} + cY$ সমীকৰণটো 4.2 অংশত আলোচনা কৰা $b = \varepsilon + ma$ সৰলৰৈখিক সমীকৰণটোৰ সৈতে তুলনা কৰিলে দেখা যায় যে $\bar{A}$ হ'ল ছেদাংশৰ স্থিৰ চলক আৰু $c$ হ'ল ঢালজনিত স্থিৰ চলক। যেতিয়া $c$ বৃদ্ধি পায় তেতিয়া সামগ্ৰিক চাহিদাই নিৰ্দেশ কৰা সৰলৰেখাডাল ওপৰলৈ গতি কৰে। আনহাতে $\bar{A}$ বৃদ্ধিৰ লগে লগে ৰেখাডাল সমান্তৰালভাৱে ওপৰলৈ গতি কৰে। $\bar{A}$ হ'ল এটা সংযুক্ত ৰাশি; ই হ'ল $\bar{C}$ আৰু $\bar{I}$ ৰ যোগফল। সেইবাবে এইবোৰ হ'ল প্ৰকৃততে AD ৰেখাৰ স্থানান্তৰিত স্থিৰ চলক। ধৰা হ'ল $\bar{I}$ ৰ মান 10ৰ পৰা 20লৈ বৃদ্ধি পালে। তেনে অৱস্থাত ভাৰসাম্য উৎপাদন আৰু সামগ্ৰিক চাহিদাৰ কি ঘটিব?

চিত্ৰ নং 4.5ৰ দ্বাৰা এই অৱস্থাটো ব্যাখ্যা কৰা হ'ল।

$AD_1$ আৰু $AD_2$ ৰেখা দুডাল ($\bar{A}$ৰ দুটা মানৰ সাপেক্ষে) ক্ৰমে $\bar{A}$ আৰু $\bar{A}_2$ত অংকন কৰা হৈছে। এই মান দুটা $\Delta\bar{I} = 10$ পৰিমাণৰ স্বয়ংক্ৰিয় বিনিয়োগ বৃদ্ধি পোৱাৰ ফলত পৰিৱৰ্তন হৈছে। AD ৰেখাৰ ঢাল $0<c<1$ৰ মাজত আছে আৰু ছেদাংশ হ'ল যথাক্ৰমে উলম্ব ৰেখাৰ $\bar{A}_1$ আৰু $\bar{A}_2$। মন কৰিবলগীয়া যে AD ৰেখাডাল $45^0$ অক্ষতকৈ বহল, কিয়নো পিচৰডাল ৰেখাৰ ঢাল 1ৰ সমান ($\tan 45^0 = 1$) $45^0$ ৰেখাডালে দেখুৱাইছে যে সেই বিন্দুত সামগ্ৰিক চাহিদা আৰু উৎপাদনৰ পৰিমাণ সমান। যেতিয়া অৰ্থনীতিৰ স্বয়ংক্ৰিয় ব্যয়ৰ মান $\bar{A}_1$, তেতিয়া $AD_1$ৰেখাডালে $45^0$ ৰেখাডালক $E_1$ বিন্দুত ছেদ কৰিব; যিটো ভাৰসাম্য বিন্দু হ'ব। ভাৰসাম্য উৎপাদন আৰু সামাজিক চাহিদাৰ মান হ'ল যথাক্ৰমে $Y^0{}_1$ আৰু $AD_1$ (= 250)।

যেতিয়া স্বয়ংক্ৰিয় বিনিয়োগ বৃদ্ধি পায়, তেতিয়া $AD_1$ ৰেখাডাল সমান্তৰালভাৱে ঊৰ্ধমুখী গতি কৰে আৰু ধৰা হ'ল $AD_2$ অৱস্থান লয়। $Y^0{}_1$ উৎপাদনৰ পৰ্যায়ত সামগ্ৰিক চাহিদাৰ মান $Y^0{}_1$ F, যিটো $Y^0{}_1 = E_1$ উৎপাদনৰ পৰ্যায়তকৈ অধিক। আৰু পাৰ্থক্যৰ পৰিমাণ $E_1F$। $E_1F$ৰ দ্বাৰা স্বতন্ত্ৰ বিনিয়োগ বৃদ্ধিৰ বাবে সৃষ্টি হোৱা অতিৰিক্ত চাহিদাৰ

পৰিমাণ বুজাইছে। সেয়েহে $E_1$এ দীৰ্ঘ সময়লৈ ভাৰসমতা প্ৰতিনিধিত্ব নকৰে। চূড়ান্ত দ্ৰব্যৰ বজাৰত নতুন ভাৰসাম্য বিন্দু পাবলৈ আমি সেই বিন্দু পাব লাগিব, য'ত নতুন সামগ্ৰিক চাহিদা ৰেখা $AD_2$এ $45^0$ ৰেখাক ছেদ কৰিব। সেই বিন্দুটো হ'ল $E_2$; যিটো হ'ল নতুন ভাৰসাম্য বিন্দু। নতুন ভাৰসাম্য উৎপাদন আৰু সামগ্ৰিক চাহিদাৰ মান হ'ল যথাক্ৰমে $Y^0_2$ আৰু $AD^0_2$।

মন কৰিবলগীয়া যে নতুন ভাৰসাম্য বিন্দুত উৎপাদন আৰু সামগ্ৰিক চাহিদা $E_1G = E_2G$ পৰিমাণ বৃদ্ধি পাইছে। এইটো প্ৰাৰম্ভিক স্বতন্ত্ৰ ব্যয়ৰ তুলনাত অধিক। অৰ্থাৎ $\Delta\bar{I} = E_1F = E_2J$ এইদৰে স্বতন্ত্ৰ ব্যয়ৰ প্ৰাৰম্ভিক বৃদ্ধিয়ে সামগ্ৰিক চাহিদা আৰু উৎপাদনত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা দেখা যায়। কোনবোৰ কাৰকে সামগ্ৰিক চাহিদা আৰু উৎপাদনৰ পৰিমাণ প্ৰাৰম্ভিক স্বতন্ত্ৰ ব্যয় বৃদ্ধিৰ তুলনাত অধিক বৃদ্ধি হোৱাত সহায় কৰে? এই বিষয়ে আমি 4.3.3 অংশত আলোচনা কৰিম।

## 4.3.3 গুণক প্ৰক্ৰিয়া (Multiplier Mechanism)

স্পষ্টভাৱে ক'ব পাৰি যে ভাৰসাম্য উৎপাদন আৰু সামগ্ৰিক চাহিদাৰ মান 250 হৈ দীৰ্ঘকাল জুৰি নাথাকে। $\bar{I} = 20$ৰ সৈতে অৰ্থনীতিৰ সামগ্ৰিক চাহিদাৰ মান 40 + 20 + (0.80) 250 = 260ৰ সৈতে সমান; যিটো 4.4 সমীকৰণৰ পৰা পোৱা গৈছে। ই হ'ল প্ৰাৰম্ভিক স্বতন্ত্ৰ বিনিয়োগ ($\Delta\bar{I} = 10$) ৰ পৰিমাণ কৰা উৎপাদন y = 250তকৈ অধিক। অৰ্থনীতিখনত অতিৰিক্ত চাহিদাৰ সৃষ্টি হৈছে আৰু উৎপাদনকাৰীয়ে ইয়াৰ পূৰ্ববৰ্তী মজুতৰ পৰিমাণ হ্ৰাস কৰি এই অতিৰিক্ত চাহিদা পূৰণ কৰিব লাগিব। সেইবাবে ইয়াৰ পিচৰ উৎপাদন চক্ৰত এইবোৰে উৎপাদন আঁচনি সংশোধন কৰি পৰিকল্পিত যোগানৰ পৰিমাণ 10 পৰিমাণৰ বৃদ্ধি কৰি চূড়ান্ত দ্ৰব্য বজাৰৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ বিচাৰিব।

চৰকাৰ নথকা বুলি ধৰি ল'লে আৰু পৰোক্ষ কৰ আৰোপ তথা ৰাজসাহায্য বিতৰণ অবিহনে চূড়ান্ত দ্ৰব্য বা GDPৰ মান ৰাষ্ট্ৰীয় আয়ৰ সৈতে একে হয়। চূড়ান্ত দ্ৰব্য উৎপাদনত সাধাৰণতে ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগী নিয়োজিত কৰা হয়। পৰোক্ষ কৰ আৰোপ

আৰু ৰাজসাহায্য অবিহনে, চূড়ান্ত দ্ৰব্যসমূহৰ মুঠ পৰিমাণ উৎপাদনৰ উপাদানৰ মাজত শ্ৰমিকৰ বাবে মজুৰি, মূলধনৰ বাবে সুদ, ভূমিৰ বাবদ খাজনাৰ মাধ্যমত বিতৰণ কৰা হয়। ইয়াৰ অতিৰিক্ত যিখিনি ৰাহি হয়, চূড়ান্ত দ্ৰব্য উৎপাদনত সাধাৰণতে ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগী নিয়োজিত কৰা হয়। পৰোক্ষ কৰ আৰোপ আৰু ৰাজসাহায্য অবিহনে চূড়ান্ত দ্ৰব্যসমূহৰ মুঠ পৰিমাণ উৎপাদনৰ উপাদানৰ মাজত শ্ৰমিকৰ বাবে মজুৰি, মূলধনৰ বাবে সুদ, ভূমিৰ বাবদ খাজনাৰ মাধ্যমত বিতৰণ কৰা হয়। ইয়াৰ অতিৰিক্ত যিখিনি ৰাহি হয়, সেই অংশটো উদ্যোগীৰ হাতলৈ যায় আৰু ইয়াকে লাভ বোলা হয়। এইদৰে অৰ্থনীতি এখনৰ উপাদানৰ মুঠ দেনা অৰ্থাৎ ৰাষ্ট্ৰীয় আয়, চূড়ান্ত দ্ৰব্যৰ মুঠ মূল্যৰ সৈতে সমান হয় (= GDP)। ওপৰৰ উদাহৰণটোত অতিৰিক্ত উৎপাদনৰ 10ৰ মূল্য বিভিন্ন উপাদানৰ মাজত বিতৰণ কৰা হয় আৰু এইদৰেই অৰ্থনীতিখনৰ আয় বৃদ্ধি পায় (10ৰ সমান)। যেতিয়া আয়ৰ পৰিমাণ 10 টকা মূল্যৰ বৃদ্ধি পায়, তেতিয়া উপভোগৰ পৰিমাণ $(0.8)^{10}$ পৰিমাণ বাঢ়ে। এনে অৱস্থাত পুনৰ $(0.8)^{10}$ পৰিমাণৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হয়। সেইবাবে ইয়াৰ পূৰ্বৱৰ্তী উৎপাদন চক্ৰত উৎপাদনকাৰীয়ে উৎপাদনৰ পৰিমাণ $(0.8)^{10}$ পৰিমাণৰ বৃদ্ধিৰ বাবে পৰিকল্পনা কৰে যাতে ভাৰসাম্য বাহাল ৰাখিব পাৰি। এই অতিৰিক্ত আয় উপাদানসমূহৰ মাজত বিতৰণ কৰাৰ ফলস্বৰূপে অৰ্থনীতিখনৰ আয়ৰ পৰিমাণো $(0.8)^{10}$ৰ সমান বৃদ্ধি পায় আৰু উপভোগ চাহিদা $(0.8)^{1}10$ পৰিমাণ বাঢ়ে, আৰু পুনৰ একে পৰিমাণৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হয়। এই প্ৰক্ৰিয়াটোৰ বাৰে বাৰে পুনৰাবৃত্তি ঘটি থাকে আৰু অতিৰিক্ত চাহিদাৰ জোৰা মাৰিবলৈ উৎপাদনকাৰীয়ে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰি থাকে। আনহাতে উপভোক্তাই অতিৰিক্ত আয়ৰ অংশটো উপভোগ সামগ্ৰীসমূহতো ব্যয় কৰি থকাৰ ফলত পুনৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি হৈ থাকে।

4.1 তালিকাত প্ৰতিটো চক্ৰৰ সামগ্ৰিক চাহিদা আৰু উৎপাদনৰ মূল্যৰ পৰিৱৰ্তনৰ ধাৰাটো দেখুওৱা হৈছে।

**তালিকা 4.1 চূড়ান্ত দ্ৰব্যৰ বজাৰত গুণক প্ৰক্ৰিয়া**

**(The Multiplier Mechanism in the Final Goods Market)**

| | উপভোগ | সামগ্ৰিক চাহিদা | উৎপাদন/আয় |
|---|---|---|---|
| প্ৰথম চক্ৰ (Round-1) | 0 | 10 (স্বতন্ত্ৰ বৃদ্ধি) | 10 |
| দ্বিতীয় চক্ৰ (Round-2) | (0.8)10 | (0.8)10 | (0.8)10 |
| তৃতীয় চক্ৰ (Round-3) | $(0.8)^2 10$ | $(0.8)^2 10$ | $(0.8)^2 10$ |
| চতুৰ্থ চক্ৰ (Round-3) | $(0.8)^3 10$ | $(0.8)^3 10$ | $(0.8)^3 10$ |
| | | | ইত্যাদি |

প্ৰতিটো চক্ৰৰে শেষ স্তম্ভটোৱে চূড়ান্ত সামগ্ৰীৰ (অৰ্থাৎ অৰ্থনীতিখনৰ আয়) উৎপাদনৰ মূল্য বৃদ্ধিৰ পৰিমাপ কৰে। দ্বিতীয় আৰু তৃতীয় স্তম্ভকেইটাই অৰ্থনীতিখনৰ মুঠ ভোগ ব্যয় আৰু মুঠ চাহিদাৰ পৰিমাণ বৃদ্ধি পৰিমাপ কৰে। লক্ষণীয় বিষয়টো হ'ল এয়ে যে পৰৱৰ্তী চক্ৰীয় পৰ্যায়ত চূড়ান্ত সামগ্ৰীৰ উৎপাদন বৃদ্ধি ক্ৰমান্বয়ে কমি আহে। এইদৰে কেইবাটাও চক্ৰৰ পিচত বৃদ্ধিৰ পৰিমাণটো শূন্যৰ পৰা পৃথক কৰিব নোৱৰা হৈ পৰে আৰু পৰৱৰ্তী পৰ্যায়সমূহে মুঠ উৎপাদনৰ পৰিমাণৰ ওপৰত কোনোধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। সেয়েহে আমি ক'ব পাৰো যে চূড়ান্ত দ্ৰব্যসমূহৰ ওপৰত চক্ৰীয় উৎপাদন পৰ্যায়সমূহে এক অন্তৰ্মুখী প্ৰক্ৰিয়া প্ৰতিনিধিত্ব কৰে। চূড়ান্ত দ্ৰব্য উৎপাদনৰ মুঠ বৃদ্ধিৰ পৰিমাণ উলিয়াবৰ বাবে আমি শেষ স্তম্ভৰ অসীম জ্যামিতিক শ্ৰেণীৰ যোগফল ল'ব লাগিব। অৰ্থাৎ

$$10 + (0.8)\ 10 + (0.8)^2\ 10 + \ldots\ldots\ldots\ldots\infty$$

$$= 10 + \{1+(0.8) + (0.8)^2 + \ldots\ldots\ldots\ldots\ldots\} = \frac{10}{1 - 0.8} = 50$$

সেয়েহে মুঠ উৎপাদনৰ ভাৰসাম্য মূল্য বৃদ্ধিৰ পৰিমাণ স্বতন্ত্ৰ ব্যয়ৰ প্ৰাৰম্ভিক বৃদ্ধিতকৈ অধিক। উৎপাদিত চূড়ান্ত সামগ্ৰীৰ ভাৰসাম্য মূল্যৰ মুঠ বৃদ্ধি আৰু স্বতন্ত্ৰ ব্যয়ৰ প্ৰাৰম্ভিক বৃদ্ধিৰ অনুপাতকে এখন অৰ্থনীতিৰ উৎপাদন গুণক (Output multiplier) বুলি কোৱা হয়। ইতিপূৰ্বে উল্লেখ কৰা 10 আৰু 0.8 মানকেইটাই $\Delta\bar{I} = \Delta\bar{A}$ আৰু mpcক প্ৰতিনিধিত্ব কৰে।

$$\text{উৎপাদন গুণক} = \frac{\Delta\bar{Y}}{\Delta\bar{A}} = \frac{1}{1 - c} \ldots\ldots\ldots\ldots\ldots\ldots\ldots\ldots \text{(4.5)}$$

য'ত $\Delta Y$ হ'ল চূড়ান্ত উৎপাদিত সামগ্ৰীৰ মুঠ বৃদ্ধি আৰু $c$ = mpc। ইয়াৰ পৰা লক্ষ্য কৰা যায় যে গুণকৰ মান $c$ ৰ মানৰ ওপৰত নিৰ্ভৰ কৰে। $c$ ৰ মান বঢ়াৰ লগে লগে গুণকৰ মানো বৃদ্ধি হয়।

আমাৰ আগৰ উদাহৰণটোলৈ উভতি গ'লে এইটো দেখা যায় যে যদি স্বতন্ত্ৰ ব্যয় বৃদ্ধিৰ পৰিমাণ 10 হয়, তেনেহ'লে মুঠ উৎপাদন আৰু মুঠ চাহিদাৰ বৃদ্ধি হ'ব 50, গুণকৰ মান হ'ব 5। এই গণনাৰ শুদ্ধতাৰ পৰীক্ষাৰ (cross check) বাবে $\bar{I} = 20$ৰ ভাৰসাম্য অৱস্থাত আমি সৰ্বমুঠ চাহিদা আৰু উৎপাদনৰ পৰিমাণ গণনা কৰিব পাৰো। (4.4) নং সমীকৰণৰ পৰা এইটো দেখা গৈছে যে নতুন ভাৰসাম্য অৱস্থাত উৎপাদনৰ পৰিমাণ হৈছে


$$Y_2 = \frac{40+20}{1-0.8} = 300$$

ইয়ে আমাৰ গুণকৰ গণনাৰ শুদ্ধতা প্ৰমাণ কৰে। এটা গুৰুত্বপূৰ্ণ প্ৰতিসম্ভাব্য ঘটনা বা সাঁথৰ (Counter-intutive factor a 'paradox')ৰ জৰিয়তে চূড়ান্ত বজাৰ সামগ্ৰীৰ স্থিৰ দৰ আৰু সুদৰ হাৰ বিশ্লেষণৰ সামৰণি মাৰিব পাৰি। যদি অৰ্থনীতিখনৰ সকলো ব্যক্তিয়েই তেওঁলোকৰ আয়ৰ সঞ্চয়ৰ অংশটো বৃদ্ধি কৰে, (অৰ্থাৎ যদি অৰ্থনীতিৰ mpsৰ পৰিমাণ বাঢ়ে) তেতিয়া কিন্তু অৰ্থনীতিখনৰ মুঠ সঞ্চয়ৰ পৰিমাণ বৃদ্ধি নাপায়। ইয়াৰ পৰিবৰ্তে হয় ই হ্ৰাস পায় বা স্থিৰে থাকে। ইয়াকে 'মিতব্যয়িতাৰ সাঁথৰ' (Paradox of

Thrift) বোলা হয়। ইয়াৰ অৰ্থ হ'ল যে মানুহে মিতব্যয়ী হোৱাৰ লগে লগে তেওঁলোকৰ সঞ্চয়ৰ পৰিমাণ আগতকৈ কমে বা আগৰ সমানেই হৈ থাকে। এই ফলাফলটো বাস্তৱিকতে অসম্ভৱ যেন লাগিলেও আচলতে আমি ইতিমধ্যে আলোচনা কৰি অহা আৰ্হিটোৰ ই এক বাস্তৱ প্ৰয়োগ।

এই উদাহৰণটোৰ ধাৰাবাহিকতা ৰক্ষা কৰা যাওক। ধৰা হ'ল প্ৰাৰম্ভিক ভাৰসাম্য অৱস্থাত $y = 250$ আৰু জনসাধাৰণৰ বাহ্যিক বা স্বতন্ত্ৰ ব্যয়ৰ পৰিৱৰ্তন ঘটিছে আৰু তেওঁলোকে হঠাতে অত্যন্ত মিতব্যয়ী হৈ পৰিছে। এইটো হোৱাৰ মূল কাৰণ হ'ল হঠাতে কোনো সম্ভাব্য যুদ্ধৰ আশংকাৰ খবৰ বা কোনো দুৰ্যোগৰ সম্ভাৱনা; এনেধৰণৰ সংবাদে মানুহক তেওঁলোকৰ ব্যয় সন্দৰ্ভত অধিক সচেতন আৰু দৃঢ় কৰি তোলে। ফলস্বৰূপে mps বৃদ্ধি পাব আৰু mpcৰ মান 0.8ৰ পৰা 0.5লৈ হ্ৰাস পাব বুলি ধৰা হ'ল।

$AD^0_1 = Y^0_1 = 250$ এই প্ৰাৰম্ভিক আয় স্তৰক mpcৰ হঠাৎ হ্ৰাসে মুঠ উপভোগ ব্যয় হ্ৰাস কৰে। সেয়েহে মুঠ চাহিদা $AD = \bar{A} + cy$, $(0.8–0.5)250 = 75$ পৰিমাণৰ হ্ৰাস হোৱা দেখুৱায়। কিছুমান বাহ্যিক কাৰকৰ বাবে হোৱা পৰিৱৰ্তনক স্বতন্ত্ৰ ভোগ ব্যয়ৰ হ্ৰাস বুলিব পাৰি, যিটো অৱশ্যে আৰ্হিটোৰ চলকসমূহৰ পৰিৱৰ্তনৰ ফল নহয়। কিন্তু উৎপাদনৰ পৰিমাণ $Y^0_1 = 250$ থকা অৱস্থাত মুঠ চাহিদাৰ পৰিমাণ 75লৈ হ্ৰাস হোৱাৰ ফলত অৰ্থনীতিত 75 পৰিমাণৰ অতিৰিক্ত যোগান সৃষ্টি হয়। মজুত ভাণ্ডাৰত মজুতৰ পৰিমাণ বৃদ্ধিয়ে উৎপাদনকাৰীক বজাৰৰ ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত পৰৱৰ্তী পৰ্যায়ত 75 পৰিমাণৰ উৎপাদন হ্ৰাস কৰাৰ বাবে বাধ্য কৰে। কিন্তু ইয়াৰ ফলত পৰৱৰ্তী চক্ৰত উপাদানৰ দেনা হ্ৰাস কৰিব আৰু অৰ্থনীতিৰ আয় কমি যাব। ভোগ ব্যয় আৰু মুঠ চাহিদাৰ পৰিমাণো হ্ৰাস পাব (0.5)75 পৰিমাণৰ, যিয়ে পুনঃ বজাৰত অতিৰিক্ত যোগানৰ সৃষ্টি কৰিব। পৰৱৰ্তী পৰ্যায়ত উৎপাদনকাৰীয়ে পুনৰ উৎপাদন (0.5)75লৈ হ্ৰাস কৰিব। ফলস্বৰূপে মানুহৰ আয় আৰু ভোগ ব্যয় কমি গৈ সামগ্ৰিক চাহিদা পুনৰ $(0.5)^2 75$লৈ নিম্নগামী হ'ব। এনেদৰেই প্ৰক্ৰিয়াটো চলি থাকিব। যি নহওক, পৰৱৰ্তী চক্ৰীয় পৰ্যায়সমূহৰ ক্ৰমহ্ৰাসমান মানবোৰৰ পৰা প্ৰক্ৰিয়াটো



চিত্ৰ - 4.6

মিতব্যয়িতাৰ সাঁথৰ ঃ AD ৰেখাৰ নিম্নগামী গতি (Paradox of Thrift)

যে এটা অন্তৰ্মুখী প্ৰক্ৰিয়া সেইটো প্ৰতীয়মান হয়। এতিয়া কথা হ'ল, মুঠ উৎপাদন আৰু চাহিদাৰ মুঠ হ্ৰাসৰ পৰিমাণ কিমান? অসীম শ্ৰেণীটোৰ যোগফল ল'লে, অৰ্থাৎ $75 + (0.5)\ 75 + (0.5)^2\ 75 + ..............\infty$ দেখা উৎপাদনৰ মুঠ হ্ৰাসৰ পৰিমাণ হ'ব $\frac{75}{1-0.5} = 150$। ইয়াৰ অৰ্থ হ'ল যে অৰ্থনীতিখনৰ নতুন ভাৰসাম্য উৎপাদন হৈছে মাত্ৰ $y^0_2 = 100$ আৰু এতিয়া জনসাধাৰণৰ মুঠ সঞ্চয় হ'ব $S^0_2 = y^0_2 - C^0_2$

$$= y^0_2 - (\bar{C} - c_2.Y^0_2) = 100 - (40+0.5 \times 100) = 10$$

আগৰ ভাৰসাম্য অৱস্থাত তেওঁলোকে সঞ্চয় কৰিছিল

$$S^0_1 = y^0_1 - C^0_1 = y^0_1 - (\bar{C} - c_1.Y^0_1) = 250 - (40 + 0.8 \times 250) = 10$$

আৰু আগৰ mpcৰ মান আছিল $c_1 = 0.8$; অৰ্থাৎ অৰ্থনীতিখনৰ মুঠ সঞ্চয়ৰ পৰিমাণ অপৰিবৰ্তিত হৈ থাকিল।

4.3.2 অংশত AD সৰলৰেখাৰ দুই ধৰণৰ চলকীয় পৰিবৰ্তনৰ কথা কোৱা হৈছিল। যেতিয়া Aৰ পৰিবৰ্তন হয়, তেতিয়া সৰলৰেখাডালৰ সমান্তৰালভাৱে উৰ্ধ্বগামী বা নিম্নগামী স্থানান্তৰ ঘটে। যেতিয়া Cৰ পৰিবৰ্তন ঘটে তেতিয়াও ৰেখাডালৰ নিম্নগামী বা উৰ্ধ্বমুখী স্থানান্তৰ ঘটে। MPSৰ বৃদ্ধি বা MPCৰ হ্ৰাসৰ বাবে AD ৰেখাৰ ঢাল কমি নিম্নগামী হয়।

চিত্ৰ নং (4.6)ত এই এই অৱস্থাটো দেখুওৱা হৈছে। স্থিৰ চলকৰ (Parameter) প্ৰাৰম্ভিক মান যেতিয়া $\bar{A} = 50$ আৰু $c_1 = 0.8$; তেতিয়া উৎপাদন আৰু সামাজিক চাহিদাৰ (4.4) নং সমীকৰণৰ ৰা পোৱা ভাৰসাম্য মান আছিল $Y = \frac{50}{1-0.8} = 250$

সেইদৰে, স্থিৰ চলকৰ মান c = 0.5 হ'লে মুঠ উৎপাদন আৰু সামগ্ৰিক চাহিদাৰ নতুন ভাৰসাম্য পৰিমাণ হ'ব $Y^0_2 = \frac{50}{1-0.5} = 100$

অৰ্থাৎ নতুন ভাৰসাম্য উৎপাদন আৰু মুঠ চাহিদা হ্ৰাসৰ পৰিমাণ হ'ল 150। পূৰ্বতে উল্লেখ কৰাৰ দৰে ই সৰ্বমুঠ সঞ্চয় অপৰিবৰ্তিত অৱস্থাত থকাৰ কথাকে সূচায়।

যেতিয়া এক নিৰ্দিষ্ট দৰ স্তৰত চূড়ান্ত দ্ৰব্যৰ মুঠ চাহিদা আৰু যোগান সমান হয়, তেতিয়া চূড়ান্ত দ্ৰব্যৰ বজাৰ ভাৰসাম্য অৱস্থাত উপনীত হয়। চূড়ান্ত দ্ৰব্যৰ মুঠ চাহিদা গঠন হয় অপ্ৰত্যাশিত বিনিয়োগ, ভোগ, চৰকাৰী ব্যয় আদিৰ দ্বাৰা। এক একক পৰিমাণৰ আয় বৃদ্ধিৰ ফলস্বৰূপে প্ৰত্যাশিত উপভোগ বৃদ্ধিৰ হাৰকে প্ৰান্তিক ভোগ প্ৰৱণতা (MPC) বোলা হয়। সাধাৰণভাৱে ক'বলৈ গ'লে হ্ৰস্বকালত চূড়ান্ত দ্ৰব্যৰ দৰ আৰু সুদৰ হাৰ স্থিৰে থকাৰ অভিধাৰণা গ্ৰহণ কৰি আমি এখন অৰ্থনীতিৰ চূড়ান্ত সামগ্ৰীৰ সামগ্ৰিক চাহিদা নিৰ্ধাৰণ কৰো। এই দৰত মুঠ যোগানৰ পৰিমাণ সম্পূৰ্ণ স্থিতিস্থাপক বুলি আমি অভিধাৰণা গ্ৰহণ কৰো। এনে পৰিপ্ৰেক্ষিতত কেৱল সামগ্ৰিক চাহিদাইহে মুঠ উৎপাদনৰ পৰিমাণ নিৰ্ধাৰণ কৰে।

ইয়াকে সক্ৰিয় চাহিদাৰ নীতি (Effective demand principle) বোলা হয়। গুণক প্ৰক্ৰিয়াৰ জৰিয়তে স্বতন্ত্ৰ ব্যয় বৃদ্ধিয়ে (হ্ৰাস) চূড়ান্ত দ্ৰব্য সামগ্ৰীৰ মুঠ উৎপাদন যথেষ্ঠ পৰিমাণে বৃদ্ধি (হ্ৰাস) ঘটায়।

## মূল ধাৰণাসমূহ (Key Concepts)

(1) সামগ্ৰিক চাহিদা – Aggregate demand

(2) সামগ্ৰিক যোগান – Aggregate supply

(3) ভাৰসমতা – Equilibrium

(4) প্ৰত্যাশিত – Ex-Ante

(5) শেহান্ত – Ex-post

(6) প্ৰত্যাশিত ভোগ – Ex-ante consumption

(7) প্ৰান্তীয় উপভোগ প্ৰৱণতা – Marginal Propensity to consume

(8) প্ৰত্যাশিত বিনিয়োগ – Ex-ante investment

(9) অপ্ৰত্যাশিত পূৰ্বৱৰ্তী দ্ৰব্যৰ পৰিৱৰ্তন – Unintended changes in enventories

(10) স্বতন্ত্ৰ পৰিৱৰ্তন – Autonomous change

(11) প্ৰাচলিক বা প্ৰাচলীয় স্থানান্তৰকৰণ – Parametric shift

(12) সক্ৰিয় চাহিদাৰ নীতি – Effective demand principle

(13) মিতব্যয়িতাৰ সাঁথৰ – Paradox of thrift

(15) স্বতন্ত্ৰ ব্যয় গুণক – Autonomous expenditure multiplier

## অনুশীলনী (Excercises)

(1) প্ৰান্তীয় উপভোগ প্ৰৱণতা বুলিলে কি বুজা? ই প্ৰান্তীয় সঞ্চয় প্ৰৱণতাৰ সৈতে কেনেদৰে সম্পৰ্কিত?

(2) প্ৰত্যাশিত বিনিয়োগ আৰু শেহান্ত বিনিয়োগৰ মাজৰ পাৰ্থক্য কি?

(3) ৰেখা এডালৰ প্ৰাচলিক স্থানান্তৰ (Parametric shift) বুলিলে কি বুজা? ৰেখা এডাল কেনেদৰে স্থানান্তৰ হয় যেতিয়া ইয়াৰ (i) ঢাল হ্ৰাস পায় (slope), (ii) ছেদাংশ বৃদ্ধি হয় (intercept)?

(4) সক্ৰিয় চাহিদা কি? চূড়ান্ত দ্ৰব্যৰ দৰ আৰু সুদৰ হাৰ প্ৰদত্ত অৱস্থাত তুমি কেনেকৈ স্বতন্ত্ৰ ব্যয় গুণক নিৰ্ণয় কৰিবা?


(5) স্বতন্ত্ৰ বিনিয়োগ আৰু ভোগ ব্যয় (A) 50 কোটি টকা; প্ৰান্তীয় সঞ্চয় প্ৰৱণতা 0.2 আৰু আয়স্তৰ (Y) 4,000 কোটি টকা হ'লে প্ৰত্যাশিত সামগ্ৰিক চাহিদাৰ পৰিমাণ কিমান হ'ব বিচাৰ কৰা। এনে অৱস্থাত অৰ্থনীতিয়ে ভাৰসমতা (equilibrium) লাভ কৰিবলৈ সক্ষম হ'বনে? কাৰণ দৰ্শোৱা।

(6) মিতব্যয়িতাৰ (Paradox of thrift) সাঁথৰ বুলিলে কি বুজা? ব্যাখ্যা কৰা।

## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)

(1) Dornbusch, R and S, Fischer, 1990, Macro-economics (fifth edition), pages 63-105, Mcgraw Hill, Paris.

পঞ্চম অধ্যায়



# চৰকাৰ ঃ কাৰ্যাৱলী আৰু পৰিসৰ
# The Government : Functions and Scope

মিশ্ৰ অৰ্থনীতিত, অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ উপৰিও চৰকাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই অধ্যায়ত মানুহৰ অৰ্থনৈতিক জীৱনক প্ৰভাৱান্বিত কৰা বিভিন্ন দিশবোৰ আলোচনা নকৰি, চৰকাৰী বাজেটৰ আয় আৰু ব্যয়ৰ লগত জড়িত তিনিটা পৃথক কাৰ্যৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

প্ৰথমতে, আমি ৰাজহুৱা দ্ৰব্য হিচাপে জনা কেতবোৰ দ্ৰব্য (যেনে, ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা, ৰাস্তা-ঘাট, চৰকাৰী প্ৰশাসন ইত্যাদি), যিবোৰ ব্যক্তিগত দ্ৰব্যৰ (যেনে, কাপোৰ, মটৰ গাড়ী, খাদ্য সামগ্ৰী)ৰ পৰা পৃথক, সেই দ্ৰব্যসমূহ ব্যক্তিগত উপভোক্তা বা উৎপাদনকাৰীৰ সংযোগৰ মাধ্যমেৰে অৰ্থাৎ বজাৰ ব্যৱস্থাৰ যোগেদি যোগান ধৰিব পৰা নাযায়। এই দ্ৰব্যসমূহ নিশ্চিতভাৱে চৰকাৰে যোগান ধৰিব লাগিব। ইয়াকে চৰকাৰৰ আবণ্টন কাৰ্য (Allocation function) বোলা হয়।

দ্বিতীয়তে, উপযুক্ত কৰ আৰু ব্যয় নীতিৰ যোগেদি চৰকাৰে সমাজৰ দ্বাৰা ন্যায্য (fair by society) হিচাপে বিবেচিত আয় বিতৰণ কাৰ্য সমাধা কৰিবলৈ চেষ্টা কৰে।

চৰকাৰে হস্তান্তৰযোগ্য দেনা (transfer payment) আৰু কৰ সংগ্ৰহৰ জৰিয়তে ব্যক্তিগত ব্যয়যোগ্য আয় (disposable income)ৰ পৰিৱৰ্তন ঘটাই আয় বিতৰণৰ ৰূপান্তৰ ঘটাব পাৰে আৰু ইয়াকে চৰকাৰৰ বিতৰণ কাৰ্য (distribution function) বোলা হয়।

তৃতীয়তে, অৰ্থনৈতিক কাৰ্যাৱলীৰ চক্ৰাকাৰ প্ৰবাহৰ ফলত দেশৰ অৰ্থনীতিয়ে এক গভীৰ অস্থিৰতাৰ পিনে গতি কৰে আৰু ইয়াৰ ফলত অৰ্থনীতিয়ে নিবনুৱা বা মুদ্ৰাস্ফীতিৰ (Unemployment or Inflation) নিচিনা সমস্যাত আক্ৰান্ত হ'ব পাৰে। অৰ্থনীতিৰ সামগ্ৰিক নিয়োগ আৰু দৰ স্তৰ (Price Level), সামগ্ৰিক চাহিদা (Agregate Demad)ৰ ওপৰত নিৰ্ভৰশীল। এই সামগ্ৰিক চাহিদা, চৰকাৰৰ লগতে বেচৰকাৰী অৰ্থনৈতিক এজেণ্টসকলৰ (Economic Agents) ব্যয় সিদ্ধান্তৰ ওপৰতো নিৰ্ভৰ কৰে। অৰ্থনৈতিক এজেণ্টসকলে কিমান ব্যয় কৰিব সেইটো নিৰ্ভৰ কৰে আয় আৰু ঋণৰ প্ৰাচুৰ্যতাৰ ওপৰত। শ্ৰম আৰু অন্য সম্পদবোৰৰ পূৰ্ণ ব্যৱহাৰৰ বাবে যিকোনো সময়ত কৰা এই ব্যয় স্তৰ পৰ্যাপ্ত পৰিমাণৰ নহ'বও পাৰে। যিহেতু মজুৰি আৰু দৰ সাধাৰণতে এটা নিম্নতম স্তৰত (এটা স্তৰৰ পৰা তললৈ গতি কৰিব নোৱাৰা অৱস্থাত) স্থিৰ হৈ থাকে, সেই কাৰণে নিয়োগ স্বয়ংক্ৰিয়ভাৱে (automatically) পূৰ্বৰ অৱস্থালৈ ঘূৰি নাহে। গতিকে সামগ্ৰিক চাহিদা বৃদ্ধি কৰিবলৈ কিছুমান নীতি বা উপায় অৱলম্বন কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰে। অন্যহাতে, অৰ্থনীতিৰ উচ্চ নিয়োগ (high empolyment) অৱস্থাত এনে এটা সময় আহিব পাৰে য'ত উৎপাদন ব্যয় উৎপন্ন দ্ৰব্যৰ পৰিমাণতকৈ অধিক হয় আৰু ইও মুদ্ৰাস্ফীতি সৃষ্টিৰ কাৰণ হ'ব পাৰে। এনেকুৱা অৱস্থাত মুঠ চাহিদা হ্ৰাস কৰিবলৈ কিছুমান নিষেধক চৰ্তৰ প্ৰয়োজন হয়, আৰু এই চৰ্তবোৰে দেশীয় অৰ্থনীতিৰ স্থিৰতা (stabilisation) ৰক্ষা কৰে।

চৰকাৰে আয়োজন কৰা ৰাজহুৱা দ্ৰব্যৰ (Public goods) আৱশ্যকতা সম্পৰ্কে বুজিবলৈ হ'লে, আমি প্ৰথমে ৰাজহুৱা দ্ৰব্য আৰু ব্যক্তিগত দ্ৰব্য (Private goods)ৰ মাজত থকা পাৰ্থক্যবোৰ বিবেচনা কৰিব লাগিব। ৰাজহুৱা দ্ৰব্য আৰু ব্যক্তিগত দ্ৰব্যৰ মাজত দুটা প্ৰধান পাৰ্থক্য আছে। এক, ৰাজহুৱা দ্ৰব্যৰ পৰা পোৱা সুবিধাবোৰ কোনো এক বিশেষ ভোক্তাৰ ক্ষেত্ৰত সীমাবদ্ধ নহয়, কিন্তু ব্যক্তিগত দ্ৰব্যৰ পৰা পোৱা সুবিধাবোৰ প্ৰত্যেকজন ভোক্তাই

ব্যক্তিগতভাৱে উপভোগ কৰিব পাৰে। উদাহৰণস্বৰূপে যদি এজন ব্যক্তিয়ে এটা চকলেট্ (Chocolate) ভোগ কৰে বা এটা কামিজ (Shirt) পিন্ধে, সেই চকলেট্ বা কামিজটো অন্য কোনো ব্যক্তিৰ বাবে প্ৰাপ্য নহয়। ব্যক্তিগত দ্ৰব্যৰ উপভোগ কাৰ্যৰ ক্ষেত্ৰত উপভোক্তাৰ মাজত প্ৰতিদ্বন্দ্বিতা পৰিলক্ষিত হয়। আনহাতে, যদি আমি এখন ৰাজহুৱা উদ্যানৰ কথা বিবেচনা কৰোঁ নতুবা বায়ু প্ৰদূষণ হ্ৰাস কৰাৰ বাবে অৱলম্বন কৰা উপায়ৰ কথা বিবেচনা কৰোঁ, তেতিয়া ইয়াৰ পৰা পোৱা উপকাৰবোৰ সকলোৰে বাবে প্ৰাপ্ত হ'ব। এই ৰাজহুৱা দ্ৰব্যৰ উপভোগ কাৰ্য মুক্ত আৰু অপ্ৰতিদ্বন্দ্বিতামূলক, অৰ্থাৎ এজন ব্যক্তিয়ে অন্য ব্যক্তিৰ প্ৰাপ্য হ্ৰাস নকৰাকৈ এই ৰাজহুৱা দ্ৰব্যবোৰৰ সুবিধা উপভোগ কৰিব পাৰে। ব্যক্তিগত দ্ৰব্যৰ উপভোক্তাৰ ক্ষেত্ৰত যিজন উপভোক্তাই দ্ৰব্যবিধ উপভোগৰ অৰ্থে কোনো মূল্য প্ৰদান নকৰে তেওঁ সেই দ্ৰব্যবিধ উপভোগ কৰাৰ পৰা বিৰত থাকিব লাগিব। যদি কোনো লোকে টিকট্ নিকিনাকৈ স্থানীয় চিনেমা গৃহত (চিনেমা হল্), চিনেমা বা কথাছবি উপভোগ কৰিব বিচাৰে তেতিয়া তেওঁ ইয়াক উপভোগ কৰিব নোৱাৰিব। কিন্তু ৰাজহুৱা দ্ৰব্যবোৰ উপভোগ কৰাৰ সুবিধাৰ পৰা বঞ্চিত কৰাৰ কোনো উপায় নাই (কাৰণ ৰাজহুৱা দ্ৰব্যবোৰৰ উপভোগ কাৰ্য বিভাজ্য নহয় আৰু ইয়াৰ উপভোগৰ ক্ষেত্ৰত পৰিত্যাগৰ নীতি প্ৰযোজ্য নহয়)। ভোক্তাই কোনো মূল্য প্ৰদান নকৰাকৈ ৰাজহুৱা দ্ৰব্যবোৰ ভোগ কৰিব পাৰে বাবে ইয়াক মুক্ত বিচৰণৰ (Free rider) সমস্যা বুলি কোৱা হয়। ৰাজহুৱা দ্ৰব্যবোৰ উপভোক্তাসকলে মুক্তভাৱে উপভোগ কৰিব পাৰে বাবে তেওঁলোকে ইয়াৰ সুবিধাবোৰ উপভোগৰ বিনিময়ত স্ব-ইচ্ছাই কোনো মূল্য প্ৰদান নকৰে আৰু সেইবাবে সামাজিক বা ৰাজহুৱা দ্ৰব্য উপভোগৰ ক্ষেত্ৰত পৰিত্যাগৰ নীতি (Exclusion Principle) প্ৰযোজ্য নহয়। এনে পৰিস্থিতিত গ্ৰাহক (ভোক্তা) আৰু উৎপাদনকাৰীৰ মাজত থকা যোগাযোগ বিচ্ছিন্ন হয় আৰু সেই দ্ৰব্যবোৰৰ সৰবৰাহৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হয়। ৰাজহুৱা সুবিধা বা আয়োজন আৰু ৰাজহুৱা উৎপাদন একে নহয়। ৰাজহুৱা সুবিধা বুলিলে বাজেটৰ জৰিয়তে অৰ্থ যোগান ধৰি সৃষ্টি কৰা চৰকাৰী সুবিধাবোৰকে বুজায় আৰু এই সুবিধাবোৰ গ্ৰহণ কৰাৰ বিনিময়ত চৰকাৰক কোনো প্ৰত্যক্ষ প্ৰতিদান দিব নালাগে। এই দ্ৰব্যবোৰ প্ৰত্যক্ষভাৱে চৰকাৰৰ পৰিচালনাৰ অধীনত বা বেচৰকাৰী খণ্ডৰ দ্বাৰাও উৎপাদিত হ'ব পাৰে।

এই অধ্যয়নৰ বিষয়বোৰ তলত দিয়া ধৰণে আলোচনা কৰা হ'ল। অনুচ্ছেদ 5.1ত চৰকাৰী ৰাজহৰ উৎস আৰু চৰকাৰী ব্যয়ৰ শিতানবোৰৰ উপৰিও, চৰকাৰী বাজেটৰ উপাংশবোৰ (Components) উপস্থাপন কৰা হৈছে। যেতিয়া ৰাজহ সংগ্ৰহতকৈ ব্যয় অধিক হয়, তেনে অৱস্থাত সৃষ্টি হোৱা চৰকাৰী ঘাটিৰ বিষয়ে অনুচ্ছেদ নং 5.2 ত আলোচনা কৰা হৈছে। ৰাজকোষীয় নীতি (Fiscal Policy) আৰু আয়-ব্যয়ৰ গণ্ডীৰ ভিতৰত আগতে আলোচনা কৰি অহা গুণক (multiplier) প্ৰণালীৰ বৰ্ণনা 5.3 নং অনুচ্ছেদত আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও বিত্তীয় ঘাটি পূৰণ কৰিবলৈ লোৱা চৰকাৰী ঋণৰ পৰিমাণ বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা সম্ভাব্য বিপদৰ বিষয়েও এই খণ্ডত আলোচনা কৰা হৈছে। অধ্যায়টো চৰকাৰী ঋণ সম্পৰ্কীয় আলোচনাৰে সামৰণি মৰা হৈছে।

## 5.1 চৰকাৰী বাজেটৰ উপাংশসমূহ (Components of The Government Budget) ঃ

ভাৰতীয় সংবিধানৰ 112 নম্বৰ অনুচ্ছেদ অনুসৰি ভাৰত চৰকাৰে প্ৰতিটো বিত্তীয় বছৰৰ বাবে (1 এপ্ৰিলৰ পৰা 31 মাৰ্চৰ সময়ছোৱাক এক বিত্তীয় বছৰ বুলি ধৰা হয়) চৰকাৰৰ প্ৰত্যাশিত আয় আৰু ব্যয়ৰ হিচাপৰ বিবৃতি সদনত (parliament) উত্থাপন কৰিব লাগে। চৰকাৰৰ এই প্ৰস্তাৱিত ব্যয় আৰু সম্ভাব্য আয়ৰ বছৰেকীয়া বিত্তীয় বিৱৰণক বাজেট বুলি কোৱা হয়। এই বাজেটে ৰাজহ হিচাপে (Expenditure on Revenue Account)ৰ ওপৰত হোৱা ব্যয়ক অন্য ব্যয়ৰ পৰা পৃথক কৰে। সেইবাবে চৰকাৰী বাজেটক দুটা অংশত বিভক্ত কৰিব পাৰি। ইয়াৰে এটা অংশ হ'ল — (ক) ৰাজহ বাজেট (Revenue Budget) আৰু আনটো অংশ হ'ল — (খ) মূলধনী বাজেট (Capital Budget)। (ছাৰ্ট নং 1 ত উল্লেখ কৰা হৈছে)।

### 5.1.1 ৰাজহ হিচাপ (The Revenue Account) ঃ

ৰাজহ বাজেটত চৰকাৰৰ চলিত প্ৰাপ্তি (current receipts) আৰু সেই প্ৰাপ্তিৰ পৰা কৰিব পৰা ব্যয়ৰ হিচাপ দেখুওৱা হয়।

**ৰাজহ প্ৰাপ্তি (Revenue Recepits) ঃ**

চৰকাৰৰ ৰাজহ প্ৰাপ্তিৰ উৎসসমূহক কৰ ৰাজহ (Tax Revenues) আৰু অনাকৰ ৰাজহ (Non-Tax Revenues) — এই দুটা ভাগত বিভক্ত কৰিব পাৰি। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰোপিত কৰ আৰু শুল্কসমূহ কৰ ৰাজহে সামৰি লয়। কৰ ৰাজহ চৰকাৰী আয় প্ৰাপ্তিৰ এটা গুৰুত্বপূৰ্ণ উপাংশ। কৰ প্ৰধানকৈ দুই প্ৰকাৰৰ ঃ প্ৰত্যক্ষ কৰ (Direct Taxes) আৰু পৰোক্ষ কৰ (Indirect Taxes)। যিবিধ কৰৰ সংঘাত (Impact) আৰু কৰভাৰ বা আপাতন (Incidence) একেজন ব্যক্তি (ব্যক্তিগত আয়কৰ) বা ব্যৱসায় প্ৰতিষ্ঠানৰ (নিগম কৰ) ওপৰত পৰে, সেইবিধ কৰক প্ৰত্যক্ষ কৰ বোলা হয়। আনহাতে, যিবিধ কৰৰ সংঘাত এজন ব্যক্তিৰ ওপৰত পৰে কিন্তু ব্যক্তিজনে সেই কৰ আনলৈ ঠেলি পঠিয়াব পাৰে সেইবিধ কৰক পৰোক্ষ কৰ বোলা হয়। আবকাৰী কৰ (দেশৰ ভিতৰতে উৎপাদন কৰা সামগ্ৰীৰ ওপৰত ধাৰ্য কৰা শুল্ক), আমদানি-ৰপ্তানি শুল্ক (ভাৰতবৰ্ষই আমদানি কৰা সামগ্ৰী আৰু ভাৰতৰ পৰা বিদেশলৈ ৰপ্তানি কৰা সামগ্ৰীৰ ওপৰত ধাৰ্য কৰা কৰ) আৰু সেৱা কৰ (Service Tax) পৰোক্ষ কৰৰ উদাহৰণ। ভাৰতবৰ্ষৰ আবকাৰী শুল্ক কৰ ৰাজহ সংগ্ৰহৰ একমাত্ৰ সৰ্ববৃহৎ উৎস। 2003-04 বৰ্ষত আমাৰ দেশৰ মুঠ ৰাজহৰ 35.7 শতাংশ আবকাৰী কৰৰ পৰাই সংগ্ৰহ কৰা হৈছিল। সম্পদ কৰ (Wealth Tax), দান কৰ (Gift Tax) আৰু (বৰ্তমান নাইকিয়া হোৱা) মৃত্যু কৰ (Estate duty) আদি অন্যান্য প্ৰত্যক্ষ কৰে ৰাজহ উপাৰ্জন (Yield)ৰ ক্ষেত্ৰত বিশেষ তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰা নাই আৰু সেই কাৰণে এনেবোৰ কৰক 'কাগজী কৰ' (Paper taxes) বুলিও কোৱা হয়। ভাৰতবৰ্ষৰ 2005-06 বাজেট বৰ্ষত দুবিধ নতুন কৰৰ সূচনা কৰা হয় — এবিধ হ'ল ফ্ৰিন্জ বেনিফিট কৰ (Fringe benefits tax) (কামত মকৰল হোৱা লোকসকলে যৌথভাৱে ভোগ কৰা সুবিধাবোৰৰ ওপৰত ধাৰ্য কৰা কৰ) আৰু আনবিধ হ'ল — বেংকৰ পৰা এদিনত এটা নিৰ্দিষ্ট পৰিমাণতকৈ অধিক নগদ মুদ্ৰা উলিয়ালে তাৰ ওপৰত আৰোপ কৰা কৰ।

1990-91 চনত মুঠ কৰ ৰাজহলৈ প্ৰত্যক্ষ কৰৰ অংশ আছিল 19.1 শতাংশ। 2003-

04 চনত এই অংশ 41.3 শতাংশলৈ বৃদ্ধি হোৱা দেখা গৈছে। কিন্তু মুঠ কৰ ৰাজহলৈ পৰোক্ষ কৰৰ অংশ 1990-91 চনত 78.4 শতাংশৰ পৰা 2003-04 চনত 57.9 শতাংশলৈ হ্ৰাস পায়।


চৰকাৰী আয়ৰ পুনৰ বিতৰণৰ সফল ৰূপায়ণৰ উদ্দেশ্যে, উচ্চ আয়ৰ লোকৰ পৰা উচ্চ হাৰত কৰ সংগ্ৰহ কৰা হয় যাক আমি ক্ৰমবৰ্ধমান আয় কৰ (Progressive income tax) বুলি কওঁ। ব্যৱসায় প্ৰতিষ্ঠানবোৰৰ (Firms) ওপৰত সমানুপাতিক আধাৰত (Proportional basis) কৰ ধাৰ্য কৰা হয়, য'ত সকলো স্তৰৰ আয়ৰ ব্যৱসায়িক প্ৰতিষ্ঠানে এক নিৰ্দিষ্ট সমান হাৰত কৰ প্ৰদান কৰিব লাগে। অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত আবকাৰী কৰ বা উৎপাদন শুল্ক (Excise Taxes) ৰেহাই দিয়া (Exempted) হয় বা অতি কম হাৰত কৰ আৰোপ কৰা হয়। আৰামদায়ক সামগ্ৰী (Comfortable goods) আৰু অৰ্ধ-বিলাসৰ সামগ্ৰী (Semi luxurious goods)ৰ ক্ষেত্ৰত নিয়মীয়া কৰ (moderate tax) আৰোপ কৰা হয়। বিলাসী সামগ্ৰী (Luxurius goods), ধপাত (Tobacco) আৰু পেট্ৰ'লৰ পৰা উৎপাদিত সামগ্ৰীবোৰৰ ওপৰত উচ্চ হাৰত কৰ আৰোপ কৰা হয়।

কেন্দ্ৰীয় চৰকাৰৰ অনা কৰ ৰাজহৰ (Non-tax Revenue) উৎসবোৰ হ'ল — সুদ গ্ৰহণ (Interest Receipts) (কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ঋণৰ বাবদ পোৱা সুদ, অনা কৰ ৰাজহৰ একমাত্ৰ সৰ্ববৃহৎ উৎস), চৰকাৰী বিনিয়োগৰ পৰা পোৱা লাভাংশ আৰু লাভ (dividends and profits), মাচুল (Fees) আৰু চৰকাৰে প্ৰদান কৰা সেৱাৰ বিনিময়ত গ্ৰহণ কৰা অন্যান্য প্ৰাপ্তিসমূহ। আন্তৰ্জাতিক সংগঠন আৰু বিদেশী ৰাষ্ট্ৰৰ পৰা পোৱা নগদ অনুদান-সাহায্যও (Grants-in-aid) অনা কৰ ৰাজহৰ অন্তৰ্ভুক্ত কৰা হয়।

ওপৰত উল্লেখ কৰা এই ৰাজহ প্ৰাপ্তিসমূহ বিত্তীয় বিধায়ক (Finance Bill)[1] ত অন্তৰ্ভুক্ত প্ৰস্তাৱিত কৰৰ ওপৰত প্ৰভাৱ পেলায়।

---

1 এখন বিত্তীয় বিলে বছৰেকীয়া বিত্তীয় বিৱৰণৰ লগতে প্ৰস্তাৱিত বাজেটত কৰ নিয়োজন, কৰ নাইকিয়াকৰণ, কৰ মাফ, কৰ পৰিৱৰ্তন বা নিয়ন্ত্ৰণৰ বিষয়ে বিশদ বিৱৰণ দাঙি ধৰে।




*ছাৰ্ট 1 (Chart–1) : চৰকাৰী বাজেটৰ উপাংশবোৰ*

**ৰাজহ ব্যয় (Revenue Expenditure) ঃ**

বহল অৰ্থত ক'বলৈ হ'লে— চৰকাৰৰ যিবোৰ ব্যয়ৰ ফলত স্থাৱৰ (Physical) বা বিত্তীয় পৰিসম্পত্তিৰ (Financial Assets) সৃষ্টি নহয়, সেইবোৰ ব্যয়েই ৰাজহ ব্যয়ৰ অন্তৰ্ভুক্ত। চৰকাৰী বিভাগবোৰৰ কাম-কাজবোৰ নিয়াৰিকৈ চলাই নিবলৈ আৰু জনসাধাৰণৰ মাজত বিভিন্ন ধৰণৰ সেৱা কাৰ্য আগবঢ়াবলৈ ৰাজহ ব্যয়ৰ প্ৰয়োজন হয়। ৰাজহ ব্যয় হিচাপত চৰকাৰী ঋণৰ বাবদ দিব লগা সুদ, ৰাজ্য চৰকাৰ আৰু অন্য দল, অনুষ্ঠান-প্ৰতিষ্ঠান আদিলৈ আগবঢ়োৱা অনুদান (আনকি সম্পত্তি বা মূলধন সৃষ্টিৰ বাবে প্ৰদান কৰা অনুদান আদিও) সামৰি লোৱা হয়।

চৰকাৰী বাজেট দলিলে (documents) মুঠ ৰাজহ ব্যয়ক পৰিকল্পনাৰ ৰাজহ ব্যয় (Plan revenue expenditure) আৰু পৰিকল্পনাৰ বহিৰ্ভূত ৰাজহ ব্যয় (Non-Plan-revenue

Expenditure) হিচাপে দুটা ভাগত বিভক্ত কৰে। পৰিকল্পনাৰ ৰাজহ ব্যয়ৰ শিতানত কেন্দ্ৰীয় অৰ্থনৈতিক (পাঁচ বছৰীয়া) পৰিকল্পনাৰ বাবে প্ৰয়োজনীয় ব্যয় আৰু ৰাজ্যিক তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰিকল্পনাৰ বাবে প্ৰদান কৰা কেন্দ্ৰীয় সাহায্য আদিক সামৰি লোৱা হয়। ৰাজহ ব্যয়ৰ অন্য এক গুৰুত্বপূৰ্ণ শিতান হ'ল পৰিকল্পনাৰ বহিৰ্ভূত ৰাজহ ব্যয়। এইবিধ ব্যয়ে চৰকাৰৰ সাধাৰণ, অৰ্থনৈতিক আৰু সামাজিক সেৱাৰ লগত জড়িত ব্যয়বোৰ সামৰি লয়। পৰিকল্পনাৰ বহিৰ্ভূত ব্যয়ৰ অন্তৰ্ভুক্ত প্ৰধান শিতানবোৰ হ'ল — সুদ প্ৰদান, প্ৰতিৰক্ষা সেৱা, ৰাজকীয় সাহায্য (Subsidy), কৰ্মচাৰীৰ দা-দৰমহা আৰু অৱসৰ বানচ (পেঞ্চন)।

বজাৰ ঋণ, বাহ্যিক আৰু আছুতীয়া জমাৰ সংৰক্ষিত মূলধনৰ বাবদ প্ৰদান কৰা সুদ, পৰিকল্পনাৰ বহিৰ্ভুত ৰাজহ ব্যয়ৰ একমাত্ৰ সৰ্ববৃহৎ উপাংশ। 2004-2005 বৰ্ষত, মুঠ ৰাজহ আয়ৰ 41.5 শতাংশ পৰিকল্পনাৰ বহিৰ্ভুত ৰাজহ ব্যয় হিচাপে ব্যৱহাৰ কৰা হৈছিল। প্ৰতিৰক্ষাৰ ব্যয় (Defence Expenditure), পৰিকল্পনাৰ বহিৰ্ভুত ৰাজহ ব্যয়ৰ দ্বিতীয় বৃহৎ উপাংশ। এনেধৰণৰ ব্যয় ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে হোৱা কাৰণে ইয়াক প্ৰতিশ্ৰুতিবদ্ধ ব্যয় (Committed expenditure) বুলিও কোৱা হয়। এইবিধ ব্যয় কৰ্তন কৰাৰ সুযোগ তেনেই কম। ৰাজকীয় সাহাৰ্য কল্যাণ বৃদ্ধিৰ একমাত্ৰ গুৰুত্বপূৰ্ণ উপায়। ৰাজহুৱা সাহাৰ্যৰ জৰিয়তে নিম্নদৰত শিক্ষা আৰু স্বাস্থ্যৰ নিচিনা ৰাজহুৱা দ্ৰব্য আৰু সেৱা কাৰ্যৰ সুবিধাসমূহ প্ৰদান কৰাৰ উপৰিও ৰপ্তানি, ঋণৰ বাবদ সুদ, খাদ্য আৰু ৰাসায়নিক সাৰ প্ৰয়োগৰ বাবে চৰকাৰে স্পষ্ট ৰাজ সাহাৰ্য (Explicit Subsidy) প্ৰদান কৰে। মুঠ ঘৰুৱা উপাদানৰ বাবে ৰাজকীয় সাহাৰ্যৰ পৰিমাণ, 1990-91 চনত 1.7 শতাংশৰ পৰা 2002-2003 আৰু 2004-05 বৰ্ষত ক্ৰমে 1.66 আৰু 1.45 শতাংশলৈ হ্ৰাস পায়।

### 5.1.2 মূলধনী হিচাপ (The Capital Account) ঃ

কেন্দ্ৰীয় চৰকাৰৰ পৰিসম্পত্তি (assets) আৰু দেনাৰ (liabilities) হিচাপক মূলধন বাজেট বুলি কোৱা হয়। ৰাজহ বাজেটৰ দৰে মূলধন বাজেটৰো দুটা অংশ আছে — (ক)

মূলধন প্ৰাপ্তি (Capital Receipt) আৰু মূলধন ব্যয় (Capital Expenditure)। এই মূলধন বাজেটে চৰকাৰৰ মূলধনৰ আৰশ্যকতা আৰু বিত্ত যোগানৰ নমুনা বা আৰ্হিবোৰ দেখুৱায়।

**মূলধন প্ৰাপ্তি (Capital Receipts) ঃ**

কেন্দ্ৰীয় বেংক (ভাৰতীয় ৰিজাৰ্ভ বেংক), বাণিজ্যিক বেংক, বিদেশী ৰাষ্ট্ৰ, আন্তৰ্জাতিক সংগঠন, অন্যান্য বিত্তীয় অনুষ্ঠান আৰু জনসাধাৰণৰ পৰা চৰকাৰে সংগ্ৰহ কৰা বজাৰ ঋণ আদি এই মূলধন প্ৰাপ্তিৰ অন্তৰ্ভুক্ত হোৱা প্ৰধান বিষয়। এইবোৰৰ উপৰিও, ক্ষুদ্ৰ সঞ্চয় (ডাকঘৰ সঞ্চয় হিচাপ, ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ), ভৱিষ্যনিধি (Provident funds) আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ (PSUs) অংশ বিক্ৰী কৰি পোৱা শুদ্ধ প্ৰাপ্তিসমূহ এই মূলধন প্ৰাপ্তি হিচাপত অন্তৰ্ভুক্ত কৰা হয়।

**মূলধনগ্ধ ব্যয় (Capital Expenditure) ঃ**

মূলধন ব্যয় হিচাপত, ভূমি অধিগ্ৰহণ (acquisition of land), গৃহ নিৰ্মাণ, যন্ত্ৰপাতি (Machinery), অংশপত্ৰত বিনিয়োগ (Investment in share), ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগতে ৰাজহুৱা খণ্ডৰ উদ্যোগ (PSUs) আৰু বিভিন্ন দল বা সংগঠনলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ঋণ আৰু আগধনসমূহ (loan and advances) সামৰি লোৱা হয়। মূলধন ব্যয়ও পৰিকল্পনাৰ ব্যয় আৰু পৰিকল্পনাৰ বহিৰ্ভুত ব্যয় হিচাপত দুটা ভাগত বিভক্ত কৰিব পাৰি। কেন্দ্ৰীয় পৰিকল্পনাৰ ব্যয় আৰু ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰিকল্পনাৰ বাবে আগবঢ়োৱা কেন্দ্ৰীয় সাহাৰ্য পৰিকল্পনাৰ মূলধন ব্যয়ৰ অন্তৰ্ভুক্ত। আনহাতে, অন্যান্য সাধাৰণ সেৱা, সামাজিক সেৱা আৰু অৰ্থনৈতিক সেৱাৰ বাবে চৰকাৰে প্ৰদান কৰা ব্যয় পৰিকল্পনাৰ বহিৰ্ভূত ব্যয়ৰ অন্তৰ্ভুক্ত কৰা হয়।

চৰকাৰী বাজেট কেৱল আয় আৰু ব্যয়ৰ হিচাপ-নিকাচৰ লগতে সীমাবদ্ধ হৈ থকা নাই, ই স্বাধীন ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আৰম্ভণিৰে পৰাই ৰাষ্ট্ৰীয় নীতিৰ এক তাৎপৰ্যপূৰ্ণ দলিল হিচাপেও পৰিগণিত হৈ আহিছে। চৰকাৰী বাজেটত দেশৰ আৰ্থ-সামাজিক জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়।

বাজেটৰ লগতে ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আৰু বাজেট পৰিচালনা আইন, 2003 (Fiscal Responsibility and Budget Management Act) (FRBMA)ৰ তিনিটা নীতি আদেশিত হয়। মধ্যকালীন ৰাজকোষীয় নীতি বিৰৰণে নিৰ্দিষ্ট ৰাজকোষীয় সূচকসমূহৰ বাবে তিনি বছৰীয়া ঘূৰ্ণায়মান লক্ষ্য স্থিৰ কৰে আৰু ৰাজহ ব্যয় ৰাজহ প্ৰাপ্তিত বহনক্ষম ভিত্তিত বিনিয়োগ কৰা হৈছে নে নাই আৰু কিমান উৎপাদনশীলভাৱে মূলধনীয় প্ৰাপ্তি (বজাৰ ঋণ অন্তৰ্ভুক্ত কৰি) ব্যৱহাৰ হৈছে তাক পৰীক্ষা কৰে। ৰাজকোষীয় নীতি কৌশল বিৰৰণে ৰাজকোষীয় ক্ষেত্ৰত চৰকাৰৰ গুৰুত্ব, নতুন নীতিসমূহ পৰ্যালোচনা আৰু অত্যাৱশ্যকীয় ৰাজকোষীয় নীতিসমূহ ন্যায়সংগতভাৱে কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। সমষ্টিগত অৰ্থনৈতিক গঠন বিৰৰণিয়ে মুঠ ঘৰুৱা উৎপাদনৰ উন্নয়ন হাৰ, কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষীয় ভাৰসাম্য আৰু বাহ্যিক ভাৰসাম্যসাপেক্ষে অৰ্থনৈতিক সমৃদ্ধিৰ বিষয়ে পৰিমাপ কৰে।[2]

### 5.1.3 চৰকাৰী ঘাটিৰ পৰিমাপসমূহ (Measures of Government Deficit) ঃ

যেতিয়া এখন দেশৰ চৰকাৰী ব্যয়ৰ পৰিমাণ সংগৃহীত ৰাজহৰ পৰিমাণতকৈ বেছি হয় তেতিয়া বাজেট ঘাটি[3] মল বুলি কোৱা হয়। (Budget deficit)। এখন চৰকাৰী বাজেট অধ্যয়ন কৰিলে কেইবা প্ৰকাৰৰ ঘাটিৰ প্ৰত্যয় দেখা যায় আৰু এই অৰ্থনৈতিক প্ৰত্যয়সমূহৰ কিছুমান নিজা-নিজা প্ৰভাৱ প্ৰতিফলিত হোৱাও পৰিলক্ষিত হয়।

---

[2] 2005 চনৰ ভাৰতৰ কেন্দ্ৰীয় বাজেটত লিংগ ভিত্তিক (Gender Budgeting) বাজেট প্ৰত্যয়ৰ প্ৰৱেশ ঘটিছে। চৰকাৰৰ লিংগভিত্তিক প্ৰতিশ্ৰুতিবোৰ বাজেটৰ দ্বাৰা অনুশীলন কৰি লিংগ ভিত্তিক বাজেট প্ৰস্তুত কৰা হয়। এই বাজেটত নাৰীৰ শক্তি বৃদ্ধিৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। লিংগ ভিত্তিক বাজেটত নাৰীশক্তিৰ উন্নয়নৰ বাবে আবণ্টিত সম্পদসমূহ কেনেভাৱে ব্যৱহাৰ কৰা হৈছে তাৰ সময়ে সময়ে মূল্যাংকনৰ ব্যৱস্থা থাকে। 2006-07 চনৰ বাজেটত ইয়াৰ পৰিসৰ আগতকৈ বৃদ্ধি কৰা হৈছে।

[3] যথা বিধি অনুসৰি, যি বাজেটত মুঠ (ৰাজহ আৰু মূলধন) ব্যয়ৰ পৰিমাণ মুঠ (ৰাজহ আৰু মূলধন) প্ৰাপ্তিতকৈ অধিক সেই বাজেট ঘাটি বাজেট। 1997-98 বৰ্ষৰ বাজেটৰ পৰা, ভাৰতবৰ্ষত বাজেটত ঘাটি দেখুওৱা অভ্যাস স্থগিত ৰখা হৈছে।

**ৰাজহ ঘাটি (Revenue Deficit) ঃ**

চৰকাৰৰ বাজেট ৰাজহ শিতানত অন্তৰ্ভুক্ত হোৱা মুঠ ৰাজহ ব্যয়তকৈ যদি উক্ত শিতানত অন্তৰ্ভুক্ত হোৱা ৰাজহ আয় বা ৰাজহ প্ৰাপ্তিৰ পৰিমাণ কম হয় তেতিয়া তাক ৰাজহ ঘাটি হিচাপে আখ্যা দিয়া হয়।

ৰাজহ ঘাটি (Revenue deficit) = ৰাজহ ব্যয় (Revenue expenditure) – ৰাজহ প্ৰাপ্তি (Revenue receipts)

চৰকাৰৰ অকল চলিত আয়-ব্যয়ৰ লগত জড়িত লেন-দেনসমূহ ৰাজহ ঘাটিৰ অন্তৰ্ভুক্ত কৰা হয়। যেতিয়া চৰকাৰৰ ৰাজহ ঘাটি হয়, তেতিয়া চৰকাৰৰ সঞ্চয় আৰু বিনিয়োগ ক্ষমতা নাইকিয়া হয়। এনে পৰিস্থিতিত চৰকাৰী বিনিয়োগ আৰু উপভোগ ব্যয়ৰ বাবে প্ৰয়োজন হোৱা বিত্ত সংগ্ৰহ কৰিবলৈ চৰকাৰে দেশীয় আৰু বিদেশী নাগৰিক আৰু বিত্তীয় অনুষ্ঠানৰ পৰা ঋণ ল'বলৈ বাধ্য হয়। চৰকাৰে গ্ৰহণ কৰা এই ঋণ আৰু ঋণৰ বাবে দিব লগা সুদৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলস্বৰূপে চৰকাৰে চৰকাৰী ব্যয় কৰ্তন কৰিবলৈও বাধ্য হয়। যিহেতু ৰাজহ ব্যয়ৰ এটা প্ৰধান অংশই হ'ল প্ৰতিশ্ৰুতিবদ্ধ ব্যয় (Committed expenditure), সেয়েহে এনেকুৱা ব্যয় কমাব নোৱাৰি। এনে ক্ষেত্ৰত চৰকাৰে প্ৰায়ে উৎপাদনশীল মূলধন ব্যয় (Productive Capital Expenditure) বা কল্যাণকামী ব্যয় (Welfare Expenditure) হ্ৰাস কৰাহে পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে দেশৰ অৰ্থনৈতিক বৃদ্ধিৰ হাৰ নিম্নগামী হয় আৰু ই কল্যাণ সাধনত প্ৰতিকূল অৱস্থাৰ সৃষ্টি কৰে।

**ৰাজকোষীয় ঘাটি (Fiscal Deficit) ঃ**

চৰকাৰৰ মুঠ ব্যয় আৰু মুঠ প্ৰাপ্তিৰ (ঋণৰ পৰা হোৱা উপাৰ্জন বাদ দি) মাজত থকা পাৰ্থক্যকেই ৰাজকোষীয় ঘাটি বুলি কোৱা হয়।

মুঠ ৰাজকোষীয় ঘাটি = মুঠ ব্যয় — ৰাজহ প্ৰাপ্তি + ঋণ সৃষ্টি নকৰা মূলধন প্ৰাপ্তি (Gross fiscal deficit = Total expenditure – (Revenue receipts + Non-debt

creating capital receipts)। ইয়াত ঋণ সৃষ্টি নকৰা মূলধন প্ৰাপ্তি বুলিলে ধাৰ নোলোৱাকৈ পোৱা প্ৰাপ্তিসমূহক বুজায়। অৰ্থাৎ ঋণ আদায় (receovery of loans) আৰু ৰাজহুৱা খণ্ডৰ অধীনস্থ উদ্যোগসমূহৰ বিক্ৰীৰ পৰা পোৱা উপাৰ্জন আদি ইয়াৰ উদাহৰণ।

চৰকাৰী ঋণৰ জৰিয়তে ৰাজকোষীয় ঘাটিৰ বিত্ত যোগান ধৰা হয়। ই চৰকাৰৰ সকলো উৎসৰ পৰা প্ৰয়োজন হোৱা মুঠ ঋণৰ বিষয়ে উল্লেখ কৰে। 'বিত্ত যোগানৰ দিশৰ পৰা চালে মুঠ ৰাজকোষীয় ঘাটি = শুদ্ধ ঘৰুৱা ঋণ গ্ৰহণ + ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা লোৱা ঋণ + দেশৰ ভিতৰৰ পৰা বা বিদেশৰ পৰা ব্যাপকভাৱে গ্ৰহণ কৰা ঋণ।

(Gross fiscal deficit = Net borrowing at home + Borrowing from RBI + Borrowing from abroad)

ইয়াত শুদ্ধ ঘৰুৱা ঋণ গ্ৰহণ বুলিলে বিভিন্ন পদ্ধতিৰ (উদাহৰণস্বৰূপে নানা ধৰণৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি) জৰিয়তে জনসাধাৰণৰ পৰা প্ৰত্যক্ষভাৱে গ্ৰহণ কৰা ঋণ আৰু বিধিসন্মত তাৰল্য অনুপাতৰ (Statutory Liquidity Ratio - SLR) জৰিয়তে বাণিজ্যিক বেংকৰ পৰা পৰোক্ষভাৱে গ্ৰহণ কৰা ঋণৰ বিষয়ে উল্লেখ কৰিব পাৰি। কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষীয় ঘাটি (Fiscal deficit) 1990-91 চনৰ মুঠ জাতীয় উৎপাদনৰ (GDP) 6.6 শতাংশৰ পৰা 1996-97 চনত 4.1 শতাংশলৈ কমাই অনাৰ পাছত 2001-2002 চনত 6.2 শতাংশলৈ বৃদ্ধি পায় (তালিকা 5.1)। ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আৰু বাজেট পৰিচালনা আইন 2003 (FRBMA - 2003) ৰ প্ৰয়োগৰ ফলত, 2004-2005 চনত ৰাজকোষীয় ঘাটি আৰু ৰাজহ ঘাটি ক্ৰমে 4.1 শতাংশ আৰু 2.5 শতাংশলৈ হ্ৰাস পায় (সাময়িকভাৱে পোৱা তথ্যৰ ভিত্তিত)। ৰাজকোষীয় ঘাটিৰ সমানুপাতত ৰাজহ ঘাটিৰ বৰ্ধিত অংশই (যিটো 1990-91 চনত 49.4 শতাংশ আছিল কিন্তু 2003-04 চনত 79.7 শতাংশলৈ বৃদ্ধি হৈছিল) ৰাজহ ঘাটিৰ গুণ (quality) দ্ৰুত গতিত হ্ৰাস কৰাৰ কথাকে সূচনা কৰে।

| তালিকা 5.1 কেন্দ্ৰীয় চৰকাৰৰ প্ৰাপ্তি আৰু ব্যয় | | | | | |
|---|---|---|---|---|---|
| **(মুঠ জাতীয় উৎপাদনৰ শতকৰা হিচাপত)** | **1990-91** | **2000-01** | **2001-02** | **2002-03** | **2003-04** |
| 1. ৰাজহ প্ৰাপ্তি (ক+খ) | 9.7 | 9.1 | 8.8 | 9.4 | 9.6 |
| ক) কৰ ৰাজহ (ৰাজ্যসমূহৰ শুদ্ধ অংশ) | 7.6 | 6.5 | 5.9 | 6.5 | 6.8 |
| খ) অনা কৰ ৰাজহ | 2.1 | 2.7 | 3.0 | 3.0 | 2.8 |
| 2. ৰাজহ ব্যয় | 12.9 | 13.2 | 13.2 | 13.8 | 13.1 |
| ক) সুদ পৰিশোধ | 3.8 | 4.7 | 4.7 | 4.8 | 4.5 |
| খ) প্ৰধান ৰাজকীয় সাহায্য | 1.7 | 1.2 | 1.3 | 1.7 | 1.6 |
| গ) প্ৰতিৰক্ষা ব্যয় | 1.9 | 1.8 | 1.7 | 1.7 | 1.6 |
| 3. ৰাজহ ঘাটি (2 - 1) | 3.3 | 4.0 | 4.4 | 4.4 | 3.6 |
| 4. মূলধন প্ৰাপ্তি (ক+খ+গ) | 5.6 | 6.3 | 7.1 | 7.4 | 7.5 |
| ক) ঋণ আদায় | 1.0 | 0.6 | 0.7 | 1.4 | 2.4 |
| খ) অন্যান্য প্ৰাপ্তি (প্ৰধানকৈ ৰাজহুৱা খণ্ডৰ অধীনৰ উদ্যোগসমূহৰ অবিনিয়োগ) | 0.0 | 0.1 | 0.2 | 0.1 | 0.6 |
| গ) ঋণ গ্ৰহণ আৰু অন্য দেনাসমূহ | 4.6 | 5.6 | 6.2 | 5.9 | 4.5 |
| 5. মূলধন ব্যয় | 4.4 | 2.3 | 2.7 | 3.0 | 4.0 |
| 6. মুঠ ব্যয় [2+5=6(ক)+(খ)] | 17.3 | 15.4 | 15.9 | 16.9 | 17.1 |
| ক) পৰিকল্পনা ব্যয় | 5.0 | 3.9 | 4.4 | 4.6 | 4.4 |
| খ) পৰিকল্পনা বহিৰ্ভূত ব্যয় | 12.3 | 11.5 | 11.4 | 12.3 | 12.6 |
| 7. ৰাজকোষীয় ঘাটি [6-1-4 (ক) - 4 (খ)] | 6.6 | 5.6 | 6.2 | 5.9 | 4.5 |
| 8. প্ৰাথমিক ঘাটি [7 - 2(ক)] | 2.8 | 0.9 | 1.5 | 1.1 | 0.0 |


উৎস ঃ অৰ্থনৈতিক জৰীপ, 2005-06 (Economic survey, 2005-06)

**প্ৰাথমিক ঘাটি (Primary Deficit) ঃ**

আমি নিশ্চয় উল্লেখ কৰিব পাৰো যে চৰকাৰৰ ঋণ লোৱাৰ আৱশ্যকতাৰ ফলত জমা হৈ থকা ঋণৰ ওপৰত বাধ্যতামূলক সুদকো অন্তৰ্ভুক্ত কৰা হয়। চলিত ব্যয় ৰাজহতকৈ অধিক হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজন হোৱা ঋণৰ পৰিমাণ নিৰূপণ কৰিবলৈ প্ৰাথমিক ঘাটি (Primary Deficit) গণনা কৰাটো আৱশ্যক হয়। বাজেটৰ ৰাজকোষীয় ঘাটি আৰু বিত্তীয় বছৰটোত প্ৰদান কৰিবলগীয়া সুদৰ পাৰ্থক্যকে প্ৰাথমিক ঘাটি বোলে। অৰ্থাৎ মুঠ প্ৰাথমিক ঘাটি = মুঠ ৰাজকোষীয় ঘাটি — প্ৰদান কৰিবলগীয়া শুদ্ধ সুদ।

ইয়াত শুদ্ধ সুদ প্ৰদান = সুদ প্ৰদান — সুদ প্ৰাপ্তি (শুদ্ধ ঘৰুৱা ঋণ প্ৰদানৰ পৰা পোৱা চৰকাৰী সুদ)

## 5.2 ৰাজকোষীয় নীতি (Fiscal Policy) ঃ



ৰাজকোষীয় নীতিয়ে উক্ত তিনিটা উদ্দেশ্য সফল হ'বলৈ কি ধৰণে প্ৰয়াস কৰিব লাগিব?

কেইন্‌ছৰ নিয়োগ, সুদ আৰু মুদ্ৰাৰ সাধাৰণ তত্ত্বৰ (The General Theory of Employment, Interest and Money) মূল ধাৰণাসমূহৰ ভিতৰত এক অন্যতম ধাৰণা হ'ল যে চৰকাৰী ৰাজকোষীয় নীতি উৎপাদন (output) আৰু নিয়োগ (Employment)ৰ স্তৰ সুস্থিৰে (Stabilise) ৰখাৰ বাবে ব্যৱহাৰ কৰা উচিত। ব্যয় আৰু কৰৰ পৰিৱৰ্তনৰ যোগেদি চৰকাৰে উৎপাদন আৰু আয় (Income) বৃদ্ধি কৰি অৰ্থনীতিৰ উত্থান-পতন (Ups and Downs) নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে। এই কাৰ্যত ৰাজকোষীয় নীতিয়ে সুষম বাজেটৰ (Balanced Budget) (চলিত ৰাজহ আৰু চলিত ব্যয় সমান হ'লে সুষম বা ভাৰসাম্য বাজেট আখ্যা দিয়া হয়) বিপৰীতে ৰাহি বাজেট (Surplus Budget) (চলিত ৰাজহতকৈ

চলিত ব্যয় কম হ'লে তাক ৰাহি বাজেট আখ্যা দিয়া হয়) বা ঘাটি বাজেট (Deficit Budget)ৰ (চলিত ৰাজহতকৈ চলিত ব্যয় বেছি হ'লে ঘাটি বাজেট আখ্যা দিয়া হয়।) সৃষ্টি কৰে। আমি ইতিমধ্যে আগৰ অধ্যায়ত আয় নিৰ্ধাৰণত চৰকাৰী খণ্ডৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰি আহিছো।

ভাৰসাম্য আয়ৰ স্তৰ নিৰ্ণয়ৰ ক্ষেত্ৰত চৰকাৰে প্ৰত্যক্ষভাৱে দুই ধৰণে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। প্ৰথমতে চৰকাৰে দ্ৰব্য সামগ্ৰী আৰু সেৱা কাৰ্য ক্ৰয় কৰি (G) সামগ্ৰিক চাহিদা (Aggreatate Demand) বৃদ্ধি কৰিব পাৰে। দ্বিতীয়তে, কৰৰ সহায়ত চৰকাৰে জনসাধাৰণৰ ব্যয়যোগ্য উপাৰ্জনৰ (YD) (ব্যয়যোগ্য আয় বুলিলে ব্যক্তি আৰু পৰিয়ালে প্ৰকৃততে ভোগকাৰ্য আৰু সঞ্চয় কৰিব পৰা আয়ৰ অংশটো বুজায়) পৰিৱৰ্তন ঘটাই উপভোগ (Consumption) আৰু বিনিয়োগ (Investment) কাৰ্যৰ নিয়ন্ত্ৰণ কৰিব পাৰে।

প্ৰথমতে আমি কৰৰ বিষয়ে উল্লেখ কৰিব পাৰো। ধৰা হ'ল চৰকাৰে আয়ৰ ওপৰত নিৰ্ভৰ নকৰি কৰ আৰোপ কৰে, যাক কোৱা হয় থুলমূল (Lump-Sum) কৰ (T)। আমি আকৌ ধৰি ল'লো যে চৰকাৰে জনসাধাৰণলৈ এক অপৰিৱৰ্তিত পৰিমাণৰ উপাৰ্জন বা আয় (Constant amount of income) হস্তান্তৰ কৰে। ইয়াক আমি $\overline{TR}$ বুলি ধৰি ল'ব পাৰো। এইক্ষেত্ৰত ভোগ ফলনটো (Consumption function) হ'ল—

$$C = \overline{C} + bYD = \overline{C} + b(Y - \overline{T} + \overline{TR}) \quad \ldots\ldots\ldots (5.1)$$

য'ত YD = ব্যয়যোগ্য আয় (Disposable Income)

আমি জানো যে চৰকাৰে প্ৰচলিত কৰসমূহৰ হাৰ বৃদ্ধি কৰাৰ লগতে নতুন কৰ-কাটল ধাৰ্য কৰাৰ ফলত জনসাধাৰণৰ ব্যয়যোগ্য আয় (Disposable Income) আৰু উপভোগ্য ব্যয়ৰ পৰিমাণ হ্ৰাস হয়। উদাহৰণস্বৰূপে যদি এজন ব্যক্তিয়ে 1 লাখ টকা উপাৰ্জন কৰে আৰু 10,000 টকাৰ কৰ আদায় দিয়ে, তেতিয়া তেওঁৰ ব্যয়যোগ্য আয় (DPI) হ'ব 90,000 টকা যিটো অন্য এক ব্যক্তিয়ে কৰবিহীনভাৱে উপাৰ্জন কৰা 90,000 টকাৰ সমান

হয়। গতিকে চৰকাৰী খণ্ডক অন্তৰ্ভুক্ত কৰি পোৱা সামগ্ৰিক চাহিদাৰ (Aggregate demand) সংজ্ঞা হ'ব —

$$AD = \overline{C} + c\left(Y - T + \overline{TR}\right) + I + G \text{ ....................(5.2)}$$

ৰৈখিক চিত্ৰৰ সহায়ত আমি পাওঁ যে থূলমূল কৰে (Lump sum tax) ভোগ অনুসূচী (Consumption Schedule)ক সমান্তৰালভাৱে ঠেলি পঠিয়ায় আৰু একেদৰে সৰ্বমুঠ চাহিদা ৰেখাও তললৈ গতি কৰে। গতিকে উৎপাদন বজাৰ (Product market) ত আয় নিৰ্ধাৰণৰ চৰ্ত হ'ব Y = AD, ইয়াক তলত উল্লেখ কৰা ধৰণে লিখিব পাৰি—

$$Y = \overline{C} + c\left(Y - T + \overline{TR}\right) + I + G \text{................(5.3)}$$

এতিয়া ভাৰসাম্য আয়ৰ স্তৰ সমাধান কৰি পাওঁ যে—

$$Y^{*} = \frac{1}{1-c}\left(\overline{C} - cT + c\overline{TR} + I + G\right) \text{............(5.4)}$$

**5.2.1 চৰকাৰী ব্যয়ৰ পৰিৱৰ্তন (Changes in Government Expenditure) ঃ**


আমি প্ৰচলিত কৰৰ হাৰ অপৰিৱৰ্তিত (Constant) বুলি ধৰি লৈ চৰকাৰী ক্ৰয়ৰ (G) পৰিমাণবোৰ বিবেচনা কৰিব পাৰো। যেতিয়া G, T তকৈ অধিক হয়, তেতিয়া অৰ্থনীতিখনত (চৰকাৰৰ) ঘাটি বাজেটৰ উদ্ভৱ হয়। কিয়নো চৰকাৰী ক্ৰয় (G) হ'ল সৰ্বমুঠ ব্যয়ৰ এটা উপাংশ (Component) আৰু সেয়েহে পৰিকল্পিত অৰ্থনীতিত G ৰ বৃদ্ধি হ'লে সৰ্বমুঠ ব্যয়ৰো বৃদ্ধি হ'ব। ইয়াৰ ফলস্বৰূপে সামগ্ৰিক চাহিদাসূচী (Aggregate demand schedule) $AD^{/}$ লৈ স্থানান্তৰিত হয়। দ্ৰব্য সামগ্ৰীৰ উৎপাদনৰ প্ৰাৰম্ভিক স্তৰত, যোগানতকৈ চাহিদা অধিক হয় আৰু সেইবাবে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে উৎপাদনৰ পৰিমাণ সম্প্ৰসাৰণ কৰে। এই ক্ষেত্ৰত নতুন ভাৰসাম্য অৱস্থান হ'ব $E^{/}$। ইয়াত গুণক কৌশলৰ (Multiplier mechanism) (চতুৰ্থ অধ্যায়ত উল্লেখ কৰা হৈছে) প্ৰভাৱ পৰিলক্ষিত হয়। এই প্ৰক্ৰিয়াত চৰকাৰী ব্যয় গুণকৰ সমীকৰণটো তলত দিয়া ধৰণৰ হ'ব—

$$\Delta Y = \frac{1}{I-c}\Delta G \text{ ..........(5.5)}$$

অথবা

$$\frac{\Delta Y}{\Delta G} = \frac{1}{I-c} \text{.................(5.6)}$$


চিত্ৰ 5.1 ত দেখুওৱাৰ দৰে চৰকাৰী ব্যয় G ৰ পৰা $G^{/}$ লৈ বাঢ়ি যোৱাৰ ফলত ভাৰসাম্য আয় (equilibrium income) Y ৰ পৰা $Y^{/}$ লৈ বাঢ়ি যায়।




উচ্চ চৰকাৰী ব্যয়ৰ প্ৰভাৱ

**5.2.2 কৰৰ পৰিৱৰ্তন (Changes in Taxes) ঃ**

আমি পাইছো যে আয়ৰ প্ৰত্যেক স্তৰত কৰৰ পৰিমাণ কৰ্তন কৰিলে ব্যয়যোগ্য আয় (Y – T) বৃদ্ধি হয়। গতিকে চৰকাৰে C পৰিমাণৰ কৰ হ্ৰাস কৰি সামগ্ৰিক ব্যয়সূচী ওপৰলৈ স্থানান্তৰিত কৰিব পাৰে। ইয়াক 5.2 নং চিত্ৰৰ সহায়ত দেখুওৱা হ'ল।




কৰ হ্ৰাসৰ প্ৰভাৱ

সমীকৰণ 5.3 ৰ পৰা পাওঁ যে

$$\Delta Y^{*} = \frac{1}{I-c}(-c)\Delta T \text{..........(5.7)}$$

এই ক্ষেত্ৰত কৰ গুণক (Tax multiplier)

$$= \frac{\Delta Y}{\Delta T} = \frac{-c}{I-c} \text{.................(5.8)}$$

যিহেতু কৰৰ পৰিমাণ হ্ৰাস (বৃদ্ধি)ৰ ফলত ভোগ আৰু উৎপাদন বৃদ্ধি (হ্ৰাস)

পায় আৰু সেইবাবে কৰ গুণক এটা ঋণাত্মক গুণক হিচাপে দেখা দিয়ে। সমীকৰণ 5.6 আৰু 5.8ক তুলনা কৰি আমি পাওঁ যে পৰম চূড়ান্ত মূল্যত (Absolute Value) কৰ গুণক চৰকাৰী ব্যয় গুণকতকৈ তুলনামূলকভাৱে সৰু। কাৰণ চৰকাৰী ব্যয় বৃদ্ধিয়ে মুঠ ব্যয়ৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। আনহাতে কৰৰ নিয়োজনে সিহঁতৰ ব্যয়যোগ্য ব্যক্তিগত আয়ৰ ওপৰত থকা হেঁচাৰ জৰিয়তে গুণক প্ৰক্ৰিয়াক প্ৰভাৱান্বিত কৰে আৰু সিয়ে পৰিয়ালৰ উপভোগৰ ওপৰত প্ৰভাৱ পেলায়। এইদৰে $\Delta T$ পৰিমাণৰ কৰ হ্ৰাসৰ জৰিয়তে, উপভোগ আৰু মুঠ ব্যয় প্ৰথম দৃষ্টান্তমূলক হিচাপে পৰিমাণলৈ বৃদ্ধি হয়। আমি তলত উল্লেখ কৰা উদাহৰণৰ সহায়ত কৰ গুণক আৰু ব্যয় গুণকৰ মাজত থকা পাৰ্থক্যবোৰ বুজিব পাৰো —

**উদাহৰণ ———— 5.1**




এই দুখীয়া মানুহজনে কিয় কান্দি আছে? তেওঁৰ চকুপানী মচিবলৈ কেতবোৰ পৰামৰ্শ আগবঢ়োৱা

ধৰি লোৱা হ'ল যে জনসাধাৰণৰ প্ৰান্তিক উপভোগ প্ৰৱণতাৰ পৰিমাণ (Marginal propensity to consume) 0.8। তেতিয়া চৰকাৰী গুণক হ'ব

$$\frac{-\Delta T}{1-c} = \frac{-0.8}{1-0.8} = \frac{-0.8}{0.2} = 5\ -4$$

যদি চৰকাৰী ব্যয় 100 লৈ বাঢ়ে তেন্তে ভাৰসাম্য আয় 500 লৈ বাঢ়ি যাব।

$\left(\frac{1}{1-c}\Delta G = 5\times100\right)$। এই ক্ষেত্ৰত ব্যয় গুণক হ'ব

আকৌ কৰ 100 লৈ হ্ৰাস কৰিলে $(\Delta T = -100)$, ভাৰসাম্য আয় $400\left(\frac{-c}{1-c}\Delta T = -4\times-100\right)$ লৈ বৃদ্ধি হ'ব। এইদৰে বৃদ্ধি পোৱা ভাৰসাম্য আয়ৰ পৰিমাণ, G বৃদ্ধিৰ ফলত বঢ়া ভাৰসাম্য আয়তকৈ কম।

বৰ্তমান এই গঠন প্ৰণালীত যদি আমি প্ৰান্তিক উপভোগ প্ৰৱণতাৰ বিভিন্ন মান (Values) লৈ দুটা গুণকৰ মান নিৰ্ণয় কৰো, তেতিয়া দেখা পাওঁ যে কৰ গুণকৰ চৰম মূল্য চৰকাৰী ব্যয় গুণকতকৈ সদায় এক কম। ইয়াৰ এটা গুৰুত্বপূৰ্ণ ভাৱাৰ্থ অন্তৰ্নিহিত হৈ আছে। চৰকাৰে সুষম বাজেট অটুট ৰাখিবলৈ, চৰকাৰী ব্যয় বঢ়াৰ লগে লগে সমপৰিমাণৰ কৰ বৃদ্ধি কৰিব লাগিব আৰু এই ক্ষেত্ৰত চৰকাৰী ব্যয় বৃদ্ধিৰ পৰিমাণে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব। এতিয়া দুয়োটা গুণক নীতি যোগ কৰি পাওঁ যে সুষম বাজেট গুণক (Balanced budget multiplier)

$$\frac{\Delta Y}{\Delta G} = \frac{1}{1-c} + \frac{-c}{1-c} = \frac{1-c}{1-c} = 1 \text{ ..................................(5.9)}$$

এখন সুষম বাজেট গুণকৰ এককে বুজায় যে যদি 100 পৰিমাণৰ চৰকাৰী ব্যয় (G) বৃদ্ধিৰ বাবে 100 পৰিমাণৰ কৰ আৰোপ কৰি বিত্ত যোগান ধৰা হয় তেতিয়া আয়ৰ পৰিমাণে প্ৰায় 100 লৈ বৃদ্ধি হ'ব। উদাহৰণ - 1 ৰ পৰা পাওঁ যে 100 চৰকাৰী ব্যয় (G) বৃদ্ধিৰ ফলত উৎপাদন 500 লৈ বৃদ্ধি পায়। আনহাতে, কৰ বৃদ্ধিৰ ফলত আয় 400 টন হ্ৰাস হয় আৰু প্ৰকৃত আয় (Net income) হয়গৈ 100 ৰ সমান। ভাৰসাম্য আয়ে এটা চূড়ান্ত আয়ক বুজায় আৰু ই গুণকৰ সহায়ত দীৰ্ঘকাললৈ কাম কৰে। কৰৰ বৃদ্ধিৰ ফলত প্ৰণোদিত উপভোগ ব্যয় নাবাঢ়িলে, চৰকাৰী ব্যয়ৰ (G) বৃদ্ধিয়ে সমপৰিমাণৰ উৎপাদন বৃদ্ধি কৰিব। ইয়াক গুণক প্ৰক্ৰিয়াৰ দ্বাৰা আমি সুচাৰুৰূপে পৰীক্ষা কৰি চাব পাৰো। এক নিৰ্দিষ্ট পৰিমাণৰ চৰকাৰী ব্যয় বৃদ্ধিয়ে প্ৰত্যক্ষভাৱে আয় বৃদ্ধিত সহায় কৰিব আৰু তলত উল্লেখ কৰা গুণক প্ৰক্ৰিয়াৰ দ্বাৰা ক্ৰমান্বয়ে আয় পৰোক্ষভাৱে বৃদ্ধি হৈ গৈ থাকিব।

$$\Delta Y = \Delta G + c\Delta G + c^2\Delta G + ............ = \Delta G\left(1 + c + c^2 + .....\right) ................(5.10)$$

কিন্তু বৰ্ধিত কৰ গুণক প্ৰক্ৰিয়াত তেতিয়াহে প্ৰৱেশ কৰিব যেতিয়া ই জনসাধাৰণৰ ব্যয়যোগ্য আয় কৰ্তন কৰি c গুণ পৰিমাণৰ উপভোগ হ্ৰাস কৰিব। সেয়েহে আয়ৰ ওপৰত কৰ বৃদ্ধিৰ পৰিণাম তলত দিয়া সমীকৰণৰ দ্বাৰা নিৰ্ণয় কৰিব পাৰি

$$\Delta y = -c\Delta T - c^2\Delta T + ....... = -\Delta T(c + c^2 + c^2 + ......) ....... (5.11)$$

উপৰোক্ত সমীকৰণ দুটাৰ পাৰ্থক্যই আয়ৰ ওপৰত ব্যয় আৰু কৰৰ প্ৰকৃত প্ৰভাৱ দেখুৱায়। সমীকৰণ 5.10 আৰু 5.11 ৰ পৰা আমি পাওঁ যে $\Delta Y = \Delta G$, অৰ্থাৎ চৰকাৰী ব্যয় যি পৰিমাণত বৃদ্ধি হয় সেই একে পৰিমাণত আয়ো বৃদ্ধি পায় আৰু সেইদৰে সুষম বাজেট গুণক এককৰ সমান হয়। এই গুণকটো ওপৰত উল্লেখ কৰা 5.3 সমীকৰণটোৰ দ্বাৰাও পাব পাৰো। যিহেতু বিনিয়োগ পৰিৱৰ্তন নহয়

যিহেতু $\Delta\overline{G} = \Delta T$ সেয়েহে ইয়াৰ পৰা পাওঁ যে —

**সমানুপাতিক কৰৰ ক্ষেত্ৰত (Case of Proportional Taxes) ঃ**


এটা অতি বাস্তৱ অভিধাৰণা হ'ল যে চৰকাৰে আয়ৰ এটা স্থিৰ অংশ কৰ (t) হিচাপে সংগ্ৰহ কৰে, এই ক্ষেত্ৰত T = tY । গতিকে সমানুপাতিক কৰ (Proportional tax) ৰ সৈতে উপভোগ ফলন (Consumption function) তলত দিয়া ধৰণৰ হ'ব —

$\Delta Y = \Delta\overline{G} + c(\Delta Y - \Delta T)$ ......(5.12)

$\frac{\Delta Y}{\Delta G} = \frac{1-c}{1-c} = 1$ .........(5.13)

$C = \overline{C} + c\left(Y - ty + \overline{TR}\right) = \overline{C} + c(I-t)Y + c\overline{TR}$ ..............(5.14)


আমি জানো যে আনুপাতিক বা সমানুপাতিক কৰে কেৱল যে উপভোগহে কমায় তেনে নহয়, ই উপভোগ ফলনৰ ঢালো (Slope) কমায়। ই প্ৰান্তিক উপভোগ প্ৰৱণতা (mpc) C(I-t) লৈ হ্ৰাস কৰে। নতুন সামগ্ৰিক চাহিদাসূচী, AD/ ৰেখাডাল বাধাগ্ৰস্ত হৈ 5.3 নং চিত্ৰত দেখুওৱাৰ দৰে অধিক চেপেটা (flatter) হয়।




চৰকাৰ আৰু সামগ্ৰিক চাহিদা (সমানুপাতিক কৰে AD সূচীক চেপেটা আকাৰ দিয়ে)

এতিয়া আমি পাওঁ যে—

$AD = \overline{C} + c(I-t)Y + c\overline{TR} + I + G$



(সমানুপাতিক কৰৰ সৈতে) চৰকাৰী ব্যয় বৃদ্ধি

$\overline{A} =$ স্বয়ংক্ৰিয় ব্যয়


এতিয়া দ্ৰব্য বজাৰত আয় নিৰ্ধাৰণৰ চৰ্তটো হ'ব Y = AD, যিটো তলত দিয়া ধৰণে লিখিব পাৰি—

ভাৰসাম্য আয়ৰ পৰিমাণৰ বাবে সমাধান কৰি পাওঁ যে

$$Y^* = \frac{1}{1-c(1-t)}\overline{A} \quad ........... (5.17)$$

যাতে গুণক তলত দিয়া ধৰণৰ হয়

$$\frac{\Delta Y}{\Delta \overline{A}} = \frac{1}{1-c(1-t)} ..............(5.18)$$



সমানুপাতিক কৰৰ হাৰ হ্ৰাস কৰাৰ প্ৰভাৱ

এই গুণকৰ মূল্যক থূলমূল কৰৰ (ক্ৰতিকৰতিৰৰ) সৈতে গণনা কৰা গুণকৰ মূল্যৰ লগত তুলনা কৰিলে পোৱা যায় যে গুণকৰ মূল্যটো কমি যায়। থূলমূল কৰ (Lump sum taxes) ৰ ক্ষেত্ৰত চৰকাৰী ব্যয় বৃদ্ধিয়ে যেতিয়া আয়ৰ পৰিমাণ বৃদ্ধি কৰে উপভোগৰ পৰিমাণ আয় বৃদ্ধিৰ c গুণ বৃদ্ধি হয়। সমানুপাতিক কৰৰ ক্ষেত্ৰত উপভোগ ইয়াতকৈ কমকৈ বাঢ়িব, আৰু উপভোগ বৃদ্ধিৰ পৰিমাণ হ'ব আয় বৃদ্ধিৰ [c - ct = c(I - t)] গুণ। এতিয়া G ৰ পৰিৱৰ্তনৰ বাবে গুণক তলত দিয়া ধৰণৰ হ'ব —

$$\Delta Y = \Delta\overline{G} + c(1-t)\Delta Y .........................(5.19)$$

$$\Delta Y = \frac{1}{1-c(1-t)}\Delta\overline{G} ..............(5.20)$$

5.4 নং চিত্ৰত দেখুওৱাৰ দৰে জনসাধাৰণৰ আয় $Y^*$ ৰ পৰা $Y'$ লৈ বৃদ্ধি পায়।

আকৌ 5.5 নং চিত্ৰত দেখুওৱাৰ দৰে কৰৰ হ্ৰাসে উপভোগৰ প্ৰৱণতা বৃদ্ধি কৰে। উক্ত চিত্ৰ (5.5) ত দেখুওৱাৰ দৰে AD ৰেখাডাল $AD'$ লৈ স্থানান্তৰিত হয়। আয়ৰ প্ৰাৰম্ভিক স্তৰত সামগ্ৰিক চাহিদা, দ্ৰব্যৰ উৎপাদনতকৈ বেছি হয় কাৰণ কৰ হ্ৰাসকৰণে উপভোগ বৃদ্ধি কৰে। এই ক্ষেত্ৰত নতুন উচ্চতৰ স্তৰৰ আয় হ'ব $Y'$।

**উদাহৰণ ——— 5.2**

ওপৰত উল্লেখ কৰা উদাহৰণ —5.1 ত যদি কৰৰ হাৰ 0.25 বুলি ধৰি লওঁ তেতিয়া আয় বৃদ্ধিৰ প্ৰত্যেকটো এককৰ বাবে উপভোগৰ পৰিমাণ আগৰ 0.80 ৰ পৰিৱৰ্তে এতিয়া 0.6.{C (I– C) = 0.8 × 0.75} হ'ব। সেয়েহে উপভোগ আগতকৈ কম পৰিমাণে বাঢ়িব। এই ক্ষেত্ৰত চৰকাৰী ব্যয় গুণক $\frac{1}{1-c(1-t)}=\frac{1}{1-0.6}=\frac{1}{0.4}=2.5$ হ'ব। যিটো থূলমূল কৰ (Lump sum taxes) ৰ ক্ষেত্ৰত পোৱাতকৈ কম হ'ব। যদি চৰকাৰী ব্যয় 100 বাঢ়ি যায় তেতিয়া উৎপাদন চৰকাৰী ব্যয়ৰ গুণিতক হাৰত বৃদ্ধি হ'ব। অৰ্থাৎ উৎপাদনৰ বৃদ্ধিৰ পৰিমাণ = 2.5X 100 = 250, যিটো থূলমূল (Lump sum taxes) কৰৰ সৈতে জড়িত উৎপাদন বৃদ্ধিতকৈ কম।

সমানুপাতিক আয় কৰে (Proportional Income Tax), এটা স্বয়ংক্ৰিয় নিয়ন্ত্ৰক (Automatic stabiliser) হিচাপে কাম কৰে, কাৰণ ই জনসাধাৰণৰ ব্যয়যোগ্য উপাৰ্জন পৰিৱৰ্তন কৰাৰ লগতে উপভোগ ব্যয়ৰ পৰিমাণৰো পৰিৱৰ্তন সাধন কৰে, কিন্তু মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ (GDP) হ্ৰাস-বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাব নোৱাৰে। যেতিয়া মুঠ ৰাষ্ট্ৰীয় উৎপাদন (GDP) বৃদ্ধি হয়, তেতিয়া জনসাধাৰণৰ ব্যয়যোগ্য উপাৰ্জন মুঠ ৰাষ্ট্ৰীয় উৎপাদন বঢ়াতকৈ কম পৰিমাণে বৃদ্ধি হয় কাৰণ ইয়াৰ এটা অংশ কৰ হিচাপে ওলাই যায়। ই ভোগ ব্যয়ক ঊৰ্দ্ধমুখী কৰাত সহায় কৰে। আকৌ অৰ্থনীতিৰ পতন (Recession) বা মূল্য সংকোচনৰ অৱস্থাত, যেতিয়া মুঠ ৰাষ্ট্ৰীয় উৎপাদন হ্ৰাস হয় তেতিয়া ব্যয়যোগ্য উপাৰ্জন

কম গতিত হ্ৰাস পায় আৰু ভোগ বেছি পৰিমাণে নকমে। অন্যথা ই সীমাবদ্ধ কৰা অৰ্থনৈতিক সুস্থিৰতা ৰক্ষা কৰাত সহায় কৰে।

এইটো মন কৰিবলগীয়া যে বিনিয়োগ চাহিদা (Investment demand) পৰিৱৰ্তনৰ অ-আকাংক্ষিত (Undesirable) প্ৰভাৱসমূহ নাইকিয়া কৰিবলৈ ৰাজকোষীয় নীতিৰ আহিলাসমূহৰ পৰিৱৰ্তন সাধন কৰিব পাৰি। অৰ্থাৎ, যদি বিনিয়োগ $I_0$ ৰ পৰা $1_1$ লৈ কমি যায়, চৰকাৰী ব্যয় $G_0$ ৰ পৰা $G_1$ লৈ বৃদ্ধি কৰিব পাৰি। এই ক্ষেত্ৰত স্বয়ংক্ৰিয় ব্যয় (autonomous expenditure) ($C + I_0 + G_0 = C + I_1 + G_1$) আৰু ভাৰসাম্য আয় একে থাকে। ৰাজকোষীয় নীতিৰ এই উপযুক্ত কাৰ্যবোৰে অৰ্থনৈতিক সুস্থিৰতা প্ৰদান কৰে, যাক আমি অবাধিত বা স্ব-ইচ্ছামূলক ৰাজকোষীয় নীতি (Discretionary fiscal policy) বুলি কওঁ আৰু ইয়াক স্বয়ংক্ৰিয় নীতি (Automatic) সুস্থিৰতাৰ গুণবোৰৰ পৰা পৃথক কৰিব পাৰি। আগতে আলোচনা কৰা হৈছে যে সমানুপাতিক কৰে এখন অৰ্থনীতিক ঊৰ্ধ্বমুখী বা নিম্নমুখী গতিৰ পৰা সুস্থিৰ অৱস্থালৈ আনিব পাৰে। আকৌ কল্যাণ হস্তান্তৰকৰণেও (Welfare transfers) দেশৰ আয় সুস্থিৰে ৰখাত সহায় কৰে। এখন অৰ্থনীতিয়ে অভিবৃদ্ধি (Boom) বা মুদ্ৰস্ফীতি (Inflation) ৰ সন্মুখীন হোৱাৰ সময়ত, যেতিয়া নিয়োগৰ হাৰ অধিক হয় তেতিয়া উচ্চ উপভোগ ব্যয় (High consumption expenditure) ৰ পৰিমাণ হ্ৰাস কৰিবলৈ চৰকাৰে কৰৰ সহায়ত ব্যয়যোগ্য আয়ৰ পৰিমাণ হ্ৰাস কৰি অৰ্থনৈতিক সুস্থিৰতা ৰক্ষা কৰাত সহায় কৰে। অন্যহাতে অৰ্থনৈতিক পতনৰ সময়ছোৱাত, কল্যাণমূলক আঁচনিসমূহত চৰকাৰে কৰা পুঁজিৰ বিনিয়োগে উপভোগ বহনক্ষম (Sustainable) কৰাত সহায় কৰে। এইদৰে অৰ্থনৈতিক সুস্থিৰতা ৰক্ষাৰ্থে আধুনিক চৰকাৰে গ্ৰহণ কৰা ৰাজকোষীয় পদ্ধতিত কিছুমান স্বয়ংক্ৰিয় নিয়ন্ত্ৰক (automatic stabilisers) ৰ গুণ অন্তৰ্নিহিত হৈ থাকে। ইয়াৰ উপৰিও আনকি ব্যক্তিগত খণ্ডতো এই অন্তৰ্নিহিত নিয়ন্ত্ৰক (built-in Stabilisers) ৰ উপাদানবোৰে কাম কৰা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, নিগম বা ব্যক্তিগত খণ্ডৰ অন্তৰ্ভুক্ত ব্যৱসায়িক প্ৰতিষ্ঠানৰ লাভাংশ (Dividends) বিতৰণৰ নীতিয়ে অৰ্থনীতিৰ স্বয়ংক্ৰিয় নিয়ন্ত্ৰক হিচাপে কাম কৰা দেখা যায়।

তেনেদৰে জীৱন ধাৰণৰ মানদণ্ড অটুট ৰাখিবলৈ ব্যক্তিগত পৰিয়ালৰ অৰ্থনৈতিক কাম-কাজসমূহেও স্বয়ংক্ৰিয় অন্তৰ্নিহিত নিয়ন্ত্ৰক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। মন কৰিবলগীয়া বিষয় যে এই অন্তৰ্নিহিত নিয়ন্ত্ৰকবোৰে অৰ্থনীতিৰ অস্থিৰ (Fluctuation) অংশ হ্ৰাস কৰাত সহায় কৰে আৰু বাকীবোৰ উপযুক্ত নীতিৰ সহায়ত নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা হয়।

**হস্তান্তৰকৰণ (Transfers) ঃ**

আমি ধৰি লওঁ যে চৰকাৰে দ্ৰব্য সামগ্ৰী আৰু সেৱা কাৰ্যৰ পৰিৱৰ্তে হস্তান্তৰিত ব্যয় (Transfer payment), $\overline{TR}$ বৃদ্ধি কৰে তেতিয়া স্বয়ংক্ৰিয় ব্যয় (Autonomous spending) পৰিমাণে বাঢ়িব আৰু সেয়েহে উৎপাদন বৃদ্ধিৰ হাৰ, চৰকাৰী ব্যয় বৃদ্ধিৰ ফলত হোৱা উৎপাদন বৃদ্ধিৰ হাৰতকৈ কম হ'ব, কাৰণ জনসাধাৰণে হস্তান্তৰিত আয় বৃদ্ধিৰ এটা অংশ সঞ্চয় কৰিব। হস্তান্তৰিত ব্যয়ৰ পৰিৱৰ্তনৰ বাবে হোৱা ভাৰসাম্য আয়ৰ পৰিৱৰ্তন তলত দিয়া ধৰণে দেখুৱাব পাৰি— $\bar{A}$, $c\Delta\overline{TR}$

$$\Delta Y = \frac{c}{1-c}\Delta TR \quad ...........(5.21)$$

বা

$$\frac{\Delta Y}{\Delta TR} = \frac{c}{1-c} \quad ...........(5.22)$$

**উদাহৰণ —— 5.3**

আমি ধৰি ল'ব পাৰো যে জনসাধাৰণৰ প্ৰান্তিক উপভোগ প্ৰৱণতা হ'ল (Marginal propesity to consume) 0.75 (MPC = 0.75) আৰু চৰকাৰে জনসাধাৰণৰ পৰা এটা থুলমূল কৰ (Lump sum taxes) সংগ্ৰহ কৰে। যেতিয়া চৰকাৰী ব্যয়ৰ বৃদ্ধিৰ পৰিমাণ 20 কোটি টকা হয় তেতিয়া ভাৰসাম্য আয় (ৰাষ্ট্ৰীয় আয়) $\Delta Y = \frac{1}{1-0.75}\Delta G = 4\times 20 = 80$

কোটি টকা বৃদ্ধি হ'ব। কাৰণ এই ক্ষেত্ৰত বিনিয়োগ গুণকৰ (Investment multiplier) পৰিমাণ হ'ব 4। আকৌ চৰকাৰে যদি অতিৰিক্ত কৰ ধাৰ্যৰ মাধ্যমত 30 কোটি টকা সংগ্ৰহ কৰে তেতিয়া ভাৰসাম্য আয়ৰ (ৰাষ্ট্ৰীয় আয়) পৰিমাণ 90 কোটি টকালৈ হ্ৰাস হ'ব। কাৰণ $\Delta Y = \frac{-0.75}{1-0.75}\Delta T = -3\times 30 = -90$, অন্যহাতে যদি হস্তান্তৰিত ব্যয় বৃদ্ধিৰ পৰিমাণ 20 কোটি টকা হয় তেন্তে ভাৰসাম্য আয় $\Delta Y = \frac{-0.75}{1-0.75}\Delta TR = 3\times 20 = 60$ কোটি টকালৈ বৃদ্ধি হ'ব। এইদৰে আমি জানিব পাৰো যে ৰাষ্ট্ৰীয় আয় বৃদ্ধি, চৰকাৰী ব্যয় বৃদ্ধিৰ ফলত হোৱা বৰ্দ্ধিত আয়তকৈ কম।

### 5.2.3 চৰকাৰী ঋণ (Public Debt) ঃ

এখন দেশৰ চৰকাৰে কৰ, ঋণ বা অতিৰিক্ত কাগজী মুদ্ৰা ছপা কৰি বাজেটৰ ঘাটি (Budgetary deficit) পূৰণৰ বাবে বিত্ত যোগান ধৰিব পাৰে। সাধাৰণতে চৰকাৰে ধাৰৰ ওপৰত বিশ্বাস কৰে, যাক কোৱা হয় চৰকাৰী ঋণ (এখন দেশৰ চৰকাৰে আভ্যন্তৰীণ অথবা বৈদেশিক উৎসৰ পৰা ঋণ হিচাপে যি পুঁজি সংগ্ৰহ কৰে তাকেই সাধাৰণতে চৰকাৰী বা ৰাজহুৱা ঋণ বুলি কোৱা হয়)। ঘাটি (Deficits) আৰু ঋণ (Debts) এই দুয়োটা ধাৰণাৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক আছে। ঘাটিক পুঁজিৰ প্ৰৱাহ (Flow) হিচাপে ভাবিব পাৰি আৰু ইয়াক ঋণৰ মজুতৰ লগত যোগ কৰা হয়। যদি চৰকাৰে বছৰৰ পাছত বছৰ ধৰি ঋণৰ আশ্ৰয় লয় তেতিয়া ঋণৰ ওপৰত অধিক সুদ প্ৰদান কৰিবলগীয়া হয়। চৰকাৰে প্ৰদান কৰিবলগীয়া এই সুদৰ পৰিমাণেও ৰাজহুৱা ঋণলৈ বৰঙণি যোগায়।

### উচিত পৰিমাণৰ চৰকাৰী ঋণৰ ওপৰত প্ৰত্যাশা ঃ

### (Perspective on the appropriate Amount of Government Debt) :

উচিত পৰিমাণৰ চৰকাৰী ঋণৰ ওপৰত দুটা সংযুক্ত দৃষ্টিভংগী আছে। ইয়াৰ এটা চৰকাৰী ঋণৰ বোজা সম্পৰ্কীয় আৰু আনটো হ'ল চৰকাৰী ঋণ পৰিশোধ কৰা বাবে প্ৰয়োজন হোৱা বিত্ত যোগান সম্পৰ্কীয় বিষয়। ঋণৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি ঋণৰ

বোজাৰ বিষয়ে আলোচনা কৰিব পাৰি। সৰু ব্যৱসায়ী এজনৰ ঋণৰ ক্ষেত্ৰত যিটো সঁচা চৰকাৰী ঋণৰ ক্ষেত্ৰত সেইটো সঁচা নহ'বও পাৰে। চৰকাৰে কৰ আৰু কাগজী মুদ্ৰা ছপাৰ জৰিয়তে সম্পদ আহৰণ কৰিব পাৰে। যিটো ব্যক্তিগত ব্যৱসায়ীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

চৰকাৰে, কৰ্তন কৰা উপভোগৰ বোজা ঋণ গ্ৰহণৰ জৰিয়তে ভৱিষ্যতৰ জনসাধাৰণলৈ হস্তান্তৰিত কৰিব পাৰে। কাৰণ চৰকাৰে আজিৰ জনসাধাৰণক ঋণ পত্ৰ (Bonds) প্ৰদান কৰি এই ঋণ গ্ৰহণ কৰে আৰু কৰ সংগ্ৰহৰ যোগেদি প্ৰায় 20 বছৰমানৰ পাছত এই ধাৰ পৰিশোধ কৰিব পাৰে। এই কৰ উঠি অহা যুৱক-যুৱতীসকলৰ ওপৰত (যিসকল কামত সোমাইছে মাত্ৰ) আৰোপ কৰাৰ ফলত সিহঁতৰ ব্যয়যোগ্য আয় হ্ৰাস পাব আৰু উপভোগৰ পৰিমাণো কমিব। গতিকে এইটো যুক্তিসহকাৰে ক'ব পাৰি যে চৰকাৰী ঋণ বৃদ্ধিৰ ফলত ৰাষ্ট্ৰীয় সঞ্চয় (National Savings) ৰ পৰিমাণো হ্ৰাস পায় আৰু সঞ্চয় বৃদ্ধিৰ হাৰ হ্ৰাস পোৱাৰ ফলত মূলধন গঠনৰ (Capital Formation) হাৰো হ্ৰাস পাবলৈ ধৰে। ফলত অৰ্থনৈতিক উন্নয়নৰ হাৰ মন্থৰ হয়। এইদৰে ঋণে ভৱিষ্যতৰ জনসাধাৰণৰ বাবে বোজা (Burden) হিচাপে কাম কৰে।

গতানুগতিকভাৱে (Traditionally) এইটো যুক্তি দৰ্শাব পাৰি যে যেতিয়া চৰকাৰে কৰ কৰ্তন কৰে আৰু এখন ঘাটি বাজেটৰ আশ্ৰয় লয়, তেতিয়া উপভোক্তাই আগতকৈ বেছি খৰচ কৰে। এইটো সম্ভৱ যে আজিৰ এই যুৱশক্তি অদূৰদৰ্শী (Short-Sighted) আৰু ঘাটি বাজেটৰ পৰিমাণ সম্পৰ্কে অৱগত নহয়। জনসাধাৰণে এইটো অনুভৱ কৰিব নোৱাৰে যে ভৱিষ্যতে তেওঁলোকে জমা হৈ থকা ঋণ আৰু সুদ পৰিশোধ কৰাৰ বাবে অধিক পৰিমাণৰ কৰৰ বোজা বহন কৰিব লাগিব। আনকি যদি জনসাধাৰণে এই কথাটো বুজিও পায়, তথাপি সিহঁতে এইটো ভাবিব পাৰে যে ভৱিষ্যতৰ কৰৰ বোজা তেওঁলোকৰ ভৱিষ্যতৰ বংশধৰসকলৰ ওপৰত পৰিব পাৰে। ইয়াৰ বিপক্ষে আগবঢ়োৱা এটা যুক্তি হ'ল — ভোক্তাসকল (Consumers) দূৰদৰ্শী (Forward-looking) আৰু সিহঁতে অকল প্ৰচলিত উপাৰ্জনৰ ওপৰত নিৰ্ভৰ নকৰি ভৱিষ্যতৰ প্ৰত্যাশিত উপাৰ্জনক ব্যয়ৰ ভেটি হিচাপে লৈ ব্যয় কাৰ্য সম্পন্ন কৰিব পাৰে। সিহঁতে বুজি পাব পাৰে যে আজিৰ ধাৰ মানে ভৱিষ্যতে

অধিক কৰ প্ৰদান। তদুপৰি, ভোক্তাসকলে সিহঁতৰ ভৱিষ্যতৰ বংশধৰসকললৈও চিন্তা কৰিব — কাৰণ সিহঁত বৰ্তমান বংশধৰসকলৰ ল'ৰা-ছোৱালী বা নাতি ল'ৰা-ছোৱালী আৰু সিহঁতৰ পৰিয়ালবোৰেও এক উপযুক্ত বিবেচক গোট হিচাপে ক্ৰমাগতভাৱে জীৱন ধাৰণ কৰি আহিছে। সিহঁতে এতিয়া সঞ্চয় বঢ়াব পাৰে আৰু ই চৰকাৰৰ বাঢ়ি যোৱা অসঞ্চয়ৰ (Dissaving) পৰিমাণ নাইকিয়া কৰিব যাতে ৰাষ্ট্ৰীয় সঞ্চয়ৰ কোনো পৰিৱৰ্তন নহয়। ইয়াক ৰিকাৰ্ডৰ সমতা বুলি কোৱা হয়। ১৯ শতিকাৰ এজন মহান অৰ্থনীতিবিদ ডেভিড ৰিকাৰ্ডে যুক্তি আগবঢ়াইছিল যে বেছি ঘাটিৰ সময়ত মানুহে বেছি সঞ্চয় কৰে। ইয়াক সমতা (equivalance) বুলি কোৱা হয়; কাৰণ কৰ আৰু চৰকাৰী ঋণ ঘাটি বিত্ত যোগানৰ দুটা সমতুল্য উপায়। আজি যদি চৰকাৰে ঋণ গ্ৰহণ কৰি ইয়াৰ বৰ্ধিত ব্যয়ৰ চাহিদা পৰিপূৰণৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু এই ঋণ ভৱিষ্যতে জনসাধাৰণৰ ওপৰত কৰ ধাৰ্য কৰি পৰিশোধ কৰিবলগীয়া হয়। তেতিয়া অৰ্থনীতিত ইয়াৰ যি প্ৰভাৱ পৰিব ঠিক একেই প্ৰভাৱ/সংঘাত অৰ্থনীতিত পৰিব যদিহে চৰকাৰে ইয়াৰ বৰ্ধিত আয়ৰ চাহিদা বৰ্তমানে অধিক কৰ বৃদ্ধি কৰি সংগ্ৰহ কৰে।

এইটো যুক্তি সহকাৰে ক'ব পাৰি যে (আভ্যন্তৰীণ) 'ঋণ এটা তাৎপৰ্যপূৰ্ণ বিষয় নহয় — কাৰণ ইয়াক আমাৰ দ্বাৰাই আমাক পৰিশোধ কৰা হয়'। যদিও এই ঋণে দুটা বংশৰ মাজত (Between two generation) সম্পদ হস্তান্তৰিত কৰে তথাপি জনসাধাৰণৰ ক্ৰয় ক্ষমতা এখন দেশৰ ভিতৰতে থাকে। কিন্তু বৈদেশিক ঋণৰ ক্ষেত্ৰত আমি বিদেশী লোকৰ ওচৰত ঋণী হওঁ আৰু এই ঋণে বোজাৰ সৃষ্টি কৰে। কাৰণ বৈদেশিক ঋণৰ ওপৰত সুদ আৰু ঋণ পুঁজি পৰিশোধৰ অৰ্থে ঋণ গ্ৰহণকাৰীৰ দেশে ঋণদাতা দেশলৈ দ্ৰব্য সামগ্ৰী ৰপ্তানি কৰিবলগীয়া হয়।

### বিত্তীয় ঘাটি আৰু ঋণৰ ওপৰত অন্যান্য প্ৰত্যাশা ঃ

### (Other Perspectives on Deficits and Debt) :

বিত্তীয় ঘাটিৰ মুখ্য সমালোচনাৰ ভিতৰত এটা হ'ল যে বিত্তীয় ঘাটি মুদ্ৰাস্ফীতিজনক

(Inflationary)। কাৰণ যেতিয়া চৰকাৰে ব্যয় বৃদ্ধি কৰে বা কৰ-কাটলৰ হাৰ কৰ্তন কৰে, তেতিয়া সামগ্ৰিক চাহিদা (Aggregate Demand) বৃদ্ধি পায়। এনে অৱস্থাত উৎপাদন প্ৰতিষ্ঠানে (Firms) চলিত দৰত (On going Prices) চাহিদাৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ উচ্চ হাৰত উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সমৰ্থ নহ'বও পাৰে। এনে অৱস্থাত দ্ৰব্য সামগ্ৰীৰ যোগানৰ তুলনাত চাহিদাৰ পৰিমাণ উচ্চ হাৰত বৃদ্ধি হয় আৰু এই বৰ্ধিত চাহিদাই মূল্য বৃদ্ধিৰ সৃষ্টি কৰে, অন্যহাতে যদি দেশত সম্পদ অব্যৱহৃত (Unutilised) হৈ থাকে তেতিয়া দ্ৰব্য সামগ্ৰীৰ উৎপাদন চাহিদাৰ অভাৱত বাধাগ্ৰস্ত হয়। সেয়েহে, উচ্চ হাৰৰ বৰ্ধিত চাহিদা পূৰণৰ অৰ্থে উচ্চতৰ হাৰত উৎপাদন বৃদ্ধি কৰিবলৈ ঘাটি বিত্তক ব্যৱহাৰ কৰি মুদ্ৰাস্ফীতিজনক অৱস্থাৰ অৱসান ঘটাব পাৰি।

যুক্তিসহকাৰে ক'ব পাৰি যে সঞ্চয়ৰ পৰিমাণ হ্ৰাস হ'লে ব্যক্তিগত খণ্ডত বিনিয়োগৰ পৰিমাণো হ্ৰাস হয়। কাৰণ, যদি চৰকাৰে চলিত বিত্তীয় ঘাটি পৰিপূৰণৰ অৰ্থে ঋণপত্ৰ (Bonds) বিক্ৰী কৰি দেশৰ নাগৰিকৰ পৰা ঋণ সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তেতিয়া চৰকাৰী ঋণপত্ৰবোৰে কোনো নিগম বা অন্য বেচৰকাৰী বিত্তীয় প্ৰতিষ্ঠানে পুঁজি সংগ্ৰহৰ বাবে যোগান ধৰা ঋণপত্ৰৰ লগত প্ৰতিযোগিতাৰ সন্মুখীন হ'ব। যদি ব্যক্তিগত সঞ্চয়কাৰীসকলে চৰকাৰী ঋণপত্ৰ ক্ৰয় কৰিবলৈ বিচাৰে, তেতিয়া ব্যক্তিগত বিনিয়োগৰ বাবে পুঁজিৰ যোগান কমিব। গতিকে চৰকাৰে অৰ্থনীতিৰ মুঠ সঞ্চয়ৰ অধিক অংশৰ দাবীদাৰ হ'লে ব্যক্তিগত ঋণ গ্ৰহণকাৰীসকল জনপূৰ্ণ বিত্তীয় বজাৰ (Financial Market) ৰ পৰা বাহিৰ হৈ আহিব। আমি জানি থোৱা ভাল যে যেতিয়ালৈকে উপাৰ্জন (Income) বৃদ্ধি নোহোৱা বুলি ধৰি নলওঁ তেতিয়ালৈকে অৰ্থনীতিত সঞ্চয়ৰ প্ৰভাৱ প্ৰকৃততে স্থিৰ নহয়। যদি চৰকাৰী ঘাটি বিত্তই উৎপাদন বৃদ্ধিৰ লক্ষ্যত কৃতকাৰ্যতা লাভ কৰে, তেতিয়া ৰাষ্ট্ৰীয় আয় বৃদ্ধি পাব আৰু ইয়াৰ পৰিণামত সঞ্চয়ৰ হাৰ বৃদ্ধি হ'ব। এনে পৰিস্থিতিত চৰকাৰ আৰু উদ্যোগ উভয়ে ঋণ গ্ৰহণ কৰাটো সমীচীন হ'ব। আকৌ যদি চৰকাৰে অৰ্থনৈতিক প্ৰাৰম্ভিক সুবিধাৰ (Infrastructure) উন্নয়নৰ অৰ্থে ঋণ পুঁজি বিনিয়োগ কৰে তেতিয়া ভৱিষ্যতৰ জনসাধাৰণ (Future Generation) অধিক উপকৃত হ'ব, যিহেতু ঋণ পুঁজিৰ বিনিয়োগৰ

ফল লাভ কৰাৰ প্ৰতিদান (Return), ঋণৰ ওপৰত প্ৰদান কৰা সুদৰ হাৰতকৈ অধিক হয়। এই ক্ষেত্ৰত প্ৰকৃত ঋণ (Actual Debt) বৰ্ধিত উৎপাদনৰ দ্বাৰা পৰিশোধ কৰিব পৰা হোৱা হেতুকে এনে 'বোজা' হিচাপে বিবেচনা কৰা উচিত নহয়। সেয়েহে দেশৰ অৰ্থনীতিৰ সামগ্ৰিক বৃদ্ধিৰ দ্বাৰাহে ঋণ বৃদ্ধিৰ বিষয়টো বিবেচিত হয়।

**বিত্তীয় ঘাটিৰ হ্ৰাস (Deficit Reduction) ঃ**

কৰৰ হাৰ বৃদ্ধি কৰি বা ব্যয় হ্ৰাস কৰি চৰকাৰী ঘাটি বিত্তৰ পৰিমাণ হ্ৰাস কৰিব পাৰি। ভাৰতবৰ্ষত চৰকাৰে প্ৰত্যক্ষ কৰৰ (পৰোক্ষ স্বভাৱত ক্ৰমহ্ৰাসমান - এই কৰৰ সংঘাত বা কৰৰ ভাৰ সকলো শ্ৰেণীৰ লোকৰ আয়ৰ ওপৰত সমানে পৰে) সহায়ত কৰ ৰাজহ (Tax Revenue)ৰ পৰিমাণ বৃদ্ধি কৰিবলৈ চেষ্টা কৰি আছে। চৰকাৰী খণ্ডৰ উদ্যোগসমূহৰ অংশপত্ৰ বিক্ৰী কৰিও চৰকাৰী প্ৰাপ্তিৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে। এই ক্ষেত্ৰত চৰকাৰী ব্যয় হ্ৰাস কৰি ঘাটি বিত্তৰ পৰিমাণ হ্ৰাস কৰিবলৈ অধিক গুৰুত্ব প্ৰদান কৰা হয়। চৰকাৰে ভাল শাসন ব্যৱস্থা আৰু পৰিকল্পনাৰ আঁচনিৰ জৰিয়তে এই উদ্দেশ্য সাফল্যমণ্ডিত কৰি তুলিব পাৰে। পৰিকল্পনা আয়োগে কৰা এটা সাম্প্ৰতিক অধ্যয়নৰ[4] পৰা জানিব পৰা গৈছে যে দুখীয়া লোকলৈ এটকা হস্তান্তৰিত কৰিবলৈ চৰকাৰে খাদ্য ৰাজসাহায্যত 3.65 টকা পৰিমাণৰ ব্যয় কৰিব লাগিব আৰু ইয়াৰ ফলত জনসাধাৰণৰ কল্যাণ বৃদ্ধি পাব। আনহাতে, ইতিমধ্যে কাৰ্যকৰী হৈ থকা কিছুমান চৰকাৰী আঁচনি উঠাই আনি চৰকাৰী ব্যয়ৰ পৰিসৰৰ পৰিৱৰ্তন সাধন কৰিব পাৰি। চৰকাৰে ঘাটি বিত্তৰ পৰিমাণ হ্ৰাস কৰিবলৈ কিছুমান প্ৰধান খণ্ড যেনে— কৃষি, উদ্যোগ, শিক্ষা, স্বাস্থ্য, দৰিদ্ৰ দূৰীকৰণ আঁচনি আদিৰ পৰা ব্যয় কৰ্তন কৰি অৰ্থনৈতিক উন্নয়নত প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব। বিভিন্ন দেশৰ চৰকাৰে অধিক ঘাটি ব্যয়ৰ পৰা পৰিত্ৰাণ পাবলৈ ইতিমধ্যে নিৰ্ধাৰিত বিভিন্ন স্তৰৰ ব্যয়বোৰত নিজা নিজা বাধা দিবলৈ আগবাঢ়ি আহিছে। (বাকচ -5.1ত ভাৰতৰ ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আৰু বাজেট পৰিচালনা আইন - (FRBMA) ৰ প্ৰধান বৈশিষ্ট্যবোৰ উল্লেখ কৰা হৈছে)। এইটো মন

[4] পৰিকল্পনা আয়োগৰ আঁচনি মূল্যায়ন সংস্থাৰ দ্বাৰা লক্ষ্যপ্ৰণোদিত চৰকাৰী বিতৰণ ব্যৱস্থাৰ সাফল্যৰ মূল্যায়ন।

কৰিবলগীয়া যে অধিক পৰিমাণৰ বিত্তীয় ঘাটিয়ে সদায় ৰাজকোষীয় নীতিৰ অধিক সম্প্ৰসাৰণৰ তাৎপৰ্য বহন নকৰে। একে ধৰণৰ ৰাজকোষীয় নীতিৰ উপায়বোৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি কম-বেছি পৰিমাণে বিত্তীয় ঘাটি সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে যদি এখন অৰ্থনীতিত অৱনতিৰ (Recession) স্তৰৰ উদ্ভৱ হয় আৰু মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product) কমে তেতিয়া কৰ ৰাজহৰ পৰিমাণো হ্ৰাস হয়। কাৰণ ব্যৱসায়িক প্ৰতিষ্ঠান (Firms) আৰু পৰিয়ালবোৰৰ উপাৰ্জন কমাৰ ফলত কৰ প্ৰদানৰ পৰিমাণো কমি যাব। অৰ্থাৎ অৰ্থনৈতিক অৱনতিৰ সময়ত ঘাটি বৃদ্ধি পায় আৰু অভিবৃদ্ধিৰ (Boom) সময়ত বিত্তীয় ঘাটি হ্ৰাস পায়। আনকি, ৰাজকোষীয় নীতিৰ কোনো পৰিৱৰ্তন নহ'লেও বিত্তীয় ঘাটিৰ এনে পৰিৱৰ্তন হোৱাটো পৰিলক্ষিত হয়।

## সাৰাংশ (Summary)

১। ৰাজহুৱা দ্ৰব্য (Public Goods), ব্যক্তিগত দ্ৰব্য (Private Goods) ৰ পৰা ভিন্ন আৰু ইয়াক সমূহীয়াভাৱে (Collectively) ভোগ কৰা হয়। ৰাজহুৱা দ্ৰব্যৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য (Features) হ'ল— এনে দ্ৰব্যৰ উপভোগ কাৰ্য অপ্ৰতিদ্বন্দ্বিতামূলক (Non-rivalrous)। এই দ্ৰব্যৰ পৰা এজনে সন্তুষ্টি লাভ কৰাৰ ফলত আনজনৰ কাৰণে ইয়াৰ সন্তুষ্টিৰ পৰিমাণৰ নাটনি নহয়। এই ৰাজহুৱা দ্ৰব্যবোৰৰ সুবিধা উপভোগৰ পৰা কোনো ব্যক্তিকে বঞ্চিত কৰিব পৰা নাযায়। সেই কাৰণে এই দ্ৰব্যবোৰ ব্যৱহাৰৰ বিনিময়ত মাচুল (Fees) সংগ্ৰহ কৰাটো কঠিন আৰু ব্যক্তিগত বাণিজ্যিক প্ৰতিষ্ঠানে (Private Enterprise) এই দ্ৰব্যবোৰৰ যোগান নধৰে। সেয়েহে ৰাজহুৱা দ্ৰব্যসমূহৰ উৎপাদন আৰু যোগানৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰে।

২। চৰকাৰে আয় আৰু ব্যয়ৰ জৰিয়তে সম্পদ আহৰণ (Allocation of Resource), পুনৰ বিতৰণ (Redistribution) আৰু অৰ্থনৈতিক সুস্থিৰতা ৰক্ষা —এই তিনিটা কাৰ্য সমাধান কৰে।

৩। বাজেট হৈছে নিৰ্দিষ্ট চৰকাৰৰ সম্ভাব্য ৰাজহ আৰু প্ৰস্তাৱিত ব্যয়ৰ এক বিৱৰণী। চলিত বিত্তীয় প্ৰয়োজন আৰু দেশৰ মূলধন ষ্টক (Capital Stock) বিনিয়োগৰ মাজত পাৰ্থক্য দেখুৱাবলৈ চৰকাৰী বাজেটক ৰাজহ বাজেট (Revenue Budget) আৰু মূলধনী বাজেট (Capital Budget) হিচাপে শ্ৰেণী বিভাজন কৰা হয়।

৪। ৰাজকোষীয় ঘাটিৰ (Fiscal Deficit) শতকৰা নিৰিখত ৰাজহ ঘাটিৰ বৃদ্ধিয়ে এটা নিৰ্দিষ্ট অৱস্থাত চৰকাৰী ব্যয়ৰ অৱনতি ঘটে আৰু মূলধন গঠনত বাধাৰ সৃষ্টি কৰে।

৫। সমানুপাতিক কৰে স্বয়ংক্ৰিয় ব্যয়গুণক (Automatic Expenditure Multiplier) হ্ৰাস কৰে। কাৰণ আয়ৰ ওপৰত আৰোপ কৰা এই কৰে ভোক্তাৰ প্ৰান্তিক প্ৰৱণতা বৃদ্ধি কৰে।

৬। যদি চৰকাৰী ঋণে ভৱিষ্যতে উৎপাদন বৃদ্ধিৰ হাৰ হ্ৰাস কৰে তেতিয়া ই দেশৰ কাৰণে বোজাস্বৰূপ হৈ পৰে।

ৰাজহুৱা দ্ৰব্য (Public Goods)

স্বয়ংক্ৰিয় সুস্থিৰক (Automatic Stabiliser)

স্বেচ্ছামূলক ৰাজকোষীয় নীতি (Discretionary Fiscal Policy)

ৰিকাৰ্ডৰ সমতা (Recardian Equivalence)

**বাকচ 5.1** — ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আৰু বাজেট পৰিচালনা আইন, 2003 (Fiscal Responsibility and Budget Management Act, 2003 - FRBMA)

এখন বহুদলীয় সংসদীয় (Parliamentary) ব্যৱস্থাত, নিৰ্বাচনীয় দিশবোৰ ব্যয়নীতি (Expenditure Policy) নিৰ্ধাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঘাটি বিত্ত নিয়ন্ত্ৰণ কৰিবলৈ সকলো শ্ৰেণীৰ চৰকাৰে — বৰ্তমান আৰু ভৱিষ্যতৰ অনাগত সুবিধাবোৰ প্ৰয়োগ কৰিব পাৰে। দেশৰ চৰকাৰক এক সংস্কাৰমূলক আৰু ফলপ্ৰসূ ৰাজকোষীয় নীতিৰ অধীনত আনিবলৈ 2003 চনৰ 26 আগষ্টত ৰাজকোষীয় সংস্কাৰ আৰু বাজেট

পাৰচালনা আইন (FRBMA) প্ৰণয়ন কৰা হয় আৰু এই আইনখন আমাৰ দেশৰ ৰাজকোষীয় সংস্কাৰৰ টাৰ্নিং পইণ্ট হিচাপে চিহ্নিত হৈছে। কেন্দ্ৰীয় চৰকাৰে উপযুক্ত পৰিমাণৰ আয় ৰাহিৰ জৰিয়তে আন্তঃবংশীয় সমতা (Inter-generational equality) আৰু দীৰ্ঘকালীন সমষ্টিগত অৰ্থনৈতিক সুস্থিৰতা (Macro-economic stability) নিশ্চিত কৰে। তদুপৰি ঘাটি আৰু ঋণ সীমাবদ্ধ কৰি, ৰাজকোষীয় প্ৰতিবন্ধকতাবোৰ (Fiscal obstacles) আঁতৰাই ফলদায়ক মুদ্ৰানীতি আৰু ঋণ পৰিচালনাৰ ব্যৱস্থা কৰা হৈছে। 2004 চনৰ 5 জুলাইত ৰাজকোষীয় সংস্কাৰ আৰু বাজেট পৰিচালনা আইনৰ অধীনৰ বিধিসমূহ বাজেটত প্ৰয়োগৰ অৰ্থে নিৰ্দেশ জাৰি কৰা হয়।

## মুখ্য বৈশিষ্ট্যবোৰ (Main features) ঃ

1. এই আইনখনে কেন্দ্ৰীয় চৰকাৰক দেশখনৰ ৰাজকোষীয় ঘাটি আৰু ৰাজহ ঘাটিৰ পৰিমাণ হ্ৰাস কৰিবৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে যাতে 2009 চনৰ 31 মাৰ্চৰ আগতে বাজেটৰ ৰাজহ ঘাটিৰ পৰিমাণ নাইকিয়া হয় আৰু ইয়াৰ পিচৰ পৰা উদ্বৃত্ত ৰাজহৰ পৰিমাণ বৃদ্ধি পায়।

2. আইনখনৰ অধীনস্থ নীতি অনুসৰি প্ৰতিটো বিত্তীয় বৰ্ষৰ শেষত দেশখনৰ বাজেটৰ ৰাজকোষীয় ঘাটি (Fiscal deficit) আৰু ৰাজহ ঘাটি (Revenue Deficit) উক্ত বছৰৰ মুঠ ঘৰুৱা উৎপাদনৰ (GDP) ক্ৰমে 0.3 শতাংশ আৰু 0.5 শতাংশলৈ হ্ৰাস কৰিব লাগিব। যদি কৰ ৰাজহ সংগ্ৰহৰ দ্বাৰা এইটোত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি তেতিয়া বাজেট ব্যয় হ্ৰাস কৰি হ'লেও প্ৰয়োজনীয় নিষ্পত্তি সাধন কৰিব লাগিব।

3. ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা, প্ৰাকৃতিক দুৰ্যোগ (Natural Calamity) বা কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া অন্য কিছুমান ব্যতিক্ৰমধৰ্মী কাৰণত প্ৰকৃত ঘাটি বাজেটত নিৰ্ধাৰিত ঘাটিতকৈ অধিক হ'ব পাৰে।

4. কেন্দ্ৰীয় চৰকাৰে ক্ষন্তেক সময়ৰ বাবে দেখা দিয়া নগদ প্ৰাপ্তিতকৈ নগদ ব্যয়ৰ আধিক্যৰ চাহিদা পূৰণ কৰিবলৈ লোৱা আগধনৰ বাহিৰে ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) ৰ পৰা অন্য কোনো ঋণ গ্ৰহণ কৰিব নোৱাৰিব।

5. 2006-07 চনৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকে কেন্দ্ৰীয় চৰকাৰৰ প্ৰাথমিক চুক্তিপত্ৰত বৰঙণি দিব নোৱাৰিব।

6. ৰাজকোষীয় কাৰ্য অধিক স্বচ্ছ বা নিৰ্মল (Transparency) কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

7. কেন্দ্ৰীয় চৰকাৰে উভয় সদনত (Both Houses of Parliament) বছৰেকীয়া বিত্তীয় বিৱৰণৰ লগতে মধ্যম ম্যাদী ৰাজকোষীয় নীতিৰ বিৱৰণ (Medium-term Fiscal Policy Staement), ৰাজকোষীয় নীতিৰ কৌশল বিৱৰণ (The Fiscal Policy Strategy Statement) নামৰ তিনিখন বিৱৰণ দাখিল কৰিব লাগে।

8. প্ৰত্যেক তিনি মাহৰ অন্তত বাজেটৰ লগত সম্পৰ্কীত আয়-ব্যয়ৰ গতিৰ এটা বিৱৰণ উভয় সংসদৰ আগত দাঙি ধৰা হয়।

এই আইনখন কেৱল কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়। যদিও কৰ্ণাটক, কেৰালা, পঞ্জাৱ, তামিলনাডু আৰু উত্তৰ প্ৰদেশ আদি কেইখনমান ৰাজ্যই এই ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আইনখন বলৱৎ কৰিছে তথাপি ৰাজকোষীয় ব্যৱস্থাৰ দৃঢ়তা, অৰ্থনৈতিক বৃদ্ধি আৰু সমষ্টিগত অৰ্থনৈতিক সুস্থিৰতা ৰক্ষাৰ্থে গ্ৰহণ কৰা উদ্দেশ্যসমূহৰ সফল ৰূপায়ণ কৰিবলৈ হ'লে আটাইবোৰ ৰাজ্যই এই আইনখন বলৱৎ কৰাৰ কাৰণে সমানে সহযোগিতা আগবঢ়াব লাগিব। যদিও চৰকাৰে কৰ জাল (Tax net) বহলাই আয় সংগ্ৰহৰ বাবে চেষ্টা কৰিছে তথাপি এই আইনখনে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'বলৈ জনকল্যাণমূলক ব্যয় হ্ৰাস হোৱাৰ ভয়ৰ সম্ভাৱনা দেখা দিব পাৰে।

## অনুশীলনী (Exercises)

1. কিয় ৰাজহুৱা দ্ৰব্য (Public Goods) চৰকাৰে যোগান ধৰিবলৈ বাধ্য হয়— ব্যাখ্যা কৰা।

2. ৰাজহ ব্যয় (Revenue expenditure) আৰু মূলধনী ব্যয়ৰ (Capital Expenditure) মাজত পাৰ্থক্য দেখুওৱা।

3. ‘ৰাজকোষীয় ঘাটিয়ে চৰকাৰৰ ঋণৰ আৰশ্যকতাৰ সৃষ্টি কৰে।’— ব্যাখ্যা কৰা।

4. ৰাজহ ঘাটি (Revenue Deficit) আৰু ৰাজকোষীয় ঘাটি (Fiscal Deficit) ৰ মাজত থকা সম্পৰ্কবোৰ দেখুওৱা।

5. ধৰি লোৱা হ'ল যে এখন নিৰ্দিষ্ট অৰ্থনীতিৰ বিনিয়োগৰ পৰিমাণ 200, চৰকাৰী ক্ৰয়ৰ পৰিমাণ 150, শুদ্ধ কৰ (থূলমূল কৰ - হস্তান্তৰ) 100 আৰু উপভোগ C = 100 + 0.75 Y, তেন্তে

   (a) ভাৰসাম্য আয়ৰ স্তৰ কিমান?

   (b) চৰকাৰী ব্যয় গুণক আৰু কৰ গুণকৰ মান নিৰ্ণয় কৰা

   (c) যদি চৰকাৰী ব্যয় 200 লৈ বৃদ্ধি পায় তেতিয়া ভাৰসাম্য আয়ৰ পৰিৱৰ্তন নিৰ্ণয় কৰা।

6. তলত উল্লেখ কৰা ফলন (Function) ৰ দ্বাৰা এখন অৰ্থনীতি বিৱেচনা কৰা হ'ল—

   C = 20 + 0.80 Y

   I = 30

   G = 50

   TR = 100

   এই তথ্যসমূহৰ পৰা—

(a) ভাৰসাম্য আয়ৰ স্তৰ আৰু স্বয়ংক্ৰিয় ব্যয় গুণক নিৰ্ণয় কৰা।

(b) যদি চৰকাৰী ব্যয় 30 বাঢ়ে, ভাৰসাম্য আয়ৰ ওপৰত ইয়াৰ প্ৰভাৱ কিমান?

(c) চৰকাৰী ব্যয় বৃদ্ধি হোৱাৰ বাবে যদি থূলমূল কৰ (Lump sum tax) হিচাপে 30 যোগ কৰা হয়, তেন্তে ভাৰসাম্য আয়ৰ কেনেধৰণৰ পৰিৱৰ্তন হ'ব?

7. ওপৰৰ প্ৰশ্নত, যদি হস্তান্তৰিত আয় আৰু থূলমূল কৰ (Lump sum tax) দুয়োটাই 10 শতাংশলৈ বৃদ্ধি হয়, উৎপাদনৰ ওপৰত ইয়াৰ প্ৰভাৱ নিৰ্ণয় কৰা আৰু উৎপাদনৰ ওপৰত দুয়োৰো প্ৰভাৱ তুলনা কৰা।

8. ধৰি লোৱা হ'ল যে—

$C = 70 + 0.70\ YD$

$I = 90$

$G = 100$

$T = 0.10\ Y$

(a) ভাৰসাম্য আয় নিৰ্ণয় কৰা।

(b) ভাৰসাম্য আয়ৰ স্তৰত কৰ ৰাজহ (Tax Revenues)ৰ পৰিমাণ কিমান? চৰকাৰৰ ভাৰসাম্য বাজেট আছেনে? এই ক্ষেত্ৰত চৰকাৰৰ বাজেটখন ভাৰসাম্য নে?

9. ধৰি লোৱা হ'ল যে ভোগৰ প্ৰান্তিক প্ৰৱণতা 0.75 আৰু সমানুপাতিক আয়কৰ (Proportional income tax) হ'ল 20 শতাংশ। এই ক্ষেত্ৰত ভাৰসাম্য আয়ৰ পৰিৱৰ্তন নিৰ্ণয় কৰা যদিহে —

(ক) চৰকাৰী ব্যয়ৰ পৰিমাণ 20 শতাংশ বৃদ্ধি পায়।

(খ) হস্তান্তৰিত আয়ৰ পৰিমাণ 20 শতাংশ কমে।

10. ব্যাখ্যা কৰা — কিয় কৰ গুণকৰ (Tax multiplier) চৰম মান, চৰকাৰী ব্যয় গুণকতকৈ কম?

11. চৰকাৰী ঘাটি (Government deficit) আৰু চৰকাৰী ঋণৰ (Government debt) মাজৰ সম্পৰ্ক নিৰ্ণয় কৰা।

12. চৰকাৰী ঋণে বোজা আৰোপ কৰে নে? ব্যাখ্যা কৰা।

13. ৰাজকোষীয় ঘাটিবোৰ মুদ্ৰাস্ফীতিজনক হয়নে?

14. ঘাটি হ্ৰাসকৰণৰ বিষয়টো আলোচনা কৰা।


## ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings)


1. Dornbusch R. and S. Fischer, 1994, Macro-economics, sixth edition, Mc. Graw-Hill, Paris.

2. Mankiw. N.G., 2000. Macro-economics, fourth edition, Macmillan Worth Publishers, New York.

3. Economic Survey, Government of India, various issues.

ষষ্ঠ অধ্যায়



# মুক্ত অৰ্থনীতিত সমষ্টিবাদী অৰ্থবিজ্ঞান (Open Economy Macroeconomics)

পূৰ্বৰ অধ্যায়ৰ আলোচনাবোৰে এখন বন্ধ (Closed) অৰ্থনীতিৰ অভিধাৰণাক ভিত্তি হিচাপে লৈ আয় নিৰ্ধাৰণৰ বিশ্লেষণ সৰলভাৱে উপস্থাপন কৰা পৰিলক্ষিত হৈছে। কিন্তু বাস্তৱিকতে বেছিভাগ-আধুনিক অৰ্থনীতিয়ে হ'ল মুক্ত অৰ্থনীতি। বিশ্বৰ বিভিন্ন দেশে আন আন দেশৰ অৰ্থনীতিৰ সৈতে নানা ধৰণৰ সম্পৰ্ক স্থাপন কৰাৰ বাবে অগ্ৰসৰ হৈছে আৰু ইয়াৰ ফলত সৃষ্টি হোৱা পাৰস্পৰিক ক্ৰিয়াই মানুহৰ পছন্দ বা ৰুচিৰ নিম্নলিখিত তিনিধৰণে সম্প্ৰসাৰণ হোৱাত ইন্ধন যোগাইছে—

1. ভোক্তাসকলে আৰু প্ৰতিষ্ঠানবোৰে বিভিন্ন ধৰণৰ ঘৰুৱা আৰু বৈদেশিক সামগ্ৰীৰ মাজত পছন্দ কৰাৰ সুযোগ লাভ কৰে আৰু ইয়েই হ'ল বস্তুৰ বজাৰ সংযোগ, যিটো আন্তৰ্জাতিক বাণিজ্যৰ দ্বাৰা সংঘটিত হয়।

2. বিনিয়োগকাৰীসকলে ঘৰুৱা আৰু বৈদেশিক পৰিসম্পত্তি (Assets)ৰ মাজত পছন্দ কৰাৰ সুযোগ পায় আৰু ইয়ে বিত্তীয় বজাৰ সংযোগ সৃষ্টি কৰে।

3. প্ৰতিষ্ঠানবোৰে নিজৰ পছন্দ অনুসৰি উৎপাদন

প্ৰতিষ্ঠান ক'ত স্থাপন কৰিব আৰু শ্ৰমিকসকলে ক'ত কাম কৰিব, সেইটো ঠিক কৰিব পাৰে। এইটোৱে হ'ল উৎপাদনৰ বজাৰ সংযোগ।

এইখিনিতে উল্লেখযোগ্য যে আন দেশলৈ যোৱা (Immigration) আইনবোৰৰ জৰিয়তে শ্ৰমিকৰ 'গতিশীলতা'ত বিভিন্ন ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থা আৰোপ কৰা বাবে শ্ৰমৰ বজাৰ সংযোগ তুলনামূলকভাৱে কম হয়। অৱশ্যে পৰম্পৰাগতভাৱে বস্তুৰ গতিশীলতাক শ্ৰমৰ গতিশীলতাৰ প্ৰতিকল্প হিচাপে বিবেচনা কৰা হৈ আহিছে। এই আলোচনাত প্ৰথম দুটা সংযোগ, যেনে বস্তুৰ বজাৰ সংযোগ আৰু বিত্তীয় বজাৰ সংযোগৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।

মুকলি অৰ্থনীতি হ'ল এনে এখন অৰ্থনীতি যিয়ে আন আন দেশৰ লগত বস্তু আৰু সেৱাসমূহৰ লেন-দেন কাৰ্য সম্পন্ন কৰে। অৱশ্যে এই লেন-দেনে প্ৰায়ভাগ সময়তে বিত্তীয় পৰিসম্পদৰ লেন-দেন কাৰ্যকো সাঙুৰি লয়। উদাহৰণস্বৰূপে, ভাৰতীয়সকলে বিশ্বৰ বিভিন্ন স্থানত উৎপাদন হোৱা বস্তু ব্যৱহাৰ কৰি নিজৰ সন্তুষ্টি সৰ্বোচ্চ কৰিবলৈ সক্ষম হৈছে আৰু আমাৰ দেশত উৎপাদন হোৱা বহুতো সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰি আহিছে। সেয়েহে আন্তৰ্জাতিক বাণিজ্যই ভাৰতৰ সামগ্ৰিক চাহিদাক মূলতঃ দুই ধৰণে প্ৰভাৱান্বিত কৰে—

প্ৰথমে, যেতিয়া ভাৰতীয়সকলে বৈদেশিক বস্তু ক্ৰয় কৰে, তেতিয়া বস্তুক্ৰয়ৰ বাবে হোৱা ব্যয়সমূহ আয়ৰ চক্ৰীয় প্ৰৱাহ (Circular flow of income) ৰ পৰা বাহিৰ হৈ ওলাই (leakage) যায়। ইয়াৰ ফলত আমাৰ দেশত সামগ্ৰিক চাহিদা হ্ৰাস পায়।

দ্বিতীয়তে, আমাৰ দেশৰ পৰা বিদেশলৈ পঠোৱা সামগ্ৰীবোৰৰ (ৰপ্তানি) পৰা আহৰণ কৰা আয়সমূহ অতিৰিক্তভাৱে আয়ৰ চক্ৰীয় প্ৰৱাহত অন্তৰ্ভুক্ত হয় আৰু ইয়াৰ ফলত ঘৰুৱাভাৱে উৎপাদন কৰা বস্তুৰ সামগ্ৰিক চাহিদা বাঢ়ে।

এইদৰে, এখন অৰ্থনীতিৰ মুঠ ঘৰুৱা উৎপাদন আৰু মুঠ বৈদেশিক বাণিজ্য (ৰপ্তানি + আমদানি) ৰ অনুপাতেই হ'ল সেই অৰ্থনীতিখন কিমান পৰিমাণে মুকলি সেইটো জোখাৰ

এটা সাধাৰণ মাধ্যম বা আহিলা। উল্লেখযোগ্য যে 2004-2005 বৰ্ষত ভাৰতৰ বৈদেশিক বাণিজ্য আছিল 38.9 শতাংশ (মুঠ ঘৰুৱা উৎপাদনৰ 17.1 শতাংশ আমদানি, আৰু 11.8 শতাংশ ৰপ্তানি)। অৱশ্যে 1985-86 বৰ্ষত আমাৰ দেশৰ বৈদেশিক বাণিজ্য মাত্ৰ 16 শতাংশ আছিল আৰু ইয়াৰ তুলনাত 2004-05 বৰ্ষৰ 38.9 শতাংশক যথেষ্ট বেছি বুলি ক'ব পাৰি। যিয়েই নহওক, বিশ্বৰ আন আন দেশৰ তুলনাত ভাৰতবৰ্ষক আপেক্ষিকভাৱে কম উদাৰ বা কম পৰিমাণে মুকলি অৰ্থনীতিৰ দেশ বুলিব পাৰি। কাৰণ বিশ্বৰ বহুতো দেশ আছে যিবোৰৰ বৈদেশিক বাণিজ্যৰ পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ 50 শতাংশতকৈও বেছি।

মন কৰিবলগীয়া যে এখন দেশৰ চাৰিসীমাৰ বাহিৰলৈ যেতিয়া ইয়াৰ দ্ৰব্য-সামগ্ৰী প্ৰৱাহিত হয়, তেতিয়া মুদ্ৰাই ইয়াৰ বিপৰীত দিশে গতি কৰে। আমি জানো যে আন্তৰ্জাতিক পৰ্যায়ত এটা নিৰ্দিষ্ট কেন্দ্ৰীয় মুদ্ৰা কৰ্তৃপক্ষই ছপা কৰি উলিওৱা কোনো এবিধ নিৰ্দিষ্ট মুদ্ৰা নাথাকে। কিন্তু বৈদেশিক অৰ্থনৈতিক এজেণ্ট (Economic agents) সকলে যদি কোনো এটা জাতীয় মুদ্ৰাই স্থিৰ ক্ৰয় ক্ষমতা (Stable purchasing power) বহন কৰে বুলি পতিয়ন (Convinced) যায়, তেন্তে তেওঁলোকে সেই মুদ্ৰাবিধ গ্ৰহণ কৰিবলৈ আগ্ৰহী হয়। এই বিশ্বাস অবিহনে এবিধ মুদ্ৰা আন্তৰ্জাতিক বিনিময়ৰ মাধ্যম আৰু হিচাপৰ একক হিচাপে ব্যৱহাৰ হ'ব নোৱাৰে। কাৰণ, আন্তৰ্জাতিক পৰ্যায়ত মুদ্ৰা প্ৰৱৰ্তন কৰা কোনো এক নিৰ্দিষ্ট কৰ্তৃপক্ষ নাই, যিয়ে আন্তৰ্জাতিক লেন-দেনৰ কাৰণে নিৰ্দিষ্ট এবিধ মুদ্ৰাক ব্যৱহাৰ কৰিবলৈ জোৰ বা হেঁচা (force) দিব পাৰে। অৱশ্যে চৰকাৰসমূহে মুদ্ৰাৰ সম্ভাব্য ব্যৱহাৰকাৰীসকলৰ বিশ্বাস লাভ কৰিবলৈ চেষ্টা অব্যাহত ৰাখে আৰু ইয়াৰ বাবেই জাতীয় মুদ্ৰাক এটা স্থিৰ মূল্যত আন আন পৰিসম্পত্তিলৈ মুকলিভাৱে পৰিৱৰ্তন কৰাটো সম্ভৱ হৈছে। কিন্তু এনে মুদ্ৰাৰ মূল্যৰ ওপৰত ইয়াক ছপোৱা কৰ্তৃপক্ষ (The issuing authority) ৰ কোনো নিয়ন্ত্ৰণ নাথাকে। অন্যান্য পৰিসম্পত্তি বুলিলে সাধাৰণতে সোণ অথবা আন আন দেশৰ মুদ্ৰাবোৰক বুজায়। জাতীয় মুদ্ৰাক অন্যান্য পৰিসম্পত্তিলৈ পৰিৱৰ্তন কৰা বিষয়টোৰ বিশ্বাসযোগ্যতা আকৌ দুটা প্ৰধান কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত হয়। ইয়াৰে এটা হ'ল অসীম পৰিমাণত মুকলিভাৱে পৰিৱৰ্তন কৰিব পৰা ক্ষমতা আৰু আনটো হ'ল পৰিৱৰ্তনৰ অৰ্থে নিৰূপণ

হোৱা দাম। এই বিষয়বোৰ পৰিচালনা কৰিবলৈ আৰু আন্তৰ্জাতিক লেন-দেনৰ সুস্থিৰতা নিশ্চিত কৰিবলৈ 'আন্তৰ্জাতিক মুদ্ৰাগত পদ্ধতি' (International moentary system) প্ৰৱৰ্তন কৰা হয়। ওপৰত উল্লেখ কৰা বিষয় (Issues) দুটাৰ ওপৰত এখন দেশে প্ৰদান কৰা প্ৰতিশ্ৰুতিয়ে বিশ্বৰ আন আন দেশৰ লগত হোৱা ইয়াৰ বাণিজ্য আৰু বিত্তীয় আদান-প্ৰদানত বিশেষভাৱে প্ৰভাৱ পেলায়।

এই পাঠ্যপুথিৰ 6.1 নং অংশত আন্তৰ্জাতিক বাণিজ্য আৰু বিত্তীয় প্ৰৱাহৰ হিচাপ-নিকাচৰ বিষয়ে আলোচনা কৰা হয় আৰু ইয়াৰ পিছৰ অংশত বিশ্বৰ দেশসমূহৰ মুদ্ৰাবোৰৰ বিনিময় মূল্য নিৰ্ধাৰণৰ বিষয়ে আলোচনা কৰা হয়। 6.3 নং অংশত ঘৰুৱা বা বন্ধ অৰ্থনীতিত আন্তৰ্জাতিক প্ৰভাৱক অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ আয়-ব্যয়ৰ নমুনা (Model) ৰ সংশোধন কৰা হয়।

## 6.1 বৈদেশিক লেন-দেনৰ বিবৃতি (Balance of Payments) ঃ

বৈদেশিক লেন-দেনৰ বিবৃতিয়ে (B.O.P) এখন দেশৰ বাসিন্দসকলে বিশ্বৰ আন আন দেশৰ লগত কৰা দ্ৰব্য-সামগ্ৰী, সেৱাসমূহ আৰু পৰিসম্পত্তিবোৰৰ লেন-দেনক তালিকাভুক্ত বা লিপিবদ্ধ (Record) কৰে। বৈদেশিক লেন-দেনৰ বিবৃতিৰ দুটা হিচাপ থাকে, ইয়াৰ এটা হ'ল চলিত হিচাপ (Current Account) আৰু আনটো হ'ল মূলধনী হিচাপ (Capital Account)।

চলিত হিচাপত বস্তু আৰু সেৱাৰ মাধ্যমত হোৱা সকলো ধৰণৰ আমদানি আৰু ৰপ্তানিৰ লগতে হস্তান্তৰযোগ্য প্ৰদান (Transfer Payments) সমূহক লিপিবদ্ধ কৰা হয়। সেৱাৰ মাধ্যমত হোৱা বাণিজ্যক অদৃশ্যমান বাণিজ্য বুলি কোৱা হয়। (কাৰণ সিহঁতক দেশৰ সীমা অতিক্ৰম কৰা দেখা নাযায়)।

এই অদৃশ্যমান বাণিজ্যই উৎপাদনৰ উপাদানৰ আয় (উপাদানসমূহে লাভ কৰা আয়, যেনে সুদ, লাভ আৰু বিদেশত থকা দেশীয় পৰিসম্পদৰ বাবদ হোৱা লাভৰ পৰা বিদেশীয়ে

ভাৰতত থকা পৰিসম্পদৰ পৰা পোৱা আয়ক বিয়োগ কৰি পোৱা আয়) আৰু অনা উপাদানৰ আয়ক (যেনে, জাহাজ, বেংক, বীমা, পৰ্যটন, ছফ্টৱেৰ সেৱা আদি) অন্তৰ্ভুক্ত কৰে। এখন দেশৰ বাসিন্দাসকলে যিবোৰ আয় মুক্তভাৱে লাভ কৰে আৰু যাৰ বিনিময়ত বৰ্তমান বা ভৱিষ্যতেও কোনো মূল্য প্ৰদান কৰিব নালাগে, তেনেবোৰ প্ৰাপ্তিক (Receipts) হস্তান্তৰযোগ্য প্ৰদান বোলে। এনে ধৰণৰ প্ৰদানবোৰে প্ৰেৰিত টকা (Remittances), উপহাৰ আৰু অনুদান আদিক বুজায়। হস্তান্তৰযোগ্য প্ৰদানবোৰ চৰকাৰী অথবা বে-চৰকাৰী হ'ব পাৰে।

এখন দেশে দ্ৰব্য-সামগ্ৰী বিদেশৰ পৰা আমদানি কৰিব পাৰে আৰু নিজ দেশৰ পৰা বিভিন্ন দ্ৰব্য-সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰিব পাৰে। এই আমদানি আৰু ৰপ্তানিৰ বিবৃতিক বাণিজ্যৰ বিবৃতি বা সমতা বোলে। সেৱা দ্ৰব্যৰ বাণিজ্যৰ লগত বিবৃতিলৈ (Trade balance) হোৱা প্ৰকৃত হস্তান্তৰবোৰ (Net transfers) যোগ কৰিলে চলিত হিচাপৰ বিবৃতি (Current account balance) পোৱা যায়। ইয়াৰ বিপৰীতে, 'মূলধনী হিচাপ'ত (Capital account) সকলোধৰণৰ পৰিসমাপ্তিৰ আন্তৰ্জাতিক ক্ৰয় আৰু বিক্ৰী যেনে মুদ্ৰা, মজুত, প্ৰতিজ্ঞাপত্ৰ লিপিবদ্ধ (Records) কৰা হয়। এইখিনিতে উল্লেখযোগ্য যে বিদেশীসকলক প্ৰদান কৰা বা পৰিশোধ কৰাৰ ফলত সৃষ্টি হোৱা যিকোনো লেন-দেনক খৰচৰ শিতানত অন্তৰ্ভুক্ত কৰা হয় আৰু ইয়াত ঋণাত্মক চিন (-) ব্যৱহাৰ কৰা হয়। বিদেশীসকলৰ লগত হোৱা যিকোনো লেন-দেনৰ বিনিময়ত আহৰণ কৰা প্ৰাপ্তিবোৰ জমাৰ ঘৰত অন্তৰ্ভুক্ত কৰা হয় আৰু ইয়াত ধনাত্মক চিন (+) দিয়া হয়।

### 6.1.1 ঃ বৈদেশিক লেন-দেনৰ বিবৃতিৰ উদ্বৃত্ত আৰু ঘাটি (Bop Surplus and Deficit)

আন্তৰ্জাতিক বাণিজ্যৰ বিশেষত্ব হ'ল এই যে যিদৰে ব্যক্তিয়ে নিজৰ আয়তকৈ ব্যয়ৰ পৰিমাণ বেছি হ'লে ইয়াৰ পাৰ্থক্যখিনি পূৰাবলৈ নিজৰ পৰিসম্পত্তি বিক্ৰী কৰে, অথবা ঋণ গ্ৰহণ কৰে, ঠিক তেনেদৰে এখন দেশৰ চলিত হিচাপত ঘাটি হ'লে (বিশ্বৰ আন আন দেশত বিক্ৰী কৰি পোৱা আয়তকৈ বিদেশৰ পৰা আমদানি কৰাৰ বিনিময়ত হোৱা ব্যয়ৰ

পৰিমাণ বেছি) পৰিসম্পত্তি বিক্ৰী কৰি বা বিদেশৰ পৰা ঋণ গ্ৰহণ কৰি ঘাটি পূৰণ কৰিবলগীয়াত পৰে। এইদৰে যিকোনো ধৰণৰ চলিত হিচাপৰ ঘাটি শুদ্ধ মূলধনৰ অন্তঃপ্ৰবাহৰ দ্বাৰা পূৰণ কৰাটো প্ৰয়োজনীয় হৈ পৰে। 6.1 নং তালিকাত (এই অধ্যায়ৰ শেষত দিয়া হৈছে) দেখুওৱা হৈছে যে গোটেই সময়ছোৱাৰ ভিতৰত বৈদেশিক বাণিজ্যত ঘাটি হৈ আছে আৰু অদৃশ্যমান বাণিজ্যৰ ক্ষেত্ৰত 1990-91 বছৰটোক বাদ দি বাকী সকলো বছৰতে বৈদেশিক বাণিজ্যত উদ্বৃত্ত হৈছে। ইয়াৰ বিপৰীতে চলিত হিচাপৰ ঘাটি (যিটো 1977-78 বৰ্ষৰ পৰা 24 বছৰ পৰ্যন্ত বিশ্লেষণ কৰা হৈছে) সংকুচিত হ'বলৈ আৰম্ভ কৰা পৰিলক্ষিত হৈছে আৰু 2001-02 বৰ্ষৰ পৰা ই উদ্বৃত্তলৈ পৰিৱৰ্তন হোৱা লক্ষ্য কৰা হৈছে। বাণিজ্যৰ এই উদ্বৃত্তৰ গতি 2003-04 বৰ্ষলৈ চলিছিল যদিও 2004-05 বৰ্ষত বাণিজ্যৰ এই গতি পুনৰ ঘাটি বাণিজ্যলৈ পৰিৱৰ্তন হৈছিল। বৈদেশিক বাণিজ্যৰ এই বৃহৎ পৰিমাণৰ ঘাটি অকল অদৃশ্যমান বাণিজ্যৰ উদ্বৃত্তৰ দ্বাৰা পূৰণ কৰাটো অসম্ভৱ হৈ পৰিছিল। চলিত হিচাপৰ 13 বিলিয়ন আমেৰিকান ডলাৰ ঘাটিৰ বাবে পুঁজি যোগান ধৰিবলৈ 2005-2006 বৰ্ষৰ এপ্ৰিল/ছেপ্টেম্বৰত 19.5 বিলিয়ন আমেৰিকান ডলাৰ মূল্যৰ মূলধনৰ অন্তঃপ্ৰবাহ হৈছিল। উল্লেখযোগ্য যে মূলধনৰ অন্তঃপ্ৰবাহৰ এই অতিৰিক্ত 6.5 (19.5-13=6.5) বিলিয়ন আমেৰিকান ডলাৰ ভাৰতৰ বৈদেশিক মুদ্ৰা (Foreign Exchange)ৰ পূৰ্বৰ মজুতৰ লগত সংযোজিত হৈছিল।

ইয়াৰ বিকল্প হিচাপে, দেশ এখনে ইয়াৰ বৈদেশিক মুদ্ৰাৰ জমা গতিশীল কৰি ৰাখিবলৈ 'চৰকাৰী জমা লেন-দেন' (Official Reserve Transactions)ৰ লগত সংযোজিত হ'ব পাৰে আৰু বাণিজ্যৰ ঘাটি উদ্ভৱ হ'লে বৈদেশিক মুদ্ৰাৰ বজাৰত ইয়াৰ বৈদেশিক মুদ্ৰাবোৰ বিক্ৰী কৰিব পাৰে। সেয়েহে বৈদেশিক মুদ্ৰাৰ চৰকাৰী জমা (Official Reserves)ৰ হ্ৰাস-বৃদ্ধিক সামগ্ৰিকভাৱে বৈদেশিক লেন-দেনৰ বিবৃতিৰ ঘাটি (উদ্বৃত্ত) বুলি কোৱা হয়। উল্লেখযোগ্য যে বৈদেশিক লেন-দেনৰ বিবৃতিৰ যিকোনো ধৰণৰ ঘাটিৰ বাবে অকল মুদ্ৰাগত কৰ্তৃপক্ষসমূহেই হ'ল শেষ আশ্ৰয়ৰ স্থল বা শেষ বিত্ত যোগানকাৰী (অথবা যিকোনো ধৰণৰ উদ্বৃত্ত গ্ৰহণকাৰী) অনুষ্ঠান। যেতিয়া এখন দেশৰ মুঠ হিচাপ আৰু ইয়াৰ অনা-জমা মূলধনী

হিচাপৰ যোগফল শূন্যৰ সমান হয়, তেতিয়া ইয়াক বৈদেশিক লেন-দেনৰ বিবৃতিৰ ভাৰসাম্য বোলা হয়। এনে অৱস্থাত বৈদেশিক মুদ্ৰাৰ জমাৰ কোনো বহিঃগমন নহয় আৰু বিদেশলৈ দিয়া ঋণৰ পৰা পোৱা আয়ৰ দ্বাৰা চলিত হিচাপৰ বিবৃতিৰ বাবে প্ৰয়োজন হোৱা সম্পূৰ্ণ বিত্তৰ যোগান ধৰা হয়। অৱশ্যে এইখিনিতে উল্লেখ কৰিবলগীয়া যে ভাসমান বিনিময় হাৰ ব্যৱস্থাতকৈ শিথিল বিনিময় হাৰ ব্যৱস্থাত চৰকাৰী জমা লেন-দেনবোৰ (Official Reserve Transactions) বেছি প্ৰাসংগিক।

**স্বতন্ত্ৰ আৰু ব্যৱস্থাপক লেন-দেন (Autonomous and Accomodating Transactions)—** এখন দেশৰ বৈদেশিক লেন-দেনৰ বিবৃতিৰ অৱস্থাৰ লগত কোনো সম্পৰ্ক নোহোৱাকৈ যেতিয়া দেশখনে আন্তৰ্জাতিক অৰ্থনৈতিক লেন-দেন সম্পন্ন কৰে, তেনেবোৰ লেন-দেনক স্বতন্ত্ৰ বুলি কোৱা হয় (উদাহৰণ স্বৰূপে অকল লাভ অৰ্জন কৰাৰ উদ্দেশ্যে কৰা লেন-দেন)। বৈদেশিক লেন-দেনৰ বিবৃতিত এই বিষয় সমূহক 'লাইনৰ ওপৰৰ' বিষয় বুলি কোৱা হয়। যদি এখন দেশৰ বৈদেশিক বাণিজ্যৰ স্বতন্ত্ৰ প্ৰাপ্তিবোৰ (Autonomous receipts) ইয়াৰ স্বতন্ত্ৰ প্ৰদানবোৰতকৈ বেছি (কম) হয়, তেন্তে ইয়াক বৈদেশিক লেন-দেনৰ বিবৃতিৰ উদ্বৃত্ত (ঘাটি) বুলি কোৱা হয়। আনহাতে, 'ব্যৱস্থাপক লেন-দেনবোৰ (যাক 'লাইনৰ তলৰ' বিষয় বোলা হয়)ক স্বতন্ত্ৰ বিষয়সমূহ প্ৰকৃত ফলাফলৰ (Net consequences) দ্বাৰা নিৰ্ধাৰণ কৰা হয়। অৰ্থাৎ বৈদেশিক লেন-দেনৰ বিবৃতিৰ উদ্বৃত্ত হৈছে নে ইয়াৰ ঘাটি হৈছে এইবোৰো ব্যৱস্থাপক লেন-দেনৰ দ্বাৰা নিৰ্ণয় কৰিব পাৰি। গতিকে এই চৰকাৰী জমা লেন-দেনবোৰক বৈদেশিক লেন-দেনৰ বিবৃতিৰ ব্যৱস্থাপক বিষয় হিচাপে গণ্য কৰা হয়। (যিহেতু আন সকলোবিলাক স্বতন্ত্ৰ বিষয়)।

**ভুল আৰু ত্ৰুটিবোৰ (Errors and Omissions)—** ভুল আৰু ত্ৰুটিবোৰ হ'ল বৈদেশিক লেন-দেনৰ বিবৃতিৰ লগত জড়িত থকা তৃতীয় উপাদান (চলিত আৰু মুলধনী হিচাপৰ বাদে) আৰু ইয়াক 'সমতা বজাই ৰখা বিষয়' (Balancing item) বোলে। এই উপাদানটোৰ বিশেষত্ব হ'ল এই যে ই আন্তৰ্জাতিক লেন-দেনক সঠিকভাৱে লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত থকা আমাৰ অসমৰ্থতাক প্ৰতিফলিত কৰে।

## 6.2 বৈদেশিক মুদ্ৰাৰ বজাৰ (The Foreign Exchange Market)



আন্তৰ্জাতিক লেন-দেনবোৰৰ হিচাপসমূহ সামূহিকভাৱে বিবেচনা কৰাৰ পিছত এটা নিৰ্দিষ্ট লেন-দেনৰ বিষয়ে আলোচনা কৰাৰ চেষ্টা কৰা হৈছে। ধৰা হ'ল যে ভাৰতৰ বাসিন্দা এজনে এটা বন্ধৰ সময়ত লণ্ডনলৈ যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। (পৰ্যটন সেৱাৰ আমদানি বুলি কোৱা হয়)। তেওঁ লণ্ডনত থকাৰ বাবে পাউণ্ডৰ (Pound) হিচাপত মূল্য প্ৰদান কৰিব লাগিব। গতিকে তেওঁ ক'ৰ পৰা পাউণ্ড সংগ্ৰহ কৰিব আৰু কি দামত ইয়াক লাভ কৰিব তাক জনাটো যথেষ্ট প্ৰয়োজনীয় হৈ পৰে। এনে অৱস্থাত পাউণ্ডৰ চাহিদা বৃদ্ধি পাব আৰু ইয়ে বৈদেশিক মুদ্ৰাৰ বজাৰত এই মুদ্ৰাৰ চাহিদা বৃদ্ধি কৰাত ইন্ধন যোগাব। বৈদেশিক মুদ্ৰাৰ বজাৰ হ'ল এনে এখন বজাৰ য'ত বিভিন্ন দেশৰ মুদ্ৰাবোৰ এটাৰ সলনি আনটো বিনিময় কৰা হয়। এনে বজাৰত মুখ্য অংশগ্ৰহণকাৰীসকল হ'ল বাণিজ্যিক বেংকবোৰ, বৈদেশিক মুদ্ৰাৰ দালালবোৰ, অন্যান্য আইনসংগত ব্যৱসায়ীসকল আৰু মৌদ্ৰিক কৰ্তৃপক্ষসমূহ। এইটো উল্লেখ কৰা প্ৰয়োজনীয় যে বৈদেশিক মুদ্ৰাৰ বজাৰত অংশগ্ৰহণকাৰীসকলৰ নিজা নিজা ব্যৱসায়িক কেন্দ্ৰ থাকিব পাৰে যদিও এইবোৰৰ পৰিসৰ সিমান বিস্তৃত নহয়। কিন্তু বৈদেশিক মুদ্ৰাৰ বজাৰৰ পৰিসৰে সমগ্ৰ বিশ্বকে সাঙুৰি লয়। এইদৰে ব্যৱসায়িক কেন্দ্ৰবোৰৰ আৰু এখনতকৈ অধিক বজাৰৰ লগত সম্পৰ্ক যুক্ত অংশগ্ৰহণকাৰীসকলৰ মাজত ঘনিষ্ঠ আৰু অবিচ্ছিন্ন সম্পৰ্ক গঢ়ি উঠে।

এটা মুদ্ৰাৰ মূল্য আন এটা মুদ্ৰাৰ মানত নিৰূপণ হোৱাকে বিনিময় হাৰ (Exchange rate) বুলি কোৱা হয়। যিহেতু দুখন দেশৰ দুটা মুদ্ৰাৰ মাজত সামঞ্জস্য আছে, সেয়েহে বিনিময় হাৰৰ সংজ্ঞা তলত দিয়া দুই ধৰণৰ যিকোনো এটাৰ দ্বাৰা দিব পৰা যায়—

প্ৰথমতে, বৈদেশিক মুদ্ৰাৰ এক একক ক্ৰয় কৰিবৰ বাবে যি পৰিমাণৰ ঘৰুৱা মুদ্ৰাৰ

আৱশ্যক হয়, তাকেই বিনিময় হাৰ বোলে। উদাহৰণ স্বৰূপে এক টকা আৰু এটা ডলাৰৰ বিনিময় হাৰ 50 টকা হ'লে এটা ডলাৰ ক্ৰয়ৰ বাবে প্ৰয়োজন হোৱা ব্যয় হ'ল 50 টকা।

দ্বিতীয়তে, এক একক ঘৰুৱা মুদ্ৰা ক্ৰয় কৰাৰ বাবে আৱশ্যক হোৱা বৈদেশিক মুদ্ৰাৰ ব্যয় হিচাপেও বিনিময় হাৰৰ সংজ্ঞা দিব পাৰি। ওপৰত উল্লেখ কৰা ক্ষেত্ৰত আমি ক'ব পাৰো যে এক টকা ক্ৰয় কৰিবলৈ 2 টা আমেৰিকাৰ তামৰ মুদ্ৰা (Cents) ব্যয় কৰিবলগীয়া হয়। অৱশ্যে বাস্তৱ ক্ষেত্ৰত আৰু বিশেষকৈ অৰ্থনৈতিক পৰিভাষাত ক'বলৈ হ'লে পূৰ্বৰ সংজ্ঞাটো ব্যৱহাৰ কৰিব লাগে, অৰ্থাৎ ঘৰুৱা মুদ্ৰাৰ মানত বৈদেশিক মুদ্ৰাৰ মূল্য হিচাপেহে বিনিময় হাৰ নিৰূপণ হ'ব লাগে। ইয়াকেই 'দ্বৈত-মৌদ্ৰিক বিনিময় হাৰ' (Bilateral Nominal Exchange Rate) বোলে। এই হাৰক দ্বৈত হাৰ এই কাৰণে হোৱা হয় যে ই এটা মুদ্ৰাৰ বিপৰীতে আন এটা মুদ্ৰাৰ বিনিময় হাৰ। তদুপৰি এই বিনিময় হাৰক মৌদ্ৰিক হাৰ এই কাৰণেই কোৱা হয় যে ইয়াক মুদ্ৰাৰ মানত প্ৰকাশ কৰা হয়, অৰ্থাৎ প্ৰতি ডলাৰৰ বা প্ৰতি পাউণ্ডৰ মূল্য হ'ল এক নিৰ্দিষ্ট পৰিমাণৰ টকা।

যিয়েই নহওক, ওপৰত উল্লেখ কৰা লণ্ডন ভ্ৰমণৰ উদাহৰণটোলৈ পুনৰ ঘূৰি গ'লে ক'ব পৰা যায় যে যদি কোনো লোকে লণ্ডন ভ্ৰমণ কৰাৰ পৰিকল্পনা কৰে, তেন্তে তেওঁ দেশীয় বস্তুৰ তুলনাত ব্ৰিটিছৰ বস্তুবোৰ কিমান ব্যয়বহুল সেইটো জনাটো দৰ্কাৰী হৈ পৰে। যি ব্যৱস্থাই বা জোখে এই বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰে, সেয়াই হ'ল প্ৰকৃত বিনিময় হাৰ। অৰ্থাৎ প্ৰকৃত বিনিময় হাৰ হ'ল বৈদেশিক মূল্যবোৰ আৰু ঘৰুৱা মূল্যবোৰৰ অনুপাত— যাক একে মুদ্ৰাৰ দ্বাৰা জোখা হয়। প্ৰকৃত বিনিময় হাৰৰ সংজ্ঞা তলত দিয়া ধৰণে দিব পাৰি—

প্ৰকৃত বিনিময় হাৰ $= \frac{eP_f}{P}$ .....(6.1)

য'ত, P আৰু $P_f$ হ'ল ক্ৰমে দেশৰ আৰু বিদেশৰ মূল্যস্তৰ, e হ'ল বৈদেশিক মুদ্ৰাৰ টকাৰ মানত নিৰূপিত দাম (মৌদ্ৰিক বিনিময় হাৰ)। গণনাকাৰীয়ে (Numerator) টকাৰ মানত জোখা বৈদেশিক মূল্যবোৰ প্ৰকাশ কৰে আৰু ভগ্নাংশৰ হৰে অথবা Denominator এ

টকাৰ মানত জোখা ঘৰুৱা মূল্যস্তৰ প্ৰদান কৰে। সেয়েহে প্ৰকৃত বিনিময় হাৰে বৈদেশিক মূল্যবোৰ ঘৰুৱা মূল্যৰ আপেক্ষিক হিচাপে জোখে। যদি প্ৰকৃত বিনিময় হাৰ একৰ সমান হয়, তেন্তে মুদ্ৰাবোৰ 'ক্ৰয় ক্ষমতাৰ সমতা' (Purchasing Power Parity)ত উপনীত হয়। ই ইয়াকে বুজায় যে দুখন দেশত বস্তুবোৰ যেতিয়া একেই মুদ্ৰাত জোখা হয়, তেতিয়া এইবোৰৰ ব্যয় দুয়োখন দেশতে একে হয়। উদাহৰণ স্বৰূপে, যদি এটা কলমৰ আমেৰিকাত খৰচ হয় 4 ডলাৰ আৰু মৌদ্ৰিক বিনিময় হাৰ প্ৰতি ডলাৰত 50 টকা হয়, তেন্তে প্ৰকৃত বিনিময় হাৰ এক (One) বুলি ধৰিলে ভাৰতত ইয়াৰ খৰচ 200 টকা ($eP_f = 50 \times 4$) হ'ব। যদি প্ৰকৃত বিনিময় হাৰ একতকৈ বেছি হয়, তেন্তে ই ইয়াকে বুজায় যে বৈদেশিক বস্তুবোৰ ঘৰুৱা বস্তুবোৰতকৈ বেছি ব্যয়বহুল। এইদৰে প্ৰকৃত বিনিময় হাৰক প্ৰায়ে এখন দেশৰ আন্তৰ্জাতিক প্ৰতিযোগিতামূলক ক্ষমতাৰ জোখ হিচাপে গণ্য কৰা হয়।

যিহেতু এখন দেশে আন বহুতো দেশৰ লগত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰে, সেয়েহে আমি এটা ঘৰুৱা মুদ্ৰাৰ গতিশীলতা আন আন দেশৰ মুদ্ৰাৰ লগত দ্বৈত হাৰবোৰত নিৰ্ধাৰণ কৰাৰ পৰিবৰ্তে আপেক্ষিকভাৱে এটা নিৰ্দিষ্ট সংখ্যাত অকলে নিৰ্ধাৰণ কৰিবলৈ ইচ্ছা কৰিব পাৰো। এনে অৱস্থাত বিনিময় হাৰৰ বাবে আমাক অন্যান্য মুদ্ৰাৰ পৰিবৰ্তে এটা সূচক (Index)ৰ আৱশ্যক হয়, যেনেকৈ সকলো ধৰণৰ বস্তুৰ মূল্য কি হাৰত পৰিৱৰ্তন হৈছে সেইটো নিৰ্ধাৰণ কৰিবলৈ দৰ সূচক ব্যৱহাৰ কৰা হয়। ইয়াক 'মৌদ্ৰিক সক্ৰিয় বিনিময় হাৰ' (Nominal Effective Exchange Rate - NEER) হিচাপে গণ্য কৰা হয়। দৰাচলতে ই হ'ল এটা 'বহুভুজ হাৰ' (Multilateral Rate) আৰু ইয়ে প্ৰতিনিধিত্বমূলক এপাচি (Busket) বৈদেশিক মুদ্ৰাৰ দামক প্ৰতিনিধিত্ব কৰে। এই প্ৰতিনিধিত্বমূলক মুদ্ৰাবোৰৰ প্ৰত্যেককে আন্তৰ্জাতিক বাণিজ্যত ঘৰুৱা দেশৰ গুৰুত্বৰ ওপৰত ভিত্তি কৰি 'ভৰ' (weighted) প্ৰদান কৰা হয় (ৰপ্তানি আৰু আমদানিৰ গড় সংখ্যাটোকে ইয়াৰ নিৰ্দেশক হিচাপে লোৱা হয়)। আকৌ, প্ৰকৃত বিনিময় হাৰৰ বাণিজ্যিক অংশীদাৰসকলৰ ভৰযুক্ত গড় হিচাপে 'প্ৰকৃত সক্ৰিয় বিনিময় হাৰ' (Real Effective Exchange Rate - REER) গণনা কৰা হয়। ইয়াত উল্লেখ কৰা ভৰসমূহ হ'ল নিজ নিজ দেশৰ বৈদেশিক বাণিজ্যত থকা অংশবোৰ।

তদুপৰি, ইয়াক এক নিৰ্দিষ্ট পৰিমাণৰ বৈদেশিক বস্তু ক্ৰয় কৰাৰ বাবে প্ৰয়োজন হোৱা ঘৰুৱা বস্তুৰ পৰিমাণ হিচাপেও ব্যাখ্যা কৰা হয়।

### 6.2.1 বিনিময় হাৰ নিৰ্ধাৰণ (Determination of the Exchange Rate)—

সাধাৰণতে প্ৰশ্ন উদয় হয় যে বৈদেশিক বিনিময় হাৰ[1] কিয় বৰ্তমানৰ স্তৰত আছে আৰু ইয়াৰ গতিশীলতাৰ কাৰণবোৰ কি কি? বিনিময় হাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত যিবোৰ অৰ্থনৈতিক নীতিয়ে গুৰুত্ব লাভ কৰি আছে, সেইবোৰ বুজিবলৈ আমি আন্তৰ্জাতিক মুদ্ৰাগত পদ্ধতিৰ বৈশিষ্ট্যযুক্ত প্ৰধান বিনিময় হাৰ ব্যৱস্থাৰ নীতি বা পদ্ধতি[2] (Regimes) বোৰ অধ্যয়ন কৰিব লাগে। উল্লেখযোগ্য যে স্থিৰ মূল্য পৰিৱৰ্তনশীলতাৰ চুক্তিৰ প্ৰচলিত ব্যৱস্থাৰ পৰা বিনিময় হাৰে চুক্তিহীন এটা পদ্ধতিলৈ বা ব্যৱস্থালৈ পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। এনে ব্যৱস্থাৰ মূল বিশেষত্ব হ'ল এই যে ইয়াত বাসিন্দাসকলে ঘৰুৱা মুদ্ৰা বৈদেশিক মুদ্ৰালৈ পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত অধিক স্বাধীনতা উপভোগ কৰিবলৈ সক্ষম হয় যদিও দামৰ নিশ্চয়তা (Price guarantee) উপভোগ কৰিব নোৱাৰে।

### 6.2.2 পৰিৱৰ্তশীল বিনিময় হাৰ (Flexible Exchange Rates)—

পৰিৱৰ্তনশীল বিনিময় হাৰ পদ্ধতিত (যাক ভাসমান বিনিময় হাৰ বুলিও জনা যায়) ব্যৱস্থাত, বিনিময় হাৰ বজাৰ চাহিদা শক্তি আৰু বজাৰ যোগান শক্তিৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। এটা সম্পূৰ্ণৰূপে পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত কেন্দ্ৰীয় বেংকবোৰে কিছুমান সৰল নিয়মাৱলী অনুসৰণ কৰে আৰু এই বেংকবোৰে বিনিময় হাৰৰ স্তৰক প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰে। আন ভাষাত, এই বেংকবোৰে বৈদেশিক মুদ্ৰাৰ বজাৰত কোনো হস্তক্ষেপ নকৰে, (আৰু সেই কাৰণে তাত কোনো জমা লেন-দেন নাথাকে)।

---

1 যিকোনো দুটা মুদ্ৰাৰ মাজত।

2 এটা বিনিময় হাৰ শাসন পদ্ধতি বা ব্যৱস্থা হ'ল এমুঠি আন্তৰ্জাতিক নিয়ম, যিয়ে বিনিময় হাৰ নিৰ্ধাৰণ কৰা কাৰ্যবোৰ পৰিচালনা কৰে।


বৈদেশিক লেন-দেনৰ বিবৃতিৰ হিচাপবোৰ আৰু বৈদেশিক মুদ্ৰাৰ বজাৰৰ লেন-দেনৰ মাজত থকা সম্পৰ্কটো সকলো সময়তে স্পষ্ট নহয়, ই এটা বিশেষ অৱস্থাতহে স্পষ্ট হোৱা দেখা যায়। ই হ'ল এনে এটা অৱস্থা য'ত আমি স্বীকৃতি দিওঁ যে ঘৰুৱা বাসিন্দাসকলে বৈদেশিক বস্তুবোৰ সেৱাসমূহ আৰু পৰিসম্পত্তিবোৰত (Assets) কৰা সকলো ধৰণৰ ব্যয়ে আৰু বৈদেশিক হস্তান্তৰযোগ্য প্ৰদান (যাক বৈদেশিক লেন-দেনৰ হিচাপৰ বিবৃতিৰ পৰা বিয়োগ কৰা হয়) বোৰেও বৈদেশিক মুদ্ৰাৰ চাহিদাক প্ৰতিনিধিত্ব কৰে। ভাৰতৰ এজন বাসিন্দাই জাপানৰ এখন গাড়ী কিনিলে টকাৰ মাধ্যমত ইয়াৰ মূল্য প্ৰদান কৰে, কিন্তু জাপানৰ ৰপ্তানিকাৰীয়ে 'ইয়েন'ৰ মাধ্যমত মূল্য প্ৰদান কৰাটো আশা কৰে। সেই কাৰণে টকাক বৈদেশিক মুদ্ৰাৰ বজাৰত 'ইয়েন'লৈ পৰিৱৰ্তন কৰিবলগীয়া হয়। অৰ্থাৎ টকাৰ বিনিময়ত 'ইয়েন' সংগ্ৰহ কৰিব লাগে।

ইয়াৰ বিপৰীতে, ঘৰুৱা বাসিন্দাসকলৰ দ্বাৰা কৰা সকলো ধৰণৰ ৰপ্তানিয়ে সম-পৰিমাণৰ বৈদেশিক মুদ্ৰা অৰ্জনক প্ৰতিবিম্বিত (Reflect) কৰে। উদাহৰণ স্বৰূপে, ভাৰতীয় ৰপ্তানিকাৰীসকলে টকাৰ মাধ্যমত নিজৰ ৰপ্তানিজাত দ্ৰব্যৰ মূল্য প্ৰদান কৰাটো আশা কৰে। ইয়াৰ ফলত বিদেশীসকলে ভাৰতৰ বস্তু ক্ৰয় কৰিবলৈ নিজৰ দেশৰ মুদ্ৰা বিক্ৰী কৰি টকা সংগ্ৰহ কৰিবলগীয়াত পৰে। এনে অৱস্থাত বৈদেশিক লেন-দেনৰ বিবৃতিৰ হিচাপত থকা মুঠ জমাৰ পৰিমাণ আৰু বৈদেশিক মুদ্ৰাৰ যোগানৰ পৰিমাণ পৰস্পৰৰ সমান হয়। বৈদেশিক মুদ্ৰাৰ চাহিদা উদ্ভৱ হোৱাৰ এই কাৰণটোৰ উপৰিও ইয়াৰ চাহিদা উদ্ভব হোৱাৰ আন এটা কাৰণ হ'ল— লাভৰ চিন্তাপ্ৰসূত অভিপ্ৰায়বোৰ।

সহজভাৱে ব্যাখ্যা কৰিবৰ বাবে আমি ধৰি ল'ব পাৰো যে বিশ্বত ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্ত ৰাষ্ট্ৰহে আছে আৰু সেয়েহে মাত্ৰ এটা বিনিময় হাৰহে নিৰ্ধাৰণ হ'ব লাগে। এনে ক্ষেত্ৰত বৈদেশিক মুদ্ৰাৰ চাহিদা ৰেখাডাল (DD) নিম্নগামী হয়। কাৰণ বৈদেশিক মুদ্ৰাৰ দাম বাঢ়িলে টকাৰ মানত বিদেশী বস্তু ক্ৰয় কৰাৰ খৰচ বাঢ়িব। ইয়াৰ ফলত আমদানিৰ পৰিমাণ হ্ৰাস পাব আৰু বৈদেশিক মুদ্ৰাৰ চাহিদাও হ্ৰাস পাব। যেতিয়া বিনিময় হাৰ বৃদ্ধি

হয়, তেতিয়া বৈদেশিক মুদ্ৰাৰ যোগান বঢ়াবলগীয়া হয় আৰু ইয়াৰ বাবে আমাৰ ৰপ্তানিবোৰৰ বৈদেশিক চাহিদা একক স্থিতিস্থাপকতাতকৈ বেছি (E>1) হ'ব লাগিব। ইয়াৰ অৰ্থ হ'ল এই যে বৈদেশিক বিনিময় হাৰৰ এক শতাংশ বৃদ্ধি হ'লে (যিয়ে আমাৰ দেশৰ বস্তু ক্ৰয় কৰা বৈদেশিক ৰাষ্ট্ৰৰ বাবে আমাৰ ৰপ্তানিজাত দ্ৰব্যৰ দাম এক শতাংশ হ্ৰাস পোৱাক বুজায়) আমাৰ ৰপ্তানি জাত দ্ৰব্যৰ চাহিদা এক শতাংশতকৈ অধিক হাৰত বৃদ্ধি পাব লাগিব। যদি এই চৰ্ত বাহাল থাকে, তেন্তে আমাৰ দেশৰ ৰপ্তানিৰ পৰা পোৱা টকাৰ পৰিমাণ বৈদেশিক বিনিময় হাৰ বৃদ্ধিৰ তুলনাত আনুপাতিকভাৱে বেছি হাৰত বাঢ়িব আৰু ডলাৰৰ মাধ্যমত লাভ কৰা উপাৰ্জন (বৈদেশিক মুদ্ৰাৰ যোগান) বৃদ্ধি হ'ব, যিহেতু বিনিময় হাৰ বৃদ্ধি পাইছে বুলি ধৰা হৈছে। যিয়েই নহওঁক, এডাল উলম্ব (Vertical) যোগান ৰেখাই (ভাৰতীয় ৰপ্তানিৰ বাবে একক স্থিতিস্থাপক বৈদেশিক চাহিদাৰ সৈতে) এই বিশ্লেষণৰ কোনো পৰিৱৰ্তন সাধন নকৰে। এইখিনিতে উল্লেখযোগ্য যে বৈদেশিক বিনিময় হাৰৰ বাহিৰে বাকী সকলোবোৰ দামক শিথিল হিচাপে ৰখা হৈছে।


কেন্দ্ৰীয় বেংকৰ হস্তক্ষেপ নথকা এনে পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত বৈদেশিক বিনিময় হাৰে বজাৰক স্পষ্ট বা নিশ্চিত (Clear) কৰাৰ পিনে গতি কৰে আৰু বৈদেশিক মুদ্ৰাৰ চাহিদা আৰু যোগানৰ সমতা স্থাপন কৰে। চিত্ৰ নং 6.1-ত ভাৰসাম্য বিনিময় হাৰ হ'ল e*, যদি ভাৰতীয়সকলে সঘনাই বিদেশলৈ যায়, তেন্তে বৈদেশিক মুদ্ৰাৰ চাহিদা বাঢ়ে অথবা আমদানিকৃত বস্তুবোৰলৈ ক্ৰমাগতভাৱে পছন্দ বৃদ্ধি হোৱা দৃষ্টিগোচৰ হয় আৰু তেতিয়া চাহিদা ৰেখা সোঁহাতে ওপৰলৈ স্থানান্তৰিত হ'ব। ইয়াৰ ফলত বৈদেশিক মুদ্ৰাৰ চাহিদা আৰু যোগান ৰেখাই উচ্চ বিনিময় হাৰত কটাকটি কৰিব।




পৰিৱৰ্তনশীল বিনিময় হাৰৰ অধীনত ভাৰসমতা

পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত বৈদেশিক মুদ্ৰাৰ দামৰ পৰিৱৰ্তনক মুদ্ৰাৰ বহিঃমূল্য হ্ৰাস (Depreciation) বা মুদ্ৰাৰ বহিঃমূল্য বৃদ্ধি (Appreciation) বুলি উল্লেখ কৰা হয়। ওপৰত উল্লেখ কৰা ধৰণে ক'ব পাৰি যে যেতিয়াৰ পৰা মুদ্ৰা (টকা) বৈদেশিক মুদ্ৰাৰ মানত কম ব্যয়বহুল হ'বলৈ আৰম্ভ কৰিছে, তেতিয়াৰ পৰা ইয়াৰ (টকাৰ) মূল্য হ্ৰাস কৰা হৈ আহিছে। উদাহৰণস্বৰূপে যদি ভাৰসাম্য টকা-ডলাৰৰ বিনিময় হাৰ পূৰ্বতে 45 টকা আছিল আৰু বৰ্তমান প্ৰতি ডলাৰত 50 টকা হৈছে, তেন্তে বুজিব লাগিব যে ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস কৰা হৈছে। ইয়াৰ বিপৰীতে, যেতিয়া ঘৰুৱা মুদ্ৰা বৈদেশিক মুদ্ৰাৰ মানত বেছি ব্যয়বহুল হয়, তেন্তে ইয়াৰ বহিৰ্মূল্য বৃদ্ধি পোৱা বুলি কোৱা হয়।

চিত্ৰ নং 6.2 ত e* হ'ল প্ৰাৰম্ভিক বিনিময় হাৰ আৰু এই অৱস্থাত বৈদেশিক মুদ্ৰাৰ চাহিদা আৰু যোগান পৰস্পৰে পৰস্পৰৰ সমান হৈছে। ধৰা হ'ল যে বৈদেশিক মুদ্ৰাৰ চাহিদা বৰ্তমান বৃদ্ধি হৈছে আৰু এনে অৱস্থাত বজাৰ সুনিশ্চিত কৰিবলৈ বিনিময় হাৰ চিত্ৰ নং 6.2 ত দেখুওৱাৰ দৰে $e^1$ লৈ বৃদ্ধি পাইছে। বিনিময় হাৰ বৃদ্ধি পোৱা বাবে (মুদ্ৰাৰ বহিৰ্মূল্য হ্ৰাস) আমদানিৰ চাহিদা হ্ৰাস পাব, যিহেতু বিনিময় হাৰ বাঢ়িলে আমদানিকৃত বস্তুবোৰৰ দাম টকাৰ মানত বৃদ্ধি হয়। আকৌ এনে অৱস্থাত ৰপ্তানিৰ চাহিদা বৃদ্ধি হয়, কাৰণ বিনিময় হাৰ বৃদ্ধিৰ ফলত ৰপ্তানিবোৰ বিদেশীসকলৰ বাবে কম ব্যয়বহুল হয়। নতুন ভাৰসাম্য বিনিময়ৰ হাৰ $e^1$ ত বৈদেশিক মুদ্ৰাৰ যোগান আৰু চাহিদা পুনৰ এটা আনটোৰ সমান হয়।



চিত্ৰ নং - 6.2

বৈদেশিক বিনিময় বজাৰত আমদানিৰ চাহিদা বৃদ্ধিৰ প্ৰভাৱ

**লাভৰ চিন্তন (Speculation)**— বৈদেশিক মুদ্ৰাৰ বজাৰত নিৰ্ধাৰণ হোৱা বিনিময় হাৰবোৰ অকল ৰপ্তানি আৰু আমদানিৰ চাহিদা আৰু যোগানৰ পৰিমাণ আৰু পৰিসম্পদ

(Assets) সমূহত কৰা বিনিয়োগৰ ওপৰতে নিৰ্ভৰ নকৰে। এইবোৰৰ উপৰিও বিনিময় হাৰ বৈদেশিক মুদ্ৰাৰ লাভৰ চিন্তনৰ (Speculation) ওপৰতো নিৰ্ভৰ কৰে, কাৰণ বৈদেশিক মুদ্ৰাৰ মূল্য বৃদ্ধি হ'লে ইয়াৰ ফলত হ'ব পৰা সম্ভাব্য লাভৰ বাবেও মানুহে এই মুদ্ৰাৰ চাহিদা বৃদ্ধি কৰে। মুদ্ৰাক সকলো দেশতে এবিধ পৰিসম্পত্তি (Asset) হিচাপে গণ্য কৰা হয়। যদি ভাৰতীয়সকলে ভাবে যে টকাৰ তুলনাত ব্ৰিটিছৰ পাউণ্ডৰ মূল্য বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে, তেন্তে তেওঁলোকে পাউণ্ড জমা কৰি ৰাখিবলৈ ইচ্ছা কৰিব। উদাহৰণস্বৰূপে, যদি বৰ্তমানৰ বিনিময় হাৰ এক পাউণ্ডৰ বাবে 80 টকা নিৰ্ধাৰিত হয় আৰু বিনিয়োগকাৰীসকলে ভাবে যে পাউণ্ডৰ মূল্য চলিত মাহটোৰ শেষত আৰু বৃদ্ধি হ'ব আৰু ইয়াৰ মূল্য 85 টকা হ'বগৈ, এনে অৱস্থাত তেওঁলোকে চিন্তা কৰিব যে যদি বৰ্তমান 80,000 টকাৰে 1000 পাউণ্ড ক্ৰয় কৰে, তেন্তে মাহটোৰ শেষত পাউণ্ডবোৰক (1000 পাউণ্ড) 85,000 টকাত বিনিময় কৰি 5000 টকা লাভ কৰিবলৈ সক্ষম হ'ব। এনে প্ৰত্যাশাই পাউণ্ডৰ চাহিদা বৃদ্ধি কৰিব আৰু এই বৰ্ধিত চাহিদাই টকা পাউণ্ডৰ বৰ্তমানৰ বিনিময় হাৰ বৃদ্ধিৰ অন্যতম কাৰণ হিচাপে বিবেচিত হ'ব। এনে ধৰণৰ পৰিৱৰ্তনে বিনিয়োগকাৰী সকলৰ আত্ম-সন্তুষ্টি বা আত্ম-বিশ্বাস সৃষ্টিত অৰিহণা যোগায়।

**সুদৰ হাৰবোৰ আৰু বিনিময় হাৰ (Interest Rates and the Exchange Rate)-** হ্ৰস্বকালত বিনিময় হাৰৰ পৰিৱৰ্তন নিৰ্ধাৰন কৰা আন এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল সুদৰ হাৰৰ প্ৰভেদক (Interest rate differential), অৰ্থাৎ দুখন দেশৰ মাজত থকা সুদৰ হাৰৰ পাৰ্থক্য। বেংকবোৰ, বহুজাতিক কৰ্প'ৰেচনবোৰ আৰু সম্পত্তিশালী ব্যক্তিসকলৰ মালিকানাত বৃহৎ পৰিমানৰ পুঁজি থাকে আৰু এই পুঁজিসমূহ সৰ্বোচ্চ সুদৰ হাৰৰ অনুসন্ধানত বিশ্বৰ চাৰিওফালে প্ৰবাহিত হয়। উদাহৰণ স্বৰূপে, যদি ধৰি লোৱা হয় যে 'A' দেশে চৰকাৰী প্ৰতিজ্ঞা পত্ৰত (Bonds) 8 শতাংশ সুদৰ হাৰ প্ৰদান কৰে আৰু সমভাৱে সুৰক্ষিত চৰকাৰী প্ৰতিজ্ঞা পত্ৰত 'B' দেশে 10 শতাংশ সুদৰ হাৰ দিয়ে, তেন্তে সুদৰ হাৰৰ প্ৰভেদক হ'ল 2 শতাংশ। 'A' দেশ বিনিয়োগকাৰীসকলক উচ্চ সুদৰ হাৰে আকৰ্ষিত কৰিব আৰু নিজৰ দেশৰ মুদ্ৰা বিক্ৰী কৰি 'B' দেশৰ মুদ্ৰা ক্ৰয় কৰিবলৈ ইচ্ছা কৰিব। সেই একে সময়তে,

'B' দেশৰ বিনিয়োগকাৰীসকলেও নিজৰ দেশত বিনিয়োগ কৰাটো অধিক আকৰ্ষণীয় বুলি বিবেচনা কৰিব আৰু সেয়েহে 'A' দেশৰ মুদ্ৰা কমকৈ চাহিদা কৰিব। ই ইয়াকে বুজায় যে 'A' দেশৰ মুদ্ৰাৰ চাহিদা ৰেখা বাওঁফাললৈ পৰিৱৰ্তন হ'ব আৰু মুদ্ৰাৰ যোগান ৰেখা সোঁফাললৈ পৰিৱৰ্তন হ'ব। এনে পৰিৱৰ্তনৰ ফলত 'A' দেশৰ মুদ্ৰাৰ বহিৰ্মূল্য হ্ৰাস হ'ব আৰু 'B' দেশৰ মুদ্ৰাৰ বহিৰ্মূল্য বৃদ্ধি হ'ব। এইদৰে দেখা যায় যে ঘৰুৱাভাৱে সুদৰ হাৰ বৃদ্ধি কৰিলে প্ৰায়ে ঘৰুৱা মুদ্ৰাৰ বহিৰ্মূল্য বৃদ্ধি হয়। ইয়াৰ অন্তৰ্নিহিত (Implicit) অভিধাৰণা হ'ল এই যে বৈদেশিক চৰকাৰে মুকলি কৰি দিয়া (Issued) প্ৰতিজ্ঞাপত্ৰসমূহ ক্ৰয় কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধা-নিষেধ নাথাকে।

**আয় আৰু বিনিময় হাৰ (Income and the Exchange Rate) ঃ** যেতিয়া ব্যক্তিৰ আয়ৰ পৰিমাণ বাঢ়ে তেতিয়া তেওঁলোকৰ ব্যয়ৰ পৰিমাণো বৃদ্ধি হয়। এনে অৱস্থাত আমদানিকৃত বস্তুৰ ওপৰত কৰা ব্যয়ৰ পৰিমাণো স্বভাৱতে বাঢ়ে। আকৌ যেতিয়া আমদানি বৃদ্ধি হয়, তেতিয়া বৈদেশিক মুদ্ৰাৰ চাহিদা ৰেখা সোঁফালে পৰিৱৰ্তন বা স্থানান্তৰ হয়। এনে অৱস্থাত ঘৰুৱা মুদ্ৰাৰ বহিৰ্মূল্য হ্ৰাস পায়। আকৌ, যদি কোনো কাৰণত বৈদেশিক আয় বাঢ়ে, তেন্তে ঘৰুৱা ৰপ্তানিৰ পৰিমাণ বৃদ্ধি হ'ব আৰু বৈদেশিক মুদ্ৰাৰ যোগান ৰেখা সোঁহাতে (outward) পৰিৱৰ্তন হ'ব। উল্লেখযোগ্য যে ভাৰসাম্য অৱস্থাত, ঘৰুৱা মুদ্ৰাৰ বহিৰ্মূল্যৰ হ্ৰাস হ'বও পাৰে অথবা নহ'বও পাৰে। ঘৰুৱা মুদ্ৰাৰ বহিৰ্মূল্য হ্ৰাস হ'ব নে বৃদ্ধি হ'ব সেইটো আচলতে নিৰ্ভৰ কৰে আমদানিৰ পৰিমাণৰ তুলনাত ৰপ্তানিৰ পৰিমাণ দ্ৰুত হাৰত বৃদ্ধি হৈছে নে নাই তাৰ ওপৰতহে। সাধাৰণতে, আন সকলো বিষয়ত অপৰিবৰ্তিত অৱস্থাত থকা বুলি ধৰি ল'লে, এখন দেশ যাৰ সামগ্ৰিক চাহিদা বিশ্বৰ আন আন দেশতকৈ দ্ৰুতহাৰত বৃদ্ধি হয়। তেনে দেশৰ মুদ্ৰাৰ বহিৰ্মূল্য হ্ৰাস পায়। কাৰণ এনে দেশৰ আমদানিৰ পৰিমাণ ৰপ্তানিৰ পৰিমাণতকৈ অধিক হাৰত বৃদ্ধি হয়। সেয়েহে এই দেশৰ বৈদেশিক মুদ্ৰাৰ চাহিদা ৰেখা ইয়াৰ যোগান ৰেখাতকৈ দ্ৰুত হাৰত পৰিৱৰ্তন হয়।

**দীৰ্ঘকালীন বিনিময় হাৰবোৰ (Exchange Rates in the Long Run) ঃ** পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত বিনিময় হাৰৰ বিষয়ে দীৰ্ঘকালীন ভৱিষ্যদ্বাণী (Pre-

diction) কৰিবৰ বাবে 'ক্ৰয় ক্ষমতাৰ সমতা' (Purchasing Power Partiy - PPP) তত্ত্বটো ব্যৱহাৰ কৰা হয়। এই তত্ত্বমতে, যদি বাণিজ্যৰ ওপৰত কোনো ধৰণৰ প্ৰতিবন্ধক নাথাকে, যেনে, শুল্ক (বাণিজ্যৰ ওপৰত কৰ) আৰু 'পৰিমাণ নিৰ্ধাৰণ' (Quotas) কৰা নাথাকে, (যেনে, আমদানিৰ ওপৰত পৰিমাণগত সীমা), তেন্তে বিনিময় হাৰ চূড়ান্তভাৱে (Eventually) ঠিক বা স্থিৰ কৰা উচিত। বিনিময় হাৰক এইধৰণে ঠিক হ'বলৈ দিয়াৰ মূল উদ্দেশ্য হ'ল যাতে বিভিন্ন দেশত পৰিবহণ ব্যয়ৰ পাৰ্থক্যবোৰ বাদ দিলে একে দ্ৰব্যৰ উৎপাদন ব্যয় একে হয়। অৱশ্যে ইয়াক ভাৰতত টকাৰ মাধ্যমত, আমেৰিকাত ডলাৰৰ মাধ্যমত অথবা জাপানত ইয়েনৰ মাধ্যমত আৰু অন্যান্য দেশত সেই দেশৰ মুদ্ৰাৰ দ্বাৰা জোখা হয়। সেই কাৰণে, দীৰ্ঘকালত, দুখন দেশৰ মূল্যস্তৰৰ পাৰ্থক্যবোৰ প্ৰতিবিম্বিত কৰিবলৈ যিকোনো দুটা দেশীয় মুদ্ৰাৰ বিনিময় হাৰ ঠিক কৰা হয়।

**উদাহৰণ— 6:1** যদি এটা কামিজত আমেৰিকাত 8 ডলাৰ খৰচ হয় আৰু ভাৰতত 400 টকা খৰচ হয়, তেন্তে টকা ডলাৰৰ বিনিময় হাৰ 50 টকা হোৱা উচিত। ই কিয় হয়, সেইটো লক্ষ্য কৰিবলৈ 50 টকাতকৈ যিকোনো এটা উচ্চ বিনিময় হাৰ ধৰি ল'ব পাৰো, যেনে, 60 টকা আৰু এই বিনিময় হাৰত প্ৰতিটো কামিজত আমেৰিকাত খৰচ পৰিব 480 (8x60=480) টকা আৰু ভাৰতত ইয়াৰ খৰচ পৰিব মাত্ৰ 400 টকা। এনে অৱস্থাত, সকলোবোৰ বিদেশী ক্ৰেতাই কামিজবোৰ ভাৰতৰ পৰা ক্ৰয় কৰিবলৈ ইচ্ছা কৰিব। একেদৰে, যদি টকা ডলাৰৰ বিনিময় হাৰ টকাৰ তলত নিৰ্ধাৰণ হয়, তেন্তে এনে বিনিময় হাৰে কামিজৰ ব্যৱসায় আমেৰিকাৰ অনুকূলে প্ৰেৰণ কৰিব। কাৰণ 50 টকা বিনিময় হাৰৰ তলৰ যিকোনো বিনিময় হাৰত প্ৰতিটো কামিজৰ খৰচ ভাৰতৰ তুলনাত আমেৰিকাত কম হ'ব।


আকৌ, ধৰি লোৱা হ'ল যে ভাৰতত কামিজৰ দাম 20 শতাংশ বৃদ্ধি পাইছে আৰু আমেৰিকাত 50 শতাংশ বৃদ্ধি পাইছে। এনে অৱস্থাত ভাৰতীয় কামিজবোৰৰ প্ৰতিটোৰ বাবদ খৰচ হ'ব 480 টকা আৰু আমেৰিকাত প্ৰতিটো কামিজৰ খৰচ হ'ব 12 ডলাৰ।

এই দুয়ো ধৰণৰ দাম সমান হ'বলৈ হ'লে 12 ডলাৰ নিশ্চয় 480 টকাৰ সমান হ'ব লাগিব নাইবা এক ডলাৰ সমান 40 টকা হ'ব লাগিব। গতিকে ডলাৰৰ বহিৰ্মূল্যৰ সংকোচন হ'ল।

ক্ৰয়ক্ষমতাৰ সমতা (PPP) তত্ত্বমতে ঘৰুৱা মুদ্ৰাস্ফীতি আৰু বৈদেশিক মুদ্ৰাস্ফীতিৰ মাজৰ প্ৰভেদবোৰেই হ'ল বিনিময় হাৰ নিষ্পত্তি বা ঠিক কৰিব পৰা (adjustment) এটা মুখ্য কাৰণ। যদি এখন দেশৰ মুদ্ৰাস্ফীতি আন এখন দেশতকৈ উচ্চ হাৰৰ হয়, তেন্তে ইয়াৰ বিনিময় হাৰ মুদ্ৰাৰ বহিৰ্মূল্যৰ হ্ৰাসৰ জৰিয়তে নিৰূপণ হোৱা উচিত।

যিয়েই নহওঁক, যদি ধাৰ লোৱা হয় যে আমেৰিকাত কামিজৰ দাম ভাৰতৰ দামতকৈ দ্ৰুত হাৰত বৃদ্ধি পাইছে আৰু সেই একেই সময়তে দেশবোৰে ভাৰতৰ কামিজবোৰ বাহিৰলৈ নিয়াৰ বাবে থকাৰ শুল্কৰ বাধাবোৰ উঠাই দিয়ে (কিন্তু আমেৰিকাৰবোৰৰ নহয়), তেন্তে ডলাৰৰ বহিৰ্মূল্যৰ সংকোচন নহ'বও পাৰে। আকৌ বহুতো বস্তু আছে যিবোৰ ব্যৱসায়যোগ্য নহয় আৰু সেয়েহে এইবোৰৰ মুদ্ৰাস্ফীতিৰ হাৰে বিশেষ প্ৰভাৱ নেপেলায়। তদুপৰি, কিছুমান বস্তু আছে, যিবোৰ বিভিন্ন দেশে উৎপাদন কৰে আৰু ইয়াৰ বাণিজ্য একেধৰণৰ (Uniform) বা সম্পূৰ্ণ এক ধৰণৰ (Identical) হয়। বহুতো অৰ্থনীতিবিদে যুক্তি দিয়ে যে হ্ৰস্বকালত বিনিময় হাৰ নিৰ্ধাৰণৰ বাবে আপেক্ষিক দৰবোৰৰ তুলনাত আন আন উপাদানসমূহ বেছি গুৰুত্বপূৰ্ণ। অৱশ্যে, দীৰ্ঘকালত ক্ৰয়ক্ষমতাৰ সমতা তত্ত্বই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**6.2.3. স্থিৰ বিনিময় হাৰ (Fixed Exchange Rates)-** 1970 চনৰ প্ৰথম ভাগত 'ব্ৰিটোন উড্‌ছ' (Bretton Woods) পদ্ধতিৰ ধ্বংস হোৱাৰ আগৰ পৰাই দেশসমূহত পৰিৱৰ্তনশীল বিনিময় হাৰ পদ্ধতি আছিল। ইয়াৰ আগতে বেছিভাগ দেশতে স্থিৰ অথবা শিথিল (pegged) বিনিময় হাৰ পদ্ধতি প্ৰচলিত আছিল। এই পদ্ধতি মতে বিনিময় হাৰটো এটা নিৰ্দিষ্ট স্তৰত শিথিল কৰা হয়। স্থিৰ আৰু শিথিল বিনিময় হাৰ দুটা প্ৰায় একে যেন




শিথিল বিনিময় হাৰৰ সৈতে বৈদেশিক মুদ্ৰাৰ বজাৰ

অনুমান হয় যদিও এই দুয়োটাৰ মাজত কিছু প্ৰভেদ আছে। এইটো উল্লেখ কৰিবলগীয়া যে আগৰটো হ'ল স্থিৰ হাৰ আৰু পিচৰ হাৰটো মুদ্ৰাগত কৰ্তৃপক্ষবোৰে তদাৰক কৰে। শিথিল বিনিময় হাৰ হ'ল এনে এটা মূল্য য'ত বিনিময় হাৰ হ'ল এটা নীতি চলকহে (Policy variable), কাৰণ ই পৰিৱৰ্তনো হ'ব পাৰে।

ওপৰত উল্লেখ কৰা দুয়োটা বিনিময় হাৰৰ মাজত এটা সাধাৰণ উপাদান (Common Element) আছে। স্থিৰ বিনিময় হাৰ ব্যৱস্থাত, যেনে, স্বৰ্ণমান ব্যৱস্থাত, বৈদেশিক লেন-দেনৰ উদ্বৃত্তবোৰ বা ঘাটিবোৰ বিনিময় হাৰৰ পৰিৱৰ্তনৰ দ্বাৰা নিষ্পত্তি কৰিব নোৱাৰি। এই কাৰ্য অৰ্থনৈতিক পদ্ধতিৰ স্বয়ংক্ৰিয় (Automatic) কাৰ্যক্ৰমণিকাৰ দ্বাৰা (যেনে, হিউমে ব্যাখ্যা কৰা প্ৰক্ৰিয়াৰ দ্বাৰা) নাইবা চৰকাৰৰ দ্বাৰা সম্পাদন কৰিব পাৰি। যেতিয়ালৈ স্থিৰ বিনিময় হাৰৰ কোনো পৰিৱৰ্তন নহয়, বা এই হাৰৰ পৰিৱৰ্তন হ'ব বুলি আশা কৰা নহয়, তেতিয়ালৈ শিথিল বিনিময় হাৰ আৰু স্থিৰ বিনিময় হাৰে একেধৰণৰ বৈশিষ্ট্যৰ বশৱৰ্তী হয়। যিয়েই নহওক, চৰকাৰৰ বাবে সদায় এটা সুযোগ মুকলি হৈ থাকে আৰু এইটো হ'ল যে ই বিনিময় হাৰৰ পৰিৱৰ্তন সাধন কৰিব পাৰে।

যেতিয়া শিথিল বিনিময় হাৰ পদ্ধতিত সামাজিক কাৰ্যৰ দ্বাৰা বিনিময় হাৰ বৃদ্ধি কৰা হয়, তেতিয়া মুদ্ৰাৰ অৱমূল্যায়ন (Devaluation) হোৱা বুলি কোৱা হয়। অৱমূল্যায়নৰ বিপৰীতটো হ'ল পুনৰ মূল্যায়ন (Revaluation)। অৱশ্যে, চৰকাৰে বিনিময় হাৰ অপৰিৱৰ্তিত হিচাপে থকাটো পছন্দ কৰিব পাৰে আৰু ৰাজকোষীয় (Fiscal) আৰু মুদ্ৰানীতিৰ দ্বাৰা বৈদেশিক লেন-দেনৰ সমস্যাৰ লগত জড়িত হ'ব পাৰে। বেছিভাগ চৰকাৰে বিনিময় হাৰ খুব কমেইহে পৰিৱৰ্তন কৰে। এই বিশ্লেষণত বিনিময় হাৰ ব্যৱস্থাক বা ইয়াৰ শাসন ব্যৱস্থা

(Regime)ক বুজাবলৈ স্থিৰ বিনিময় হাৰ আৰু শিথিল বিনিময় হাৰ পদ্ধতি দুটাক সলনা-সলনিকৈ ব্যৱহাৰ কৰা হৈছে। এনে ব্যৱস্থাত বিনিময় হাৰ চৰকাৰৰ সিদ্ধান্তৰ দ্বাৰা স্থিৰ কৰা হয় আৰু চৰকাৰৰ কাৰ্যাৱলীৰ দ্বাৰা পৰিচালনা কৰা হয়।

তলত কি ধৰণে এখন দেশে ইয়াৰ বিনিময় হাৰ শিথিল বা স্থিৰ কৰিব পাৰে তাক দেখুওৱা হৈছে। ধৰি লোৱা হ'ল যে ভাৰতৰ ৰিজাৰ্ভ বেংকে (RBI) প্ৰতিটো ডলাৰৰ বাবে টকাৰ এটা ঠিক সমান মূল্য (Par value) 45 টকাত স্থিৰ কৰিবলৈ ইচ্ছা কৰিছে। (চিত্ৰ নং 6.3 ত $e_1$)। যদি পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত চৰকাৰে (RBI) নিৰ্ধাৰণ কৰা এই বিনিময় হাৰটো ভাৰসাম্য বিনিময় হাৰ (ইয়াত, e*=50 টকা) তকৈ কম বুলি ধৰা হয়, তেন্তে টকাৰ মূল্য বৃদ্ধি হ'ব আৰু ডলাৰৰ মূল্য হ্ৰাস পাব। ই ইয়াকে বুজায় যে যদি বিনিময় হাৰ বজাৰৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়, তেন্তে বজাৰখন সুস্থিৰ কৰিবলৈ হ'লে টকাৰ মানত ডলাৰৰ মূল্য বৃদ্ধি কৰিব লাগিব। যদি এটা ডলাৰৰ মূল্য 50 টকাৰ পৰিবৰ্তে 45 টকা হয়, তেন্তে টকা বেছি ব্যয়বহুল হ'ব (বিনিময় হাৰ ডলাৰ টকাৰ মানত থকা বুলি ধৰিলে, প্ৰতিটো টকাৰ খৰচ 2 'চেণ্টচ্'ৰ পৰিবৰ্তে 2.22 'চেণ্টচ্' হ'ব, 'চেণ্টচ্' হ'ল আমেৰিকাৰ তামৰ মুদ্ৰা)। এই হাৰত ডলাৰৰ যোগানতকৈ ইয়াৰ চাহিদা বাঢ়িব। যিহেতু বৈদেশিক মুদ্ৰাৰ চাহিদা আৰু যোগান অনুসূচীসমূহ বৈদেশিক লেন-দেনৰ হিচাপৰ (অকল স্বতন্ত্ৰ লেন-দেনকে জোখা হয়) পৰা প্ৰস্তুত কৰা হয়, সেয়েহে এনে অত্যধিক চাহিদাই বৈদেশিক লেন-দেনৰ বিবৃতিত ঘাটিৰ সৃষ্টি কৰিব। এই ঘাটি কেন্দ্ৰীয় বেংকৰ হস্তক্ষেপৰ দ্বাৰা পূৰণ কৰা (Bridged) হয়। এনে অৱস্থাত ৰিজাৰ্ভ বেংকে এই বৰ্ধিত AB চাহিদা (চিত্ৰ নং 6.3-ত দেখুওৱা হৈছে) পূৰণ কৰিবলৈ বৈদেশিক বিনিময় বজাৰত টকাৰ বাবে ডলাৰ বিক্ৰী কৰিব আৰু এইদৰে বিনিময় হাৰৰ ওপৰত থকা ঊৰ্ধ্বমুখী হেঁচা নিয়ন্ত্ৰণ কৰিব। এইদৰে, ভাৰতীয় ৰিজাৰ্ভ বেংকে বিনিময় হাৰৰ বৃদ্ধি (যিহেতু বেছি দামত কোনোৱে নিকিনে) অথবা হ্ৰাসৰ (যিহেতু কম দামত কোনোৱে বিক্ৰী নকৰে) ক্ষেত্ৰত বাধা প্ৰদান কৰাৰ অৰ্থে ডলাৰ ক্ৰয় আৰু বিক্ৰী কৰাৰ বাবে সদায় সাজু থাকে।

আকৌ, ধৰি লোৱা হ'ল যে ভাৰতৰ ৰিজাৰ্ভ বেংকে বৈদেশিক লেন-দেনৰ ঘাটিৰ

পৰিমাণৰ এটা অংশ পূৰণ কৰিবৰ বাবে এটা উচ্চ হাৰত বৈদেশিক বিনিময় হাৰ স্থিৰ কৰিছে আৰু এই হাৰ হ'ল প্ৰতি ডলাৰত 47 টকা। ঘৰুৱা মুদ্ৰাৰ এই অৱমূল্যায়নৰ ফলত দ্ৰব্য-সামগ্ৰীৰ আমদানি অধিক ব্যয়বহুল হ'ব আৰু ৰপ্তানি তুলনামূলকভাৱে সস্তীয়া হৈ পৰিব। ইয়াৰ ফলত বৈদেশিক বাণিজ্যৰ ঘাটিৰ পৰিমাণ হ্ৰাস পাব। কিন্তু, এইটো উল্লেখ কৰা দৰ্কাৰ যে বাণিজ্য ঘাটিৰ বাবে বিত্ত যোগান ধৰিবলৈ আৰু বিনিময় হাৰক স্থিৰ কৰি ৰাখিবলৈ কেন্দ্ৰীয় বেংকে বাৰে বাৰে কৰা হস্তক্ষেপে সৰ্বশেষত (Eventually) চৰকাৰী জমা ধ্বংস কৰে। এইটোৱে হ'ল স্থিৰ বিনিময় হাৰ পদ্ধতিত থকা প্ৰধান ছিদ্ৰ বা দোষ (Flaw)।

মন কৰিবলগীয়া যে এবাৰ যদি লাভৰ আশাত ফুৰা বেপাৰীসকলে (Speculators) বিশ্বাস কৰে যে বিনিময় হাৰ দীৰ্ঘকাললৈ ধৰি ৰাখিব বা স্থিৰ কৰি ৰাখিব নোৱাৰি, তেন্তে তেওঁলোকে বৈদেশিক মুদ্ৰা (যেনে, ডলাৰ) বৃহৎ পৰিমাণে ক্ৰয় কৰিবলৈ আগবাঢ়ি আহিব। এনে অৱস্থাত, ডলাৰৰ চাহিদা দ্ৰুতহাৰত বৃদ্ধি পাব আৰু ইয়ে আকৌ বৈদেশিক লেন-দেনৰ বিবৃতিত ঘাটিৰ সৃষ্টি কৰিব। যদি কেন্দ্ৰীয় বেংকৰ হাতত এই অৱস্থাত প্ৰচুৰ পৰিমাণে জমা নাথাকে, তেন্তে এই বেংকে বিনিময় হাৰক ইয়াৰ ভাৰসাম্য স্তৰলৈ যোৱাৰ বাবে অনুমতি দিবলগীয়াত পৰে। লাভৰ চিন্তাপ্ৰসূত 'আক্ৰমণ' (Attack) আৰম্ভ হোৱাৰ পূৰ্বে ঘৰুৱা মুদ্ৰাৰ বাবে প্ৰয়োজন হোৱা অৱমূল্যায়নতকৈ এইটো হয়তো আৰু অধিক ডাঙৰ পৰিমাণৰ অৱমূল্যায়নৰূপে বিবেচিত হ'ব।

আন্তৰ্জাতিক অভিজ্ঞতাই প্ৰতিপন্ন কৰে যে ওপৰত উল্লেখ কৰা পৰিস্থিতি সঘনাই উদ্ভৱ হয় আৰু সেয়েহে বিশ্বৰ বহুতো দেশে স্থিৰ বিনিময় হাৰ ব্যৱস্থাক সম্পূৰ্ণৰূপে ত্যাগ কৰিছে। এনে ধৰণৰ আক্ৰমণৰ ভয়ত আমেৰিকাই 1971 চনত ইয়াৰ মুদ্ৰাক ভাসমান (Float) হিচাপে স্বীকৃতি দিবলৈ অনুপ্ৰাণিত হৈছিল আৰু এইটো হ'ল প্ৰধান ঘটনা বা কাৰণসমূহৰ মাজৰ এটা মুখ্য কাৰণ আৰু ইয়ে 'ব্ৰিটোন উডছ' পদ্ধতি ধ্বংস কৰাৰ বাবে খৰ-খেদা লগোৱাত অৰিহণা যোগাইছিল।

**6.2.4. পৰিচালিত ভাসমান (Managed Floating) ঃ** কোনো আন্তৰ্জাতিক আনুষ্ঠানিক চুক্তি নোহোৱালৈকে সমগ্ৰ বিশ্বৰ দেশসমূহৰ মাজত এটা বিশেষ চিন্তা প্ৰবাহিত হৈ আছিল যে পৰিচালিত ভাসমান বিনিময় হাৰ পদ্ধতি হিচাপে কি ব্যৱস্থাক উৎকৃষ্ট ধৰণে ব্যাখ্যা কৰিব পৰা যাব। ই হ'ল এটা পৰিৱৰ্তনশীল বিনিময় হাৰ পদ্ধতি (ভাসমান অংশটো) আৰু এটা স্থিৰ বিনিময় হাৰ পদ্ধতি (পৰিচালিত অংশটো)ৰ সংমিশ্ৰণ। ইয়াক 'লেতেৰা ভাসমান' (Dirty floating) বুলিও কোৱা হয়। এই পদ্ধতি মতে কেন্দ্ৰীয় বেংকবোৰে বৈদেশিক মুদ্ৰাৰ ক্ৰয় আৰু বিক্ৰীৰ ওপৰত হস্তক্ষেপ কৰে আৰু ইয়াৰ দ্বাৰা বিনিময় হাৰৰ গতিশীলতাক সুস্থ (Moderate) কৰিবলৈ প্ৰচেষ্টা চলায়। অৱশ্যে কেন্দ্ৰীয় বেংকবোৰে যেতিয়া হস্তক্ষেপ কৰাটো যথোপযুক্ত (Appropriate) বুলি বিবেচনা কৰে, অকল তেতিয়াহে এনে পদক্ষেপ গ্ৰহণ কৰে। এনেবোৰ ব্যৱস্থাৰ বাবে চৰকাৰী জমা লেন-দেনবোৰ শূন্যৰ সমান নহয়।

**6.2.5. বিনিময় হাৰ পৰিচালনা ঃ আন্তৰ্জাতিক অভিজ্ঞতা (Exchange Rate Management : The International Experience) ঃ** স্বৰ্ণমান (The Gold Standard) ঃ আনুমানিক প্ৰায় 1870 চনৰ পৰা 1914 চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱালৈকে প্ৰচলিত হৈ থকা বিনিময় হাৰ পদ্ধতি আছিল স্বৰ্ণমান। এই পদ্ধতিটো হ'ল স্থিৰ বিনিময় হাৰ পদ্ধতিৰ এটা শ্ৰেষ্ঠ আৰ্হি (Epitome)। সকলোবোৰ মুদ্ৰাক সোণৰ মানত প্ৰকাশ কৰা (Defined) হৈছিল আৰু কিছুমান মুদ্ৰা প্ৰকৃত সোণৰ দ্বাৰা তৈয়াৰ কৰাও হৈছিল। এই ব্যৱস্থাত প্ৰত্যেকখন অংশগ্ৰহণকাৰী দেশে ইয়াৰ মুদ্ৰাক এটা স্থিৰ মূল্যত সোণলৈ মুক্তভাৱে ৰূপান্তৰিত কৰিব বুলি নিশ্চয়তা প্ৰদান কৰিছিল। ইয়াৰ ফলত অংশগ্ৰহণকাৰী দেশৰ বাসিন্দাসকলৰ অধিকাৰত থকা এটা ঘৰুৱা মুদ্ৰাক আন্তৰ্জাতিক পৰিশোধত (Payments) গ্ৰহণযোগ্য হোৱা অন্য পৰিসম্পদ (সোণ) লৈ এটা স্থিৰ মূল্যত মুকলিভাৱে পৰিৱৰ্তন কৰিব পৰা গৈছিল। তদুপৰি, এনে ব্যৱস্থাৰ ফলত প্ৰত্যেক মুদ্ৰাক আন যিকোনো মুদ্ৰালৈ এটা স্থিৰ মূল্যত পৰিৱৰ্তন কৰাটো সম্ভৱ হৈ উঠিছিল। বিনিময় হাৰবোৰ সোণৰ মানত থকা ইয়াৰ (মুদ্ৰাৰ) মূল্যৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছিল (য'ত মুদ্ৰা সোণেৰে তৈয়াৰ কৰা হৈছিল,

তাত মুদ্ৰাত থকা প্ৰকৃত সোণৰ পৰিমানৰ ওপৰত ভিত্তি কৰা হৈছিল)। উদাহৰণ স্বৰূপে, যদি এক একক, A মুদ্ৰাৰ মূল্য এক গ্ৰাম সোণ আৰু একক একক B মুদ্ৰাৰ মূল্য দুই গ্ৰাম সোণ হয়, তেন্তে B মুদ্ৰাৰ মূল্য A মুদ্ৰাৰ মূল্যৰ দুগুণ হ'ব। অৰ্থনৈতিক এজেণ্ট সকলে প্ৰথমতে সোণ ক্ৰয় কৰা আৰু পিচত ইয়াক বিক্ৰী কৰাৰ পৰিবৰ্তে এক একক B মুদ্ৰা দুই একক A মুদ্ৰালৈ প্ৰত্যক্ষভাৱে পৰিবৰ্তন কৰিব পাৰে। বিনিময় হাৰবোৰ এটা উচ্চ সীমা আৰু এটা নিম্ন সীমাৰ মাজত উঠা-নমা কৰে আৰু এই সীমাবোৰ দুটা মুদ্ৰাৰ মাজত হোৱা গলোৱা খৰচ, জাহাজৰ ব্যয় (Shipping), আৰু মুদ্ৰা পুনৰ তৈয়াৰ কৰা খৰচ (Recoining)ৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়[3]। এইদৰে বিনিময় হাৰৰ চৰকাৰী সমতা ৰক্ষা কৰিবলৈ হ'লে প্ৰত্যেক দেশৰ হাতত বৃহৎ পৰিমাণৰ সোণ মজুত থকাটো প্ৰয়োজনীয়।

সাধাৰণতে এটা প্ৰশ্ন উদয় হয় যে যদি এখন দেশে অতি বেছি পৰিমাণে আমদানি কৰে, তেন্তে সোণৰ সকলো মজুত শেষ হৈ নাযাবনে (অৰ্থাৎ বৈদেশিক লেন-দেনৰ বিবৃতিৰ ঘাটি হ'ব)? মাৰ্কেন্‌টেলিষ্ট[4] সকলে এই বিষয়ে দিয়া ব্যাখ্যা আছিল এনেধৰণৰ যে যেতিয়ালৈকে চৰকাৰে ৰপ্তানিৰ ওপৰত শুল্ক বা সীমা নিৰ্ধাৰণ (Quotas) বা ৰেহাইৰ জৰিয়তে হস্তক্ষেপ নকৰে, তেতিয়ালৈ এখন দেশে ইয়াৰ সকলো সোণ হেৰুৱাবলগীয়াত পৰিব আৰু এইটোৱেই আছিল তেওঁলোকৰ মতে জঘন্য তথা দুখজনক (Worst tragedies) বিষয়। কিন্তু ডেভিদ হিউম নামৰ এজন প্ৰসিদ্ধ দাৰ্শনিকে 1752 চনত এই মতটো মিছা বুলি প্ৰতিপন্ন কৰিছিল আৰু যুক্তি দিছিল যে যদি সোণৰ মজুত হ্ৰাস পায়, তেন্তে সকলোধৰণৰ দাম আৰু ব্যয় সমানুপাতিকভাৱে হ্ৰাস পাব আৰু দেশত কোনো এজনেও ক্ষতিগ্ৰস্ত হ'বলগীয়াত নপৰিব। আকৌ, ঘৰুৱা বজাৰত বস্তু সস্তীয়া হ'লে আমদানি হ্ৰাস পায় আৰু ৰপ্তানি বৃদ্ধি হয় (এইটো হ'ল প্ৰকৃত বিনিময় হাৰ, যিটো প্ৰতিযোগিতামূলক ব্যৱস্থাৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়)। এনে অৱস্থাত, যি দেশৰ পৰা আমি আমদানি কৰি

---

[3] যদি বিনিময় হাৰবোৰৰ মাজত থকা পাৰ্থক্য লেন-দেনৰ খৰচতকৈ বেছি হয়, তেন্তে স্বেচ্ছাচাৰিতাৰ (Arbitrage) জৰিয়তে লাভ অৰ্জন কৰিব পাৰি, অৰ্থাৎ এটা মুদ্ৰা সস্তাত কিনি বেছি দামত বিক্ৰী কৰা ব্যৱস্থা।

[4] ইউৰোপত 16 আৰু 17 শতিকাত জাতীয় ৰাষ্ট্ৰৰ (Nation state) বিকাশৰ সৈতে মাৰ্কেনটেলিষ্ট চিন্তা জড়িত হৈ আছে।

আছিলো আৰু এই আমদানিৰ বিনিময়ত সোণ পৰিশোধ বা প্ৰদান কৰি আছিলো, সেই দেশখনে এতিয়া মূল্য আৰু ব্যয় বৃদ্ধিৰ সন্মুখীন হ'বলগীয়াত পৰিব। ইয়াৰ ফলস্বৰূপে, আমি আমদানি কৰি থকা দেশখনৰ ৰপ্তানিবোৰ পূৰ্বৰ তুলনাত অধিক ব্যয়বহুল হ'ব আৰু সেয়েহে এই দেশৰ ৰপ্তানিৰ পৰিমাণ কমিব। ইয়াৰ বিপৰীতে, এই দেশখনে প্ৰথম দেশখনৰ পৰা কৰা আমদানিবোৰ বৰ্তমান তুলনামূলকভাৱে সস্তীয়া হ'ব আৰু সেয়েহে এই দেশৰ আমদানিৰ পৰিমাণ বৃদ্ধি পাব। এই 'মূল্য-স্পেচি-প্ৰবাহ' (Price-Specie-flow) প্ৰক্ৰিয়াৰ (18 শতাব্দীত মূল্যৱান ধাতুক 'স্পেচি' হিচাপে উল্লেখ কৰা হৈছিল)। লক্ষ্য হ'ল এই যে স্বাভাৱিকভাৱে সোণ হানি হোৱা দেশবোৰৰ বৈদেশিক লেন-দেনৰ অৱস্থাৰ উন্নয়ন সাধন কৰা আৰু অনুকূল বাণিজ্য সমতাত থকা দেশবোৰক অৱনমিত কৰা। এই প্ৰক্ৰিয়াটো সেই সময়লৈ গতিশীল হৈ থাকে যেতিয়ালৈ আন্তৰ্জাতিক বাণিজ্যত আপেক্ষিক দামত ভাৰসমতাৰ পুনৰ নিৰ্ধাৰণ নহয় আৰু পুনৰ নিৰ্ধাৰণ হোৱা এই দামত প্ৰকৃত সোণৰ পৰৱৰ্তী কোনো ধৰণৰ প্ৰবাহ নোহোৱাকৈ আমদানি আৰু ৰপ্তানিৰ সমতা স্থাপন হয়। এই ভাৰসমতা স্থিৰ আৰু স্ব-সংশোধনমুখী (Self-correcting) হয় আৰু ইয়াৰ বাবে কোনো ধৰণৰ শুল্ক আৰু চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজন নহয়। এইদৰে স্থিৰ বিনিময় হাৰ ব্যৱস্থাক স্বয়ংক্ৰিয় ভাৰসমতামুখী (Automatic equilibrating) প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালনা কৰা হয়।

এইখিনিতে উল্লেখযোগ্য যে কেইবাটাও সংকটময় অৱস্থাৰ ফলত স্বৰ্ণমান পদ্ধতি সময়ে সময়ে ধ্বংস হোৱাৰ উপক্ৰম হৈছিল। তথাপি, বিশ্বৰ মূল্যস্তৰবোৰ মূলতঃ সোণ আৱিষ্কাৰৰ (Gold discoveries) দয়াৰ ওপৰতেই প্ৰতিষ্ঠিত আছিল। ইয়াক মুদ্ৰাৰ 'অপৈণত (Crude) পৰিমানগত তত্ত্ব', M=kPY ৰ দ্বাৰা ব্যাখ্যা কৰিব পাৰি। এই তত্ত্বমতে যদি মুঠ জাতীয় উৎপাদন (GNP) প্ৰতিবছৰে 4 শতাংশ হাৰত বাঢ়ে, তেন্তে মূল্যস্তৰ স্থিৰে ৰাখিবলৈ সোণৰ যোগানো প্ৰতি বছৰে 4 শতাংশ হাৰত বৃদ্ধি পাব লাগিব। কিন্তু সোণৰ খনিবোৰ এই বৰ্ধিত পৰিমাণৰ সোণ উৎপাদন কৰাত ব্যৰ্থ হোৱা বাবে মূল্যস্তৰ 19 শতিকাৰ শেষ ভাগত বিশ্বৰ সকলোতে নিম্নগামী হৈছিল আৰু ইয়াৰ ফলত সামাজিক অস্থিৰতা বৃদ্ধি পাইছিল। সেয়েহে এটা সময়ৰ কাৰণে ৰূপক সোণৰ পৰিপূৰক হিচাপে ব্যৱহাৰ কৰি 'দ্বি ধাতুমুদ্ৰা'

(Bimetallism) প্ৰৱৰ্তন কৰা হৈছিল। আকৌ, 'আংশিক জমা বেংক ব্যৱস্থা', (Fractional Reserve Banking) ই সোণৰ মিতব্যয়িতা অনাৰ ক্ষেত্ৰত সহায় কৰিছিল। সেইদৰে কাগজী মুদ্ৰাও সম্পূৰ্ণৰূপে সোণৰ দ্বাৰা সমৰ্থিত নহয়। উদাহৰণস্বৰূপে দেশবোৰে এক-চতুৰ্থাংশ সোণ ইয়াৰ কাগজী মুদ্ৰা ছপা কৰাৰ বিপৰীতে জমা ৰাখে।

সোণৰ মিতব্যয়িতাৰ বাবে ব্যৱহাৰ কৰা আন এটা পদ্ধতি হ'ল 'স্বৰ্ণবিনিময় মান' (Gold exchange standard) পদ্ধতি। এই পদ্ধতি বিশ্বৰ বহুতো দেশে গ্ৰহণ কৰিছিল আৰু এই দেশসমূহে নিজৰ মুদ্ৰা এটা স্থিৰ মূল্যত সোণৰ বাবে বিনিময়যোগ্য কৰি ৰাখিছিল। কিন্তু ইয়াৰ বিনিময়ত এই দেশসমূহে কিছুমান ডাঙৰ ডাঙৰ দেশৰ মুদ্ৰা জমা ৰাখিলেও হৈছিল' (আমেৰিকা যুক্তৰাষ্ট্ৰ বা গ্ৰেট ব্ৰিটেইনৰ মুদ্ৰা), যিবোৰ মুদ্ৰা স্বৰ্ণমানৰ আছিল। এই ব্যৱস্থাবোৰে আৰু 'ক্লোনদাইক' (Klondike) তথা দক্ষিণ আফ্ৰিকাত হোৱা সোণৰ আৱিষ্কাৰে 1992 চনলৈ অৱস্ফীতি (Deflation)ক এক বিস্তৃত (Bay) অৱস্থাত ৰখাত সহায় কৰিছিল। কিছুমান অৰ্থনৈতিক বুৰঞ্জীবিদে তাৰল্যৰ এই নাটনিৰ বাবে 'মহামন্দা' হোৱা বুলি দোষাৰোপ কৰিছিল। 1914 পৰা 1945 চনলৈ এই সময়ছোৱাৰ ভিতৰত বিশ্বত কোনো বিশেষভাৱে পৰিচালিত সাৰ্বজনীন পদ্ধতি নাছিল। বিশ্বৰ ইতিহাসত এই সময়ছোৱাকে স্বৰ্ণমানৰ সংক্ষেপ প্ৰত্যাৱৰ্তন হিচাপে আৰু পৰিৱৰ্তনশীল বিনিময় হাৰৰ এটা সময় হিচাপে বিবেচনা কৰা হৈছিল।

**ব্ৰিটোন্ উড্‌ছ পদ্ধতি (The Bretton Woods System) ঃ** 1944 চনত হোৱা 'ব্ৰিটোন উড্‌ছ' অধিৱেশনে 'আন্তৰ্জাতিক মুদ্ৰা নিধি' (IMF) আৰু 'বিশ্ব বেংক'' (World Bank) গঠন হোৱাৰ পথ সুগম কৰিছিল আৰু এটা স্থিৰ বিনিময় হাৰ পদ্ধতি পুনৰ স্থাপন কৰাত সহায় কৰিছিল। পৰিসম্পত্তি (Asset) পছন্দ কৰাৰ ক্ষেত্ৰত এই পদ্ধতিটো আন্তৰ্জাতিক স্বৰ্ণমান ব্যৱস্থাতকৈ কিছু পৃথক আছিল, য'ত ঘৰুৱা মুদ্ৰাবোৰ পৰিৱৰ্তন কৰিব পৰা গৈছিল। এই দুতৰপীয়া (Two-tier) পৰিৱৰ্তনশীল (Convertible) পদ্ধতি সৃষ্টি কৰা হৈছিল আৰু ইয়াৰ মূল কেন্দ্ৰবিন্দু আছিল ডলাৰ। আমেৰিকাৰ মুদ্ৰাগত কৰ্তৃপক্ষই ডলাৰক এটা স্থিৰ

মূল্যত পৰিৱৰ্তন কৰিব পাৰি বুলি নিশ্চয়তা দিছিল আৰু এই স্থিৰ মূল্যই 35টা ডলাৰক এক আউন্স (ounce) সোণৰ সমান বুলি নিৰ্ধাৰণ কৰিছিল।

এই পদ্ধতিৰ দ্বিতীয় খলপটো হ'ল এই যে আন্তৰ্জাতিক মুদ্ৰানিধিৰ অংশগ্ৰহণকাৰী প্ৰত্যেক সদস্য ৰাষ্ট্ৰৰ মুদ্ৰাগত কৰ্তৃপক্ষই নিজৰ মুদ্ৰা এটা স্থিৰ মূল্যত ডলাৰলৈ পৰিৱৰ্তন কৰিব বুলি চুক্তিবদ্ধ হৈছিল। দ্বি-খলপীয়া পৰিৱৰ্তনশীল বিনিময় হাৰ পদ্ধতিৰ দ্বিতীয় ব্যৱস্থাক চৰকাৰী (Official) বিনিময় হাৰ বোলে। উদাহৰণস্বৰূপে, যদি ফ্ৰান্সৰ ফ্ৰাঙ্কক, প্ৰতি ডলাৰৰ বাবে 5 ফ্ৰাঙ্ক, এই হাৰত বিনিময় কৰিব পাৰি তেন্তে, প্ৰতি আউন্স সোণৰ বাবে 35 ডলাৰ এই হিচাপত ডলাৰক বিনিময় কৰিব পাৰি। এনে ব্যৱস্থাৰ প্ৰৱৰ্তনে ফ্ৰাঙ্কৰ মূল্য প্ৰতি আউন্চ সোণৰ বাবে 175 ফ্ৰাঙ্ক (5x35) হিচাপে স্থিৰ কৰিব নিশ্চয় (5 ফ্ৰাঙ্ক সমান প্ৰতি ডলাৰ, প্ৰতি আউন্স সমান 35 ডলাৰ)। এইখিনিতে উল্লেখযোগ্য যে দেশ এখনৰ বৈদেশিক লেন-দেনৰ বিবৃতিৰ ক্ষেত্ৰত উদ্ভৱ হোৱা 'মৌলিক ভাৰসাম্যহীনতা'ৰ অৱস্থাতহে অকল বিনিময় হাৰ পৰিৱৰ্তনৰ অনুমতি দিয়া হয় আৰু এনে অৱস্থাই বৈদেশিক লেন-দেনৰ বিবৃতিত উদ্ভৱ হোৱা বৃহৎ অনুপাতৰ দীৰ্ঘদিনীয়া (Chronic) ঘাটিক বুজায়।

ওপৰত উল্লেখ কৰা ধৰণৰ সু-সম্পন্ন পৰিৱৰ্তনশীল (Convertibility) পদ্ধতিৰ আৱশ্যকতা আছিল, কাৰণ বিভিন্ন দেশৰ মাজত সোণৰ জমাৰ বিতৰণ দুখলগা ধৰণে অসমান আছিল। সোণৰ বিতৰণ ব্যৱস্থা ইমান অসমান আছিল যে অকল আমেৰিকাই বিশ্বৰ চৰকাৰী সোণ জমাৰ প্ৰায় 70 শতাংশ অধিকাৰ কৰি আছিল। সোণৰ মজুতৰ এনে বিষম পৰিস্থিতিয়ে ইয়াৰ 'বিস্তৃত পুনৰ বিতৰণ' (Massive redistribution) কৰাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয় বুলি বিবেচিত হৈছিল আৰু এইদৰে আন আন মুদ্ৰাবোৰলৈ সোণৰ পৰিৱৰ্তনশীলতাৰ এটা বিশ্বাসযোগ্য ব্যৱস্থাৰ প্ৰয়োজন হৈছিল। তদুপৰি এইটো বিশ্বাস কৰা হৈছিল যে সেই সময়ত থকা সোণৰ মজুতৰ পৰিমাণে আন্তৰ্জাতিক তৰলতাৰ যি ক্ৰমবৰ্ধিত চাহিদাক তাৰ পূৰণ কৰাৰ বাবে যথেষ্ট নাছিল। সেই সময়ত সোণৰ সঞ্চয় ৰক্ষা কৰাৰ অৰ্থে এটা ব্যৱস্থা আছিল আৰু সেইটো হ'ল দুই-তৰপীয়া পৰিৱৰ্তনশীল

পদ্ধতি। এই পদ্ধতিমতে মূল (Key) মুদ্ৰাক সোণলৈ পৰিৱৰ্তন কৰিব পাৰি আৰু আনবোৰ মুদ্ৰাক মূল মুদ্ৰালৈ পৰিৱৰ্তন কৰিব পাৰি।

দ্বিতয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত বিশ্বৰ দেশবোৰৰ অৰ্থনীতি এক শোচনীয় অৱস্থালৈ অৱনমিত হৈছিল। বেছি ভাগ দেশ যুদ্ধৰ ফলত ধ্বংসস্তূপত পৰিণত হৈছিল আৰু পুনৰ নিৰ্মাণৰ বাবে প্ৰচুৰ অৰ্থৰ প্ৰয়োজন হৈছিল। দেশবোৰৰ আমদানিৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছিল। তদুপৰি এই দেশবোৰৰ চলিত ঘাটিবোৰ পূৰণ কৰাৰ বাবে নিজৰ নিজৰ দেশৰ জমাবোৰ (Reserve) ভাঙি বিত্তৰ যোগান ধৰা হৈছিল। সেই সময়ত বিশ্বৰ আন আন দেশসমূহৰ মুদ্ৰা জমাৰ মূল উপাদাণ (Component) আছিল আমেৰিকান ডলাৰ আৰু দেশবোৰৰ এনে জমাৰ পৰিমান বৃদ্ধি হৈ গৈ আছিল। ইয়াৰ ফলত আমেৰিকাই একেৰাহে বৈদেশিক লেন-দেনৰ বিবৃতিৰ ঘাটিত চলিবলগীয়া হৈছিল। (আন দেশবোৰে ডলাৰবোৰ জমা সম্পদ হিচাপে ৰাখিবলৈ ইচ্ছা কৰিছিল, কাৰণ তেওঁলোকে তেওঁলোকৰ মুদ্ৰা আৰু ডলাৰৰ মাজত পৰিৱৰ্তনশীলতা তদাৰক কৰিব বুলি প্ৰতিজ্ঞাবদ্ধ আছিল)।

ওপৰত উল্লেখ কৰা ব্যৱস্থাৰ ফলত উদ্ভৱ হোৱা মূল সমস্যাটো হ'ল এই যে যদি আমেৰিকাৰ হ্ৰস্বকালীন ডলাৰৰ দায়বদ্ধতা ইয়াত থকা সোণৰ পৰিমাণৰ তুলনাত বৃদ্ধি হৈ থাকে, তেন্তে ডলাৰক সোণলৈ স্থিৰ মূল্যত পৰিৱৰ্তন কৰিবলৈ কৰা প্ৰতিজ্ঞাৰ বিশ্বাসযোগ্যতাৰ ওপৰত থকা আস্থা নোহোৱা হৈ যাব। যিহেতু কেন্দ্ৰীয় বেংকবোৰৰ বৰ্তমানে থকা ডলাৰবোৰ সোণলৈ পৰিৱৰ্তন কৰিব পৰা এটা অভিভূতকাৰী (Overwhelming) ক্ষমতা আছে আৰু সেয়েহে সময়ত এই বেংকে আমেৰিকাক ইয়াৰ প্ৰতিজ্ঞা ত্যাগ কৰিবলৈ জোৰ দিয়ে। 'ব্ৰিটোন উড্‌ছ পদ্ধতি'ৰ প্ৰধান সমালোচক ৰবাৰ্ট ট্ৰিফিনে (Triffin) আগবঢ়োৱা এইটোৱে আছিল 'ট্ৰিফিনৰ বিবুধি অৱস্থা' (Triffin Dilema)। ট্ৰিফিনে পৰামৰ্শ দিছিল যে কেন্দ্ৰীয় বেংকবোৰৰ কাৰণে 'আন্তৰ্জাতিক মুদ্ৰানিধি' (IMF)য়ে এটা 'জমা বেংক' হিচাপে কাৰ্যনিৰ্বাহ কৰা উচিত আৰু এটা নতুন 'জমা পৰিসম্পত্তি' (Reserve Asset) আন্তৰ্জাতিক মুদ্ৰানিধিৰ নিয়ন্ত্ৰণত সৃষ্টি কৰিব লাগে। তদুপৰি আন্তৰ্জাতিক মুদ্ৰানিধিত আন্তৰ্জাতিক জমাৰ মজুত বৃদ্ধি কৰাৰ উদ্দেশ্যে 1967 চনত 'স্পেচিয়েল ড্ৰয়িং ৰাইট্‌ছ' (SDRs) সৃষ্টি কৰি সোণক

স্থানান্তৰিত (Replaced) কৰা হৈছিল আৰু ইয়াক ‘কাগজ সোণ’ (Paper Gold) নামেৰেও জনা হৈছিল।

এই ব্যৱস্থাৰ আৰম্ভণিতে ‘স্পেচিয়েল ড্ৰয়িং ৰাইট্ছ’ক সোণৰ মানত সংজ্ঞা দিয়া হৈছিল, যেনে ‘স্পেচিয়েল, ড্ৰয়িং ৰাইট্ছ’ক এক আউন্স সোণৰ সমান বুলি ধৰা হৈছিল (ব্ৰিটোন উড্ছ পদ্ধতিৰ ডলাৰ-সোণৰ হাৰ)। উল্লেখযোগ্য যে 1974 চনৰ পৰা ইয়াৰ (এই ব্যৱস্থাৰ) কেইবাবাৰো পুনৰ সংজ্ঞা দিয়া হৈছিল। বৰ্তমান ইয়াক পাঁচখন দেশৰ (ফৰাচী, জাৰ্মেনী, জাপান, গ্ৰেট ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ) চাৰিবিধ মুদ্ৰাৰ (ইউৰো, ডলাৰ, ইয়েন, পাউণ্ড, ষ্টাৰলিং) ডলাৰৰ মূল্যত ভৰযুক্ত যোগফল হিচাপে দৈনিক জোখা হয়। আন্তৰ্জাতিক মুদ্ৰানিধিৰ যিবোৰ সদস্য ৰাষ্ট্ৰই ইয়াক জমা মুদ্ৰা (Reserve currency) হিচাপে ৰাখিব বিচাৰে, যিবোৰ দেশে ঘৰুৱা মুদ্ৰাবোৰ কেন্দ্ৰীয় বেংকসমূহৰ মাজত বিনিময় কৰাৰ বাবে পৰিশোধ (Payments) হিচাপে ৰাখিব বিচাৰে আৰু যিবোৰ দেশে ঘৰুৱা মুদ্ৰাবোৰ কেন্দ্ৰীয় বেংকসমূহৰ মাজত বিনিময় কৰাৰ বাবে পৰিশোধ (Payments)ৰ মাধ্যম হিচাপে ইয়াক ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰে, তেনেবোৰ দেশৰ পৰা ই ক্ষমতা বা শক্তি (Strength) আহৰণ কৰে। ‘স্পেচিয়েল ড্ৰয়িং ৰাইট্ছ’ৰ মূল কিস্তিসমূহ সদস্য দেশসমূহৰ নিধিত থকা ‘নিৰ্ধাৰিত পৰিমাণ’ অনুযায়ী বিতৰণ কৰি দিয়া হয়। (নিৰ্ধাৰিত পৰিমাণটো বিস্তৃতভাৱে দেশৰ অৰ্থনৈতিক আৱশ্যকতাৰ লগত সম্পৰ্কযুক্ত, যিটো ইয়াৰ আন্তৰ্জাতিক বাণিজ্যত থকা মূল্যৰ দ্বাৰা প্ৰদৰ্শিত হয়)।

ভালকৈ ফঁহিয়াই চালে বুজা যায় যে ‘ব্ৰিটোন উড্ছ’ পদ্ধতি দৰাচলতে পূৰ্বতে সংঘটিত হোৱা বহুতো ঘটনাৰ পৰিণতিত ধ্বংসপ্ৰাপ্ত হৈছিল। এই ঘটনাবোৰৰ ভিতৰত 1967 চনত হোৱা পাউণ্ডৰ অৱমূল্যায়ন, 1968 চনত ডলাৰৰ পৰা সোণলৈ হোৱা উৰণ (Flight) আদি উল্লেখযোগ্য আৰু এইবোৰে দুই-তৰপীয়া সোণৰ বজাৰ সৃষ্টিত ইন্ধন যোগাইছিল (ইয়াৰে এটা হ’ল চৰকাৰী হাৰ, প্ৰতি আউন্সত 35 ডলাৰ আৰু আনটো হ’ল বজাৰৰ দ্বাৰা নিৰ্ধাৰিত বে-চৰকাৰী হাৰ)। এইবোৰৰ উপৰিও অৱশেষত 1971 চনৰ আগষ্ট

মাহৰ ব্ৰিটিছে দাবী জনায় যে আমেৰিকাই নিজৰ অধীনত থকা ডলাৰৰ সোণৰ মূল্যৰ নিশ্চয়তা (Guarantee) প্ৰদান কৰিব লাগে। এনে পৰিস্থিতিৰ ফলত আমেৰিকাই ডলাৰ আৰু সোণৰ মাজত থকা সম্পৰ্কক পৰিত্যাগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়াত পৰে।

আকৌ 1971 চনত 'স্মিথোচোনিয়ান চুক্তি' (Simthosonian Agreement) সম্পন্ন হৈছিল আৰু ইয়াৰ ফলত বিনিময় হাৰৰ অনুমোদিত আন্দোলনৰ সমষ্টি (Permissible band of movements) য়ে 2.5 শতাংশৰ ওপৰত অথবা 'নতুন কেন্দ্ৰীয় হাৰ'ৰ তললৈ সম্প্ৰসাৰিত হৈছিল। এই চুক্তিৰ মূল উদ্দেশ্য আছিল বৈদেশিক বাণিজ্যৰ ঘাটিত থকা দেশবোৰৰ ওপৰত পৰা অৰ্থনৈতিক হেঁচা হ্ৰাস কৰা, কিন্তু ই মাত্ৰ 14 মাহমানলৈকে বৰ্তি আছিল। 1970 চনৰ আগভাগত বিশ্বৰ উন্নত বজাৰ পৰিচালিত অৰ্থনীতিৰ দেশসমূহে ভাসমান বিনিময় হাৰ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল। এই হাৰ পোন প্ৰথমে (1970 ৰ আগভাগত) গ্ৰেট ব্ৰিটেইনে গ্ৰহণ কৰিছিল আৰু ইয়াৰ পিচত অতিশীঘ্ৰে ছুইজাৰলেণ্ডে আৰু পিচত জাপানেও অনুসৰণ কৰিছিল। 1976 চনত আন্তৰ্জাতিক মুদ্ৰানিধিৰ অনুচ্ছেদৰ সংশোধন কৰা হৈছিল আৰু ইয়ে দেশসমূহক তেওঁলোকৰ মুদ্ৰাবোৰ ভাসমান কৰি ৰাখিব নে শিথিল কৰি ৰাখিব সেইটো পছন্দ কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। উল্লেখযোগ্য যে শিথিল হাৰবোৰ পৰিচালনাৰ বাবে কোনো নীতি নাছিল আৰু ভাসমান বিনিময় হাৰ পৰ্যবেক্ষণ কৰিবলৈ কোনো বাস্তৱিক ব্যৱস্থা নাছিল।

**বৰ্তমানৰ দৃশ্যপট (The Current Scenario) ঃ** বৰ্তমান অৱস্থাত বিশ্বৰ বহুতো দেশত স্থিৰ বিনিময় হাৰ প্ৰচলিত হৈ আছে। কিছুমান দেশে আকৌ তেওঁলোকৰ মুদ্ৰা ডলাৰলৈ শিথিল কৰি ৰাখিছে। **ব্ৰিটোন্ উড্‌ছ পদ্ধতি** 1999 চনৰ জানুৱাৰীত 'ইউৰোপিয়ান মুদ্ৰাগত সন্থা' গঠন কৰা হয় আৰু ইয়ে সন্থাৰ সদস্যসকলৰ মুদ্ৰাবোৰৰ মাজত বিনিময় হাৰ স্থায়ীভাৱে স্থিৰ কৰাৰ বাবে ইউৰোপিয়ান কেন্দ্ৰীয় বেংকৰ পৰিচালনাত 'ইউৰো' নামেৰে এটা নতুন সাধাৰণ (Common) মুদ্ৰা প্ৰৱৰ্তন কৰাৰ বাবে আত্ম-নিয়োগ কৰে। 2002 চনৰ জানুৱাৰীৰ পৰা আচল নোটবোৰৰ আৰু মুদ্ৰাবোৰৰ সূচনা কৰা হয়। বৰ্তমানলৈকে 'ইউৰোপীয়

সন্থাৰ' 25 খন সদস্য ৰাষ্ট্ৰৰ ভিতৰত 12 খন সদস্য ৰাষ্ট্ৰই 'ইউৰো' গ্ৰহণ কৰিছে। কিছুমান দেশে তেওঁলোকৰ মুদ্ৰা ফ্ৰাঞ্চৰ ফ্ৰাঙ্কলৈ শিথিল কৰিছে আৰু এইবোৰৰ বেছিভাগেই আফ্ৰিকাত থকা পূৰ্বৰ ফ্ৰাঞ্চৰ উপনিবেশ আছিল। আনবোৰ দেশে আকৌ তেওঁলোকৰ মুদ্ৰাবোৰ 'এপাচি মুদ্ৰা'লৈ (A basket of currencies) শিথিল কৰি ৰাখে আৰু এইবোৰ দেশৰ বাণিজ্যৰ গঠন ভৰ (weight) ৰ সহায়ত প্ৰকাশ কৰা হয়। সেইদৰে, সৰু দেশবোৰেও প্ৰায়ে তেওঁলোকৰ বাণিজ্যিক অংশীদাৰৰ যিকোনো এজন গুৰুত্বপূৰ্ণ অংশীদাৰৰ লগত তুলনামূলকভাৱে বিনিময় হাৰ স্থিৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, আৰ্জেণ্টিনাই 1991 চনত 'মুদ্ৰা ব'ৰ্ড পদ্ধতি' (Currency Board System) প্ৰৱৰ্তন কৰিছিল। এই ব'ৰ্ডৰ অধীনত স্থানীয় মুদ্ৰা ('পেচো') আৰু ডলাৰৰ মাজত বিনিময় হাৰ আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছিল। কেন্দ্ৰীয় বেংকে প্ৰচুৰ পৰিমাণে বৈদেশিক মুদ্ৰা জমা ৰাখিছিল যাতে সকলো ধৰণৰ মুদ্ৰা আৰু এই বেংকে প্ৰবাহিত কৰা (Issued) সকলোবোৰ জমা ওভতাই দিয়াটো সম্ভৱপৰ হয়। এনেধৰণৰ ব্যৱস্থাত দেশে নিজ ইচ্ছামতে মুদ্ৰাৰ যোগান বঢ়াব নোৱাৰে। আকৌ, যদি কোনো দেশত ঘৰুৱা বেংকৰ সমস্যা উদ্ভৱ হয় (অৰ্থাৎ যেতিয়া বেংকে ঘৰুৱা মুদ্ৰা ঋণ ল'বলগীয়া হয়), তেনে পৰিস্থিতিতো কেন্দ্ৰীয় বেংকে কোনোপধ্যে 'শেষ পৰ্যায়ৰ ঋণদাতা' (Lender of last resort) হিচাপে কাৰ্য সম্পাদন কৰিব নোৱাৰে। যিয়েই নহওক, সমস্যাৰ সন্মুখীন হৈ আৰ্জেণ্টিনাই 'মুদ্ৰা ব'ৰ্ড' পৰিত্যাগ কৰিছিল আৰু ইয়াৰ মুদ্ৰাক 2002 চনৰ জানুৱাৰীত ভাসমান হ'বলৈ এৰি দিছিল।

2002 চনত ইকুৱেডৰে (Equdor) আন এক ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু ই হ'ল 'ডলাৰীকৰণ' (Dolarisation) ব্যৱস্থা। এই ব্যৱস্থা গ্ৰহণ কৰা হৈছিল সেই সময়ত যেতিয়া ইকুৱেডাৰ দেশীয় মুদ্ৰা ত্যাগ কৰিছিল আৰু আমেৰিকাৰ ডলাৰ গ্ৰহণ কৰিছিল। সকলো ধৰণৰ দাম ডলাৰৰ মানত (In doller terms) উদ্ধৃত (Quoted) কৰা হৈছিল আৰু দেশীয় মুদ্ৰা কোনো পৰিস্থিতিতে লেন-দেনত ব্যৱহাৰ কৰা হোৱা নাছিল। যদিও অনিশ্চয়তা আৰু দায়িত্বশীলতা দূৰ কৰিব পাৰি, তথাপি ইকুৱেডৰে আমেৰিকাৰ কেন্দ্ৰীয় বেংক অৰ্থাৎ 'যুক্তৰাষ্ট্ৰীয় ৰিজাৰ্ভ (The Federal Reserve) বেংক'ক ইয়াৰ টকাৰ যোগানৰ ওপৰত

নিয়ন্ত্ৰণ ৰখাৰ কৰ্তৃত্ব অৰ্পণ কৰিছিল আৰু বৰ্তমান ই আমেৰিকাৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল।

এইদৰে, সামূহিকভাৱে বিচাৰ কৰিলে বুজা যায় যে আন্তৰ্জাতিক পদ্ধতি হ'ল 'একাধিক শাসন ব্যৱস্থা' (Multiple of regimes) ৰ বৈশিষ্ট্য বহনকাৰী এক ব্যৱস্থা। বেছিভাগ বিনিময় হাৰ দৈনিক ভিত্তিত সামান্যভাৱে পৰিৱৰ্তন হয়। সাধাৰণতে বজাৰ শক্তিসমূহে মূল ধাৰাসমূহ (Basic trends) নিৰ্ধাৰণ কৰে। আনকি, যিবোৰ দেশে বিনিময় হাৰ স্থিৰ হিচাপে ৰখাৰ পক্ষ বেছিকৈ সমৰ্থন কৰে, সেইবোৰ দেশে সাধাৰণতে কিছুমান সীমা (Ranges) প্ৰস্তাৱ কৰে, আৰু চৰকাৰে আক্ষৰিক (Literally) ভাৱে বিনিময় হাৰ ঠিক কৰাৰ পৰিবৰ্তে প্ৰস্তাৱিত এই সীমাসমূহৰ ভিতৰত এই হাৰ স্থিৰ কৰা উচিত। আকৌ, এনে হাৰৰ ক্ষেত্ৰত সোণৰ বাবে থকা ভূমিকাক কাৰ্যত অপসৰণ (Virtual elimination) কৰিবলগীয়া হয়। সেয়েহে এনেবোৰ ব্যৱস্থাৰ পৰিবৰ্তে এখন মুকলি বজাৰত সোণৰ চাহিদা আৰু যোগানৰ দ্বাৰা ইয়াৰ মূল্য নিৰ্ধাৰণ কৰা হয়। উল্লেখযোগ্য যে সোণৰ চাহিদা আৰু যোগান মূলতঃ সোণাৰীসকল, উদ্যোগজাত বস্তুৰ ভোক্তাসকল, লাভৰ আশাত ফুৰা বেপাৰীসকল আৰু সাধাৰণ নাগৰিকসকলৰ পৰা আহে আৰু এই লোকসকলে সোণক মূল্যৰ ভাল ভঁৰাল হিচাপে গণ্য কৰে।

## 6.3. মুকলি অৰ্থনীতিত আয় নিৰ্ধাৰণ (The Determination of Income in an Open Economy)

যেতিয়া এখন অৰ্থনীতিৰ ভোক্তাসকলে আৰু প্ৰতিষ্ঠানবোৰে ঘৰুৱাভাৱে উৎপাদিত বস্তু আৰু বিদেশত উৎপাদিত বস্তু ক্ৰয় কৰাৰ সুযোগ (Option) লাভ কৰে, তেনে অৱস্থাত 'বস্তুৰ ঘৰুৱা চাহিদা' আৰু 'ঘৰুৱা বস্তুৰ চাহিদা' এই দুয়োটাৰ মাজৰ পাৰ্থক্য নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয় হৈ পৰে। তলত ইয়াৰ ব্যাখ্যা আগবঢ়োৱা হ'ল—

**6.3.1. মুক্ত অৰ্থনীতিত জাতীয় আয়ৰ অভেদ বা সাদৃশ্য (National Income Identity for an Open Economy)-** বন্ধ (Closed) অৰ্থনীতিসমূহৰ ঘৰুৱা বস্তুৰ

চাহিদাৰ তিনিটা মূল উৎস থাকে আৰু এই উৎস তিনিটা হ'ল ভোগ (C), চৰকাৰী ব্যয় (G) আৰু বিনিয়োগ (I) এই কথাখিনিক আমি নিম্নলিখিত ধৰণে দেখুৱাব পাৰো—

$Y = C + I + G$................ (6.2)

ইয়াৰ বিপৰীতে, মুকলি অৰ্থনীতিত ৰপ্তানি আৰু আমদানিৰ ব্যৱস্থা থাকে। এখন দেশে কৰা ৰপ্তানিসমূহে সেই দেশৰ ঘৰুৱা বস্তু আৰু সেৱাসমূহৰ চাহিদাৰ এক অতিৰিক্ত উৎস গঠন কৰে। এই অতিৰিক্ত চাহিদা বিদেশৰ পৰা আহে আৰু এই চাহিদা দেশখনৰ সামগ্ৰিক চাহিদাৰ লগত সংযোজন হয়। সেইদৰে, দেশ এখনে কৰা আমদানিবোৰে ঘৰুৱা বস্তুৰ যোগানৰ বজাৰত অতিৰিক্ত সংযোজন ঘটায় আৰু ইয়ে ঘৰুৱা চাহিদাৰ সেই অংশটো গঠন কৰে, যিটো বৈদেশিক বস্তু আৰু সেৱা দ্ৰব্যৰ লগত জড়িত। সেয়েহে মুকলি অৰ্থনীতিত জাতীয় আয়ক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি—

$Y + M = C + I + G + X$................ (6.3)

ইয়াক পুনৰ সজাই (Re-arrenging) আমি লিখিব পাৰো যে

$Y = C + I + G + X - M$..................(6.4)

নাইবা $Y = C+I+G+NX$................. (6.5)

য'ত, NX হ'ল প্ৰকৃত ৰপ্তানি (ৰপ্তানি বিয়োগ আমদানি); এটা ধনাত্মক NX (আমদানিতকৈ ৰপ্তানি বেছি) য়ে বাণিজ্যৰ উদ্বৃত্তক বুজায় আৰু এটা ঋণাত্মক NX (আমদানিতকৈ ৰপ্তানি কম) য়ে বাণিজ্যৰ ঘাটিক বুজায়।

মুক্ত অৰ্থনীতিত ভাৰসাম্য আয় নিৰ্ধাৰণৰ ক্ষেত্ৰত থকা আমদানি আৰু ৰপ্তানিৰ ভূমিকা পৰীক্ষা কৰাৰ বাবে বন্ধ অৰ্থনীতিত প্ৰয়োগ কৰা সেই একেই কাৰ্যপদ্ধতি অনুসৰণ কৰা হয়। উল্লেখযোগ্য যে বন্ধ অৰ্থনীতিত বিনিয়োগ কৰা চৰকাৰী ব্যয়ক স্বতন্ত্ৰ হিচাপে ধৰা হয়। ইয়াৰ উপৰিও আমদানি আৰু ৰপ্তানি নিৰ্ভৰ কৰা উপাদানসমূহৰ চিনাক্তকৰণৰ প্ৰয়োজনীয়তা নথকা নহয়। আমদানিৰ চাহিদা ঘৰুৱা আয় (Y) আৰু প্ৰকৃত বিনিময় হাৰ